PGAS S4 02 (Lit)

Exam Code : 125 N

অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ

চতুৰ্থ ষাণ্মাসিক

অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **মালিনী গোস্বামী,** অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **উপেন ৰাভা হাকাচাম,** অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **খগেশ সেন ডেকা,** (অৱসৰপ্ৰাপ্ত) সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	**ডঃ ভণিতা নাথ,** সুৰেন দাস মহাবিদ্যালয়, হাজো
২, ৫, ১০, ১১ আৰু ১৪	**অৰ্ণৱ শৰ্মা,** এছ বি দেওৰা মহাবিদ্যালয়
৩ আৰু ৪	**ডঃ প্ৰভাত ভূঞা,** অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ
৬, ৭ আৰু ৮	**বিস্মিতা দে**ৰী, গৱেষক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৯	**ড° গীতাঞ্জলী তালুকদাৰ,** পূব বংশৰ মহাবিদ্যালয়
১২ আৰু **১৩**	**ড° ৰুণমণি বৰা ফুকন**, চন্দ্ৰপুৰ মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	**ড° প্ৰাণজিৎ বৰা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়**
সম্পাদনা সহযোগী	ঃ	**ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা	ঃ	**ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১৮, দ্বিতীয় প্ৰকাশ ঃ চেপ্তেম্বৰ, ২০২১

ISBN : 978-93-87940-76-5

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/ For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

এই শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কাৰ্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
মহানগৰ কাৰ্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ চতুৰ্থ ষাণ্মাসিকৰ সংশোধিত আৰু পৰিবৰ্ধিত পাঠ্যবিষয়। 'অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ' শীৰ্ষক এই পাঠ্যবিষয় চতুৰ্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয়। সাহিত্য আৰু সাহিত্য সৃষ্টিৰ পৰা উদ্ভূত ভাবৰাশিক কোনো নিৰ্দিষ্ট পৰিসীমাত আবদ্ধ কৰি ৰাখিব নোৱাৰি। ইয়াৰ চিৰ প্ৰবাহমান সোঁতটোৱে ভৌগোলিক সীমা, ৰাজনৈতিক প্ৰতিবন্ধকতা আৰু অন্যান্য প্ৰতিবন্ধকতাকো চেৰাই বিশ্ব মানৱৰ মনত ঘৰ কৰি লয়। অৱসৰ বিনোদনৰ বাবে সাহিত্য সৃষ্টি পঢ়িলে যি দৃষ্টিভঙ্গী গ্ৰহণ কৰা হয়, সেই একেখিনি সৃষ্টিৰাজিকে বিদ্যায়তনিক দৃষ্টিভঙ্গীৰে চালে দৃষ্টিভঙ্গী সুকীয়া হ'ব— তাৰ পদ্ধতিগত আলোচনা ভিন্ন হ'ব। তেতিয়া পদ্ধতি বিশেষৰ নামকৰণ প্ৰয়োজনীয় হ'ব। একেদৰে আলোচনাৰ শ্ৰেণীবিভাজনো ভিন্ন হ'ব। স্নাতকোত্তৰ অসমীয়াৰ চতুৰ্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আমিও এই বিশেষ পাঠ্যবিষয়খন বিশেষভাৱে সজাইছোঁ য'ত উপলব্ধ হ'ব অসমীয়া সাহিত্যৰ বিভিন্ন শাখাত পৰা পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ।

পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টোৰ শিৰোনাম 'অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ ঃ কাৰক আৰু পৰিসৰ'। ইয়াত সামগ্ৰীক ভাৱে অসমীয়া সাহিত্যৰ প্ৰধান শাখা কবিতা, নাটক, উপন্যাস আৰু চুটিগল্পৰ লগতে অন্যান্য শাখাত পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ কি দৰে পৰিছে তাৰ এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা হ'ব। দ্বিতীয় অধ্যায় 'অনুবাদ সাহিত্য ঃ সাহিত্যিক উপাদান প্ৰয়োগত পাশ্চাত্য প্ৰয়োগ'- এই অধ্যয়ৰ আলোচনাই অনুবাদৰ সংজ্ঞা আৰু স্বৰূপ, অসমীয়া সাহিত্য আৰু অনুবাদ, পাশ্চাত্য সাহিত্যৰ অনুবাদে অসমীয়া সাহিত্যত কিদৰে প্ৰভাৱ পেলাইছে তাক সামৰিছে। তৃতীয়, চতুৰ্থ আৰু পঞ্চম অধ্যায়ে ১৮৮৯ চনৰ পৰা ২০০০ চনলৈ অসমীয়া কবিতাত পাশ্চাত্য প্ৰভাৱ কি দৰে পৰিছে তাৰ আলোচনা সন্নিৱিষ্ট হৈছে। ষষ্ঠ, সপ্তম আৰু অষ্টম অধ্যায়ে ১৮৮৯ চনৰ পৰা ২০০০ চনলৈ অসমীয়া নাটকত পেলোৱা পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে আলোচনা আছে। ঠিক সেই দৰে নৱম, দশম আৰু একাদশ অধ্যায়ত ১৮৮৯ চনৰ পৰা ২০০০ চনলৈ অসমীয়া উপন্যাসত পাশ্চাত্য প্ৰভাৱ কি দৰে পৰিছে তাৰ মনোজ্ঞ লেখ পাব। জোনাকীৰ সময়ৰ পৰা আৰম্ভ হোৱা উপন্যাসৰ এই বিশেষ যাত্ৰাত বাঁহী, ঊষা, আৱাহন, জয়ন্তী, ৰামধেনু, গৰীয়সী আদি আলোচনীয়েও বৰঙণি যোগাইছে। ইয়াত বিশিষ্ট ঔপন্যাসিক কেইগৰাকীমানৰ উপন্যাসকৃতিত কি দৰে পাশ্চাত্যৰ উপন্যাস ৰচনা আৰু বিষয়বস্তুৰ দ্বাৰা প্ৰভাৱিত হৈছে তাৰ লেখ পাব। দ্বাদশ, ত্ৰয়োদশ আৰু চতুৰ্দশ অধ্যায়ে ১৮৮৯ চনৰ পৰা ২০০০ চনলৈ অসমীয়া চুটিগল্পত পাশ্চাত্যৰ প্ৰভাৱ কি দৰে অনুভূত হৈছে তাৰ লেখ পাব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ ঃ কাৰক আৰু পৰিসৰ** ৭-২০

অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ; কাৰক; পৰিসৰ ঃ কবিতা, নাটক, উপন্যাস, চুটিগল্প, অন্যান্য; ফলাফল

অধ্যায় ২ ঃ **অনুবাদ সাহিত্য ঃ সাহিত্যিক উপাদান প্রয়োগত পাশ্চাত্য প্রয়োগ** ২১-৩২

অনুবাদ ঃ সংজ্ঞা আৰু স্বৰূপ; অসমীয়া সাহিত্য আৰু অনুবাদ; অসমীয়ালৈ অনূদিত হোৱা পাশ্চাত্য সাহিত্য; পাশ্চাত্য সাহিত্যৰ অনুবাদে অসমীয়া সাহিত্যত পেলোৱা প্রভাৱ

অধ্যায় ৩ ঃ **অসমীয়া কবিতাত পাশ্চাত্য প্রভাৱ (১৮৮৯-১৯৪০)** ৩৩-৫০

ৰোমাণ্টিক যুগৰ অসমীয়া কবিতাৰ পটভূমি; ৰোমাণ্টিক যুগৰ অসমীয়া কবিসকলৰ কবিতাত পাশ্চাত্য প্রভাৱ

অধ্যায় ৪ ঃ **অসমীয়া কবিতাত পাশ্চাত্য প্রভাৱ (১৯৪০-১৯৭০)** ৫১-৬৭

আধুনিক অসমীয়া কবিতাৰ পটভূমি আৰু বৈশিষ্ট্যসমূহ; অসমীয়া কবিৰ কবিতাত (১৯৪০-১৯৭০) পাশ্চাত্য আধুনিক কবিসকলৰ প্রভাৱ

অধ্যায় ৫ ঃ **অসমীয়া কবিতাত পাশ্চাত্য প্রভাৱ (১৯৭০-২০০০)** ৬৮-৭৭

আধুনিক অসমীয়া কবিতাৰ পটভূমি; আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্য; আধুনিক অসমীয়া কবিতাত (১৯৭০-২০০০) পাশ্চাত্য প্রভাৱ

অধ্যায় ৬ ঃ **অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৮৮৯-১৯৪০)** ৭৮-৮৮

আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৮৮৯-১৯৪০)

অধ্যায় ৭ ঃ **আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৯৪০-১৯৭০)** ৮৯-৯৬

১৯৪০-১৯৭০ চনৰ সময়চোৱাত ৰচিত অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ

অধ্যায় ৮ ঃ **আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৯৭০-২০০০)** ৯৭-১০৮

১৯৭০-২০০০ চনৰ সময়চোৱাত ৰচিত অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ

অধ্যায় ৯ ঃ **অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ (১৮৮৯-১৯৪০)** ১০৯-১১৭

অসমীয়া উপন্যাস আৰু পাশ্চাত্য সাহিত্য; জোনাকী যুগ (১৮৮৯-১৯৪০)ৰ অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ;

অধ্যায় ১০ ঃ **অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ (১৯৪০-১৯৭০)** ১১৮-১২৩

অসমীয়া সমাজত সংঘটিত হোৱা বিভিন্ন সুদূৰপ্রসাৰী ঘটনা, যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্বৰ ১৯৪০-১৯৭০)ৰ অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ

অধ্যায় ১১ ঃ অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ (১৯৭০-২০০০) **১২৫-১৩২**
অসমীয়া সমাজত সংঘটিত হোৱা বিভিন্ন সুদূৰপ্রসাৰী ঘটনা, যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্বৰ (১৯৭০-২০০০)ৰ অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ

অধ্যায় ১২ ঃ অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ (১৮৮৯-১৯৪০) **১৩৩-১৪১**
অসমীয়া চুটিগল্পৰ পটভূমি (১৮৮৯-১৯৪০); অসমীয়া চুটিগল্পকাৰসকলৰ সৃষ্টিকর্মত পাশ্চাত্য প্রভাৱ

অধ্যায় ১৩ ঃ অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ (১৯৪০-১৯৭০) **১৪২-১৫১**
১৯৪০-১৯৭০ চনৰ সময়চোৱাৰ সাহিত্যিক পটভূমি; অসমীয়া চুটিগল্পকাৰসকলৰ চুটিগল্পত পাশ্চাত্য প্রভাৱ

অধ্যায় ১৪ ঃ অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ (১৯৭০-২০০০) **১৫২-১৫৭**
১৯৭০-২০০০ চনৰ সময়চোৱাৰ সাহিত্যিক পটভূমি, অসমীয়া চুটিগল্পকাৰসকলৰ চুটিগল্পত পাশ্চাত্য প্রভাৱ

প্রসঙ্গ পুথি **১৫৮-১৬০**

অধ্যায় ১ ঃ অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ ঃ কাৰক আৰু পৰিসৰ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ

১.৪ কাৰক

১.৫ পৰিসৰ

- ১.৫.১ কবিতা
- ১.৫.২ নাটক
- ১.৫.৩ উপন্যাস
- ১.৫.৪ চুটিগল্প
- ১.৫.৫ অন্যান্য (জীৱনী, সমালোচনা, ব্যাকৰণ, অভিধান, ভাষাতত্ত্ব আদি)

১.৬ ফলাফল

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ (কেৱল ৰূপৰেখা)

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ কেনেদৰে পৰিছে সেই সম্পর্কে বিস্তৃতভাৱে জানিব পাৰিব
- মিছনেৰীসকলৰ অসমীয়া সাহিত্যলৈ অৱদান সম্পর্কে জানিব পাৰিব
- কলিকতাত পঢ়িবলৈ যোৱা অসমীয়া ছাত্রদলে 'জোনাকী'ৰ জৰিয়তে কি দৰে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ প্রচেষ্টাত ব্রতী হৈছিল সেই সম্পর্কে জানিব পাৰিব
- আধুনিক অসমীয়া সাহিত্য পাশ্চাত্য প্রভাৱৰ দ্বাৰা প্রভাৱিত হোৱা কাৰক সম্পর্কে জানিব পাৰিব
- আধুনিক অসমীয়া সাহিত্যৰ বিভিন্ন বিভাগ (যেনে ঃ কবিতা, নাটক, উপন্যাস, চুটিগল্প আদি) পাশ্চাত্য প্রভাৱত কেনেদৰে পৰিপুষ্ট হৈছে সেই সম্পর্কে জানিব পাৰিব ।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ যাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় হৈছে 'অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ'। উক্ত পাঠ্যবিষয়ৰ অন্তৰ্ভক্ত প্রথম অধ্যায় 'অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ ঃ কাৰক আৰু পৰিসৰ' শীৰ্ষক বিষয়ত পাশ্চাত্য সাহিত্যৰপৰা অহা বিভিন্ন কাৰক সম্পৰ্কে আলোচনা কৰা হ'ব, যিবোৰ কাৰকৰ দ্বাৰা অসমীয়া সাহিত্য প্রভাৱিত হৈছে। তদুপৰি অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ কেনেদৰে বিস্তাৰিত হৈ পৰিছে তাক আলোচনা কৰাৰ লগতে অসমীয়া সাহিত্যৰ বিভিন্ন বিভাগ, যেনে ঃ কবিতা, নাটক, উপন্যাস, চুটিগল্প, জীৱনী, সমালোচনা সাহিত্য আদি বিকশিত হোৱাত সহায়ক হৈছে তাৰো আভাস দিবলৈ প্রয়াস কৰা হৈছে।

১.৩ অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ

অসমীয়া সাহিত্যৰ এক সুবিশাল ইতিহাস আছে। শিলালিপি, তাম্রলিপি, সাঁচিপাত, তুলাপাতৰপৰা আৰম্ভ কৰি দশম-একাদশ শতিকাত অসমীয়া ভাষাই ৰূপ পোৱাৰৈপৰা আমি চর্যাপদ, মন্ত্র সাহিত্যৰ দৰে উচ্চস্তৰীয় সাহিত্যৰ সৃষ্টি হোৱা দেখিছোঁ। তাৰ পৰৱর্তী সময়ত প্রাক্-শংকৰী, শংকৰী আৰু উত্তৰ-শংকৰী যুগৰ সাহিত্যৰাজিৰ মাজেৰে অপূর্ব কাব্য সাহিত্য, অংকীয়া নাট, চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্য লাভ কৰিছোঁ। ইয়াৰ ভিতৰত মাধৱ কন্দলিৰ ৰামায়ণ, শংকৰদেৱৰ কীর্তন,মাধৱদেৱৰ নামঘোষাৰ দৰে সাহিত্যৰ এক মহৎ ঐতিহ্য আছে। আমাৰ অসমীয়া সাহিত্যত কাব্য, নাট সৃষ্টিৰ পৰম্পৰা ইতিমধ্যে আছিলেই । কিন্তু দুর্ভাগ্যজনকভাৱে ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পৰিপ্রেক্ষিতত অসমত ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমন, কোম্পানীৰদ্বাৰা ভাৰতবর্ষ তথা অসমৰ শাসনভাৰ অধিগ্রহণ, চৰকাৰী স্কুল-আদালতত অসমীয়াভাষাৰ পৰিৱর্তে বাংলা ভাষাৰ প্রচলন আদিয়ে অসমীয়া ভাষা-সাহিত্যৰ ওপৰত চূড়ান্ত মাধমাৰ শোধায়। উল্লেখযোগ্য যে অসমীয়া ভাষা-সাহিত্যৰ এই অন্ধকাৰাচ্ছন্ন সময়ছোৱাতে অসমলৈ খ্রীষ্টান ধর্ম প্রচাৰৰ উদ্দেশ্যে আহে আমেৰিকান ব্যপ্তিষ্ট মিছনেৰীসকল। তেওঁলোকে অনুধাৱন কৰিলে যে অসমৰ মানুহৰ মাজত ধর্মপ্রচাৰ কৰিবলৈ হ'লে তেওঁলোকৰ ভাষা শিকি লৈ ভাষাটো প্রচলনৰ ব্যৱস্থা কৰিব লাগিব। সেই উদ্দেশ্যে তেওঁলোকে প্রেছ প্রতিষ্ঠা কৰে আৰু তাৰপৰা ১৮৪৬ চনত প্রকাশ কৰি উলিয়ায় প্রথম অসমীয়া সংবাদপত্র 'অৰুণোদই'। এই কাকতে অসমীয়া ভাষা-সাহিত্যত এটি যুগান্তকাৰী পৰিৱর্তনৰ সূচনা কৰে । লগতে আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰে ইংৰাজী ভাষাৰ অধ্যয়ন পুষ্ট ডেকাই 'A Few Remarks on Assamese Language' and on Vernacular Education in Assam ৰ দৰে পুস্তিকাৰে ব্রিটিছক বুজাই দিয়ে যে অসমীয়া ভাষা বাংলাৰ পৰা পৃথক এটা সম্পূর্ণ স্বতন্তৰীয়া ভাষা। এই ক্ষেত্রত খ্রীষ্টান মিছনেৰীসকলেও 'অৰুণোদই' কাকতৰ যোগেদি

কবিতা, গীত, সংবাদ, উপন্যাসধর্মী ৰচনাৰ পুথি প্রকাশেৰে মৃতপ্রায় অসমীয়া ভাষা-সাহিত্যত সঞ্জীৱনী ছটিয়ায়। ১৮৭২ চনত অসমত পুনৰ অসমীয়া ভাষাৰ প্রচলন হয়। কিন্তু অসমীয়া ভাষা-সাহিত্যই প্রাচীন অসমীয়া সাহিত্যৰ ঐতিহ্য হেৰুৱাই পেলায়। সুদীর্ঘ স্থবিৰতাৰ অন্তত 'অৰুণোদই'ৰ সহায়ত নতুন পোহৰ পোৱা অসমীয়া সাহিত্যই আধুনিকতাৰ ৰূপ পৰিগ্রহ কৰে। কিন্তু ইয়াত সাৰপানী যোগাই ডাল-পাতেৰে সুশোভিত বৃক্ষৰূপ পোৱাত সহায় কৰে কলিকতাত পঢ়িবলৈ যোৱা অসমীয়া ছাত্রদলে। চন্দ্রকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্র গোস্বামী আদি ছাত্রদলৰ পাশ্চাত্য শিক্ষা সাহিত্যৰ সৈতে মুখামুখি, কলিকতাৰ জাতীয়বাদী ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্র বিদ্যাসাগৰৰ দৰে ব্যক্তিৰ সান্নিধ্য, কলিকতীয়া শিক্ষা-সাহিত্যৰ বিস্তৃতি দেখি নিজ ভাষা-সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ বাবে উঠি পৰি লাগে। 'অসমীয়া ভাষা-উন্নতি সাধিনী সভা'ৰ জন্ম, 'জোনাকী' আলোচনীৰ প্রকাশ আৰু সাহিত্যৰ বিভিন্ন বিভাগৰ সৃষ্টি-বিস্তৃতিয়ে অসমীয়া ভাষা-সাহিত্যক অগ্রগতিৰ সোপানত আগবঢ়াই নিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীত মিছনেৰীসকলৰ অৱদান সম্পর্কে আলোচনা কৰক। (১০০ শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'জোনাকী' যুগৰ অৱদান সম্পর্কে আলোচনা কৰক। (১০০ শব্দৰ ভিতৰত)

.....

১.৪ কাৰক

আধুনিক অসমীয়া সাহিত্যৰ উদ্ভৱ আৰু বিকাশত পাশ্চাত্য প্রভাৱ এক গুৰুত্বপূর্ণ উপাদান হিচাপে বিবেচিত হৈছে। এই প্রভাৱ আহিছে বিভিন্ন কাৰকৰ যোগেদি। এই ক্ষেত্রত মুখ্যতঃ নাম ল'ব লাগিব পশ্চিমীয়া শিক্ষাৰ লগত সংঘটিত সম্পর্কৰ বিষয়ে। ঊনবিংশ শতিকাৰ চতুর্থ দশকত অর্থাৎ ১৮৩৫ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনাধীন সুবিশাল ভাৰতবর্ষৰ শিক্ষানীতি সম্পর্কে ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন পৰিষদৰ সদস্য টমাছ বেবিংটন মেক'লেই এক গুৰুত্বপূর্ণ সিদ্ধান্ত লৈছিল ইয়াতো দুই পৰস্পৰ বিৰোধী দলৰ সৃষ্টি হৈছিল। কোম্পানীৰ গবর্ণৰ জেনেৰেল লর্ড আম্হার্ষ্ট সহিতে অন্যান্যসকলে প্রাচ্যদেশীয় পাঠ্যক্রম আৰু শিক্ষা ব্যৱস্থাৰ পুনৰুজ্জীৱনত গুৰুত্ব দিছিল। যদিও ই ফলপ্রসূ হৈ নুঠিল। পুনৰমুদ্রিত কৰা প্রাচ্যদেশীয় গ্রন্থসমূহ পাঠক আৰু ক্রেতাৰ অভাৱত এনেই পৰি ৰৈছিল। তেওঁলোকে কলিকতাত সংস্কৃত কলেজ স্থাপনৰো পোষকতা কৰিছিল। কিন্তু ৰাজা ৰামমোহন ৰায় প্রমুখ্যে অন্যান্য বুদ্ধিমান উদ্যোগী ভাৰতীয়ই পশ্চিমীয়া জ্ঞান-বিজ্ঞানৰ প্রতিহে আগ্রহী হৈ উঠিছিল।

১৮২৫ চনত মিছনেৰীৰ উদ্যোগত ইংৰাজী শিক্ষা প্রসাৰৰ বাবে শ্রীৰামপুৰ কলেজ প্রতিষ্ঠা হৈছিল। কলিকতাৰ অৱস্থাপন্ন লোকৰ সন্তানে ইংৰাজী শিক্ষা গ্রহণ কৰাৰ বাবে বহু ইংৰাজী বিদ্যালয় প্রতিষ্ঠিত হৈছিল। ১৮১৭ চনত প্রতিষ্ঠিত বিখ্যাত হিন্দু কলেজ বা প্রেছিডেন্সি কলেজ প্রতিষ্ঠাৰ আঁৰতো আছে কলিকতাৰ সম্ভ্রান্ত লোকসকলৰ আগ্রহ। ইংৰাজী মাধ্যমত আধুনিক শিক্ষা প্রদানত ক্ষেত্রত আগভাগ লৈছিল ডেভিড হেয়াৰে। তেওঁ স্কুল স্থাপন আৰু ভাৰতীয় ছাত্রৰ উপযোগী পাঠ্যপুথি ৰচনাত গুৰুত্ব আৰোপ কৰিছিল। এইখিনিতে উল্লেখযোগ্য যে প্রাচ্যদেশীয় আৰু পশ্চিমীয়া শিক্ষা ব্যৱস্থাৰ মাজত চলি থকা বিবাদৰ ৰায়দান দিবলৈ ১৮৩৫ চনত নিযুক্তি লাভ কৰে লর্ড মেক'লে। তেওঁলোকে পাকে-প্রকাৰে সংস্কৃত বা আৰবী ভাষাতকৈ ইংৰাজী ভাষা শিক্ষা ব্যৱস্থাৰ বাবে অধিক উপযোগী বুলি ক'ব বিচাৰে। লর্ড মেক'লে আত্মপ্রত্যয় আৰু অহংকাৰপূর্ণভাৱে মন্তব্য কৰিছিল ঃ "...a single shelf of a good European library was worth the whole natives Literature of India and Arabia." (এটা ইউৰোপীয় গ্রন্থাগাৰৰ এটা মাত্র শ্বে'লফৰ কিতাপৰ মূল্য ভাৰত আৰু আৰব দেশৰ সমগ্র সাহিত্যতকৈ বেছি।) ইংৰাজসকলৰ এনে মনোভাৱ গঢ়ি উঠাৰ গুৰিতে আছিল ইউৰোপত আধুনিক বিজ্ঞান-প্রযুক্তিবিদ্যাৰ অগ্রগতি আৰু মানৱতাবাদী চিন্তাধাৰা। প্রাচীন ভাৰতৰ মহত্বপূর্ণ ধর্মীয় তথা আধ্যাত্মিক দৃষ্টিভংগীৰ তুলনাত ইংৰাজসকলৰ ভাৱধাৰা স্বাভাৱিকতে প্রগতিশীল আৰু বাস্তৱিক বুলি তেওঁলোকে ভবাৰ লগতে ইংৰাজৰ শাসন ব্যৱস্থাৰ ওপৰত নির্ভৰশীল ভাৰতীয় মধ্যবিত্তয়ো তেনেকৈয়ে ভাবিবলৈ লৈছিল। অৱশ্যে এই ধৰণৰ বিদেশানুৰাগ সকলোৱে মানি ল'ব পৰা নাছিল। মাইকেল মধুসূদন দত্ত, কালীপ্রসন্ন সিংহ, ঈশ্বৰচন্দ্র বিদ্যাসাগৰ আদিয়ে একে আষাৰে ইংৰাজৰ প্রতি সম্পূর্ণ আনুগত্য প্রকাশ কৰিব পৰা নাছিল। দুই-একৰ ব্রিটিছ শাসনৰ প্রতি অনুমোদন থকাৰ গুৰিতে আছিল ব্রিটিছ সাম্রাজ্যত ব্রিটিছৰ সমান অধিকাৰ আৰু মর্যাদা সম্পন্ন নাগৰিক হোৱাৰ আকাংক্ষা। তাতোকৈ গুৰুত্বপূর্ণ কথাটো হ'ল ভাৰতীয় আত্মাভিমান। সেই সন্মান ৰক্ষা হ'ব পাৰে সম মর্যাদাত, আনৰ তলত নহয়। ফলত এক জাতীয় চেতনাৰ সূত্রপাত ঘটে। এই জাতীয় চেতনাই জাতীয় সাহিত্যৰ সৃষ্টিত ইন্ধন যোগায়। হীৰেন গোঁহায়ে কোৱাৰ দৰে ঃ "...কোনো কোনো তাত্ত্বিকে এতিয়া সৰৱে ঘোষণা কৰাৰ দৰে পশ্চিমৰ যাদুদণ্ডই প্রাচ্যৰ নিদ্রিতা ৰাজকন্যাক জগাই তোলা নাছিল। তাৰ এক অনিবার্য উপাদান আছিল ভাৰতৰ জনগণৰ জাতীয় আত্মবিকাশ আৰু আত্মপ্রতিষ্ঠাৰ চেষ্টা।" অসমত জাতীয় চেতনা আৰু জাতীয় সাহিত্য বিকাশৰ ব্রত গ্রহণ কৰা লক্ষ্মীনাথ বেজবৰুৱাই সজোৰে কৈ উঠিছিল—"মাতৃভাষা জাতীয় উন্নতিৰ সিংহদুৱাৰ।" গতিকে মাতৃভাষাৰ প্রচাৰ, প্রসাৰ, বিস্তাৰৰ উদ্দেশ্যে আধুনিক অসমীয়া সাহিত্য পত্রে-পুষ্পে সুশোভিত হৈ উঠে।

পশ্চিমীয়া শিক্ষাৰ সম্প্রসাৰণৰ ফলস্বৰূপে ইংৰাজসকলৰ নিজ ভাষাক শ্রেষ্ঠত্ব প্রদানৰ প্রয়াস আৰু এই প্রয়াসে ভাৰতীয়সকলৰ আত্মসন্মানত আঘাত কৰাত উদ্ভূত জাতীয় চেতনাই

ভাৰতৰ জাতীয় সাহিত্যৰ বিকাশত বৰঙণি যোগায়। অসমতো সেই সময়ত সাহিত্য সৃষ্টিৰ গুৰিতে জাতীয় চেতনাৰ বিকাশ। অর্থাৎ নিজ ভাষা-সাহিত্য বিকাশৰ স্বার্থত কলিকতাত পঢ়িবলৈ যোৱা লক্ষ্মীনাথ বেজবৰুৱাহঁতৰ দৰে জাতীয় চেতনাৰে উদ্বুদ্ধ ছাত্রদল উঠিপৰি লাগে। তেওঁলোকে ১৮৮৮ চনত 'অ.ভা.উ.সা. সভা'ৰ জন্ম দিয়ে আৰু তাৰপৰাই চন্দ্রকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্র গোস্বামী — এই ত্রিমূর্তিয়ে লগ লাগি 'জোনাকী' কাকতৰ জন্ম দিয়ে ১৯৮৯ চনত। এই কাকতৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্যক সম্পূর্ণৰূপে আধুনিক বা নব্যৰূপ প্রদানৰ প্রচেষ্টাত ব্রতী হয় ত্রিমূর্তি সহিতে অন্যান্য সাহিত্যপ্রেমী ছাত্রসকল। স্কুল-কলেজত হোৱা ইংৰাজী ভাষা-সাহিত্যৰ চর্চাৰ যোগেদিয়েই অষ্টাদশ শতাব্দী আৰু ৰোমাণ্টিক যুগৰ কাব্য আৰু গদ্য, মিল্টনৰ মহাকাব্য আৰু শ্বেইক্সপীয়েৰৰ নাটকৰ লগত কলিকতাত পঢ়িবলৈ যোৱা ছাত্রসকল পৰিচিত হৈছিল। তদুপৰি কলিকতাৰ বংগীয় সাহিত্যৰ বিশেষকৈ ৰবীন্দ্রনাথৰ প্রভাৱ লক্ষ্য কৰিব পাৰি। কিন্তু 'ভাৱ' প্রকাশত 'জোনাকী'ত সৃষ্ট সাহিত্য পৰনির্ভৰশীল নহয়। "নতুন চেতনাৰ উদ্বুদ্ধ অসমীয়া তৰুণ লেখকসকলে ভাবৰ সমলৰ বাবে আনৰ মুখলৈ চাব লগা হোৱা নাছিল।" (হীৰেন গোঁহাই)

'জোনাকী'ৰ সময়ছোৱাত কাব্যসৃষ্টিয়ে প্রবলতৰ আছিল যদিও চুটিগল্প, উপন্যাস, প্রবন্ধ, নাটক আদি সাহিত্যৰ বিভিন্ন বিভাগলৈ ইয়াৰ প্রসাৰণ ঘটিছে। গতিকে পৰৱর্তী আলোচনাত পাশ্চাত্য সাহিত্যৰ প্রভাৱ কবিতাৰ লগতে অন্যান্য বিভাগত কেনেদৰে প্রতিফলিত হৈছে তাৰ আলোচনা কৰা হৈছে ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমীয়া সাহিত্য পাশ্চাত্য প্রভাৱৰ দ্বাৰা প্রভৱিত হোৱাত কোনবোৰ কাৰকে মুখ্য ভূমিকা গ্রহণ কৰিছে তাৰ আলোচনা আগবঢ়াওক। (১০০ টা শব্দৰ ভিতৰত)

.....

১.৫ পৰিসৰ

১.৫.১ কবিতা

সাহিত্যৰ এটি অন্যতম বিভাগ হৈছে কবিতা। অসমীয়া কবিতাত পাশ্চাত্য প্রভাৱ সম্পর্কে আলোচনা কৰিবলৈ হ'লে আমি প্রথমেই 'জোনাকী' যুগৰ ৰোমাণ্টিক কবিতালৈ আঙুলিয়াব লাগিব। 'জোনাকী'য়ে অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকতাৰ ঢল বোৱাই আনিছিল। প্রাচ্য আৰু পাশ্চাত্যৰ মাজৰ সংযোগ সেঁতু নির্মাণত আগভাগ লৈছিল অসমীয়া শিক্ষিত ডেকাচামে। তেওঁলোকৰ ভিতৰত আছিল 'জোনাকী' যুগৰ

'ত্রিমূর্তি' খ্যাত চন্দ্রকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্র গোস্বামীৰ লগতে পদ্মনাথ গোহাঞিবৰুৱা, ৰত্নেশ্বৰ মহন্ত, আনন্দ চন্দ্র আগৰৱালা, সত্যনাথ বৰা, কনকলাল বৰুৱা, ঘনশ্যাম বৰুৱা আদি সাহিত্যিকসকলে। এইসকল শিক্ষিত ডেকাই ইউৰোপৰ বিশেষকৈ ইংৰাজী সাহিত্যৰ ভাব আৰু ৰূপৰ আদর্শত অসমীয়া সাহিত্য সৃষ্টি কৰিবলৈ উঠি পৰি লাগিছিল।

অসমীয়া ৰোমাণ্টিক কাব্য সাহিত্য 'জোনাকী'ৰ দান। 'জোনাকী' যুগৰ কবিসকলৰ কবিতাত ৰমন্যাসবাদী ভাৱধাৰা ফুটি উঠিছিল। ৰমন্যাসবাদ অসমীয়া কবিতাত নিজস্বভাৱে সৃষ্টি হোৱা নাই। অষ্টাদশ শতিকাৰ শেষ আৰু ঊনবিংশ শতিকাৰ পূর্বার্ধত ইউৰোপ বা ইংলেণ্ডত সৃষ্ট ৰোমাণ্টিক আন্দোলন হৈছে ইয়াৰ মূল ভিত্তি যদিও ইয়াৰ অধ্যয়ন আৰু চর্চা, বংগত ইয়াৰ প্রভাৱ আৰু পৰিপুষ্টতা আদিয়ে কলিকতীয়া অসমীয়া ডেকাসকলৰ মনত কৰা ক্রিয়া-প্রতিক্রিয়াৰ পৰিণতি। এই আদর্শতে অসমীয়া কবিসকলে অসমীয়া কবিতাক ৰোমাণ্টিকতাৰ ভাৱেৰে বিধৌত কৰিছিল।

ৰোমাণ্টিক চেতনাৰ বহিঃপ্রকাশ ঘটা প্রথম অসমীয়া ৰোমাণ্টিক কবিতা চন্দ্রকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' 'জোনাকী'ৰ প্রথম বছৰ প্রথম সংখ্যাত প্রকাশিত হৈছিল। ইংৰাজী ৰোমাণ্টিক কবিতাৰ আর্হিত সৃষ্ট এই কবিতাত অসমীয়া লোক কবিতাৰ ভাব-ভাষাৰ জৰিয়তে বুদ্ধিদীপ্ত তথা কাল্পনিক দৃষ্টিৰ প্রতিফলন ঘটিছে। চন্দ্রকুমাৰৰ কবিতাত ৱর্ডছ্ৱর্থ, ক'লৰীজ, শ্ৱেলী, কীট্ছৰ প্রভাৱ দেখা গৈছে। তেওঁৰ বিভিন্ন কবিতাত ফুটি উঠা মানৱতাবাদী দর্শন পশ্চিমৰপৰাই আহৃত। একেদৰে লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্র গোস্বামী আদিৰ কবিতাতো অসমীয়া লোক সাহিত্যৰ প্রভাৱ, মানৱতাবাদী দর্শনৰ প্রভাৱ পৰিলক্ষিত হৈছে। 'জোনাকী' প্রকাশৰ সময়ৰপৰা ১৯৪০ চন মানলৈকে আধুনিক অসমীয়া কবিতাৰ প্রথম পর্ব বুলি ধৰিব পাৰি আৰু ইয়াৰ পৰৱর্তী সময়ছোৱা অর্থাৎ আধুনিক অসমীয়া কবিতাৰ দ্বিতীয় পর্বত ই বৈচিত্র্যমণ্ডিত ৰূপ পৰিগ্রহ কৰিছে। মার্ক্সৰ অধ্যয়ন, এলিয়ট, হিউম, বোডলেয়াৰৰ ৰচনাৰ সৈতে পৰিচয়, ইউৰোপীয় প্রতীক-চিত্রকল্পবাদী আন্দোলনৰ লগতে আন বহুতো 'বাদ'(ism)ৰ অধ্যয়নৰ জৰিয়তে অসমীয়া কবিতাৰ ভাৱ-ভাষাৰ সৈতে তাৰ যুগপৎ সমিলমিল, গ্রহণ-বর্জনেৰে দ্বিতীয় পর্বৰ কবিতাও সমৃদ্ধিশালী হৈ আধুনিক অসমীয়া কবিতাক বিশ্ব দৰবাৰত প্রতিষ্ঠিত কৰিছে।

১.৫.২ নাটক

সাহিত্যৰ আন এক বিভাগ নাটক। অসমীয়া নাট্য সাহিত্য প্রাচীন কালৰেপৰা অতি চহকী। শংকৰদেৱ-মাধৱদেৱৰ সময়ৰপৰা প্রাচীন অসমীয়া নাট

সৰ্বসাধাৰণৰ মাজত বহুল প্রচলিত। কিন্তু আধুনিক অসমীয়া নাটকৰ সৃষ্টি হয় ১৮৫৭ চনত গুণাভিৰাম বৰুৱাৰ হাতত। এইখন প্রথম অসমীয়া আধুনিক নাটক আৰু অসমীয়া সাহিত্যত প্রথম ট্রেজেদি। এই নাটকত প্রাচ্য-পাশ্চাত্যৰ মিলন হৈছে। 'ৰামনৱমী নাটক'ৰ শেষ পৰিণতিয়ে শ্বেইক্সপীয়েৰৰ 'ৰোমিও এণ্ড জুলিয়েট' নাটকৰ পৰিণতিৰ কথা সোঁৱৰাই দিয়ে। যিহেতু ইংৰাজসকলৰ লগত সম্পর্ক , ইংৰাজী সাহিত্যৰ অধ্যয়ন, ইংৰাজী শিক্ষা গ্রহণ কৰাৰেপৰা আমাৰ সাহিত্যত আধুনিক সাহিত্যৰ পৰম্পৰাৰ সৃষ্টি হৈছে, ইয়ে আমাক প্রাচীন সাহিত্যৰ পৰম্পৰাৰ পৰাও বিচ্ছিন্ন কৰি তুলিছে। কলিকতাত পঢ়িবলৈ যোৱা ছাত্রসকলে কলেজ-বিশ্ববিদ্যালয়ৰ পাঠ্যক্রমত শ্বেইক্সপীয়েৰৰ নাটক অধ্যয়নৰ সুযোগ পাইছিল। তদুপৰি ইংৰাজী শিক্ষাৰ প্রাণকেন্দ্রস্বৰূপ কলিকতাৰ মঞ্চত শ্বেইক্সপীয়েৰৰ নাটকৰ অভিনয় চোৱাৰ সুবিধা পাইছিল। বঙলা ভাষালৈ অনূদিত শ্বেইক্সপীয়েৰৰ নাটকসমূহো চোৱাৰ সুবাদতে অসমীয়া ডেকাসকলে শ্বেইক্সপীয়েৰীয় নাট্যৰীতিৰ প্রতি আকর্ষিত হৈ তাৰ অনুপ্রেৰণাতে মৌলিক নাটক ৰচনা কৰাৰ উপৰিও শ্বেইক্সপীয়েৰৰ 'কমেডি অৱ এৰর্ছ'ৰ ভাঙনি কৰিছিল *'ভ্রমৰংগ'* নামে। '*ভ্রমৰংগ*'ৰ উপৰিও শ্বেইক্সপীয়েৰৰ আন আন নাটসমূহো অসমীয়ালৈ অনূদিত হৈছে।

ঊনবিংশ শতিকাৰ মাজভাগৰপৰা বিংশ শতিকাৰ তৃতীয় দশকলৈ অসমীয়া নাটকত শ্বেইক্সপীয়েৰৰ প্রায় একক প্রভাৱ দেখা যায়। এই প্রভাৱ নাট্যৰীতি, চৰিত্র আৰু প্রকাশভংগীৰ মাজত প্রকাশি উঠিছে। পদ্মনাথ গোহাঞিবৰুৱাৰ *'জয়মতী'* (১৯০০), *'গদাধৰ'* (১৯০৭), *'সাধনী'* (১৯১০), লক্ষ্মীনাথ বেজবৰুৱাৰ *'চক্রধ্বজ সিংহ'* (১৯১৫), *'জয়মতী কুঁৱৰী'* (১৯১৫), *'বেলিমাৰ'* (১৯১৫), নকুল চন্দ্র ভূঞাৰ *'বদন বৰফুকন'* (১৯২৭) আদি নাটক শ্বেইক্সপীয়েৰৰ নাটকৰ প্রভাৱেৰে প্রভাৱিত। ইয়াৰ পৰৱর্তী সময়ত ৰোমান নাট্যকাৰ ছেনেকাৰ হাতত সৃষ্ট ৰিভেঞ্জ ট্রেজেদিৰ প্রভাৱ প্রসন্নলাল চৌধুৰীৰ *'নীলাম্বৰ'* (১৯৩৩), দৈৱচন্দ্র তালুকদাৰৰ *'ৰামুণী কোঁৱৰ'* (১৯২৯), কমলানন্দ ভট্টাচার্যৰ *'নগা কোঁৱৰ'* (১৯৩৬)ত দেখিবলৈ পোৱা গৈছে।

বেলজিয়ামৰ নাট্যকাৰ মৰিছ মেটাৰলিংকৰ প্রতীকধর্মী নাটক আৰু নৱৰেৰ নাট্যকাৰ হেনৰিক ইবচেনৰ বাস্তৱধর্মী নাটকৰ প্রভাৱ অসমীয়া নাটকত সার্থকভাৱে পৰিস্ফুট হৈছে। পার্বতীপ্রসাদ বৰুৱাৰ *'সোণৰ সোলেঙ'* (১৯১৯), জ্যোতিপ্রসাদ আগৰৱালাৰ *'ৰূপালীম'* (১৯৩৬)ত মেটাৰলিংকৰ প্রভাৱ পৰিছে। জ্যোতিপ্রসাদৰ *'কাৰেঙৰ লিগিৰী'*ত ইবচেনৰ প্রভাৱ আছে। তদুপৰি জ্যোতিপ্রসাদৰ আগৰৱালাৰ *'কাৰেঙৰ লিগিৰী', 'লভিতা'* আদি নাটকত ইংৰাজ নাট্যকাৰ জর্জ বার্ণার্ড শ্ব আৰু জ'ন গলছৱর্থিৰ প্রভাৱো লক্ষ্য কৰিব পাৰি । ইয়াৰ উপৰিও ছিগমাণ্ড ফ্রয়দৰ মনস্তত্ত্বৰ

প্রভাৱ অসমীয়া নাটকত বহুলভাৱে প্রতিফলিত হৈছে। অভিব্যঞ্জনাবাদ (Expressionism), প্রভাৱবাদ (Impressionism), চেতনাপ্রবাহ (Stream of Consciousness), পৰা বাস্তৱবাদ (Surrealism) আদিৰ প্রভাৱত ৰচিত নাটকো আছে । আমেৰিকাৰ নাট্যকাৰ এলমাৰ ৰাইছৰ আধুনিক নাটকৰ সংস্মৰণ পদ্ধতি (Flashback Method)ত সর্বেশ্বৰ চক্রৱর্তীয়ে 'অভিমান' (১৯৫২), বসন্ত শইকীয়াই 'অসুৰ'(১৯৭৭) নাটক ৰচনা কৰিছে। ভৱিষ্যবাদী নাট্যকাৰ ফিলিপো মেৰিনেটি আৰু কাৰেল কাপাকৰ প্রভাৱো সামান্যভাৱে অসমীয়া নাটকত পৰিছে। জার্মান নাট্যকাৰ বার্টল্ট ব্রেখটৰ নাট্যৰীতিৰ প্রভাৱ বসন্ত শইকীয়া, সুনীল শর্মা, অৰুণ গোস্বামী, অতুল বৰদলৈৰ নাটকত বিৰাজমান। অৱশ্যে পাশ্চাত্যৰ এই নাট্যৰীতিয়ে অসমীয়া নাট্য সাহিত্যৰ বিশেষ অভিনৱ ৰূপ প্রদর্শন কৰিব পৰা নাই।

ফৰাচী নাট্যকাৰ জাঁ প'ল ছাত্রেৰ অস্তিত্ববাদী প্রভাৱ অজিত মহন্তৰ 'ঈশ্বৰৰ মৃত্যুত শোকসভা' (১৯৮৯)ত সামান্যভাৱে পৰিছে। ইউজিন আয়োনেস্কো, চেমুৱেল বেকেটৰ এবছার্ড নাট্যৰীতি অৰুণ শর্মাৰ 'শ্রীনিবাৰণ ভট্টাচার্য' (১৯৬৭),'আহাৰ' (১৯৭১), বসন্ত শইকীয়ৰ 'মানুহ' আদি নাটকত প্রয়োগ হৈছে।

১.৫.৩ উপন্যাস

সাহিত্যৰ আন এটি গুৰুত্বপূর্ণ বিভাগ উপন্যাসৰ ভেঁটি প্রতিষ্ঠা হয় *'অৰুণোদই'*ৰ পাততে। জন বুনিয়নৰ 'The Pilgrims Progress'ৰ অসমীয়া অনুবাদ '*জাত্রিকৰ জাত্রা*' নামেৰে। '*অৰুণোদই*'ত প্রকাশিত উপন্যাসধর্মী ৰচনাখিনিৰ পিছত পদ্মনাথ গোহঞিবৰুৱাই *'ভানুমতী'* (১৮৯০), আৰু *'লাহৰী'* (১৮৯২), লক্ষ্মীনাথ বেজবৰুৱাৰ *'পদুমকুঁৱৰী'* (১৯৯১) প্রকাশৰ লগে লগে আধুনিক অসমীয়া প্রকৃত মৌলিক উপন্যাসৰ সৃষ্টিৰ ধাৰা আৰম্ভ হয়। কিন্তু পাশ্চাত্য উপন্যাসৰ ভাববস্তু, ৰূপবস্তু বা অন্যান্য কাৰিকৰী কৌশল অবলম্বন কৰে পিছৰ ঔপন্যাসিকসকলে। ছাৰ ৱাল্টাৰ স্কটৰ উপন্যাসৰ প্রভাৱ পৰিছে ৰজনীকান্ত বৰদলৈৰ *'মনোমতী','ৰঙিলী', 'ৰহদৈ লিগিৰী'* আদি উপন্যাসত। ইংৰাজ কবি টেনিচনৰ 'এনক আর্ডেন'ৰ প্রভাৱ পৰিছে তেওঁৰ *'নির্মল ভকত'* উপন্যাসত। সত্যেন্দ্রনাথ শর্মাৰ মতে ৰজনীকান্ত বৰদলৈৰ উপন্যাসত মেৰী কৰেলী, ভিক্টৰ হিউগ', আলেকজেণ্ডাৰ ডুমা, চার্লচ চিকেন্স, থেকাৰে আদি ঔপন্যাসিকৰ প্রভাৱ পৰিছে। ইয়াৰ উপৰিও চেমুৱেল ৰিচার্ডচন, হোৰেচ ৱালপোলৰ প্রভাৱ লক্ষ্য কৰিব পাৰি। ইয়াৰ পিছত পাশ্চাত্য প্রভাৱ বিশেষ স্পষ্ট নহয়। অৱশ্যে বিৰিঞ্চি কুমাৰ বৰুৱাৰ '*জীৱনৰ বাটত*' উপন্যাসৰ তগৰ চৰিত্রত এপিক চৰিত্রৰ লক্ষণ তথা ফ্রয়ডীয় মনঃসমীক্ষণৰ দিশো ফুটি উঠিছে। উল্লেখযোগ্য যে যুদ্ধোত্তৰ যুগৰ আধুনিক অসমীয়া উপন্যাস পাশ্চাত্যৰ আধুনিকতাবাদী

আন্দোলনৰ ফলত সৃষ্ট। প্রফুল্লদত্ত গোস্বামীৰ *'কেঁচা পাতৰ কঁপনি'* (১৯৫২) আধুনিকতাবাদৰ ভেঁটিত প্রতিষ্ঠিত। তেওঁৰ *'শেষ ক'ত'* (১৯৪৮) প্রথম অসমীয়া আধুনিকতাবাদী উপন্যাস। পাশ্চাত্যৰ চেতনাস্রোত পদ্ধতিত ভূপেন্দ্র নাৰায়ণ ভট্টাচার্যৰ *'মৰূদ্যান'*, শীলভদ্রৰ *'অনুসন্ধান'*, অতীন্দ্রিয়তাবাদী ভাৱধাৰাৰ হোমেন বৰগোহাঞিৰ *'তান্ত্রিক'*, পৰাবাস্তৱবাদৰ প্রয়োগ ঘটা দেবেন্দ্রনাথ আচার্যৰ *'অন্য যুগ অন্য পুৰুষ'*, প্রকৃতিবাদৰ প্রয়োগ ঘটা হোমেন বৰগোহাঞিৰ *'অস্তৰাগ'*, অতিবাস্তৱবাদৰ প্রয়োগ ঘটা মামণি ৰয়ছম গোস্বামীৰ *'নীলকণ্ঠী ব্রজ'* উপন্যাস অসমীয়া সাহিত্যত অতি উল্লেখযোগ্য সংযোজন। পাশ্চাত্যৰ বিভিন্ন ভাৱ, দর্শন তথা কৌশলৰ প্রয়োগৰ উপৰিও আধুনিক জীৱনৰ, আধুনিক সময়ৰ বিভিন্ন অনুষংগৰ ছিটিকনি আধুনিক অসমীয়া উপন্যাসত সুন্দৰকৈ ধৰা দিছে ।

১.৫.৪ চুটিগল্প

সাহিত্যৰ অভিনৱ তথা পাঠকৰ মাজত অতিকে জনপ্রিয় বিভাগটোৱে হৈছে চুটিগল্প। অসমীয়া চুটিগল্প পাশ্চাত্যৰ অৱদান। লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটিগল্পৰ জনক। ১৮৯২ চনত 'জোনাকী'ৰ চতুর্থ বছৰ চতুর্থ সংখ্যাত প্রকাশিত 'সেউতী' গল্পটোৱে প্রথম অসমীয়া চুটিগল্প। বেজবৰুৱাৰ প্রথমভাগৰ গল্পত সাধুকথা আৰু চুটিগল্পৰ সীমাৰেখা স্পষ্ট নহয়। তদুপৰি বেজবৰুৱাৰ গল্পত ডিকেন্স, গ'গল, টলষ্টয়ৰ ক্ষীণ প্রভাৱ, মানৱতাবাদী দৃষ্টিভংগীৰ ৰূপায়ণ লক্ষ্য কৰিব পাৰি। তেওঁ নিজে মন নকৰাকৈয়ে থমাচ মিডলটন, চচাৰ, ডিকেন্স আদিৰ প্রভাৱ পৰিছে। তেওঁৰ ৰতনমুণ্ডা, মুক্তি, নকওঁ আদি গল্পত পাশ্চাত্যৰ ৰোমাণ্টিক চেতনাৰ সফল ৰূপায়ণ ঘটিছে।

শৰৎ চন্দ্র গোস্বামী, সূর্যকুমাৰ ভূঞা, নগেন্দ্র নাৰায়ণ চৌধুৰী, লক্ষ্মীধৰ শর্মা, হলিৰাম ডেকা, ৰমা দাশ, ত্রৈলোক্য নাথ গোস্বামী, কৃষ্ণ ভূঞা, চৈয়দ আব্দুল মালিক আদি আৱাহন যুগৰ উল্লেখযোগ্য গল্পকাৰ। এওঁলোকৰ গল্পত বেলেগে বেলেগে এডগাৰ এলেন পো, মার্ক্স, ফ্রয়েদ, টলষ্টয়, চেখ্‌ভ, মোপাঁছা, চমাৰচেট মম আদিৰ প্রভাৱ পৰিলক্ষিত হৈছে।

পৰৱর্তী ৰামধেনু যুগৰ গল্প পাশ্চাত্যৰ বিভিন্ন ভাৱ-ভংগী আহৰণ কৰি অতিকৈ বর্ণাঢ্য হৈ পৰিছিল। মার্ক্সীয় দর্শন, মানৱতাবাদী আদর্শ, প্রগতিশীল চিন্তা, প্রতীক, চিত্রকল্প, হাস্য, শ্লেষ, প্রহসন, Tragic Ironyৰ প্রয়োগ, লোক-সংস্কৃতি, বৈজ্ঞানিক দৃষ্টিভংগীৰ উপস্থাপন, মনঃসমীক্ষণ পদ্ধতি, বাস্তৱবাদ, অস্তিত্ববাদী দর্শন, ফ্রয়েদীয় মনঃস্তত্ব, চেতনাস্রোত, অভিব্যক্তিবাদ, এবছার্ড ৰীতি, আধুনিক, উত্তৰ আধুনিক আদি পাশ্চাত্যৰ বিভিন্ন ভাৱ-ভংগী, শৈলী, কৌশল প্রয়োগেৰে

ৰামধেনুৰপৰা বর্তমান সময়লৈকে আধুনিক অসমীয়া গল্প সাহিত্য সমৃদ্ধিশালী হৈ পৰিছে।

১.৫.৫ অন্যান্য (জীৱনী, সমালোচনা, ব্যাকৰণ, অভিধান, ভাষাতত্ত্ব আদি)

কেৱল মাথোঁ কবিতা, নাটক, উপন্যাস, চুটিগল্পতে পাশ্চাত্য প্রভাৱ সীমাবদ্ধ নহয়। ইয়াৰ পৰিসৰৰ বৃদ্ধি ঘটিছে সাহিত্যত অন্যান্য অংগসমূহৰ সৃষ্টি আৰু সমৃদ্ধিৰ জৰিয়তে। আধুনিক যুগৰ জীৱনীসমূহৰ ৰচনা পদ্ধতিতো পাশ্চাত্যৰ প্রভাৱ স্পষ্ট। অৱশ্যে মধ্যযুগতে আমাৰ চৰিত তোলা পৰম্পৰাৰ সৃষ্টি হৈছিল যদিও আধুনিক যুগৰ প্রথম জীৱনী হিচাপে গুণাভিৰাম বৰুৱাৰ দ্বাৰা ৰচিত 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত' (১৮৮০)লৈ আঙুলিয়াব পাৰোঁ। ইয়াৰ পৰৱর্তী কালত পৰম্পৰাগত শৈলীত বিভিন্ন জীৱনীৰ সৃষ্টি হৈ আহিছে। পাশ্চাত্যৰ নতুন জীৱনীৰ আৰ্হিত মহেশ্বৰ নেওগে 'বেজবৰুৱা মানুহজন' (১৯৩৮), তিলক দাসৰ 'বিষ্ণুৰীভা এতিয়া কিমান ৰাতি' (১৯৭৭), যুগল দাসৰ 'মহেন্দ্রনাথ ডেকাফুকন' (১৯৮৩) আদিত নতুন জীৱনীৰ সুখপাঠ্যতা বা উপন্যাসোপম ৰচনাৰ লক্ষণ অনুভূত হয়।

সাহিত্য সমালোচনাৰ শাখাটোও পাশ্চাত্যৰ আদর্শত গঢ় লোৱা। আমাৰ বৈষ্ণৱ সাহিত্যৰ আলোচনাত পশ্চিমীয়া সমালোচনাৰ আদর্শ প্রযোজ্য নহয়। লক্ষ্মীনাথ বেজবৰুৱাৰ পৰাই সাহিত্য সমালোচনাৰ আৰম্ভণি। তাৰ পিছতে বাণীকান্ত কাকতি, ডিম্বেশ্বৰ নেওগ, বিৰিঞ্চি কুমাৰ বৰুৱা, অতুল চন্দ্র বৰুৱা, হেম বৰুৱা, ত্রেলোক্যনাথ গোস্বামীৰ নাম ল'ব পাৰি। পশ্চিমীয়া বিশেষকৈ ইংৰাজী সাহিত্যৰ সৈতে গভীৰ পৰিচয় থকা হেতুকে পশ্চিমীয়া সমালোচকসকলৰ দৃষ্টিভংগীৰ প্রভাৱ এইসকল সমালোচকৰ আলোচনাত চেগা-চোৱোকাকৈ পৰিলেও এই প্রভাৱ ক'ত ক'ত পৰিছে সেই কথা যুক্তিসংগতভাৱে নির্ধাৰণ কৰিব নোৱাৰি। মার্ক্সবাদী সমালোচনা, সমাজতাত্ত্বিক সমালোচনা, নতুন সমালোচনা আৰু প্রায়োগিক সমালোচনাতো দুই-এগৰাকী সমালোচকে অৱদান আগবঢ়াইছে যদিও তেওঁলোকৰ ওপৰতো প্রত্যক্ষ প্রভাৱ পৰা বুলি ঠাৱৰ কৰা টান।

ব্যাকৰণৰ ক্ষেত্রত উইলিয়াম ৰবিনছনে 'A Grammar of the Assamese Language' লিখি উলিয়াইছিল । অসমীয়া ভাষা চর্চাৰ ক্ষেত্রত প্রথম ব্যাকৰণ ৰচয়িতাগৰাকী আছিল এজন ইংৰাজী ভাষী খ্রীষ্টান মিছনেৰী । এইখন কথিত ভাষাৰ ব্যাকৰণ আৰু মাধ্যম আছিল ইংৰাজী । ব্যাকৰণখনি ত্রুটি পূর্ণ হ'লেও ইয়াৰ কৃতিত্ব নুই কৰিব নোৱাৰি । ড০ নাথান ব্রাউন চাহাবে 'A Grammatical Noties or the Assamese Language' (১৮৪৮) পুথিখন উলিয়াইছিল। পৰৱর্তী সময়ত ভাষাৰ

ওজা হেমচন্দ্ৰ গোস্বামীয়ে 'অসমীয়া ভাষাৰ ব্যাকৰণ' (১৮৫৯) প্ৰণয়ন কৰে। বৰ্তমান সময়লৈকে অসমীয়া ভাষাত প্ৰায় এশৰ ওচৰা-ওচৰি ব্যাকৰণ ৰচিত হৈছে। কিন্তু হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণ প্ৰণীত হোৱাৰ পৰৱৰ্তী পৰ্যায়ত আৰু কেবাখনো ব্যাকৰণ ৰচিত হৈছে।

অসমীয়া ভাষাৰ অভিধান প্ৰণয়নৰ ক্ষেত্ৰতো একেটা কথাই খাটে। মিছনেৰী মাইলছ ব্ৰন্সন চাহাবৰ 'অসমিয়া-ইংৰাজি অভিধান' (১৮৬৭) প্ৰথম অসমীয়া অভিধান। ইয়াৰ বানান পদ্ধতি ইমানে সৰল আৰু পদ্ধতিবিহীন আছিল যে ই অসমীয়া ভাষাত বেছিদিন স্থায়ী হ'ব নোৱাৰিলে। ইয়াৰ প্ৰতিবাদকল্পে হেমচন্দ্ৰ বৰুৱাই 'অসমীয়া পঢ়াশালি অভিধান' আৰু 'সংক্ষিপ্ত হেমকোষ' যুগুত কৰি উলিয়ায়। তেওঁৰ মৃত্যুৰ পিছত অৰ্থাৎ ১৯০০ চনত প্ৰকাশিত 'হেমকোষ' বৈজ্ঞানিক পদ্ধতিত ৰচিত প্ৰথম তথা বৰ্তমানেও অবিসম্বাদী ৰূপত প্ৰচলিত অভিধান। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত কেবাখনো অভিধান প্ৰণীত হৈছে।

অসমীয়া ভাষাতত্ত্বৰ চৰ্চা বৃটিছ অহাৰ পিছৰ সময়ত মানুহৰ মাজত জনপ্ৰিয় হৈ উঠে। দেবানন্দ ভৰালী, কালিৰাম মেধি, বাণীকান্ত কাকতি, বিৰিঞ্চি কুমাৰ বৰুৱা, উপেন্দ্ৰনাথ গোস্বামী, গোলোক চন্দ্ৰ গোস্বামী, ভগৱান মৰল, ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা, ৰমেশ পাঠক, উপেন ৰাভা হাকাচাম, অৰ্পণা কোঁৱৰ আদি ভাষাতত্ত্ববিদসকলৰ নাম ল'ব পাৰি। "এটা কথা মুক্ত কণ্ঠে স্বীকাৰ কৰিব লাগিব যে অসমীয়া ভাষাৰ ব্যাকৰণ, অভিধান আৰু ভাষাবিজ্ঞানৰ চিন্তা-চৰ্চাৰ আৰু আদৰ্শ আৰু প্ৰেৰণা পাশ্চাত্যৰ ভাষাবিজ্ঞানীৰ বিবিধ গ্ৰন্থ আৰু গৱেষণা কৰ্ম।"

(পৰৱৰ্তী অধ্যায়বোৰত অসমীয়া সাহিত্যৰ প্ৰতিটো বিভাগত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হৈছে। সেয়ে এই অধ্যায়ত প্ৰতিটো বিভাগৰে থুলমূল আলোচনাহে দাঙি ধৰা হৈছে।)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ আধুনিক অসমীয়া সাহিত্যৰ বিভিন্ন বিভাগত পাশ্চাত্য প্ৰভাৱ কেনেদৰে পৰিছে আলোচনা আগবঢ়াওক। (১৫০ টা শব্দৰ ভিতৰত)

.....

১.৬ ফলাফল

একেষাৰতে ক'বলৈ হ'লে আধুনিক অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ অপৰিসীম । পাশ্চাত্য সাহিত্যৰ অধ্যয়ন-চৰ্চাই আধুনিক অসমীয়া সাহিত্যৰ প্ৰতিটো বিভাগ সমৃদ্ধিশালী কৰি

তুলিছে । এই প্রভাৱ কেতিয়াবা পোনপোটীয়া, কেতিয়াবা পৰোক্ষ আৰু কেতিয়াবা লেখকৰ অজ্ঞাতে আহি সোমাইছে । ইয়াৰ অর্থ এইটোও নহয় যে আধুনিক অসমীয়া সাহিত্যত স্বকীয়তা নাই । পাশ্চাত্যৰ বিভিন্ন দিশ গ্রহণ-মন্থনৰ জৰিয়তে আধুনিক অসমীয়া সাহিত্যিকসকলে সাহিত্যক বর্ণাঢ্য ৰূপ দান কৰিছে ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱৰ ফলাফল সম্পর্কে চমুকৈ লিখক। (৫০ টা বাক্যৰ ভিতৰত)

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোৰপৰা আমি অসমীয়া সাহিত্যৰ বুৰঞ্জী সম্পর্কে থুলমূলকৈ জানিব পাৰিলোঁ। খ্রীষ্টান ধর্ম প্রচাৰৰ অর্থে অসমলৈ অহা খ্রীষ্টান মিছনেৰীসকলে অসমীয়া ভাষালৈ আগবঢ়োৱা অৱদান, কলিকতালৈ পঢ়িবলৈ যোৱা অসমীয়া ছাত্রদলৰ পাশ্চাত্য সাহিত্যৰ অধ্যয়নৰ ফলস্বৰূপে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে তৎপৰতা, জাতীয় চেতনাৰ বিকাশৰ ফলত জাতীয় সাহিত্যৰ বিকাশৰ প্রতি ধাউতি, ‘জোনাকী’ আলোচনীৰ মাধ্যমেৰে অসমীয়া সাহিত্যক পৰিপুষ্ট কৰাৰ প্রচেষ্টা আদিৰ সৈতে পৰিচিত হ’ব পাৰিলোঁ।
- আধুনিক অসমীয়া সাহিত্য পাশ্চাত্য প্রভাৱৰ দ্বাৰা প্রভাৱিত হোৱা কাৰক সম্পর্কে অৱগত হ’ব পাৰিলোঁ। পাশ্চাত্য সাহিত্য বিশেষকৈ ইংৰাজী সাহিত্যৰ সৈতে পৰিচয়, ইংৰাজী ভাষা শিক্ষাৰ ফলত অসমীয়া ডেকাৰ মনত জাতীয় চেতনাৰ উদ্ভৱ আদি কাৰকে অসমীয়া সাহিত্য সৃষ্টিত কেনেদৰে অৰিহণা যোগাইছে সেয়াও এই পাঠটোৱপৰা জানিব পাৰিলোঁ।
- আধুনিক কাব্য সাহিত্য, নাটক, উপন্যাস, চুটিগল্প, জীৱনী, সমালোচনা, ব্যাকৰণ, অভিধান, ভাষাতত্ত্ব আদি সাহিত্যৰ বিভিন্ন বিভাগ পাশ্চাত্য প্রভাৱৰ দ্বাৰা কেনেদৰে পৰিপুষ্ট হৈছে সেই সম্পর্কে জনাত সহায় কৰিছে।
- পাশ্চাত্যৰ নানান সাহিত্য, দর্শন, ভাৱ-ভংগী, কৌশল আদিৰ আদান-প্রদানে অসমীয়া ভাষা-সাহিত্যক কেনেদৰে বৈচিত্র্যমণ্ডিত কৰি তুলিছে সেই সম্পর্কে পাঠটোৰ পৰা জানিব পাৰিলোঁ।



১.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আহমেদ, কুতুবুদ্দিন(১৯৯২), ইংৰাজী সাহিত্যৰ চমু বুৰঞ্জী, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) দাস, নাৰায়ণ ৰাজবংশী, পৰমানন্দ (২০১৪), অসমীয়া সাহিত্যত পাশ্চত্য প্ৰভাৱ, পাণবজাৰ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) ভট্টাচার্য, পৰাগ কুমাৰ (২০১৩), গল্পৰ প্ৰসংগ আৰু অসমীয়া গল্প সাহিত্য, পাণবজাৰ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) ভট্টাচার্য, পৰাগ কুমাৰ (২০১২), পাশ্চাত্য সাহিত্যৰ অধ্যয়ন আৰু অনুবাদ , পাণবজাৰ, গুৱাহাটী ঃ বনলতা।



১.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ অসমলৈ মিছনেৰীসকলৰ আগমন.....খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য.....অসমত অসমীয়া ভাষাৰ ঠাইত বাংলা ভাষাৰ প্ৰচলন ..... অসমীয়া শিক্ষিতচামৰ লগলাগি অসমীয়া ভাষা পুনৰ প্ৰচলন.....প্ৰেছ প্ৰতিষ্ঠা.....'অৰুণোদই' আলোচনীৰ প্ৰকাশ.....ব্যাকৰণ, অভিধান, স্কুলীয়া পুথি প্ৰণয়ন..... আদি।

২নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ পৰা উচ্চ শিক্ষা লাভৰ উদ্দেশ্যে কলিকতালৈ যোৱা ছাত্ৰদল.....পাশ্চাত্য সাহিত্যৰ অধ্যয়ন..... জাতীয় চেতনাৰ বিকাশ.....'অ.ভা.উ.সা.সভা'ৰ গঠন.....'জোনাকী'ৰ জন্ম....ৰমন্যাসিক সাহিত্যৰ ঢল.....নতুন সাহিত্যিকৰ সৃষ্টি....অসমীয়া সাহিত্যৰ উন্নতি।

৩নং প্ৰশ্নৰ উত্তৰ ঃ পাশ্চাত্য সাহিত্যৰ অধ্যয়ন....ইংৰাজী ভাষা-শিক্ষা লাভ....অসমীয়া শিক্ষিত ডেকাৰ জাতীয় চেতনাৰ বিকাশ... জাতীয় সাহিত্যৰ সৃষ্টিৰ প্ৰতি অনুপ্ৰেৰণা লাভ....ন-ন সাহিত্যৰ সৃষ্টি।

৪নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিক অসমীয়া সাহিত্য সৃষ্টিৰ সময়ছোৱা....কবিতা....নাটক.....উপন্যাস..... চুটিগল্প..... জীৱনী..... সমালোচনা..... ব্যাকৰণ..... ভাষাতত্ত্ব।

৫নং প্ৰশ্নৰ উত্তৰ ঃ কবিতা, নাটক, উপন্যাস, চুটিগল্প আদি প্ৰতিটো বিভাগৰ বৈচিত্ৰ্যমণ্ডিত ৰূপৰ চমু আলোচনা (উত্তৰটো লিখোতে পাঠটোৰ উপবিভাগত আলোচিত মূল আলোচনা ভাগৰ সহায় ল'ব আৰু তাক নিজৰ ভাষাত লিখিবলৈ যত্ন কৰিব।)



১.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ চমু ৰূপৰেখা অংকন কৰক।

প্ৰশ্ন নং ২ ঃ অসমীয়া সাহিত্যলৈ 'অৰুণোদই' যুগৰ অৱদান সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'জোনাকী' আলোচনীৰ স্থান নিৰূপন কৰক।

প্ৰশ্ন নং ৪ ঃ আধুনিক অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধিশালী কৰাত কলিকতাত পঢ়িবলৈ যোৱা ছাত্ৰসকলৰ ভূমিকা কেনে আছিল আলোচনা কৰক।

প্ৰশ্ন নং ৫ ঃ আধুনিক অসমীয়া সাহিত্য বিকাশত পাশ্চাত্য সাহিত্যৰ প্ৰত্যক্ষ-পৰোক্ষ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন নং ৬ ঃ আধুনিক অসমীয়া সাহিত্যৰ ইতিহাসত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান নিৰূপণ কৰক।

প্ৰশ্ন নং ৭ ঃ আধুনিক অসমীয়া কাব্য সাহিত্যত পাশ্চাত্য প্ৰভাৱ কেনেদৰে পৰিছে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ৮ ঃ আধুনিক অসমীয়া নাট্য সাহিত্যত পাশ্চাত্য প্ৰভাৱ কেনেদৰে পৰিছে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ৯ ঃ আধুনিক অসমীয়া উপন্যাস সাহিত্যত পাশ্চাত্য প্ৰভাৱ কেনেদৰে পৰিছে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ১০ ঃ আধুনিক অসমীয়া চুটিগল্পত পাশ্চাত্য প্ৰভাৱ কেনেদৰে পৰিছে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ১১ ঃ আধুনিক অসমীয়া সমালোচনা সাহিত্যত পাশ্চাত্য প্ৰভাৱ কেনেদৰে পৰিছে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ১২ ঃ আধুনিক অসমীয়া জীৱনী সাহিত্যত পাশ্চাত্য প্ৰভাৱ কেনেদৰে পৰিছে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ১৩ ঃ পাশ্চাত্য প্ৰভাৱত অসমীয়া সাহিত্য কেনেদৰে সমৃদ্ধিশালী হৈছে তাৰ বিচাৰ কৰক।

*** ***** ***

অধ্যায় ২ ঃ অনুবাদ সাহিত্য ঃ সাহিত্যিক উপাদান প্রয়োগত পাশ্চাত্য প্রয়োগ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ অনুবাদ ঃ সংজ্ঞা আৰু স্বৰূপ

২.৪ অসীয়া সাহিত্য আৰু অনুবাদ

২.৫ অসমীয়ালৈ অনূদিত হোৱা পাশ্চাত্য সাহিত্য

২.৫.১ অসমীয়ালৈ অনূদিত হোৱা পাশ্চাত্য কবিতা

২.৫.২ অসমীয়ালৈ অনূদিত হোৱা পাশ্চাত্য উপন্যাস

২.৫.৩ অসমীয়ালৈ অনূদিত হোৱা পাশ্চাত্য গল্প

২.৫.৪ অসমীয়ালৈ অনূদিত হোৱা পাশ্চাত্য নাটক

২.৬ পাশ্চাত্য সাহিত্যৰ অনুবাদে অসমীয়া সাহিত্যত পেলোৱা প্রভাৱ

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৮ অধিক জানিবলৈ

২.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

২.১০ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অনুবাদ সম্পর্কে এটি ধাৰণা লাভ কৰিব পাৰিব
- অসমীয়া অনুবাদ সাহিত্যৰ ধাৰা সম্পর্কে জানিব পাৰিব
- অনুবাদৰ গুৰুত্ব আৰু অসমীয়া সাহিত্যত ইয়াৰ প্রভাৱ সম্পর্কে অৱগত হ'ব।

২.২ পৰিচয়

প্রথম অধ্যায়ত আপুনি অসমীয়া সাহিত্যত পৰা পাশ্চাত্য প্রভাৱ সম্পর্কে জানিব পাৰিলে। এই অধ্যায়ত অনুবাদৰ মাজেৰে অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ কিদৰে পৰিছে, সেই সম্পর্কে অৱগত হ'ব। লগতে অসমীয়া অনুবাদ সাহিত্যৰ ধাৰাটোৰ বিষয়েও বিস্তৃত আলোচনা আগবঢ়োৱা হ'ব।

২.৩ অনুবাদ ঃ সংজ্ঞা আৰু স্বৰূপ

এটা ভাষাৰ পৰা আন এটা ভাষালৈ অথবা এটা ভাষাৰ এটা ৰূপৰ পৰা সেই ভাষাটোৰ আন এটা ৰূপলৈ কোনো এটা পাঠৰ অর্থৰ অভিজ্ঞাপন কৰা কার্যই হ'ল অনুবাদ। সংজ্ঞাৰ পৰাই এই কথা সহজে অনুধাৱন কৰিব পাৰি যে অনুবাদ তুলনামূলক সাহিত্যৰ এক গুৰুত্বপূর্ণ দিশ। বিভিন্ন ভাষাৰ ভাব-অনুভূতি, দৃষ্টিভংগী, আদর্শ, চিন্তা আদি আন এটা ভাষালৈ কঢ়িয়াই নিয়াৰ প্রক্রিয়াই হ'ল অনুবাদ। ব্যুৎপত্তিৰ দিশৰ পৰা বিচাৰ কৰিলে অনুবাদৰ অর্থ হ'ল এবাৰ কোৱা কথাকে আকৌ কোৱা। ব্যুৎপত্তিগতভাৱে 'অনু' উপসর্গৰ লগত 'ৱদ্' ধাতুত 'ঘঞ্' প্রত্যয় যোগ হৈ 'অনুবাদ' শব্দ সাধিত হৈছে। 'অনু' মানে হ'ল পিছত বা পিছে-পিছে আৰু 'ৱদ্' ধাতুৰ অর্থ হ'ল কোৱা, গতিকে ব্যুৎপত্তিগতভাৱে অনুবাদ শব্দৰ অর্থ হ'ল 'পিছে পিছে কোৱা'। 'অনুবাদ' শব্দটো ইংৰাজী translation শব্দৰ অসমীয়া প্রতি শব্দ হিচাপে বহুলভাৱে ব্যৱহৃত হয়। তর্জমা, ৰূপান্তৰ, ভাষান্তৰ, ভাঙনি আদি শব্দও অনুবাদ শব্দটোৰ সমার্থক হিচাপে ব্যৱহাৰ কৰিব পাৰি। ইংৰাজী translation শব্দটো translate শব্দটোৰ বিশেষ্য ৰূপ। লেটিন ভাষাৰ translatum শব্দৰ পৰা translate শব্দটোৰ সৃষ্টি হৈছে। translatum শব্দটো আকৌ 'trans' আৰু 'latum' এই দুটা শব্দৰ সমন্বয়ত সৃষ্টি হৈছে।

অনুবাদ কার্য এটা ভাষাৰ মাজত অথবা পৃথক ভাষাৰ মাজত সম্পাদন কৰা হয়। একেটা ভাষাৰ মাজত হোৱা অনুবাদক অন্তঃভাষাগত অনুবাদ বোলে। ইংৰাজীত এই অনুবাদক Intralingual Translation আখ্যা দিয়া হয়। অন্তঃভাষাগত অনুবাদ এটা ভাষাৰ বিভিন্ন ৰূপৰ মাজত হয়। সাধাৰণতে এই শ্রেণীৰ অনুবাদত দেখা যায় যে এটা ভাষাৰ এটা ৰূপৰ কোনো শব্দ অনুবাদ কৰিলে শব্দটোৰ মোটামুটি এটা সমার্থক শব্দ ব্যৱহাৰ কৰা হয়। উপন্যাস, গল্প, কাহিনীক নাট্যৰূপ দিয়া, নাটকৰ কাহিনী কিতাপৰ ৰূপ দিয়া, উপন্যাস বা গল্পৰ কাহিনীৰ আলমত চিৰিয়েল নির্মাণ আদি অন্তঃ ভাষাগত অনুবাদৰ উদাহৰণ।

আকৌ দুটা পৃথক ভাষাৰ মাজত হোৱা অনুবাদক আন্তঃ ভাষাগত অনুবাদ বোলে। ইংৰাজীত এই অনুবাদক Interlingual Translation বোলা হয়। আন্তঃ ভাষাগত অনুবাদত অন্তঃ ভাষাগত অনুবাদৰ দৰে এটা শব্দৰ সম্পূর্ণ সমার্থক শব্দ বিচাৰি পোৱা সম্ভৱ নহয়। এনে অনুবাদত শব্দৰ সলনি শব্দ প্রতিষ্ঠাপনৰ পৰিৱর্তে এটা ভাষাৰ এটা শব্দ বা বাক্যৰ অন্তর্নিহিত ভাৱ আন এটা ভাষালৈ অভিজ্ঞাপন কৰা হয়। আন্তঃ ভাষাগত অনুবাদত শব্দৰ প্রত্যক্ষ অনুবাদত গুৰুত্ব দিয়াৰ সলনি সামগ্রিক বার্তাটোহে প্রেৰণৰ ওপৰত গুৰুত্ব দিয়া হয়।

অনুবাদ প্রক্রিয়াৰ লগত স্রোত ভাষা আৰু স্রোত পাঠ তথা লক্ষ্য ভাষা আৰু লক্ষ্য পাঠৰ ধাৰণাটো ওতঃপ্রোতভাৱে জড়িত হৈ আছে। অনুবাদ কার্যত মূল পাঠৰ ভাষা বুজাবলৈ উৎস ভাষা বা স্রোত ভাষা (Source Language চমুকৈ S.L.) আৰু যি ভাষালৈ অনুবাদ কৰা হ'ব, সেই ভাষা বুজাবলৈ লক্ষ্য ভাষা (Target Language T.L) শব্দকেইটি ব্যৱহাৰ কৰা হয়। অনুবাদৰ বাবে যিটো পাঠক ভিত্তি হিচাপে গ্রহণ কৰা হয়, সেইটোক স্রোত পাঠ বোলে।

আনহাতে অনূদিত পাঠটোক লক্ষ্যপাঠ আখ্যা দিয়া হয়। সফল অনুবাদৰ বাবে অনুবাদকৰ মূল পাঠ বা স্রোত পাঠৰ প্রতি আনুগত্য আৰু আন্তৰিকতা থাকিব লাগিব। তদুপৰি মূল লেখকৰ ৰচনাৰ মর্ম তেওঁ অনুধাৱন কৰিব পাৰিব লাগিব। লগতে অনুবাদকৰ লক্ষ্য ভাষাৰ লগতে স্রোত ভাষাৰো বিস্তৃত আৰু গভীৰ জ্ঞান থকা প্রয়োজনীয়। স্রোত ভাষা আৰু লক্ষ্য ভাষা উভয়ৰে কালিকা সম্বন্ধে অনুবাদক অৱগত হোৱা উচিত। অন্যথা তেনে অনুবাদক উৎকৃষ্ট অনুবাদ আখ্যা দিব পৰা নাযাব।

গতিকে চাবলৈ গ'লে অনুবাদৰ সমস্ত প্রক্রিয়াটোৱে কলাসুলভ। সেয়েহে বহু সমালোচকে অনুবাদক কেবল অনুবাদ নুবুলি 'অনুবাদ কলা' হিচাপে আখ্যা দিব বিচাৰে।



জানি থোৱা ভাল

ৰুচীয়-মার্কিন ভাষাবিদ ৰোমান য়াকবচনে অন্তঃ ভাষাগত আৰু আন্তঃ ভাষাগত অনুবাদৰ বাহিৰেও অনুবাদৰ আৰু এটা প্রকাৰৰ কথা উল্লেখ কৰিছে। সেইটো হ'ল আন্তঃ চিহ্নগত বা অনামৌখিক অনুবাদ। ইংৰাজীত ইয়াক transemiotic Translation বোলে। মূর্তি, চিত্রকলা, শিল্প আদিয়ে এই শ্রেণীৰ অনুবাদক প্রতিনিধিত্ব কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অনুবাদৰ প্রকাৰসমূহৰ বিষয়ে উদাহৰণসহ আলোচনা কৰক। (১৫০ শব্দৰ ভিতৰত)

.....

২.৪ অসমীয়া সাহিত্য আৰু অনুবাদ

যিকোনো ভাষাৰ সাহিত্যৰ সমৃদ্ধিত অনুবাদৰ গুৰুত্বৰ কথা কোনেও নুই কৰিব নোৱাৰে। বহু সমালোচকে অনুবাদৰ বিষয়ে বিৰূপ মন্তব্য প্রদান কৰি অনুবাদে ভাষা এটাৰ মৌলিক সাহিত্যৰ ওপৰত ঋণাত্মক প্রভাৱ পেলায় বুলি কৈছে। তেওঁলোকৰ মতে অনুবাদৰ জৰিয়তে এটা ভাষাৰ সাহিত্যৰ ৰীতিসমূহ আন এটা ভাষাত প্রৱেশ কৰিবলৈ সুবিধা পায়। ই কোনো এটা ভাষাৰ সাহিত্যৰ স্বকীয়তাক বিনষ্ট কৰিব পাৰে বুলি সমালোচকসকলে মত প্রকাশ কৰিছে। অৱশ্যে সমালোচকসকলৰ এই অভিমতক সমর্থন জনাব নোৱাৰি। বহু পণ্ডিতেও অনুবাদ সম্পর্কীয় এনে বিৰূপ মন্তব্যক একে আষাৰে নস্যাৎ কৰিছে। অসমীয়া সাহিত্যৰ ইতিহাসলৈ লক্ষ্য কৰিলেই অনুবাদ সাহিত্যৰ গুৰুত্বৰ কথা অনুধাৱন কৰিব পাৰি। অসমীয়া ভাষাৰ ইতিহাস চর্যাপদৰ সময়ৰ পৰা আৰম্ভ হৈছিল যদিও ই সমৃদ্ধ ৰূপ পাইছিল প্রাক্-শংকৰী যুগৰ পৰা। প্রাক্-শংকৰী যুগৰ অসমীয়া কবিসকলে ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ কাহিনীক

আধাৰ হিচাপে লৈ কাব্য ৰচনা আৰম্ভ কৰিছিল। এই যুগৰ পাঁচজন কবি মাধৱ কন্দলি, হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী আৰু ৰুদ্ৰ কন্দলিয়ে ৰাজপৃষ্ঠপোষকতাত কাব্য ৰচনা কৰিছিল। প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলিয়ে এই যুগতেই ৰামায়ণ অনুবাদ কৰি প্ৰান্তীয় ভাষাত ৰামায়ণ অনুবাদ কৰা প্ৰথমগৰাকী কবি ৰূপে পৰিগণিত হৈছিল। হেম সৰস্বতীয়ে সেইদৰে 'প্ৰহ্লাদ চৰিত্ৰ' আৰু 'হৰগৌৰী সংবাদ'ৰ ভাঙনি কৰে। কবিৰত্ন সৰস্বতীয়ে মহাভাৰতৰ ভীষ্ম পৰ্বৰ অন্তৰ্গত জয়দ্ৰথ বধ আৰু ৰুদ্ৰ কন্দলিয়ে জয়দ্ৰথ বধৰ অন্তৰ্গত সাত্যকি প্ৰৱেশৰ অনুবাদ কৰিছিল। পৰৱৰ্তী শংকৰী আৰু উত্তৰ শংকৰী যুগতো অনুবাদ কাৰ্যই অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছিল। শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ৰাম সৰস্বতী, ৰত্নাকৰ কন্দলি আদি ৰামায়ণ, মহাভাৰত আৰু বিভিন্ন পু�ৰাণ বিশেষকৈ ভাগৱত পুৰাণৰ বিভিন্ন কাহিনী অসমীয়ালৈ অনুবাদ কৰি অসমীয়া সাহিত্যৰ ভেটি সুদৃঢ় কৰিছিল। শংকৰদেৱে ভাগৱত আৰু হৰিবংশৰ কেইবাটাও খণ্ড অসমীয়ালৈ অনুবাদ কৰিছিল। মাধৱদেৱে ৰচনা কৰা 'নামঘোষা'ৰ ছশমান ঘোষা বিভিন্ন পু�ৰাণৰ অসমীয়া ভাঙনি। এই সময়ছোৱাৰ এগৰাকী উৎকৃষ্ঠ অনুবাদক আছিল ৰাম সৰস্বতী। তেওঁক 'মহাভাৰতীয় কবি'ও আখ্যা দিয়া হয়। ৰাম সৰস্বতীয়ে মহাভাৰতৰ একাধিক পৰ্ব অসমীয়ালৈ ভাঙনি কৰিছিল। আনকি তেওঁ জয়দেৱৰ 'গীত-গোবিন্দ'ও অসমীয়ালৈ অনুবাদ কৰিছিল।

অনুবাদৰ এই পৰম্পৰা মিছনেৰী যুগতো অব্যাহত থাকে। আত্মাৰাম শৰ্মাৰ 'বাইবেল', নাথান ব্ৰাউনৰ 'জাত্ৰিকৰ জাত্ৰা', এ. কে. গাৰ্ণিৰ 'এলোকেশী বেশ্যাৰে বিষয়', 'কানি বেহেৰুৱাৰ কথা', শ্ৰীমতী গাৰ্ণিৰ ফুলমণি আৰু কৰুণা আদিৰ উপৰিও বাইবেলৰ বিভিন্ন অংশৰ অনুবাদ অসমীয়া ভাষালৈ কৰিছিল। অসমীয়া ভাষাৰ অনুবাদৰ পৰম্পৰাই এক নতুন প্ৰাণ পাইছিল জোনাকী যুগত। কলিকতালৈ পঢ়িবলৈ যোৱা অসমীয়া ডেকাসকলে পাশ্চাত্য সাহিত্যৰ লগত পৰিচিত হৈছিল আৰু পাশ্চাত্য সাহিত্যৰ আলমত অসমীয়াত সাহিত্য চৰ্চা কৰি অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ সূচনা কৰিছিল। তেওঁলোকে কেবল পাশ্চাত্য সাহিত্য আৰু সাহিত্যিকৰ দ্বাৰা অনুপ্ৰাণিত হৈছে অসমীয়াত সাহিত্য চৰ্চা কৰা নাছিল, বহুতো পাশ্চাত্য সাহিত্য অসমীয়ালৈ অনুবাদ কৰাৰো উদ্যোগ গ্ৰহণ কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱা, হিতেশ্বৰ বৰবৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা, যতীন্দ্ৰনাথ দুৱৰা, দুৰ্গেশ্বৰ শৰ্মা, পদ্মধৰ চলিহা, লক্ষেশ্বৰ শৰ্মা, শান্তিৰাম দাস, হৰেন্দ্ৰ কলিতা, দেবানন্দ ভৰালী, নবীন চন্দ্ৰ বৰদলৈ আদি সাহিত্যিকসকল জোনাকী যুগৰ উল্লেখযোগ্য অনুবাদক হিচাপেও স্বীকৃত। এওঁলোকে বিভিন্ন পাশ্চাত্য বিশেষকৈ ইংৰাজী কবিতা, উপন্যাস, নাটক, গল্প অসমীয়ালৈ ভাঙনি কৰি অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিছে। যুদ্ধোত্তৰ যুগটো অসমীয়ালৈ অনূদিত সাহিত্যৰ ক্ষেত্ৰখনৰ বাবে এক গুৰুত্বপূৰ্ণ সময়। এই সময়ছোৱাত অনুবাদকসকলে কেৱল ইংৰাজী সাহিত্যই অসমীয়ালৈ অনুবাদ কৰি ক্ষান্ত থকা নাই; বিশ্বৰ বিভিন্ন ভাষাৰ সাহিত্যৰ লগতে বিভিন্ন ভাৰতীয় ভাষাৰ সাহিত্যও অসমীয়ালৈ অনুবাদ কৰি অনুবাদৰ এক সুস্থ পৰম্পৰাৰ সৃষ্টি কৰিছে। যুদ্ধোত্তৰ যুগৰ

কেইগৰাকীমান আগশাৰীৰ অনুবাদক হ'ল— আবুল লেইচ, তপন দাস, খগেন্দ্র নাৰায়ণ দত্তবৰুৱা, পোনা মহন্ত, বাণেশ্বৰ হাজৰিকা, বিমল নাথ, দীনেশ চন্দ্র গোস্বামী, কীর্তিনাথ হাজৰিকা, প্রফুল্ল কটকী আদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অনুবাদৰ পৰম্পৰাক কোনো সাহিত্যৰ বাবে ক্ষতিকাৰক হিচাপে বিবেচনা কৰিব পাৰিনে? (১০০ শব্দৰ ভিতৰত)

.....

২.৫ অসমীয়ালৈ অনূদিত হোৱা পাশ্চাত্য সাহিত্য

বিশ্বৰ বিভিন্ন আগশাৰীৰ ভাষাৰ সাহিত্য গঢ় লোৱাৰ ক্ষেত্রত অনুবাদে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। বহু সমালোচকে মৌলিক ৰচনাৰ ওপৰত সাহিত্যৰ গৌৰৱ প্রতিষ্ঠিত হয় বুলি মন্তব্য প্রদান কৰিলেও অনুবাদৰ আৱশ্যকতা একে আষাৰে নুই কৰিব নোৱাৰি। বহু ক্ষেত্রত দেখা গৈছে অনুবাদে কোনো এটা ভাষাৰ সাহিত্যৰ ভেটি নির্মাণ কৰিছে। কৃষ্ণকান্ত সন্দিকৈয়ে ১৯১৯ চনত হোৱা অসম সাহিত্য সভাৰ বৰপেটা অধিৱেশনত সভাপতিৰ অভিভাষণত কালিৰাম মেধিয়ে অনুবাদ সম্পর্কে কৰা বিৰূপ মন্তব্যৰ বিৰোধিতা কৰি 'অনুবাদৰ কথা' নামৰ এটা প্রৱন্ধ লিখিছিল। তেওঁ চেক্, হাংগেৰি, জুগশ্লাভিয়াৰ সাহিত্যৰ ভেটি নির্মাণত অনুবাদে কিদৰে ভূমিকা গ্রহণ কৰিছিল তাৰ সুন্দৰ বর্ণনা আগবঢ়াইছে। অসমীয়া সাহিত্যও এই ক্ষেত্রত ব্যতিক্রম নহয়। অসমীয়া সাহিত্য আৰু ভাষা গঢ় লোৱাৰ ক্ষেত্রত অনুবাদে যথেষ্ট অৰিহণা যোগাই আহিছে। তলত অসমীয়া সাহিত্যলৈ অনুদিত হোৱা বিভিন্ন পাশ্চাত্য সাহিত্যৰ উল্লেখ কৰা হ'ল।

২.৫.১ অসমীয়ালৈ অনূদিত হোৱা পাশ্চাত্য কবিতা

ইতিপূর্বে উল্লেখ কৰি অহা হৈছে যে অসমীয়ালৈ অনুদিত কবিতাৰ ধাৰাটো প্রাক্-শংকৰী যুগত আৰম্ভ হৈছিল। পৰৱর্তী শংকৰী, শংকৰোত্তৰ আৰু অৰুণোদই যুগত কবিতাৰ অনুবাদৰ পৰম্পৰাটো চলি আহিছে যদিও পাশ্চাত্য কবিতাৰ অনুবাদৰ পৰম্পৰা আৰম্ভ হৈছিল জোনাকী যুগত। জোনাকী যুগ আৰু ইয়াৰ পৰৱর্তী যুদ্ধোত্তৰ যুগত অসংখ্য পাশ্চাত্য কবিতা অসমীয়ালৈ অনুবাদ কৰা হৈছিল। অসমীয়ালৈ অনূদত এনে একাংশ কবিতা হ'ল—

অনুবাদক	স্রোত পাঠ	মূল কবি	লক্ষ্য পাঠ
লক্ষ্মীনাথ	Loveliness of	জর্জ ডালি	প্রিয়তমাৰ সৌন্দর্য

বেজবৰুৱা Love			(ছায়ানুবাদ)
	There is a Garden in her face	টমাচ চেম্পিয়ন	প্রিয়তমা (ছায়ানুবাদ)
হেমচন্দ্র গোস্বামী	Universal Prayer	আলেকজেণ্ডাৰ পোপ	স্তুতি
	To Unvail the Beauty's Bust	গ্যেটে	সৌন্দর্যৰ বুকুৰ কাঁচলি উদঙাই
আনন্দচন্দ্র আগৰৱালা	Psalm of Life	লংফেলো	জীৱন সংগীত
	Today and Tomorrow	চার্লচ মেকী	আজি আৰু কালি
	The Shepherd and the Philosopher	টমাছ গ্রে	চহা আৰু পণ্ডিত
	Hermit	গোল্ডস্মিথ	যোগী
	Ode to Duty	কীটচ্	কর্তব্য (ছায়ানুবাদ)
হিতেশ্বৰ বৰবৰুৱা	Vicar of Wakefield	গোল্ডস্মিথ	অংগিলা
যতীন্দ্রনাথ দুৱৰা	Twinkle Twinkle Little Star	—	চিকিমিকি চিকিমিকি সৰু তৰাটি
	Lines to an Indian Air	শ্যেলী	তোমালৈ
নীলমণি ফুকন	জাপানী টংকা আৰু হাইকু	—	জাপানী কবিতা
সুজাতা প্রিয়ংবদা	আঠজন জাপানী কবিৰ আঠটা প্রখ্যাত জাপানী কবিতা	— —	হিৰোচিমাৰ কাব্য
থানেশ্বৰ	—	টি.এচ. এলিয়াট	(অনূদিত কবিতা নবদূত আলোচনীত প্রকাশ হৈছিল)
নৰকান্ত বৰুৱা	কুৰিটা হাইকু কবিতাৰ ভাঙনি	— —	ফুজিয়ামা নামনিৰ জিএঞা

২.৫.২ অসমীয়ালৈ অনূদিত হোৱা পাশ্চাত্য উপন্যাস

অসমীয়া সাহিত্যত উপন্যাস বা উপন্যাসধর্মী ৰচনাৰ অনুবাদৰ পৰম্পৰা আৰম্ভ হয় মিছনেৰী যুগত। এই সময়চোৱাক বহু সমালোচকে অসমীয়া উপন্যাসৰ

প্রস্তুতি পর্বও আখ্যা দিছে। মিছনেৰী যুগত খ্ৰীষ্টধর্ম প্রচাৰৰ বাবে অসমীয়া ভাষালৈ অনুবাদ কৰা উপন্যাসৰ লক্ষণ নিহিত থকা একাধিক উপন্যাসধর্মী ৰচনা প্রকাশিত হৈছিল। এইবোৰক প্রকৃতার্থত উপন্যাস বুলিব নোৱাৰি যদিও দৰাচলতে উপন্যাসধর্মী ৰচনাৰ অনুবাদৰ পৰম্পৰা এই সময়ৰ পৰাই আৰম্ভ হৈছিল। ৰোমাণ্টিক যুগ বা জোনাকী যুগত বহুতো উপন্যাস ইংৰাজীৰ পৰা অসমীয়ালৈ অনূদিত হৈছিল। পৰৱর্তী যুদ্ধোত্তৰ কালতো এই অনুবাদৰ পৰম্পৰাই ব্যাপক ৰূপ লাভ কৰিছিল। তলত অসমীয়ালৈ অনূদিত একাংশ পাশ্চাত্য উপন্যাসৰ উদাহৰণ দিয়া হ'ল—

অনুবাদক	স্রোত পাঠ	মূল ঔপন্যাসিক	লক্ষ্য পাঠ
লক্ষ্মেশ্বৰ শর্মা	The Last Days of Pompeii	এডৱার্ড বুলৱা লিটন	পম্পিয়াইৰ প্রলয় কাহিনী
	Mother	গ্রেজিয়া ডালেভাৰ	মাতৃ
শান্তিৰাম দাস	East Lynne	মিছ হেনৰি উড	সমাৱেশী
	The Hearth	চার্লচ ৰীড	মিলন মন্দিৰ
ৰোহিনীকান্ত বৰুৱা	The Great Hunger	Tohan Bajer	পৰম ক্ষুধা
দীনাথ শর্মা	Growth of Soil	Knut Hamsun	মাটি আৰু মানুহ
আবুল লেইচ	The Adventure of Tom Sawyer	মার্ক টোৱেইন	টম ছৱাৰ
বীৰে বৰকটকী	Virgin Soil	টুর্গেনিড	কুমাৰী পৃথিৰী
প্রণীতা দেৰী	Lust for Life	আৰভিংষ্টন	জীৱনৰ লালসা
প্রফুল্ল কটকী	Return of the Native	টমাচ হার্ডি	ওপজা মাটিৰ টান
সত্যেন্দ্র নাৰায়ণ গোস্বামী	Farewell to Arms	হেমিংৱে	বিদায় যুদ্ধ বিদায়
বীৰেন্দ্র কুমাৰ ভট্টাচার্য	For Whom the Bell Tolls	হেমিংৱে কাৰ বাবে	দেব দুন্দুভি বাজে
যতীন্দ্রনাথ গোস্বামী	The old Man and the Sea	হেমিংৱে	বুঢ়া আৰু সাগৰ
বন্দিতা গোস্বামী	Oliver Twist	চার্লচ ডিকেঞ্চ	অলিভাৰ টুইষ্ট
মহেন্দ্র বৰা	Pinoccio	কার্লো কলডি	পিনক্কিঅ'

২.৫.৩ অসমীয়ালৈ অনূদিত হোৱা পাশ্চাত্য গল্প

চতুর্থ বছৰ চতুর্থ সংখ্যা 'জোনাকী'ত বেজবৰুৱাৰ 'সেউজী' গল্প প্ৰকাশ হোৱাৰ পিছৰ পৰাই অসমীয়া চুটিগল্পৰ ধাৰাটোৰ আৰম্ভ হয়। মূলতঃ পাশ্চাত্য সাহিত্যৰ প্ৰভাৱত অসমীয়া গল্প-সাহিত্যৰ ধাৰাটোৰ আৰম্ভণি হোৱা বাবে এই প্ৰভাৱৰ পৰিণতিত জন্মলগ্নৰে পৰা অসংখ্য বিদেশী গল্প অসমীয়ালৈ অনূদিত হোৱা দেখা গৈছে। তলত অনুষ্ঠিত গল্পসমূহৰ একাংশ উল্লেখ কৰা হ'ল—

অনুবাদক	স্ৰোত পাঠ	মূল লেখক	লক্ষ্য পাঠ
সুৰেন্দ্ৰ মোহন দাস	—	টলষ্টয়	টলষ্টয়ৰ সাধু
হেম শৰ্মা	—	টলষ্টল	লিও টলষ্টয়-গল্প আৰু উপন্যাস
অৰুণ কুমাৰ বৰুৱা	—	মোপাছাঁ	মোপাছাঁৰ গল্প
অনিল কুমাৰ শৰ্মা	—	চেখভ	চেখভৰ গল্প
ৰত্নেশ্বৰ মেধি	—	মেক্সিম গৰ্কী	মেক্সিম গৰ্কীৰ শ্ৰেষ্ঠ গল্প
অমিয়া দেৱী	—	ইটালী, ৰাছিয়া, আমেৰিকা, ইংলেণ্ড আদি দেশৰ বচা বচা গল্পকাৰ	একুৰি বিদেশী গল্প (১৪টা বিদেশী অনুদিত গল্পৰ সংকলন)
লক্ষ্যহীৰা দাস	—	অস্কাৰ ৰাইল্ড	অস্কাৰ ৰাইল্ডৰ গল্প
অমূল্য হাজৰিকা	—	অ' হেনৰি	অ' হেনৰিৰ শ্ৰেষ্ঠ গল্প

২.৫.৪ অসমীয়ালৈ অনূদিত হোৱা পাশ্চাত্য নাটক

কবিতা, গল্প আৰু উপন্যাসৰ উপৰিও বহুকেইখন নাটক অসমীয়ালৈ অনুবাদ হৈছে। কেইখনমান উল্লেখযোগ্য অনূদিত নাটক হ'ল—

অনুবাদক	স্ৰোত পাঠ	মূল লেখক	লক্ষ্য পাঠ
ৰত্নধৰ বৰুৱা ৰমাকান্ত বৰকাকতি	Comedy of Errors	শ্ৰেইক্সপীয়েৰ	ভ্ৰমৰংগ
গুঞ্জানন বৰুৱা ঘনশ্যাম বৰুৱা দুৰ্গেশ্বৰ শৰ্মা	As Jov Like It	শ্ৰেইক্সপীয়েৰ	চন্দ্ৰাৱলী
	Cymbiline	শ্ৰেইক্সপীয়ৰ	পদ্মাৱতী

দেবানন্দ ভৰালী	Macbeth	শ্বেইক্সপীয়েৰ	ভীমদর্প
পদ্মধৰ চলিহা	Romeo and Julliet	শ্বেইক্সপীয়েৰ	অমৰ লীলা
শৈলধৰ	Othello	শ্বেইক্সপীয়েৰ	ৰণজিৎ সিং
ৰাজখোৱা	Twelve Night	শ্বেইক্সপীয়েৰ	মনৰ মানুহ
অতুল চন্দ্র হাজৰিকা	Merchant of Venice	শ্বেইক্সপীয়েৰ	বণিজ কোঁৱৰ
	King Lear	শ্বেইক্সপীয়েৰ	অশ্রুতীর্থ
পদ্ম বৰকটকী	A Doll's House	ইবচেন	পুতলা ঘৰ
সত্যপ্রসাদ	Wild Duck	ইবনেচন	বনহংসী
বৰুৱা	ইডিপাছ টাইৰেন্নাচ	চফ'ক্লিছ	বজা ইডিপাছ
প্রফুল্ল দত্ত গোস্বামী	এণ্টিগনি	চফ'ক্লিছ	এণ্টিগনি
শৈলেন ভৰালী	Waiting for Godot	বেকেট	গডোৰ অপেক্ষাত



জানি থোৱা ভাল

১৯১৯ চনত কালিৰাম মেধিয়ে বৰপেটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ পূর্ণাংগ অধিৱেশনৰ সভাপতিত্বৰ অভিভাষণত সকলোকে অনুবাদ বর্জন কৰিবলৈ আহ্বান কৰিছিল। তেওঁ পোনপটীয়াকৈ অনুবাদক সাহিত্যিক অনিষ্টকাৰী বুলি কৈছিল। এই অভিভাষণখন অম্বিকাগিৰি ৰায়চৌধুৰীৰ 'চেতনা'ত প্রকাশ পাইছিল। 'চেতনা'ত প্রকাশ পোৱাৰ লগে লগে অসমৰ সাহিত্যসেৱীৰ মাজত প্রতিক্রিয়াৰ সৃষ্টি হৈছিল। মৌলৰী চৈয়দৰ ৰহমানে ১৯২০ চনৰ 'চেতনা'ত কালিৰাম মেধিৰ মন্তব্যৰ বিপক্ষে মতে মাতি এটা প্রৱন্ধ লিখিছিল। কৃষ্ণকান্ত সন্দিকৈয়ে মৌলৰীৰ প্রৱন্ধটো পঢ়ি সভাপতিৰ মন্তব্যক সমালোচনা কৰি 'অনুবাদৰ কথা' শীর্ষক প্রৱন্ধটো লিখিছিল। সন্দিকৈয়ে প্রথমজন অসমীয়া যিয়ে প্রৱন্ধটোৰ জৰিয়তে অনুবাদ সম্পর্কে এটি তাত্ত্বিক আলোচনা আগবঢ়াইছিল।

২.৬ পাশ্চাত্য সাহিত্যৰ অনুবাদে অসমীয়া সাহিত্যত পেলোৱা প্রভাৱ

পূর্বতে এই কথা উল্লেখ কৰি অহা হৈছে যে অনুবাদে কোনো সাহিত্যৰ ক্ষতিসাধন নকৰে। অনুবাদে যিকোনো ভাষাৰ সাহিত্যৰ প্রগতিত সহায়হে কৰে। অনুবাদ সাধাৰণতে দুটা

ভাষাৰ সাহিত্যৰ মাজত সম্পাদিত হয় বাবে ই তুলনামূলক সাহিত্যৰো এটা প্ৰকাৰ। অন্যান্য তুলনামূলক সাহিত্যৰ দৰে অনুবাদৰ জৰিয়তে পাঠকে অন্য ভাষাৰ সাহিত্যৰ ধাৰাৰ লগত পৰিচিত হয়। ই ভাষা-সাহিত্যৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভংগী অধিক প্ৰসাৰিত কৰি তোলে। অসমীয়া সাহিত্যৰ প্ৰসংগতে চালে এই কথা স্পষ্ট হয়। অসমীয়ালৈ পাশ্চাত্য সাহিত্যৰ অনুবাদৰ ধাৰাটো প্ৰকৃতাৰ্থত আৰম্ভ হৈছিল জোনাকী যুগত। এই সময়চোৱাত কলিকতালৈ পঢ়িবলৈ যোৱা ডেকাসকলে ইংৰাজী ৰোমাণ্টিক সাহিত্যিকসকলৰ ৰচনা পঢ়ি অভিভূত হৈছিল আৰু সেইবোৰ অসমীয়ালৈ অনুবাদ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। এই অনুবাদৰ জৰিয়তে পাশ্চাত্যৰ ৰোমাণ্টিক ভাবধাৰা সম্পৰ্কে অসমীয়া পাঠকসকল জ্ঞাত হোৱাৰ লগতে পাশ্চাত্যৰ আদৰ্শত সাহিত্য ৰচনা কৰিবলৈও অনুপ্ৰাণিত হৈছিল। ৰোমাণ্টিক যুগ আছিল মূলতঃ পাশ্চাত্য সাহিত্যৰ প্ৰভাৱযুক্ত যুগ। এই যুগতেই পশ্চিমীয়া সাহিত্যৰ দ্বাৰা অনুপ্ৰাণিত হৈ অসমীয়া লেখকসকলে কবিতা, গল্প, উপন্যাস, নাটক আদি ৰচনা কৰিছিল। এই অনুপ্ৰেৰণা প্ৰদান কৰাত অনূদিত সাহিত্যৰ গুৰুত্ব অনস্বীকাৰ্য।

অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশত অনুবাদে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। যিকোনো ভাষা-সাহিত্য তথা ভাৱ-চিন্তাৰ বিস্তাৰত অনুবাদে অৰিহণা যোগায়। অসমীয়া সাহিত্যৰ বিভিন্ন ৰূপ বা সংৰূপ (genre)ৰ বিকাশত পশ্চিমীয়া, বিশেষকৈ ইংৰাজী সাহিত্য কৰ্মৰ অনুবাদৰ পোনপটীয়া প্ৰভাৱ আছে। আধুনিক অসমীয়া নাটক, গল্প, উপন্যাস, ৰোমাণ্টিক কবিতা, মুক্তক ছন্দত ৰচিত কবিতা আদি সাহিত্যৰ বিভিন্ন নতুন ৰূপৰ বিকাশত অনুবাদৰ ভূমিকাক আওকাণ কৰিব নোৱাৰি। কবিতাৰ বিভিন্ন আংগিক যেনে প্ৰতীক, চিত্ৰকল্প, মুক্তক ছন্দ আদিৰ ব্যৱহাৰো পাশ্চাত্য সাহিত্যৰ পৰা আহিছে। অনুবাদে ইয়াৰ বিকাশত যথেষ্ট অৰিহণা যোগাইছে।

বৰ্তমানৰ অসমীয়া নাটকৰ ধাৰাটোৰ ওপৰত দৃষ্টি আৰোপ কৰিলে আমি ইয়াৰ বৈচিত্ৰ্যৰ কথা সহজে অনুধাৱন কৰিব পাৰোঁ। এবচাৰ্ড নাটক, প্ৰতীকধৰ্মী নাটক, ৰোমাণ্টিক নাটক, জাতীয় ভাৱ বিশিষ্ট নাটক, ন্যায়িকপ্ৰধান নাটক আদি নাটকৰ বিভাগসমূহৰ সৃষ্টিৰ মূলতে আছে পাশ্চাত্য নাটক। নাট্যকাৰসকলে পাশ্চাত্য নাটকৰ প্ৰভাৱত অসমীয়া নাটক এনে নতুনত্বৰ প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰিলে। লগতে এনে বৈশিষ্ট্যযুক্ত বিভিন্ন পাশ্চাত্য নাট অসমীয়ালৈ অনুবাদ কৰিবলৈ ল'লে। অসমীয়ালৈ হোৱা নাটকৰ ব্যাপক অনুবাদৰ ফলত জনসাধাৰণৰ মাজত নাটকৰ নতুন নতুন প্ৰয়োগসমূহে জনপ্ৰিয়তা অৰ্জন কৰিলে। ফলত উদীয়মান নাট্যকাৰসকলে অনুবাদৰ জৰিয়তে লাভ কৰা নব্য ধ্যান-ধাৰণাক সৰোগত কৰি নাটক ৰচনা কৰিবলৈ ধৰিলে। অসমীয়া নাট্য সাহিত্যৰ ধাৰাটোৰ সমৃদ্ধিত এইদৰে অনুবাদে গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে।



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অনুবাদৰ সংজ্ঞা আৰু স্বৰূপ সম্পর্কে অৱগত হ'লোঁ।
- অসমীয়ালৈ অনূদিত কবিতা, গল্প, উপন্যাস আৰু নাটকৰ ধাৰাটোৰ বিষয়ে জানিলোঁ।
- অসমীয়া সাহিত্যৰ বিভিন্ন সংৰূপ আৰু আংগিকৰ বিকাশত অনুবাদৰ ভূমিকা সম্পর্কে ধাৰণা লাভ কৰিলোঁ।
- পাশ্চাত্য সাহিত্যৰ অনুবাদে অসমীয়া সাহিত্যৰ সমৃদ্ধিত পেলোৱা প্রভাৱৰ বিষয়ে জানিলোঁ।



২.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১। দাস, নাৰায়ণ, ৰাজবংশী, পৰমানন্দ (সম্পা.) ঃ অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ, চন্দ্র প্রকাশ, চতুর্থ সংস্কৰণ, ২০১৪ চন।

২। নাথ, প্রফুল্ল কুমাৰ; তুলনামূলক সাহিত্য ঃ তত্ত্ব আৰু প্রয়োগ, অসম বুক ডিপো, প্রথম প্রকাশ, ২০১৫ চন।

৩। বেজবৰা, নীৰাজনা মহন্ত ঃ অনুবাদ ঃ তত্ত্ব আৰু প্রয়োগ, বনলতা, দ্বিতীয় প্রকাশ, ২০১১ চন।

৪। শর্মা, মদন ঃ অনুবাদ অধ্যয়ন ঃ তত্ত্ব আৰু প্রয়োগ, বান্ধৱ, প্রথম প্রকাশ, ২০১৭ চন।

অসমীয়া প্রৱন্ধ ঃ

১। সন্দিকৈ, কৃষ্ণকান্ত ঃ অনুবাদৰ কথা

২। Tackobson, Roman : On Linguistics Aspects of Translation.



২.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি — অনুবাদ কি — অনুবাদৰ প্রকাৰসমূহ — সামৰণি।

২নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি — অনুবাদৰ প্রয়োজনীয়তা — সন্দর্ভত নিজস্ব দৃষ্টিভংগী — অসমীয়া সাহিত্যৰ উদাহৰণৰ সহায়ত দৃষ্টিভংগীৰ প্রমাণীকৰণ — সামৰণি।



২.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ 'অসমীয়ালৈ পাশ্চাত্য সাহিত্যৰ অনুবাদ' — শীৰ্ষক এটি নিৱন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ অনুবাদে সাহিত্যৰ ক্ষেত্ৰখনক কিদৰে প্ৰভাৱিত কৰে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক ঃ

(ক) কলা হিচাপে অনুবাদ

(খ) অনূদিত অসমীয়া উপন্যাস

(গ) কবিতাৰ আংগিক আৰু অনুবাদ

*** ***** ***

অধ্যায় ৩ঃ অসমীয়া কবিতাত পাশ্চাত্য প্রভাৱ (১৮৮৯-১৯৪০)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ৰোমাণ্টিক যুগৰ অসমীয়া কবিতাৰ পটভূমি

৩.৪ ৰোমাণ্টিক যুগৰ অসমীয়া কবিসকলৰ কবিতাত পাশ্চাত্য প্রভাৱ

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান (কৱল ৰূপৰেখা)

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ পটভূমি সম্পর্কে জানিব পাৰিব
- ৰোমাণ্টিকতা বা ৰমন্যাসিকতাৰ বৈশিষ্ট্য সম্পর্কে জানিব পাৰিব
- অসমীয়া কবিতাত ৰোমাণ্টিচিজিম বা ৰমন্যাসবাদৰ বৈশিষ্ট্যসমূহ কেনেদৰে প্রতিফলিত হৈছে, সেই সম্পর্কে অৱগত হ'ব
- পাশ্চাত্য ৰোমাণ্টিক কবিসকলৰ কবিতাৰ প্রভাৱ অসমীয়া কবিৰ কবিতাত কি দৰে পৰিছে, সেয়া অনুধাৱন কৰিব পাৰিব
- পাশ্চাত্য ৰোমাণ্টিক কবিতাৰ আৰ্হিৰে ৰচিত কবিতাই অসমীয়া কবিতাক প্রদান কৰা বিবিধতা আৰু বিচিত্রতাৰ উমান পাব
- পাশ্চাত্য কবিৰ কবিতাৰ অসমীয়া অনুবাদ সম্পর্কে জানিব পাৰিব।

৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ'ৰ অন্তর্গত এইটো তৃতীয় অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অসমীয়া কবিতাত পাশ্চাত্য প্রভাৱ (১৮৮৯ৰ পৰা ১৯৪০লৈ) এই অধ্যায়ত অসমীয়া ৰোমাণ্টিক কবিতাত পাশ্চাত্যৰ প্রভাৱ সম্পর্কে আলোচনা কৰা হ'ব।

৩.৩ ৰোমাণ্টিক যুগৰ অসমীয়া কবিতাৰ পটভূমি

অসমীয়া ভাষা-সাহিত্যৰ এক সুদীর্ঘকালীন ঐশ্চর্যশালী ইতিহাস আছে। অসমীয়া,

বাংলা, ওড়িআ আদি ভাষা প্রত্যেকেই নিজৰ প্রত্নৰূপ বুলি দাবী কৰা চর্যাপদৰ সময়ৰ পৰা ধৰিলে অসমীয়া কবিতাৰ ইতিহাস হাজাৰ বছৰ বুলিব পাৰি। চর্যাপদক বাদ দিলেও বর্তমানলৈকে প্রাপ্ত আটাইতকৈ প্রাচীনতম অসমীয়া পুথি হেম সৰস্বতীৰ *প্রহ্লাদ চৰিতৰ* পৰা ধৰিলেও অসমীয়া কাব্য পৰম্পৰাই কেইবাটাও শতিকা অতিক্রম কৰিছে। চতুর্দশ শতিকাৰ হেম সৰস্বতী, মাধৱ কন্দলি, হৰিবন বিপ্র, ৰুদ্র কন্দলি আদি কবিসকলৰ কাপেৰে প্রবাহিত কাব্য পৰম্পৰাই ষোড়শ শতিকাত শংকৰদেৱ-মাধৱদেৱৰ হাতত ভাববস্তু-ৰূপবস্তু, গুণ-ৰস আদি সকলো ফালৰ পৰা মহিমামণ্ডিত হৈ উঠে। শংকৰদেৱ-মাধৱদেৱৰ পৰৱর্তী কালতো সত্রীয়া পৰিবেশতে হওক বা ৰজাঘৰীয়া পৃষ্ঠপোষকতাতে হওক অসমীয়া কাব্য চর্চা অব্যাহত থাকে। অৱশ্যে শংকৰোত্তৰ যুগত অসমীয়া কাব্য সাহিত্যৰ গুণ-গৰিমা শংকৰী যুগৰ শংকৰদেৱ-মাধৱদেৱৰ কাব্যৰ তুলনাত বহুখিনি হ্রাস পালেও অষ্টাদশ শতিকা পর্যন্ত অসমীয়া কাব্য ৰচনাৰ ধাৰাটো প্রবাহিত হৈ আছিল। আহোম ৰাজত্বৰ শেষৰ ফালে হোৱা মোৱামৰীয়া বিদ্রোহ, মানৰ আক্রমণ আদিয়ে আহোমসকলৰ ছশ বছৰীয়া ৰাজত্বৰ অৱসান ঘটায়। আহোম ৰাজত্বৰ শেষৰফালে ঘটা অস্থিৰ অৰাজক পৰিস্থিতিৰ বাবে সুপ্রাচীন অসমীয়া কাব্য ধাৰাটো মৰা সুঁতিত পৰিণত হয়।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি সূত্রে অসম বৃটিছৰ অধীন হয়। ইয়াৰ পাছৰ দহ বছৰ কাল অসমৰ ৰাজনৈতিক বাতাবৰণ অস্থিৰ হৈয়ে ৰয়। ১৮২৮ আৰু ১৮৩০ খ্রীষ্টাব্দত পিয়লি ফুকন, গোমধৰ কোঁৱৰ, ধনঞ্জয় বৰগোহাঁইৰ নেতৃত্বত হোৱা বৃটিছৰ বিৰুদ্ধে সশস্ত্র বিদ্রোহ, পুৰন্দৰ সিংহক উজনি অসমৰ কৰতলীয়া ৰজা হিচাপে নিযুক্তি আৰু অপসাৰণ আদিবোৰেই আছিল এই অস্থিৰতাৰ কাৰণ। ১৮৩৮ চনৰ ১৬ ছেপ্টেম্বৰ তাৰিখে বৃটিছে পুৰন্দৰ সিংহক অপসাৰণ কৰি উজনি অসমত কোম্পানী চৰকাৰৰ সার্বভৌমত্ব স্থাপন কৰে। ইয়াৰ লগে লগে সমগ্র অসমেই ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনলৈ যায়।

বৃটিছে অসম অধিকাৰ কৰাৰ পাছতে ৰাজনৈতিক, অর্থনৈতিক, সামাজিক, প্রশাসনিক আদি সকলো ক্ষেত্রতে ব্যাপক পৰিৱর্তন ঘটে। পাশ্চাত্যৰ ইংৰাজী শিক্ষাৰ প্রসাৰে অসমীয়া মানুহৰ মনঃচক্ষু মোকলাই দিলে। স্বাভাৱিকতে বৃটিছ প্রৱর্তিত নতুন প্রশাসনীয় ব্যৱস্থা আৰু নতুন শিক্ষা পদ্ধতিয়ে অসমত নতুনকৈ এক মধ্যবিত্ত শ্রেণী গঢ়ি তুলিলে। মন কৰিবলগীয়া কথা এয়ে যে শিক্ষিত মধ্যবিত্ত শ্রেণী এটাৰ সৃষ্টিয়েহে এটা সাংস্কৃতিক আৰু জাতীয় চেতনাৰ জন্ম দিয়ে।

বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী চৰকাৰে অসমৰ স্কুল-আদালতত জাপি দিয়া বঙলা (বাংলা) ভাষাৰ বিপৰীতে আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলে ১৮৪৬ চনত প্রকাশ কৰি উলিওৱা প্রথম অসমীয়া সংবাদ-পত্র *অৰুণোদইএ* অসমীয়া মানুহৰ মনত ভাষিক জাতীয়তাবোধ এটা গঢ়ি উঠাত সহায় কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্র বৰুৱা, গুণাভিৰাম বৰুৱাৰ দৰে জাতীয়তাবাদী ব্যক্তিৰ সৃষ্টিৰ আঁৰতো এই কাৰকবোৰেই প্রচ্ছন্ন হৈ আছিল।

আনন্দৰাম-হেমচন্দ্র, গুণাভিৰামে দেখুৱাই থৈ যোৱা জাতীয়তাবাদী চেতনাৰ বাটেদিয়েই

আগবাঢ়ি আহিল ঊনবিংশ শতিকাৰ শেষৰফালে কলিকতাত কলেজীয়া শিক্ষা ল'বলৈ যোৱা অসমীয়া ডেকাসকল। এফালে কলেজত পোৱা পাশ্চাত্য শিক্ষাৰ সোৱাদ আৰু বংগৰ নৱজাগৰণৰ বতাহ তথা বৌদ্ধিক মহলৰ সান্নিধ্যই অসমীয়া ডেকাসকলক অন্ধকাৰাচ্ছন্ন অসমীয়া ভাষা-সাহিত্য জগতখন পোহৰাবলৈ প্রেৰিত কৰিলে। তাৰেই ফলশ্রুতিত ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে কলিকতা প্রবাসী ছাত্রসকলৰ চাহমেলত 'অসমীয়া ভাষা উন্নতি সভা' চমুকৈ অ.ভা.উ.মা.স. গঠন হয়। এই মেলতে অ.ভা.উ.সা.স.ৰ মুখপত্র স্বৰূপে *জোনাকী*নামৰ মাহেকীয়া আলোচনী এখন উলিয়াবলৈ সিদ্ধান্ত কৰে। এই সিদ্ধান্ত অনুসৰিয়েই ১৮৮৯ চনৰ মাঘ মাহত চন্দ্রকুমাৰ আগৰৱালাৰ অর্থসাহায্য আৰু সম্পাদনাত *জোনাকী* প্রকাশ পায়। *জোনাকীয়ে* অসমীয়া সাহিত্যলৈ ৰোমাণ্টিকতাৰ ঢল বোৱাই আনিছিল। চন্দ্রকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্র গোস্বামী এই ত্রিমূর্তিয়ে ৰোমাণ্টিক আন্দোলনৰ গুৰি ধৰিলে। এই ত্রিমূর্তিৰ নেতৃত্বত আন বহুতো ডেকা যেনে— পদ্মনাথ গোহাঞিবৰুৱা, লম্বোদৰ বৰা, ৰত্নেশ্বৰ মহন্ত, আনন্দচন্দ্র আগৰৱালা, সত্যনাথ বৰা, কনকলাল বৰুৱা, ঘনশ্যাম বৰুৱা আদিয়ে ৰোমাণ্টিক আন্দোলনক শক্তিশালী কৰি তুলিলে। *জোনাকীয়ে* প্রাচ্য আৰু পাশ্চাত্যৰ ভাবধাৰাৰ মাজত সংযোগ সেঁতু স্থাপন কৰিলে। ইউৰোপৰ বিশেষকৈ ইংৰাজী সাহিত্যৰ ভাব আৰু ৰূপৰ আদর্শত অসমীয়া সাহিত্য স্রজন কৰিবলৈ তেওঁলোক ব্রতী হ'ল।

চুটিগল্প, উপন্যাস, বিবিধ শ্রেণী প্রবন্ধ (যেনে— বুৰঞ্জীমূলক, সমালোচনামূলক, জীৱনীমূলক আদি), শ্বেইক্সপীয়েৰৰ নাটকৰ অনুবাদকে ধৰি ইংৰাজী নাটকৰ আর্হিত ৰচিত আধুনিক বা ৰোমাণ্টিক নাটক, প্রহসন আদি অসমীয়া সাহিত্যত নতুনকৈ সংযোজিত হ'ল।

কবিতাৰ ক্ষেত্রতো ন ন ৰূপ, ভাব আৰু ছন্দৰ উদ্ভৱ হয়। ৰমন্যাসবাদৰ যোগেদিয়ে বিভিন্ন ভাব প্রকাশক গীতি কবিতাৰ (যেনে— প্রকৃতিমূলক, প্রেম বিষয়ক, ছনেট, শোক কবিতা, ব্যঙ্গ কবিতা আদি) সৃষ্টি হৈ অসমীয়া কাব্য-সাহিত্যক ন-ন ধাৰাৰে চহকী কৰি তুলিলে।

আধুনিক অসমীয়া সাহিত্য প্রতিষ্ঠাত ইংৰাজী সাহিত্যই যদিও মূল শক্তি, সেই শক্তিৰ বিস্তাৰত বংগীয় সাহিত্যয়ো বিশেষ ভূমিকা লৈছিল। ৰোমাণ্টিক যুগৰ অসমীয়া লেখকসকলে ইংৰাজী সাহিত্যৰ লগতে বংগীয় লেখকৰ সাহিত্যও তন্ন তন্নকৈ অধ্যয়ন কৰিছিল আৰু সেই সাহিত্যৰ আর্হিত অসমীয়া সাহিত্য সৃষ্টি কৰিবলৈ আগবাঢ়িছিল। ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ দ্বাৰা তেওঁলোক অনুপ্রাণিত হৈছিল সেই বিষয়ত সন্দেহ নাই; কিন্তু যি চানেকি চাই সেই ভাবাদর্শক অসমীয়াত ৰূপ দিলে সেই চানেকি হ'ল সেই সময়ৰ বংগ সাহিত্য। কবিতাৰ ছন্দ ৰীতি, উপন্যাস ৰচনাৰ চানেকি বংগ-সাহিত্যৰ পৰা অসমীয়া লেখকসকলে গ্রহণ কৰিলে। লিৰিকত হেমচন্দ্র বন্দোপাধ্যায়, নবীনচন্দ্র সেন, কাব্যত মাইকেল মধুসূদন দত্ত, নাটকত গিৰিশচন্দ্র, দ্বিজেনলাল, উপন্যাসত বংকিমচন্দ্র চট্টোপাধ্যায় আদিৰ দ্বাৰা অসমীয়া লেখকসকল বিশেষভাৱে প্রভাৱান্বিত হৈছিল।

পুৰণি অসমীয়া সাহিত্যৰ লগত আধুনিক অসমীয়া সাহিত্যৰ কোনো যোগসূত্র বিচাৰি

পোৱা নাযায় বা আধুনিক অসমীয়া সাহিত্য পুৰণি অসমীয়া সাহিত্যৰ ক্রম পৰিণতিৰ ফল নহয় যদিও ৰোমাণ্টিক যুগৰ লেখকসকলে পুৰণি অসমীয়া সাহিত্যৰ আত্মাক অস্বীকাৰ কৰা বা এৰাই চলা নাছিল। চন্দ্রকুমাৰ আগৰৱালা, নলিনীবালা দেৱী, অম্বিকাগিৰি ৰায়চৌধুৰী, দূর্গেশ্বৰ শর্মা, ৰত্নকান্ত বৰকাকতি আদি কবিৰ গীতি-কবিতাত ভাৰতীয় দার্শনিক ভাবৰ সর্বাত্মবাদ, অতীন্দ্রয়তা, ৰহস্যবাদ, আত্মাৰ অবিনশ্বৰতা, জন্মান্তৰবাদ, কর্মফলবাদ আদিৰো ধ্বনি-প্রতিধ্বনি শুনা যায়। অসমীয়া জনজীৱনত প্রচলিত লোককথা, লোকগীত আদিৰ বিষয়বস্তু, ছন্দৰীতিয়েও চন্দ্রকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱাকে ধৰি আন আন কবিৰ কবিতাতো স্থান পাইছে। এই ফালৰ পৰা ক'বলৈ গ'লে অসমীয়া ৰোমাণ্টিক কবিতাত প্রাচ্য আৰু পাশ্চাত্য ভাবৰ অপূর্ব সংযোগ ঘটিছে বুলিব পাৰি। ৰোমাণ্টিচিজিম বা ৰমন্যাসবাদৰ সংজ্ঞা আৰু বৈশিষ্ট্যসমূহ—

ৰোমাণ্টিক আন্দোলন সম্বন্ধে বিভিন্ন সমালোচকে বিভিন্ন সংজ্ঞা দাঙি ধৰিছে। Watts Duntan-এ ইয়াক বিস্ময় ভাবৰ পুনৰ জাগৰণ (Renaissance of wonder) বুলিছে। Walter Pater-এ সুন্দৰৰ লগত অদ্ভূতৰ সংযোগ বুলি কৈছে (Addition of strangeness to beauty)। ভিক্টৰ হিউগোই 'সাহিত্যত উদাৰপ্রাণতা (Liberalism in Literature) আৰু Brunetiere-এ ইয়াক সাহিত্যত আত্মমুক্তি (Emancipation of Ego) বুলিছে। এই বিলাকৰ ভিতৰত হাৰফোর্ডৰ সংজ্ঞাটো অধিক মনোগ্রাহী। তেওঁৰ মতে, কল্পনাপ্রৱণতাৰ অসামান্য বিকাশেই ৰোমাণ্টিকতা (An Extraordinary development of imaginative sensibility)। ইংৰাজী সাহিত্যৰ অন্যতম বুৰঞ্জী লেখক ক্রুম্পটম ৰিকেটে ৰোমাণ্টিচিজিমৰ তিনিটা লক্ষণ উল্লেখ কৰিছে—

(১) ৰহস্যৰ ভাবানুভূতি অর্থাৎ ৰহস্যময় জগতখনৰ প্রতি বিস্ময়বিমূঢ় ভাব।

(২) বৌদ্ধিক উৎসুক্যৰ আতিশর্য

(৩) জীৱনৰ সহজাত সৰলতাৰ প্রতি আকর্ষণ।

মুঠতে ক'বলৈ গ'ল গভীৰ মানৱতাবোধ ব্যক্তিসত্তাৰ প্রাধান্য, প্রকৃতি প্রীতি, ইহজগতৰ সাধাৰণ প্রাণী আৰু পদার্থৰ প্রতি উদাৰ মনোভাব; অতীতৰ প্রতি শ্রদ্ধা, কল্পলোক সৃষ্টিৰ সহায়ত আত্মমূক্তিৰ প্রচেষ্টা, প্রেম আৰু সৌন্দর্যৰ আৰাধনা, জাগতিক সৌন্দর্যৰ প্রতি বিস্ময়বিমূঢ় দৃষ্টি, বিশ্ব প্রকৃতিত প্রিয়াৰ ৰূপদর্শন, ৰহস্যবাদ, জীৱনৰ ৰহস্যভেদৰ বৌদ্ধিক প্রচেষ্টা আদিবোৰেই ৰোমাণ্টিক সাহিত্যৰ প্রধান লক্ষণ।

এইখিনিতে পুৰণি অসমীয়া কবিতা আৰু নতুন ৰমন্যাসিক কবিতাৰ পার্থক্য বিচাৰ কৰি চোৱা প্রয়োজন। পুৰণি অসমীয়া কবিতাসমূহ আছিল বস্তুনিষ্ঠ তথা তন্ময়ধর্মী। তাৰ বিপৰীতে ৰোমাণ্টিক কবিতা হৈছে ব্যক্তিনিষ্ঠ ভাব-ব্যঞ্জনাৰে সমৃদ্ধ। পুৰণি কবিতাসমূহত কবিৰ ব্যক্তিগত অনুভূতি প্রকাশৰ সুবিধা নাছিল। তাৰ বিপৰীতে নতুন ৰমন্যাসিক কবিতাত কবিয়ে আত্মপ্রকাশৰ অবাধ স্বাধীনতা পালে। পুৰণি কবিতাত প্রকৃতিৰ মনোৰম বর্ণনা আছিল যদিও সেয়া আছিল ভগৱন্তৰ লীলাৰ পৰিৱেশ সৃষ্টিৰ বাবে বা প্রাকৃতিক দৃশ্যাৱলীৰ পৰা আধ্যাত্মিক উপমা দিবৰ বাবে। তাৰ বিপৰীতে নতুন কবিতাত প্রাকৃতিক সৌন্দর্য কাব্যিক আনন্দৰ উৎস হ'ল। সিমানেই

নহয়, প্রকৃতিৰ লগত ব্যক্তিগত সাহচর্য আৰু অন্তৰৰ আত্মীয়তা অনুভৱ কৰিলে। ধর্মৰ অনুশাসন এৰাই প্রেমে বাক স্বাধীনতা লাভ কৰিলে। ব্যক্তিগত প্রণয়-প্রীতি আৰু দেহৰ ক্ষুধাই নতুন কবিতাত ঠাই পালে। পুৰণি বা ধ্রুপদী কবিতাত সাধাৰণ মানুহৰ স্থান নাছিল। তাৰ বিপৰীতে নতুন কবিতাত সাধাৰণ মানুহ আৰু সৰল গ্রাম্য জীৱনো গৌৰৱময় অংশীদাৰ হ'ল। মানুহৰ হৃদয়-বৃত্তিয়ে সমুদ্রৰ তৰংগৰ দৰে বাধা অতিক্রম কৰি নতুন ৰোমাণ্টিক কবিতাত আত্মপ্রকাশ বিচাৰিলে। নতুন কবিতাৰ ভাষাশৈলীয়ে জনগণৰ চিৰ পৰিচিত ৰূপ ল'লে আৰু কাব্যৰ সংবেদনশীলতাও প্রত্যক্ষ আৰু প্রাঞ্জল হৈ পৰিল।

৩.৪ ৰোমাণ্টিক যুগৰ অসমীয়া কবিসকলৰ কবিতাত পাশ্চাত্য প্রভাৱ

ৰোমাণ্টিক যুগৰ কবিতাত পাশ্চাত্যৰ প্রভাৱৰ কথা আমি দুই ধৰণে আলোচনা কৰিব পাৰোঁ। অষ্টাদশ শতিকাৰ শেষ আৰু ঊনবিংশ শতিকাৰ পূর্বার্ধত ইউৰোপ বা ইংলেণ্ডত যি ৰোমাণ্টিক আন্দোলন হৈছিল; তাৰ ফলশ্রুতিত ৰচিত কাব্যৰাজিৰ লক্ষণ— বৈশিষ্ট্য অসমীয়া কবিসকলে কিভাৱে সংগ্রহণ কৰিছে তাৰ বিচাৰ আৰু পাশ্চাত্য কবিকূলৰ কবিতাৰ অসমীয়ালৈ কোনে কি ধৰণে অনুবাদ কৰিছে সেয়া পর্যালোচনাৰ যোগেদি।

অসমীয়া কবিতালৈ ৰমন্যাসিকতাৰ ঢল বোৱাই অনা প্রথম কবিতাটোৱে হৈছে চন্দ্রকুমাৰ আগৰৱালাৰ *বনকুঁৱৰী* নামৰ কবিতাটো। সেই ফালৰ পৰা চন্দ্রকুমাৰ আগৰৱালাৰ প্রথমগৰাকী অসমীয়া ৰমন্যাসিক কবি। পূর্বে উল্লেখ কৰি অহা হৈছে যে ৰোমাণ্টিকতাৰ ধাৰণাটোৱেই অসমীয়া সাহিত্যলৈ পাশ্চাত্যৰ পৰা আমদানি কৰা। অসমীয়া ৰোমাণ্টিক কবিতাৰ প্রথম পথ প্রদর্শক হ'লেও চন্দ্রকুমাৰ আগৰৱালাৰ কবিতাত ৰোমাণ্টিকতাৰ লক্ষণসমূহ পূর্ণ ৰূপত প্রতিভাত হোৱা দেখা যায়। চন্দ্রকুমাৰ আগৰৱালাৰ তথা অসমীয়া ৰোমাণ্টিক কবিতাৰ প্রথম সৃষ্টি *বনকুঁৱৰী* ঐতিহাসিক আৰু শিল্প কৌশল এই দুয়ো পিনৰেপৰা অসমীয়া কাব্য প্রবাহত অভিনৱ আৰু লেখৰ সম্পদ। প্রকৃতিক অতি-প্রাকৃত ৰূপৰস দি সজাই পৰাই কল্পনা-ঋদ্ধ কবি তোলাৰ ক্ষেত্রত *বনকুঁৱৰী* এক আশ্চর্যকৰ সৃষ্টি। এই কবিতাৰ ঘাই উপাদান হৈছে ইংৰাজী ৰমন্যাসৰ আৰ্হি, অসমীয়া লোক কবিতাৰ ভাব-ভাষাৰ সংশ্লেষণ আৰু ইংৰাজী শিক্ষাৰে শিক্ষিত আত্মসচেতন অসমীয়া কবিৰ কাব্যবুদ্ধিৰ লগতে এই জগতৰ সকলো বস্তুকে চাওঁ বুলি চাব পৰা এটা কাল্পনিক দৃষ্টি। কবিতাটোত বনকুঁৱৰীৰ উপস্থিতিৰে এখন লৌকিক অৰণ্য অলৌকিক, ৰহস্যময় অৰণ্যলৈ ৰূপান্তৰিত হৈছে। *বনকুঁৱৰীৰ* প্রথমৰে পৰা কবিয়ে নিজম অৰণ্যৰ বুকুত শৰীৰীৰ মাজত অদৃশ্য অশৰীৰী বাঙ্ময় শিহৰণ ফুটাই তুলিছে—

নিজম দুপৰীয়া সুহুৰিটি মাৰি
মাতিলেনো কোনে কাক?
বিজন বনত কোন ক'ত আছে
হালিছে গছৰ আগ।

নিজম দুপৰীয়া হালি জালি থকা গছেৰে ভৰপূৰ অৰণ্য হ'ল শৰীৰী, কিন্তু এই

অৱণ্যত সময়ে সময়ে অশৰীৰী সুহৃৰি এটি বাঙ্ময় হৈ উঠিছে। কবিয়ে কল্পনা কৰিছে যে এই সুহৃৰিটিৰে কোনোবাই কাৰোবাক মাতিছে, কিন্তু কোনে কাক মাতিছে সেইটো উৎসুক্যৰ বিষয়। যি মাতিছে তেওঁ অদৃশ্য, যাক মাতিছে তেৱোঁ অদৃশ্য। এনেবোৰ কথাই শৰীৰীৰ মাজতে ৰহস্যময় অশৰীৰীৰ উপস্থিতিৰ ইংগিত দিয়ে। ক'লৰীজৰ (Coleridge) ভাষাত 'Willing suspension of disbelief' অর্থাৎ অবিশ্বাসৰ আগ্রহী বিতাৰণৰ যোগেদি চন্দ্রকুমাৰ আগৰৱালায়ো পাঠকৰ মনত উদয় হ'ব পৰা অবিশ্বাসৰ বিতাৰণ ঘটাই *বনকুঁৱৰীত* অশৰীৰীৰ মঙ্গলময় আৰু আনন্দময় শিহৰণৰ সৃষ্টি কৰিছে।

ইংৰাজী ৰমন্যাসিক কবিসকলৰ বাবে কবিতা আছিল আপোন ব্যক্তিত্বৰ বা আত্মকথাৰ অভিযান আৰু অন্বেষণ। চন্দ্রকুমাৰৰ কবিতাও তেওঁৰ আত্মকথা আৰু আত্মানুভূতিৰে সংপৃক্ত। আত্মকথা বা আত্মানুভূতিৰ ধাৰণাটোৱেই ৰমন্যাসৰ মূলকথা, প্রাণকেন্দ্র; আনবোৰ ৰমন্যাসিক ভাববৈভৱ ইয়াৰ পৰাই ওপজে। ৱর্ডছৱর্থ, ক'লৰীজ, শ্বেলী, কীটছ্ আদিৰ বহু কবিতাত 'মই', 'মোৰ' উপস্থিতি জলজল-পটপট; চন্দ্রকুমাৰৰ কবিতাটো 'ম', 'মোক', 'মোৰ' অর্থাৎ কবিৰ ব্যক্তিসত্তা কেন্দ্রস্থ হৈ থকা দেখা যায়। উদাহৰণ স্বৰূপে—

সখী চিত্রলেখা মোৰ কল্পনাসুন্দৰী
সমিধান দিয়া আহি মোক। (*প্রতিমা*)

চন্দ্রকুমাৰ আগৰৱালাৰ বহুকেইটা কবিতাত তেওঁৰ জীৱন বীক্ষাই প্রবল ৰূপত প্রকাশ লাভ কৰিছে। এই ক্ষেত্রত *অকলশৰীয়া, সুখ, নহয় সপোন, সংশয় ৰহস্য, অতৃপ্তি, বিশ্বভাৱৰীয়া, মানৱ বন্দনা, কূট, হৃদয় সৱগ, বীণ বৰাগী* আদি কবিতালৈ আঙুলিয়াব পাৰি। ব্যক্তিনিষ্ঠ জীৱন-চর্চা উল্লিখিত কবিতাসমূহৰ ভাবনাৰ ঘাই বীজ বুলিব পাৰি। এই ব্যক্তিনিষ্ঠ জীৱন চর্চাৰ কবিতাত বহির্প্রকাশ কৰাৰ প্রেৰণাও আহিছিল পাশ্চাত্য কবিতাৰ অধ্যয়নৰ পৰা।

চন্দ্রকুমাৰ আগৰৱালাৰ বহু কেইটা কবিতাৰ মাজত তেওঁৰ জীৱনদর্শন আৰু কাব্যদর্শনে প্রকাশ লাভ কৰিছে। সকলো সময়তে তেওঁ সকলোতে কেৱল সুন্দৰৰে অন্বেষণ কৰিছে—

"সুন্দৰৰ আৰাধনা জীৱনৰ খেল!" (*সৌন্দর্য*)
"সুন্দৰ সুন্দৰ বুলি বিয়াকুল নৰ" (*সুন্দৰ*)

তেওঁ আৰু কৈছে যে মানুহ মাত্রেই সুন্দৰৰ উপাসক আৰু অন্বেষক। চন্দ্রকুমাৰৰ কবিতাত প্রকাশিত সুন্দৰৰ উপাসনা আৰু অন্বেষণৰ আঁৰত জন কীট্ছৰ 'Beauty is truth, truth is beauty" "A thing of beauty is a joy forever" আদি কবিতাৰ শাৰীৰ অনুপ্রেৰণা অনুভূত হয়।

চন্দ্রকুমাৰ আগৰৱালাৰ *বীণ বৰাগী* এটি দীঘলীয়া কবিতা। কবিতাটিৰ মাজত ফুটি উঠা গভীৰ মানৱতাবাদী দর্শন পশ্চিমৰ পৰাই আমদানিকৃত। ইয়াৰ উপৰিও কবিতাটোৰ মাজত ৱর্ডছৱর্থ, শ্যেলী, কীট্ছ আদি ইংৰাজ ৰমন্যাসিক কবিৰ কাব্যাদর্শৰ সুৰ ফুটি উঠিছে। *বীণ বৰাগী* কবিতাত দৰিদ্র পীড়া উপশমৰ বাস্তৱ উপাই নাপায়, শেষত কবিয়ে ৰোমাণ্টিক

ভাবনাৰে বীণখনিৰ ওচৰতেই দুখ উপশমৰ ভাৰসা কৰিছে। আগৰৱালাৰ এই ৰোমাণ্টিক ভাবানুভূতিৰ লগত শ্যেলীৰ Ode to the West Wind আৰু কীট্ছৰ Ode to a Nightingaleৰ মাজত প্রকাশিত অনুভূতিৰ মিল আছে। শ্যেলীয়ে Ode to the West Windত ধুমুহা ওচৰত আৰু কীট্ছে Ode to a Nightingaleত নাইটিংগেল চৰাইটোৰ ওচৰত একে ধৰণৰ ভৰসা কৰিছে।

চন্দ্রকুমাৰ আগৰৱালাই *চাকৰি স্তোত্র* আৰু *মৌনী শিশুপাল* নামৰ দুটা ব্যঙ্গ কবিতা ৰচনা কৰিছিল। ব্যঙ্গ কবিতা ৰচনাৰ ক্ষেত্রত চন্দ্রকুমাৰে বায়ৰণৰ কবিতাৰ পৰা উদ্দীপনা হোৱা বুলি ক'ব পাৰি। বায়ৰণৰ দৰেই ভুৱা শাসনযন্ত্র, ভুৱা শিক্ষা, ভুৱা স্বাধীনতা, উৎকোচ পৰম্পৰা— এই সকলোখিনি চন্দ্রকুমাৰে কবিতাৰ মাজলৈ লৈ আনিছে।

জোনাকীৰ ত্রিমূর্ত্তিৰ অন্যতম *কদমকলিৰ* কবি লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত ইংৰাজ ৰমন্যাসিক কাব্যৰ প্রভাৱ বিদ্যমান। উৎকৃষ্টতম কবিতাৰ বিষয়ে তেওঁৰ ধাৰণা ইংৰাজী সাহিত্যৰ ঊনবিংশ শতিকাৰ প্রধান কবিসকলৰ ধাৰণাৰ নিচিনাই আছিল। ৱর্ডচৱর্থৰ কবিতা সম্পর্কীয় বিখ্যাত উক্তি 'শক্তিশালী আৱেগৰ স্বতঃস্ফূর্ত প্রকাশ'ৰ অনুৰণন বেজবৰুৱাৰ কবিতাৰ বহুবোৰ স্তৱকত বিদ্যমান।—

আইল চুলি দুডালি তোমাৰ
নিছিনা কবিতা ৰস ধাৰ।
ফনিৱা অযুত চুলিবোৰে
নিয়মত পৰি প্রাণ এৰে। (*বিশৃংখল*)

এলিজাবেথীয় যুগৰ মৌলিক প্রতিভাসম্পন্ন কবি চাৰ ফিলিপ চিডনিৰ হেৰুওৱাৰ বেদনা লক্ষ্মীনাথ বেজবৰুৱাৰ ভালেমান কবিতাত অনুভূত হয় ঃ

কিনো মোৰ কপাল ঐ! কাতি হ'ল পাতটি
মণি গ'ল পানীতে মিলি,
ইমান চেনেহিলোঁ, ইমানকৈ ৰাখিলোঁ
হায়। মণি ক'লেনো গ'লি। (*পদুম পাতৰ পানী*)

প্রকৃতিৰ এটি উপাদানৰ ক্ষণস্থায়িত্ব বেজবৰুৱাই আকর্ষণীয় প্রকাশভংগিৰে তুলি ধৰিছে। কবিতাটিত পদুম পাতৰ পানীক কবিয়ে দেৱতাৰ জীয়ৰীৰ ডিঙিৰ মালাধাৰাৰ পৰা সৰি পৰা এটি মণি হিচাপে চাইছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ স্বদেশপ্রেমৰ কবিতা *অসম সংগীতৰ* লগত ইটালিৰ কবি কার্দুচি (Carducci)ৰ 'Ode to the fountain of Clitumnus' আৰু *আমাৰ জন্মভূমিৰ* সৈতে ফেলিচিয়া হ'মচৰ Homes of England কবিতাৰ সাদৃশ্য পৰিলক্ষিত হয়। ঠিক একেদৰে বেজবৰুৱাৰ *মালতীত* ৱর্ডচ্ৱর্থৰ Lucy আৰু *চুমা* কবিতাত শ্যেলীৰ Love's Philosophyৰ অনুৰণন দেখা যায়। বেজবৰুৱাৰ *চুমা* কবিতাত প্রকাশিত প্রেমৰ ধাৰণা

সম্পূর্ণ প্লেটনিক নহয়। তাত দেহ-মনৰ সুসঙ্গত প্রকাশ পৰিদৃশ্যমান। ইয়ো সম্ভৱ হৈছে পাশ্চাত্য কবিতাৰ প্রেৰণাৰ বাবেই।

ইংৰাজী ৰোমাণ্টিক যুগত হোৱাৰ দৰে আমাৰ ৰোমাণ্টিক যুগতো পুৰণি গীত-মাত, বেলাড আদিৰ আদর্শত কবিতা ৰচিত হ'বলৈ ধৰে। মিৰি ডেকা-গাভৰু এহালৰ কৰুণ জীৱনক কেন্দ্র কৰি বেজবৰুৱাই *ধনবৰ আৰু ৰতনী* আৰু *ৰতনীৰ বেজাৰ* নামৰ বেলাড দুটি ৰচনা কৰে। তাত ডেকা গাভৰু হালৰ হালৰ বেদনাবিধুৰ জীৱনৰ যি মর্মস্পর্শী চিত্র অংকিত হৈছে তাক আজিও অতিক্রম কৰিব পৰা নাই।

লক্ষ্মীনাথ বেজবৰুৱা লঘু হাস্যৰসাত্মক কবিতাৰো বাটকটীয়া। ইংৰাজী ভাষাত ৱিট (Wit) আৰু হিউমাৰক আশ্রয় কৰি অলেখ কবিতা ৰচিত হৈছিল। অসমীয়া সাহিত্যত বেজবৰুৱা এইবিধ কবিতাৰ জনক আৰু তাৰ সর্বশ্রেষ্ঠ স্রষ্টা। *পকাচুলি, কুলি, চন্দ্র, সাগৰ সংগীত* আদি এনে ধৰণৰ কবিতা।

লক্ষ্মীনাথ বেজবৰুৱাই ব্যংগ-বিদ্রূপাত্মক কবিতাৰ মাজেৰে অসমীয়া সমাজৰ দোষ-দুর্বলতা, কপটতা-ভণ্ডামি আদিক সমালোচনা কৰিছিল। *চালনী আৰু বেজী*, তেনে এটা কবিতা। *চালনী আৰু বেজী* কবিতাৰ ভাব-ভাষাৰ লগত ইংৰাজ কবি অডেনৰ কবিতাৰ মিল দেখা যায়—

'The pious fable and the dirty story
Share in the total literary glory

হাস্যৰসৰ দ্রাৱকেৰে ব্যক্তিগত গালি-গালাজক কলাসূলভ সার্বজনীন ৰূপ বেজবৰুৱাই দিব পাৰিছিল। বেজবৰুৱাই যে এনে কবিতা মন প্রাণ উজাৰি লিখিছিল তাত সন্দেহ নাই।

জোনাকীৰ ত্রিমূর্তিৰ আন এগৰাকী কবি হেমচন্দ্র গোস্বামী প্রথম অসমীয়া ছনেট লেখোঁতা। তেওঁৰ *প্রিয়তমাৰ চিঠি* অসমীয়া ভাষাৰ প্রথম ছনেটেই নহয়, এটা সর্বাঙ্গসুন্দৰ ছনেট। পেট্রাকীয় ছনেটৰ ভাবৰ স্তৰ বিভাগ আৰু অন্ত্যানুপ্রাসৰ মিলৰ ৰীতি গোস্বামীয়ে ছনেটটোত ৰক্ষা কৰিছে। ছনেটটোৰ শেষৰ ছটা পংক্তিৰ মাজত থকা গহীন সাংগীতিক আলোড়ন শ্বেইক্সপীয়েৰৰ ছনেটসমূহত পোৱা ধৰণৰ। তদুপৰি কবিতাটোৰ শেহৰ পংক্তি 'হৃদয়ত হেঁপাহৰ ভোটাতৰা জ্বলে' চিত্রকল্পটোৱে শ্বেইক্সপীয়েৰৰ তুলনীয় চিত্রকল্পলৈ মনত পেলায় দিয়ে।

হেমচন্দ্র গোস্বামীৰ *পুৱা* এটা চিত্রধর্মী সুন্দৰ কবিতা। কবিতাটোত থকা—

স্বর্গৰ জেউতি দেখি ৰাজহাঁহ জুৰি
প্রেমৰ আলচ ভুলি গৈ
চিত্রৰ পুতলী প্রায় আছে থৰ লাগি
ইটিয়ে সিটিক চাই ৰৈ।— ছবিখনে

পাঠকৰ মনলৈ ৰর্ডছৱর্থৰ— 'The swan on still St Mary's lake/Float dwble swan and shadow'. পংক্তিলৈ মনত পেলায়।

মফিজুদ্দিন হাজৰিকাৰ *দিনকণা* এটা অনিন্দ্য সুন্দৰ কবিতা। কবিতাটোৰ অন্তর্লীন ভাবক মধ্যযুগৰ *এভৰিমেন* নাটক আৰু সপ্তদশ শতিকাৰ পিউৰিটান লেখক বুনিয়ানৰ *পিলগ্রিম্‌চ প্রগ্রেছৰ* লগত ৰিজাব পাৰি। হাজৰিকাই নিশ্চয় *পিলগ্রিম্‌চ প্রগ্রেছৰ* অসমীয়া অনুবাদ *যাত্রিকৰ যাত্রা* পঢ়িছিল। বাইবেলৰ ভাষাৰ সহজ-সৰলতা হাজৰিকাৰ কবিতাটোত পৰিস্ফুট হয়।

আনন্দচন্দ্র আগৰৱালা অসমীয়া সাহিত্যত 'ভাঙনি কবি' নামেৰে পৰিচিত। বিদেশী কবিতাৰ অনুবাদত মূলৰ সৌন্দর্য অব্যাহত ৰখাৰ ক্ষমতাই আনন্দচন্দ্র আগৰৱালাক অসমীয়া কাব্য জগতত বিশিষ্ট আসন প্রদান কৰিছে। অনূদিত হ'লেও *জীৱন সংগীত, চহা আৰু পণ্ডিত, সুখৰ ঠাই* আদি কবিতা অসমীয়া কাব্যৰ মৌলিক সম্পদৰ লেখীয়া। লোকগীতিৰ আৰ্হিৰে ৰচিত *পানেশৈ* ইংৰাজী ৰোমাণ্টিক ঐতিহ্যৰ স্মাৰক। বিহগী কবি ৰঘুনাথ চৌধাৰীয়ে স্কুলীয়া কালতে ৱর্ডচ্‌ৱর্থৰ To the Cuckoo কবিতাটো পঢ়ি তন্ময়াৱিষ্ট হৈছিল আৰু পৰৱর্তী সময়ত প্রকৃতি, ফুল, চৰাইক লৈ কবিতা লেখাৰ প্রেৰণা পাইছিল। তেওঁক অসমৰ ৱর্ডচ্‌ৱর্থ বুলি সার্থকভাৱেই অভিহিত কৰা হয়। ৱর্ডচ্‌ৱর্থৰ দৰে চৌধাৰীও প্রকৃতিৰ পূজাৰী। প্রকৃতিও তেওঁৰ বাবে জীৱন্ত আৰু মুখৰ। ৱর্ডচ্‌ৱর্থৰ দৰে চৌধাৰীয়েও ফুলৰ বিষয়ে অনির্বচনীয় কবিতা ৰচনা কৰিছিল। হ্রদৰ পাৰত ফুলা হাজাৰ বিজাৰ ডেফোডিল ফুলে ৱর্ডচ্‌ৱর্থৰ হৃদয় আলোড়িত কৰাৰ দৰে গিৰিমল্লিকাইও চৌধাৰীৰ মন আলোড়িত কৰিছিল।

ফুলৰ দৰে চৰায়েও তেওঁৰ মনত গভীৰ আলোড়নৰ সৃষ্টি কৰে। *কেতেকী চৰাই আৰু গোৱাহে এবাৰ মোৰ প্রিয় বিহঙ্গিনীৰ* দৰে সৰু সৰু খণ্ড কবিতাৰ উপৰি *কেতেকী* আৰু *দহিকতৰা* নামেৰে দুটি দীঘলীয়া কবিতাও ৰচনা কৰিছে। ভাবৰ স্বতঃস্ফূর্ততা আৰু শব্দ সংযোজনৰ সংযমে *কেতেকীক* বিশ্বসাহিত্যৰ এক অনিন্দ্যসুন্দৰ চৰাই কবিতালৈ উন্নীত কৰিছে। তুলনীয় কবিতাৰ বিচাৰ কৰিলে ৱর্ডচ্‌ৱর্থৰ শ্বেলীৰ আৰু কীট্‌ছৰৰ ওচৰ চাপিব লাগিব। ৱর্ডচ্‌ৱর্থৰ কুলি চৰাইটিৰ দৰে চৌধাৰীৰ কেতেকীও এটি ৰহস্যময় সুৰ আৰু ঝঙ্কাৰ যি পাঠকৰ মনত অভাৱনীয় আলোড়নৰ সৃষ্টি কৰিছে।

ভেটকলি চৌধাৰীৰ এটি তাৎপর্যপূর্ণ কবিতা, কবিতাটিও কালিদাস আৰু ৱর্ডচ্‌ৱর্থীয় ভাব-চিন্তাৰ ভেটকলিটি কালিদাসৰ 'অনবিদ্ধ সৰসিজ' আৰু ৱর্ডচ্‌ৱর্থৰ লুচীৰ দৰে। ছোৱালী এজনীত পাব পৰা সকলো ৰূপ-গুণ ভেটকলিটিত আৰোপিত আৰু আৱিষ্কৃত হৈছে। এনে ব্যক্তিত্বাৰোপণ ইংৰাজী ৰোমাণ্টিক কবিতাত অতি সুলভ।

দার্শনিক কবি ৰূপে খ্যাত দুর্গেশ্বৰ শর্মা মূলতঃ মানুহৰ কবি। মানৱতাবোধ তেওঁৰ জীৱনৰ মূলমন্ত্র। প্রকৃতি-প্রীতিও তেওঁৰ কবিতাৰ ঘাই কথা। শর্মাৰ কবিতা

সহজ-সৰল আৰু প্ৰাঞ্জল। ৱৰ্ডচ্ৱৰ্থৰ সাধাৰণ মানুহৰ মুখৰ ভাষাৰ ধাৰণা শৰ্মাই হয়তু মজ্জাগত কৰিছিল আৰু সেয়েহে তেওঁৰ *সাদৰী* কবিতাত ৱৰ্ডচ্ৱৰ্থৰ *লুচি* কবিতা ইমান জীৱন্ত হৈ ধৰা দিছে। কবিয়ে অকল ভাবৰ অনুকৰণ কৰিয়েই ক্ষান্ত হোৱা নাই, শব্দ চয়ন আৰু ছন্দকো অনুসৰণ কৰিছে।

অসমৰ ৰমন্যাসবাদী কবিসকলৰ ভিতৰত সূর্য্যকুমাৰ ভূঞাৰ এক বিশেষ স্থান আছে। তেওঁৰ কবিতাত এলিজাবেথান, প্ৰাক ৰোমাণ্টিক, ভিক্টৰিয়ান আৰু জৰ্জিয়ান কাব্যৰীতিৰ সমাহাৰ দেখিবলৈ পোৱা যায়। এলিজাবেথান আৰু ৰোমাণ্টিক পুনৰভ্যুত্থান— উভয় কালৰে ৰোমাণ্টিক কবিতাৰ পৰাও তেওঁ ভালেখিনি সমল আহৰণ কৰিছিল। ক্লাছিকেল কবিতাৰ সংযম আৰু পৰিমিতিবোধো ভূঞাৰ আয়ত্তাধীন আছিল। *আশা* কবিতাত এলিজাবেথান যুগৰ ৰোমাণ্টিক তথা ৰূপকধৰ্মী বিস্তাৰৰ ৰূপ এটা সুন্দৰভাৱে ফুটি উঠিছে—

জীৱনৰ গছৰ পুলি নৰ সি পুলিৰ মালী
আশা তাৰ সঞ্জীৱনী পানী।

অসমীয়া প্ৰেমৰ কবিসকলৰ ভিতৰত ভূঞাই এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। তেওঁৰ আদি স্তৰৰ কবিতাতো এক অনিৰ্বচনীয় সংযম দেখিবলৈ পোৱা যায়। তেওঁৰ আদি স্তৰৰ কোনো কোনো কবিতাত চাৰ টমাচ ৱাইটৰ কথ্য ভাষাৰ আত্মীয়তা আৰু তৰ্কপ্ৰৱণতাৰ ছাপ পৰিছে—

নালাগে উলটি চাব যোৱা আঁতৰি
মাতিছো তোমাক মই মিনতি কৰি।

এনেবোৰ ছত্ৰ পঢ়িলে স্বাভাৱিকতে চাৰ টমাছ ৱাইটৰ কথ্য ভাষাৰ ধ্বনিসমৃদ্ধ পংক্তিলৈ মনত পেলায়।

Forget not yet, the tried intent,
Forget not yet.

ভূঞা অসমীয়া ভাষাৰ শ্ৰেষ্ঠ চনেটকাৰসকলৰ অন্যতম। তেওঁৰ *সন্ধিয়া* শ্বেইক্সপীয়েৰীয়ান চনেট হিচাপে অসমীয়া ভাষাত আজিও অনতিক্ৰান্ত হৈ আছে।

ৰত্নকান্ত বৰকাকতিৰ কবিতাত প্ৰাচ্য আৰু পাশ্চাত্যৰ ভাবধাৰাৰ সমন্বয় সাধিত হৈছে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ লগতে ইংৰাজ ৰোমাণ্টিক আৰু ভিক্টৰিয়ান কবিসকলৰ কাব্যদৰ্শন তেওঁৰ মজ্জাগত আছিল। তেওঁ শ্বেলী, ব্ৰাউনিং আৰু চুইনবাৰ্ণৰ কবিতা অনুবাদো কৰিছিল। ব্ৰাউনিঙৰ কবিতাৰ ওপৰত ভেজা দি ৰচনা কৰা *ফুলৰ চাকি* এটি মনোমুগ্ধকৰ লিৰিক। বৰকাকতি ৰোমাণ্টিক পৰম্পৰাৰ শ্ৰেষ্ঠ প্ৰেমৰ কবি। প্ৰেমৰ চৰিত্ৰ সম্পৰ্কে তেওঁৰ ধাৰণা নিগূঢ় আৰু প্ৰত্যয়জনক। ক'ল'ৰিজৰ Love কবিতাৰ অন্তৰ্লীন ভাবৰ লগত *বিশ্বহৰণ* কবিতাৰ সাদৃশ্য এনেদৰে দেখা যায়।

All thoughts, all passions, all delights
Whatever stirs this mortal frame,
All are but ministers of love
And feed his sacred flame!
তেতিয়া যদিও নাছিলা তুমি
ৰূপৰ চমকে চমকাই চকু
আছিলা তেতিয়া সুন্দৰ মোৰ
জোন বেলি তৰা
জুৰাই বুকু।

ৱর্ডচৱর্থৰ দৰে বৰকাকতিয়েও বিশ্ব হৃদয়ৰ সাগৰৰ বুকুত উঠা ঢউৰ খলকনি শুনিবলৈ পাইছে—

'That immortal sea which brought us hither!
বিশ্বহৃদয়ৰ
সাগৰ বুকুত
খণ্ড হিয়াৰ উঠিছে ঢউ ঃ *(সুন্দৰ)*

বৰকাকতিয়ে তেওঁৰ কবিতাত চৰাচৰ বিশ্বৰ সকলোতে বিয়লি থকা সৌন্দর্যৰ অৱগাহন কৰিছে। ৱর্ডচ্ৱর্থৰ দৰে তেওঁৰ কবিতাতো সর্বব্যাপী আনন্দৰ ঢৌ বাগৰি পৰা দেখা যায়—

'Of Joy in widest commonalty spread'.

ঈশ্বৰৰ দ্বাৰা সৃষ্ট জগতখনৰ চতুর্দিশে তেওঁ কেৱল অমৃতৰ ধাৰা ক্ষৰিত হৈ থকা দেখিবলৈ পায়—

অমৃত ক্ষৰে
আকাশ ঢৌৱাই
প্রতি বিহগৰ
গানতে। *(অমৃত)*

অসমীয়া ৰোমাণ্টিক যুগৰ শ্রেষ্ঠ কবিসকলৰ ভিতৰত যতীন্দ্রনাথ দুৱৰা অন্যতম। তেওঁৰ কবিতাতো প্রাচ্য আৰু পাশ্চাত্যৰ মিলন ঘটিছে। বিদেশী আৰু বিশেষকৈ ইংৰাজী সাহিত্যৰ সাৰখিনি মজ্জাগত কৰি তাক নিজৰ ভাষাত জীন নিয়াবলৈ তেওঁৰ চেষ্টা অতুলনীয়। তেওঁ গ্রে, শ্বেলী, হাইনে, টেনিচন আদি কবিৰ কবিতাৰ ভাব অসমীয়া সাহিত্যলৈ বোঁৱাই আনিছিল। জোনাকী যুগৰ কবিসকলৰ কবিতাত হোৱাৰ দৰে দুৱৰাৰ কবিতাতো ইংৰাজী ৰোমাণ্টিচিজিমৰ মূল ধাৰাসমূহ প্রতিফলিত হৈছে। ব্যক্তিসাপেক্ষতা দুৱৰাৰ কবিতাৰ সর্বহ। সেই ফালৰ পৰা চালে

দুৱৰা অসমীয়া সাহিত্যৰ নিভাঁজ ৰোমাণ্টিক কবি। আত্মকেন্দ্রিক কবি দুৱৰাৰ কবিতাত ব্যক্তিগত হা-হুমুনিয়াহ, ব্যর্থ প্রেমৰ কৰুণ স্মৃতি আৰু সাংসাৰিক দুখত অকলশৰীয়া ভাবৰ আক্ষেপেৰে পূর্ণ। কবিয়ে পাহৰণিৰ আশ্রয় ল'ব খুজিলেও কেইবাটাও কবিতাত এৰি অহা স্মৃতিয়ে আমনি কৰিছে। এওঁৰ বিষাদপ্রৱণতা কিছু পৰিমাণে স্বভাৱজাত আৰু কিছু পৰিমাণে অভিজ্ঞতালব্ধ। *হেৰোৱা সপোন* কবিতাত এই অভিজ্ঞতাৰ বিষয়ে কবিয়ে লিখিছে—

"বিয়পিল দশোদিশে মিলন বাতৰি
বলে ধীৰ, মধুৰ মলয়,
সেই দিনা যৌৱনৰ সাগৰ তীৰত
প্রণয় অৰুণ উদয়।"

লর্ড টেনিচনৰ *ইন মেমোৰিয়াম* নামৰ কবিতাত প্রকাশ পোৱা ক্ষয়ংকৰী অভিজ্ঞতাই দুৱাৰৰ জীৱনকো বিপর্যস্ত কৰিছিল। ভিক্টৰিয়ান যুগৰ অনন্য প্রেমিক কবি ব্রাউনিঙে The Lost Mistress কবিতাত এগৰাকী ব্যর্থপ্রেমিকে তেওঁৰ প্রেমিকাক যিদৰে বিদায় সম্ভাষণ জনাইছে ঠিক একে সুৰ দুৱৰাৰ 'বিদায় বেলাৰ পৰশ' কবিতাটিটো পৰিলক্ষিত হয়।

দুৱৰাৰ *তোমালৈ* কবিতাটিত শ্বেলীৰ The Indian Serende কবিতাৰ ছাপ অনুভূত হয়। দুৱৰাৰ *নাৱৰীয়া যায় ভটিয়াই* কবিতাত কলিকতাত পঢ়িবলৈ যোৱা কবিৰ ল'ৰালিকালৰ নষ্টালজিয়াবোধে প্রাণ পাই উঠিছে। তেওঁ ঘৰ এৰি বিদেশলৈ যাত্রা কৰিছে। চি�ৰকালৰ বাবে নহ'লেও এই যাত্রাই টেনিচনৰ কবিতাৰ পংক্তি আমাক সোঁৱৰায়—

No more by Thee my steps shall be
For ever and for ever.

টেনিচনৰ কবিতাৰ বিষাদৰ সুৰটি দুৱৰাৰ মজ্জাগত হৈছিল। উদ্ধৃত কবিতাটিত তাৰ ছপা আছে। ৱর্ডচ্ৱর্থৰ 'Yarrow Revisited' কবিতাত স্মৃতিলব্ধ ছবি নতুন ৰূপত জিলিকি উঠাৰ দৰেই দুৱৰাৰ কবিতাতো নানান পৰিচিত ছবিয়ে ভিৰ কৰিছে।

দেৱকান্ত বৰুৱা আৱাহন যুগৰ শ্রেষ্ঠ কবি। তেওঁৰ কবিতাত অসমীয়া ৰোমাণ্টিক কবিতাই ব্যাপ্তি লাভ কৰিছে। দেৱকান্ত বৰুৱাৰ ইংৰাজী, বাংলা আৰু অসমীয়া সাহিত্যৰ শ্রেষ্ঠ কবিসকলৰ সাহিত্যকর্মৰ লগত সুপৰিচিত আছিল। ব্রাউনিঙৰ প্রেমৰ কবিতাৰ ৰীতিৰ লগত দেৱকান্ত বৰুৱাৰ প্রেমৰ কবিতা ৰীতিৰ বহুতখিনি মিলে। তেওঁ ব্রাউনিঙৰ নাটকীয় স্বকথন (dramatic monologue) পদ্ধতি অসমীয়া কবিতাত প্রচলন কৰে। প্রেমৰ কবি হিচাপে দেৱকান্ত বৰুৱা জন ডানৰ দৰে বলিষ্ঠ আৰু অকুতোভয়। অতিশয়োক্তি প্রয়োগতো জন ডানৰ লগত বহুত ক্ষেত্রত মিল দেখা যায়। চিত্রকল্প প্রয়োগতো জন ডানৰ লগত সামঞ্জস্য দেখা যায়।

বৰুৱাৰ কবিতাত শ্বেলীয় বিষাদানুভূতি আৰু আকাংক্ষাও মূৰ্ত হৈ উঠিছে। ‘প্রীতিৰ বতাহে মোৰ আকাশী তৰাৰ হায় হিয়া নকঁপায়’ৰ দৰে পংক্তিয়ে শ্বেলীৰ ‘The desire of the moth for the star’ৰ দৰে পংক্তিৰ কথা সোঁৱৰাই দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পুৰণি অসমীয়া কবিতা আৰু ৰোমাণ্টিক অসমীয়া কবিতাৰ মাজৰ পার্থক্যসমূহ নির্ণয় কৰক।

(১৫০টা শব্দৰ ভিতৰত)

.....

১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈ কবিসকলে অসমীয়া সাহিত্যিলৈ যিদৰে পাশ্চাত্যৰ ৰোমাণ্টিক কবিতাৰ ৰূপ-ৰস অসমীয়া কবিতালৈ কঢ়িয়াই আনিলে, ঠিক একেদৰে পাশ্চাত্যৰ কবিতা বিশেষকৈ ইংৰাজী কবিতাৰ অনুবাদতো তেওঁলোক ব্রতী হৈছিল। প্রথম অসমীয়া ৰোমাণ্টিক কবিতা *বনকুঁৱৰীয়ে* অসমীয়া পাঠকক বিস্ময় বিমুগ্ধ কৰি তুলিছিল। অসমীয়া ভাষাতো যে ৱর্ডচ্ৱর্থৰ কবিতাৰ নিচিনা মনোৰম কবিতা লিখিব পাৰি সি আছিল বিস্ময়ৰ বিশেষ কাৰণ। গতিকে আৰ্হি স্থাপন কৰাৰ আগ্রহত লিখা সাহিত্যিক অনুশীলন পর্যায়ৰ কবিতা *জোনাকী* যুগৰ অধিকাংশ লিখকৰ পৰা কম-বেছি পৰিমাণে পোৱা যায়। অসমীয়া ৰমন্যাসিকতাৰ বাটকটীয়া কবি বেজবৰুৱাৰ কবিতাত মৌলিক উদ্ভাৱন শক্তিতকৈ বা নিজ অভিজ্ঞতাৰ স্বকীয়তাৰ স্বৰূপ প্রকাশ কৰাৰ আগ্রহতকৈ অনুকৰণ বা অনুবাদৰ প্রাধান্যহে বেছিকৈ দৃষ্টিত পৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ *প্রিয়তমাৰ সৌন্দর্য* কবিতাটো জর্জ ডার্লি নামৰ এংগ্লৰ-আইৰিশ কবিৰ ‘The Loveliness of Love’ কবিতাৰ মুক্ত ৰূপান্তৰ। আনহাতে বেজবৰুৱাৰে *প্রিয়তমা* কবিতাটো টমাচ চেম্পিয়নৰ ‘There is a garden in her face’ কবিতাৰ ছায়ানুবাদ।

প্রত্নতাত্ত্বিক হেমচন্দ্র গোস্বামীৰ *ফুলৰ চাকিত* তিনিটা ভাঙনি কবিতা সন্নিৱিষ্ট হৈছে— *স্তুতি* (আলেকজেণ্ডাৰ পোপৰ Universal Prayer), *প্রকৃতিৰ স্তুতি* (বাইবেলৰ ১৯ সংখ্যক ডেভিডৰ গীত) আৰু *জাতীয় সংগীত* (আর্থাৰ এলেন ডেভিদৰ কবিতা)। গোস্বামীৰ *সৌন্দর্যৰ বুকুৰ কাঁচলি উদঙাই* গ্যেটেৰ *‘To Unvail the Beauty’s Bust’*ৰ মুকলি ভাঙনি। ‘ভাঙনি কোঁৱৰ’ নামেৰে খ্যাত আনন্দচন্দ্র আগৰৱালাৰ সর্বাধিক জনপ্রিয় ভাঙনি কেইটা হ’ল— *জীৱন সংগীত* (লংফেলোৰ Psalm of Life), *আজি আৰু কালি* (চার্ল্ছ মেকীৰ Today and Tomorrow), ঈশ্বৰ (অনামী কবিৰ Thou art O God) *সুখৰ ঠাই* (অনামী কবিৰ The Better land), *চহা আৰু পণ্ডিত* (ইংৰাজী কবি টমাচ গ্রেৰ The Shepherd and The

Philosopher), *তযু ইচ্ছা পূর্ণ কৰা হোৱা দয়াময়* (চার্লট এলিয়টিৰ Thy Will Be Done) আৰু 'যোগী' (গোল্ডস্মিথৰ Hermit)।

অমিত্রাক্ষৰ ছন্দৰ সার্থক কবি হিতেশ্বৰ বৰবৰুৱাই শ্বেইক্সপীয়েৰৰ 'অথেল' নাটকৰ অংশবিশেষ ভাঙি 'ডেচডিমোনা কাব্য' আৰু গোল্ডস্মিথৰ Vicar of Wakefield কাব্যৰ পৰা *অংগিলা* নামেৰে অনুবাদ কৰিছিল।

বনফুলৰ কবি যতীন্দ্র নাথ দুৱৰা এজন সুপ্রসিদ্ধ ভাঙনিকাৰ। তেওঁৰ *তোমালৈ, সপোনৰ সুৰ, নাৱৰীয়া গ'ল, চকুলো* কবিতা ক্রমে শ্বেলীৰ Lines to an Indian Air, শ্বেলীৰ Mutability, টেনিচনৰ Crossing The Bar, আৰু Tears Idle Tears ৰ মুকলি ভাঙনি। টেনিচনৰে 'ইন মেমোৰিয়াম' কবিতাৰ Ring out the old, Ring in New অংশৰ আঠটা স্তৱক তেওঁ ভাঙনি কৰি *বাঁহীত* প্রকাশ কৰিছিল। টমাছ গ্রেৰ Elegy Written in a Country Churchyard নামৰ প্রখ্যাত কৰুণাসিক্ত কবিতাটো *এখন মৰিশালী* নামেৰে অনুবাদ কৰিছিল মফিজউদ্দিন আহমদ হাজৰিকাই। দুৱৰাৰ *প্রেমৰ সুৰ* হেইনৰিক হাইনেৰ কবিতা এটিৰ ভাঙনি। দুৱৰাৰ ওমৰ খায়ামৰ *ৰুবায়তৰ* ভাঙনিও ফিটজেৰেল্ডৰ ইংৰাজী ভাঙনিৰ ওপৰতহে নির্ভৰশীল।

ইংৰাজী কবিতা ভাঙনি কৰা কবিসকলৰ ভিতৰত দুর্গেশ্বৰ শর্মাৰ নামো উল্লেখযোগ্য। শর্মাৰ উল্লেখযোগ্য ভাঙনি কবিতা কেইটা হ'ল— *সাদৰী* (ৱর্ডচ্ৱর্থৰ Lucy Grayৰ ভাঙনি), *প্রকৃতিলৈ* (শ্বেলীৰ Love's Philosophy) আৰু *মোৰ প্রেম* (এলিজাবেথ বেৰেট ব্রাউনিঙৰ Sonnets from the Portuguessৰ ভাঙনি)। শর্মাই ৱর্ডচ্ৱর্থৰ *ইমমৰেলিটি ওডৰো* কিছু অংশ *অমিল* নামেৰে ভাঙনি কৰিছিল।

পদ্মধৰ চলিহাৰ অনূদিত কবিতা কেইটা হৈছে— *জনমভূমি, প্রেমতত্ত্ব, কাপুৰুষ, তুমি হে কৰুণাময়*। কবিতাকেইটা যথাক্রমে ছাৰ উইলিয়াম স্কটৰ *Patriotism,* শ্বেলীৰ *Love's philosophy*, Cowards die many times before their death আৰু Thou Art O God কবিতাৰ অনুবাদ।

সুখ্যাত ভাঙনিকাৰ থানেশ্বৰ হাজৰিকাই কেম্বেলৰ Lord Ullin's Daughter কবিতাটি *চেতনাত গোহাঞি গাভৰু* নামেৰে প্রকাশ কৰিছিল। *ৰজা গদাধৰ আৰু মকৰা* নামৰ পঢ়াশলীয়া ছাত্র-ছাত্রীৰ মাজত জনপ্রিয় কবিতাটিৰ মূল আছিল— *ৰবার্ট ব্রুচ এণ্ড দ্যা স্পাইডাৰ*। জ্ঞানানন্দ জগতীয়ে মার্কিন কবি থিয়দোৰ টিলটনৰ *অল থিংছ চেল পাচ এৱে'ৰ সকলো নোহোৱা হ'ব* শিৰোনামেৰে ভাঙনি আগবঢ়ায়।

অসমীয়া সাহিত্যৰ বুৰঞ্জী প্রণেতা তথা কবি ডিম্বেশ্বৰ নেওগে প্রায় দুকুৰি ইংৰাজী কবিতাৰ অনুবাদ আগবঢ়াইছে। তাৰে কেইটামান শিশু কবিতাৰ পযায়ভুক্ত। এই শ্রেণীৰ কবিতাৰ ভিতৰত *নিজৰা, ৰামধেনু, মদন, ভাইটি, পখিলা* আদিৰ নাম

উল্লেখ কৰিব পাৰি। নেওগে লর্ড টেনিচনৰ *The Brook* কবিতাটি 'তটিনী' নামেৰে আৰু টেনিচনৰে ড্রেমেটিক মন'ল'গ ৰূপে খ্যাত The May Queen কবিতাটি *বিহুৱতী* নামেৰে ভাঙনি কৰিছে। ইংৰাজ কবি ৱর্ডচ্ৱর্থৰ ভালেকেইটি কবিতা নেওগে অনুবাদ কৰিছে। এনে অনুবাদৰ ক্ষেত্রত *ফুলা সৰিয়হ ডৰা* (The Daffodils ৰ ভাঙনি), *বকুলি* (Lucy Grayৰ ভাঙনি)ৰ নাম ল'ব পাৰি। নেওগৰ দ্বাৰা অনূদিত আন কেইটামান লেখত ল'বলগীয়া কবিতা হ'ল— *সৌন্দর্য মাধুৰী* (জি বায়ৰণৰ Stanzas for Music), *প্রিয়াৰ প্রেম* (বেন জনচনৰ To Celia), *শ্রদ্ধা-প্রীতি* (ক'লনেল লাভলেচৰ To Lucasta on going to the Wars), হৃদয়-ৰাণী (মার্লোৰ The Passionate Shepherd to his Love), *জ্ঞানার্থী* (ৰবার্ট চাথীৰ The Scholar), *মাতৃভূমি* (চাৰ ৱাল্টাৰ স্কটৰ Fatherland) আদি।

শেৱালি কবি ৰত্নকান্ত বৰকাকতিয়ো এগৰাকী দক্ষ ভাঙনিকাৰ। শ্বেলীৰ Love's Philosophyৰ ভাঙনি *প্রেমতত্ত্ব* উপৰি Music when soft voices dieৰ ভাঙনি *ভাঙি গ'ল বীণখনি, থামি গ'ল গান,* অতি হৃদয় পৰশ। চুইনবার্ণৰ 'Before Sunset' নামৰ ৰহস্যসন্ধানী কবিতাটো তেওঁ *সূর্যাস্তৰ পূর্বে* নামেৰে অসমীয়ালৈ অনুবাদ কৰিছে। বৰকাকতীৰ *ফুলৰ চাকি* কবিতাটিও ৰবার্ট ব্রাউনিঙৰ প্রখ্যাত কবিতা এটিৰ ছায়ানুবাদ। বুৰঞ্জীবিদ আৰু কবি সূর্যকুমাৰ ভূঞাৰ *নির্মালিত* সন্নিৰিষ্ট *মৰণ* কবিতাটি মিচেছ হিমেন্সৰ The Hours of Death কবিতাৰ অনুবাদ। ধ্বনি কবি বিনন্দচন্দ্র বৰুৱাৰ *আগিয়াঠুৰীৰ বীৰ* The Incident of The French Camp আৰু *নজলা বীৰৰ মৃৰ* ৰবার্ট ছাথীৰ *After Blenheim*ৰ ছায়ানুবাদ। অতুলচন্দ্র হাজৰিকাই ৱর্ডচ্ৱর্থৰ *The Solitary Reaper*ত থকা হাইলেণ্ড লেচক মিকিৰ গাভৰু ৰূপত সজাইছে। ৰোহিতাশ্ব দত্তই এই একেটা কবিতাকে *বিদেশী দাৱনী* নামেৰে অনুবাদ কৰি *জোনাকীত* প্রকাশ কৰিছিল।

ভগৱতী প্রসাদ বৰুৱাই ৱর্ডচ্ৱর্থৰ *To the Cuckoo* আৰু শ্বেলীৰ To a Skylarkৰ দুটা অনুপম ভাঙনি *সাময়িকী*ৰ যোগেদি প্রকাশ কৰিছিল। বৰুৱাই শ্বেলীৰ End of Love আৰু আন কেইটামান কবিতাৰো সাৱলীল অনুবাদ কৰি 'বাঁহী' আলোচনীত প্রকাশ কৰিছিল। *পৰাগ* আৰু *হাফেজৰ সুৰৰ* কবি আনন্দচন্দ্র বৰুৱায়ো দুটিমান বিদেশী কবিতাৰ ভাল অনুবাদ অসমীয়া পাঠকলৈ আগবঢ়াইছে। *মিল* আৰু *গৱখীয়া প্রেম* বিশেষভাৱে লেখত ল'বলগীয়া। কবিতা দুটা যথাক্রমে চুইনবার্ণৰ If Love were that what the Rose is আৰু মার্লোৰ The Passionate Shepherd to his Loveৰ অসমীয়া ভাষান্তৰ।

এনেদৰে দেখা যায় যে ১৮৮৯ চনৰ পৰা ১৯৪০ চন পর্যন্ত অসমীয়া কবিসকলে পাশ্চাত্য ৰোমাণ্টিক কবিতাৰ আর্হিৰে অসমীয়া ৰোমাণ্টিক কবিতা সৃষ্টি

কৰাতেই ক্ষান্ত নাথাকি পাশ্চাত্য ৰোমাণ্টিক কবিসকলৰ কাব্যকৃতিকো অনুবাদ, অনুকৰণ, পুনঃসৃজনৰ মাজেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছিল।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ২ ঃ ইংৰাজী কবিতাৰ অসমীয়ালৈ হোৱা অনুবাদৰ এক চমু সমীক্ষা দাঙি ধৰক। (২০০টা শব্দৰ ভিতৰত)

.....



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষা-সাহিত্যৰ এক সুদীর্ঘ আৰু ঐশ্বর্যমণ্ডিত ইতিহাস আছে যদিও আধুনিক অসমীয়া সাহিত্যৰ লগত পুৰণি অসমীয়া সাহিত্যৰ পোনপটীয়া সম্পর্ক নাই। আধুনিক অসমীয়া সাহিত্যৰ মূলতঃ পাশ্চাত্য বিশেষকৈ ইংৰাজী সাহিত্যৰ আৰ্হি-আদর্শৰ দ্বাৰা প্রভাৱান্বিত।
- ঊনবিংশ শতিকাৰ শেষৰফালে কলিকতাত পঢ়িবলৈ যোৱা অসমীয়া ডেকাসকলে ইংৰাজী সাহিত্যৰ সোৱাদ লাভ কৰাৰ লগতে বংগৰ নৱজাগৰণৰ কাণ্ডাৰীসকলৰ ঘনিষ্ঠতাও লাভ কৰিছিল। ফলস্বৰূপে অসমীয়া ভাষা-সাহিত্যৰ দুৰাৱস্থা সম্পর্কে তেওঁলোকৰ চকু মুকলি হৈছিল। অসমীয়া ভাষা-সাহিত্যৰ অমানিশা দূৰ কৰিবৰ কাৰণেই তেওঁলোকে কলিকতাৰ পৰা *জোনাকী* আলোচনী প্রকাশ কৰি উলিয়ায়। *জোনাকীয়ে* অসমীয়া সাহিত্যলৈ পাশ্চাত্যৰ ৰোমাণ্টিক ভাবধাৰা বোৱাই আনে।
- *জোনাকীয়ে* কঢ়িয়াই অনা পাশ্চাত্যৰ ৰোমাণ্টিক চেতনাৰ বাবেই অসমীয়া সাহিত্যই (গল্প, উপন্যাস, বিবিধ কবিতা, ভিন্নধর্মী প্রবন্ধ, সমালোচনা, ট্রেজেদী, কমেডী, প্রহসন শ্রেণীৰ নাটক আদি) বিভিন্ন শাখা-প্রশাখাৰে নতুনৰ বাট মোকলাই ল'বলৈ সক্ষম হ'ল।
- ৰোমাণ্টিকতাৰ মূল বিষয়েই হৈছে গভীৰ মানৱতাবাদী চেতনা। অসমীয়া সাহিত্যত ঘটা ৰমন্যাসিক আলোড়নৰ ফলস্বৰূপেই পুৰণি অসমীয়া সাহিত্যত নথকা এই মানৱতাবাদী চেতনা আধুনিক অসমীয়া সাহিত্যত প্রৱেশ ঘটিল।
- ৰোমাণ্টিক আলোড়নৰ ফলস্বৰূপেই পাশ্চাত্যৰ কবি-দার্শনিকসকলৰ চিন্তা-চেতনা-দর্শনে অসমীয়া পটুৱৈৰ মন-মগজুকো চুই গ'ল। পাশ্চাত্য চিন্তা-দর্শনৰ পোহৰত অসমীয়া কবি-সাহিত্যিকসকলেও নতুন বাটেৰে গতি কৰিবলৈ সুবিধা পালে।
- বিশেষকৈ অসমীয়া কবিতাত নতুন নতুন ভাব-চিন্তাৰ সমাবেশ ঘটিল। পুৰণি অলংকাৰ,

কবি প্রসিদ্ধি আদি দলিয়াই পেলোৱা হ'ল। ৰমন্যাসিক কবিতাৰ ঘাই বিশেষত্ব কবিতাত কবিৰ আত্মপ্রকাশ অসমীয়া কবিতাৰো ঘাই বিষয় হৈ পৰিল। পাশ্চাত্যৰ চিন্তা-দর্শনৰ সমান্তৰালকৈ ভাৰতীয় দর্শন আৰু অসমীয়া বৈষ্ণৱী চিন্তাধাৰাৰ লগতে লোক-গীত, লোককথা আদিয়েও অসমীয়া ৰোমাণ্টিক কবিতাক চহকী কৰি তুলিলে।



৩.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) দেৱগোস্বামী, ৰঞ্জিৎ কুমাৰ (২০১৫); অসমীয়া সাহিত্যৰ বুৰঞ্জী, পঞ্চম খণ্ড উত্তৰ গুৱাহাটী ঃ আবিলেক।

২) দাস, নাৰায়ণ আৰু পৰমানন্দ ৰাজবংশী (সম্পা.) (২০১৪); অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩) নাথ, ধ্রুৱজ্যোতি (সম্পা.) (২০০০); চন্দ্রকুমাৰ কবিতাৰ বিচাৰ-বিশ্লেষণ, ডিব্রুগড় ঃ বনলতা।

৪) নেওগ, মহেশ্বৰ (২০০০); অসমীয়া সাহিত্যৰ ৰূপৰেখা, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৫) বৰুৱা, দিলীপ (২০০৪); যোৱা শতিকাৰ কবিতা অসমীয়া নৱন্যাসী সাহিত্যৰ পৰম্পৰা, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৬) ফুকন, কবীন (২০০৩); চন্দ্রকুমাৰ আগৰৱালা, নতুন দিল্লী ঃ সাহিত্য অকাডেমি।

৭) শর্মা, সত্যেন্দ্রনাথ (২০০১); অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, গুৱাহাটী ঃ প্রতিমা দেৱী।

৮) আহমেদ, এম. কামালুদ্দিন (২০১৫); ৰমন্যাসবাদ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা, গুৱাহাটী ঃ বনলতা।



৩.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্ন উত্তৰ ঃ পুৰণি অসমীয়া কবিতা আছিল বস্তুনিষ্ঠ তাৰ বিপৰীতে আধুনিক ৰোমাণ্টিক কবিতা ব্যক্তিনিষ্ঠ.....প্রকৃতিৰ চিত্রণত পার্থক্য..... মানৱীয় চেতনাৰ বহির্প্রকাশ.....কবিতাত সাধাৰণ বস্তুৰ স্থান লাভ.....লোক জীৱনৰ প্রতি কবিৰ আকুলতা.....।

২নং প্রশ্ন উত্তৰ ঃ *জোনাকী* যুগৰ অসমীয়া সাহিত্যিকসকলৰ ঘাই উদ্দেশ্য আছিল অসমীয়া সাহিত্যৰ আৰ্হি স্থাপন কৰা। সেয়েহে তেওঁলোকে স্বসৃষ্টি বা স্বঅভিজ্ঞতা প্রকাশতকৈ

অনুসৃষ্টিৰ ওপৰত গুৰুত্ব দিছিল.....। লক্ষ্মীনাথ বেজবৰুৱা..... আনন্দচন্দ্র আগৰৱালা..... যতীন্দ্র নাথ দুৱৰা..... আদি কবিৰ দ্বাৰা অনূদিত কবিতাৰ আভাস.....।



৩.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া ৰোমাণ্টিক কবিতাৰ পৃষ্ঠভূমি আলোচনা কৰক।

প্রশ্ন ২ ঃ পাশ্চাত্যৰ ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহ অসমীয়া কবিতাত কেনেদৰে ৰক্ষিত হৈছে দেখুৱাওক।

প্রশ্ন ৩ ঃ 'পাশ্চাত্য ৰোমাণ্টিক কবিতাৰ আৰ্হি সংগ্রহণেৰে অসমীয়া ৰোমাণ্টিক কবিতা বৈচিত্র্যময় আৰু বৈবিধ্যময় হৈ উঠিল'— কথাষাৰৰ তাৎপর্য ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ পাশ্চাত্য ৰোমাণ্টিক কবিসকলৰ প্রভাৱ অসমীয়া ৰোমাণ্টিক কবিৰ কবিতাত ক'ত কেনেদৰে পৰিছে আলোচনা কৰক।

প্রশ্ন ৫ ঃ চন্দ্রকুমাৰ আগৰৱালাৰ কবিতাত পাশ্চাত্য প্রভাৱ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৬ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত পাশ্চাত্য প্রভাৱ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৭ ঃ *জোনাকী* যুগৰ কবিসকলে স্বসৃষ্টিৰ সমান্তৰালকৈ পাশ্চাত্য ৰমন্যাসিক কবিৰ কবিতা অনুবাদতো আন্তৰিকতাৰে নিয়োজিত হৈছিল— ইয়াৰ কাৰণ কি আছিল?

অধ্যায় ৪ ঃ অসমীয়া কবিতাত পাশ্চাত্য প্রভাৱ (১৯৪০-১৯৭০)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ আধুনিক অসমীয়া কবিতাৰ পটভূমি আৰু বৈশিষ্ট্যসমূহ
৪.৪ অসমীয়া কবিৰ কবিতাৰ (১৯৪০-১৯৭০) পাশ্চাত্য আধুনিক কবিসকলৰ প্রভাৱ
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আধুনিক অসমীয়া কবিতাৰ পটভূমি সম্পর্কে জানিব পাৰিব
- আধুনিক অসমীয়া কবিতাৰ বিষয়বস্তু আৰু আংগিকৰ ক্ষেত্রত পৰিলক্ষিত বিশেষত্বসমূহৰ বিষয়ে জানিব পাৰিব
- পাশ্চাত্যৰ দেশসমূহৰ কবিতাই আধুনিক অসমীয়া কবিতাক কিদৰে সমৃদ্ধি দান কৰিছে, সেই বিষয়ে অৱগত হ'ব
- পাশ্চাত্যৰ ভিন্ন দেশীয় কবিতাৰ অসমীয়া অনুবাদ সম্পর্কে জানিব পাৰিব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ'ৰ অন্তর্গত এইটো চতুর্থ অধ্যায়। এই অধ্যায়ত আধুনিক অসমীয়া কবিতা (বিশেষকৈ কুৰি শতিকাৰ চতুর্থ দশকৰ পৰা ১৯৭০চনলৈ)ত পাশ্চাত্যৰ প্রভাৱ কিদৰে অনুভূত হয়, সেই বিষয়ে আলোচনা কৰা হ'ব। পাশ্চাত্য সাহিত্যৰ কোনবোৰ গুণ-বৈশিষ্ট্যৰ প্রভাৱত অসমীয়া সাহিত্যই কিদৰে আধুনিকতাৰ পৰশ লভিলে, সেই বিষয়ে আলোচিত হ'ব।

৪.৩ আধুনিক অসমীয়া কবিতাৰ পটভূমি আৰু বৈশিষ্ট্যসমূহ

অসমত যোৱা শতিকাৰ চল্লিশৰ দশকৰ পৰা সাম্প্রতিক সময়লৈকে এই যুগটোক 'আধুনিক যুগ' বুলি কোৱা হয় আৰু এই সময়ছোৱাত ৰচিত নতুন ধাৰাৰ সাহিত্যকে আধুনিক অসমীয়া সাহিত্য বোলা হয়। এইখিনিতে 'আধুনিক' আৰু 'আধুনিকতা' পৰিভাষা দুটাৰ অর্থ চালি-জাৰি চোৱাটোও অতীৱ প্রয়োজন। বাস্তৱিকতে 'আধুনিক' শব্দটোৱে অতি সাম্প্রতিক অৱস্থা বুজায় যদিও সাহিত্যত 'আধুনিক' আৰু 'আধুনিকতা' শব্দ দুটাৰ তাৎপর্য অতি গভীৰ আৰু ব্যাপক। সাহিত্যত 'আধুনিক' শব্দটোৰ দ্বাৰা আমি কাল-নিৰপেক্ষ স্থিৰ গুণাগুণ কিছুমানো আঙুলিয়াব খোজোঁ। আধুনিকতাই এফালে স্থান-কালৰ আঁচোৱো গা পাতি লয়; আনফালে কিছুমান সাধাৰণ অপৰিৱর্তিত লক্ষণকো নির্দেশ কৰে। স্থান আৰু কাল ভেদে আধুনিকতাই কিছু দূৰ আৱৰণ আৰু আভৰণ সলায়; কিন্তু সলনিৰ মাজতো অনন্ত হৈ থকা বিশেষ গুণৰ প্রতিও আধুনিকতাই আঙুলিয়ায়।

কাব্য সাহিত্যত প্রকাশ পোৱা আধুনিক প্রবৃতি আৰু প্রেৰণা মূলতঃ ঐহিক, অর্থাৎ ইহ-জগত সম্পর্কিত। ঐশিক বা ঈশ্বৰ-কেন্দ্রিকতাৰ প্রতি বিমুখ হৈ ঐহিক হৈ অহা চিন্তা-চেতনাই আধুনিক বা আধুনিকতাৰ ৰূপ দিয়ে। আধুনিক শিল্প-সাহিত্যই মাটিৰ ৰূপ-ৰস-গোন্ধ থকা লৌকিকতাক প্রাধান্য দিয়ে। লৌকিক আৰু ঐহিকৰ দ্বাৰা নির্ধাৰিত জীৱন দৃষ্টি আধুনিক কবিতাৰ প্রাথমিক বুনিয়াদ।

আধুনিকতা মূলতঃ অযৌক্তিক আৰু ৰহস্যবাদী প্রত্যয় আৰু সংগ্রামবিমুখ আত্মসন্তুষ্টিৰ বিপৰীতে সময়ত পৰিশ্রান্ত কিন্তু সাধাৰণতঃ সজীৱ, সজাগ, সক্ষম আৰু সংঘাতময় জীৱন-জিজ্ঞাসা। জীৱন-ৰহস্য ভেদিবৰ বাবে কর্মঠ হোৱা অবিশ্রান্ত আনুভূতিক আৰু বৌদ্ধিক উত্তেজনা-অনুসন্ধিৎসাৰ পৰা আধুনিকতা ওপজে। স্থিৰ বিশ্বাস আৰু অস্থিৰ সংশয় সাঙোৰ খাই থকা জীৱন-চেতনা আধুনিকতাৰ উহঁ। পূর্বসূৰীয়া জীৱনত সোমাই থকা মায়াৰ ইন্দ্রজাল ভেদি নির্মম-নির্মোহভাৱে প্রকৃত সত্য উদ্‌ঘাটনেই আধুনিকতাৰ লক্ষ্য। অৱশ্যে আধুনিকতায়ো কেতিয়াবা নতুন মায়াজালৰ সৃষ্টি কৰিব পাৰে। কিন্তু এই কথা সন্দেহাতীত যে আধুনিক জীৱন-জিজ্ঞাসা কোনো সিদ্ধান্ততে থৰ নালাগে। জীৱন আৰু জগতৰ দ্বন্দ্বমূলক অৱস্থানৰ বিষয়ে সজাগ কাৰণে আধুনিক মনে কোনো লৌকিক বা অলৌকিক সিদ্ধান্তকে শেষ সিদ্ধান্ত বুলি অন্বেষণ সামৰি নথয়।

জীৱনবোধ জটিল হোৱা বাবেই আধুনিক কবিতা সন্ধানী, বিশ্লেষণী আৰু সহজ-সিদ্ধান্তবিমুখী। আধুনিক কাব্য-চেতনাত বিলোপবিভোলতা আৰু প্রবোধবিলাসৰ ঠাই নাই। নির্মম-নির্মোহ বাস্তৱবোধেই আধুনিকতাৰ বুনিয়াদ। এটা সৰল অনুভূতিৰ সলনি কেইবাটাও অনুভূতিৰ জটিল সংযোজনে আধুনিক কবিতাত ঠাই পায়। ফলস্বৰূপে আনুভূতিক আৰু মনন-চিন্তনধর্মী মেৰপাকবোৰ কবিতাৰ ঠাঁচ, ৰীতি, ভংগী, ব্যঞ্জনা আদি সকলোতে ফুটি ওলায়। ফলত এনে কবিতাই সংবেদনশীল পঢ়ুৱৈৰ বোধশক্তি বহল আৰু গভীৰ কৰে।

সাধাৰণতে বোধি-প্রাধান্যক আধুনিক কবিতাৰ লক্ষণ বুলি কোৱা হয়। প্রবল আবেগৰ সৈতে তীক্ষ্ণ কিন্তু সংযমী মনন বা বোধিৰ সংশ্লেষণে, সাদৃশ্যৰ মাজত বৈসাদৃশ্য আৰু বৈসাদৃশ্যৰ

মাজত অপ্রত্যাশিত সাদৃশ্য বিচৰাৰ বিজ্ঞানসূলভ উদ্দীপনাই, ঐহিক আৰু ঐশিকৰ মাজত বিস্ফোৰিত বিৰোধ আৰু সংস্থাপনে, মনৰ ৰহস্যৰ ভিতৰলৈ অনুসন্ধানী আৰু বন্ধনমুক্ত অভিযানে আৰু সাধাৰণ কথিত ভাষাত সুপ্ত অসাধাৰণ কাব্য দৃষ্টিৰ উন্মেষে কাব্যকথা বা কাব্য-ৰূপক আধুনিকতা দিব পাৰে।

আধুনিক কবিতাৰ সৃষ্টিত অতীত চেতনা এক কেন্দ্রীয় উপাদান। অতীত-চেতনা মানে অতীত-বিলাস নহয়, ঐতিহ্য চেতনাহে। আধুনিক কবিতা যাতে অন্তঃসাৰশূন্য নহয় তাৰ কাৰণে অতীত-বর্তমান-ভৱিষ্যৎ এই তিনিও কালৰে শিহৰণ কবিতাত জটিল কিন্তু সমাহিত ৰূপত প্রকাশ পাব লাগিব। বুদ্ধিদীপ্ত আৰু বিশ্লেষণমূলক ইতিহাস-চেতনাইহে অতীত-প্রীতিক বিভ্রম বা মায়াৰ পৰা নিলগাই বাস্তৱমুখী কৰি তোলে। কেৱল সাম্প্রতিক বাস্তৱবোধেই আধুনিক কাব্যসাধনাত যথেষ্ট নহয়। সেয়ে ক'ব পাৰি যে আধুনিক কবিতাত কবিৰ মনন আৰু জীৱনদৃষ্টিয়ে সাম্প্রতিকৰ মোহনাতে দিক্ নেহেৰুৱাই যৌক্তিক বিচাৰত ভৱিষ্যতলৈকো টোঁৱায়। এনেকৈয়ে তিনিওকালৰ মানুহৰ আৰু সমগ্র পৃথিৱীৰ শিহৰণৰ সংশ্লেষণ আধুনিক কবিতাৰ মাজত অৱস্থান কৰে। সাংস্কৃতিক-ৰাজনৈতিক ভিন্নতাৰ মাজত স্থিৰ মানৱীয় মূল্যৰ চেতনা আধুনিক কাব্য-মানসৰ কেন্দ্রবিন্দু হৈ পৰে।

কালৰ দৰে স্থানেও আধুনিকতাৰ চৰিত্র আৰু মাত্রা নির্ণয়ত গুৰুতৰ ভূমিকা গ্রহণ কৰে। স্থান ভেদে অর্থনৈতিক-ৰাজনৈতিক আৰু সামাজিক-সাংস্কৃতিক জীৱনৰ অসমান ঐতিহাসিক বিকাশ ঘটে। যি দেশত অর্থনৈতিক-ৰাজনৈতিক বিকাশ আগতীয়া আৰু খৰতকীয়া সেই দেশত চিন্তা-চেতনাও আগবঢ়া। স্বাভাৱিকতে জনজাতীয় সমাজতকৈ সামন্তীয় আৰু সামন্তীয় সমাজতকৈ পুঁজিবাদী আৰু সমাজবাদী অৱস্থানত ধীশক্তি আৰু অন্তর্দৃষ্টিৰ পৰিসৰ আৰু গভীৰতা অধিক হয়। দেখ দেখকৈয়ে প্রাচ্যৰ প্রায়বোৰ দেশৰ সাম্প্রতিক সমাজতকৈ পাশ্চাত্যৰ সমাজ বেছি যুক্তি আৰু বিজ্ঞাননির্ভৰ, পশ্চিমীয়া মনৰ আত্মচেতনা আৰু ইতিহাস চেতনাৰ আধুনিক অভিব্যক্তি প্রাচ্যৰ সমাজতকৈ তুলনামূলকভাৱে অধিক আগবঢ়া। সেয়েহে আজি যিবোৰ বাস্তৱ-সজাগ কাব্যিক শিহৰণ সহজে আধুনিক বুলি গ্রাহ্য সেইবোৰৰ সৰহভাগেই পশ্চিমীয়া জীৱনধাৰাৰ পৰা নিগৰি ওলোৱা। অৱচেতন অৱদমনৰ মনোবিজ্ঞান, বৈজ্ঞানিক দ্বন্দ্বমূলক বস্তুবাদ, প্রতীকবাদ, চিত্র কল্পবাদ, জীৱনবোদ আৰু ধীশক্তিৰ ঐহিকতা আৰু ঐহিক আৰু ঐশিকৰ মাজত সংঘাতৰ চেতনা, বিজ্ঞানসম্মত ইতিহাস-চেতনাৰ তত্ত্ব আৰু ব্যৱহাৰ, জ্ঞান-বিজ্ঞানৰ নতুন বিভাগীকৰণ আৰু প্রতিষ্ঠা আদিবোৰ প্রাচ্যৰ মানুহে ভূ পোৱাৰ আগতেই পাশ্চাত্যৰ দেশসমূহতে সূচনা হয়। বিজ্ঞান চর্চাৰ বাবে অতীৱ প্রয়োজনীয় পৈণত যৌক্তিক গদ্যৰ গঢ় আৰু পদ্য কৌশল-গদ্য কৌশলৰ মাজত আন্তঃক্রিয়াও প্রাচ্যৰ তুলনাত পাশ্চাত্যৰ সমাজতেই আগতীয়া। এনেদৰে পাশ্চাত্যত উদ্ভূত ন-ন জ্ঞান-বিজ্ঞান দর্শনৰ চিন্তা পাশ্চাত্যৰ লগতে প্রাচ্যৰ আনুষ্ঠানিক আৰু অনা-আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত মনত প্রবাহিত হ'বলৈ লয়। কবিতাৰ আধুনিকতাৰ ভাব-ভাষা অসমীয়া মননসৃষ্ট হয়। সেয়া পশ্চিমৰ পৰাহে আহৰিত। সাংস্কৃতিক বিনিময় বা সংশ্লেষণৰ

যোগেদি আধুনিক ভাব-ভাষা অসমীয়া কবিতা আৰু সাহিত্যৰ মাজত সোমালহি।

ৰমন্যাসিক অসমীয়া কবিতা যিদৰে পাশ্চাত্যৰ সাহিত্যৰ প্রভাৱৰ দ্বাৰা পৰিপুষ্ট; ঠিক একেদৰে আধুনিকতাবাদী অসমীয়া কবিতাও পাশ্চাত্য প্রভাৱৰে শুভ ফল। বিগত শতিকাৰ তৃতীয় দশকলৈ অসমীয়া ৰমন্যাসিক কাব্যধাৰাটো লাহে লাহে স্তিমিত হ'বলৈ ধৰে। ভাৰতৰ স্বাধীনতা আন্দোলন, দ্বিতীয় বিশ্বযুদ্ধৰ আৱহাৱা আৰু অন্তর্মহাদেশীয় সম্পর্কই অসমীয়া কবিসকলক ৰোমাণ্টিকতাৰ পৰা আঁতৰাই বাস্তৱমুখী কৰি তুলিলে। কবিতা 'নিৰলাত সোঁৱৰা হিয়াৰ আৱেগ'ৰ সলনি নতুন দল কবিয়ে বুদ্ধিনির্ভৰ কচৰৎ হিচাপে গ্রহণ কৰিলে। জীৱনৰ ঘাত-প্রতিঘাত, দুখ-যন্ত্রণা আদি ৰমন্যাসিক কবিসকলে ঈশ্বৰৰ দান বুলি আত্মসন্তুষ্টি লভাৰ বিপৰীতে নতুন কবিসকলে এইবোৰক জীৱনৰ প্রত্যাহ্বান হিচাপে গ্রহণ কৰিবলৈ ল'লে। ৰোমাণ্টিক কবিসকলে সমগ্র পৃথিৱীখন সুন্দৰ দেখাৰ বিপৰীতে আধুনিক কবিদলে পৃথিৱীৰ কদর্যতাখিনিও আৱিষ্কাৰ কৰিলে এইসকল কবিৰ আদর্শ হ'ল— কার্লমার্ক্স, মায়ক'ভস্কি, মার্লাম, ৱিল্কে, ৰোডলিয়াৰ, এলিয়ট, হিউম, ওডেন, স্পেণ্ডাৰ আদি বুদ্ধিনিষ্ঠ পাশ্চাত্য কবিসকল। ফ্রয়েডীয় মনোবিজ্ঞানৰ প্রভাৱ, সমাজবাদী চিন্তাধাৰাত আস্থাশীলতা, স্থানবিশেষে চিন্নমূল মনোভাব, নগৰকেন্দ্রিক যান্ত্রিক সভ্যতাৰ অভিঘাত, নানা দেশৰ কাব্য আৰু পৌৰাণিক কাব্যৰ উল্লেখ, উদ্ধৃতি আৰু নতুন প্রতীকাত্মক প্রয়োগ, প্রাচীন ছন্দসজ্জাৰ পৰিহাৰ আৰু মুক্তক ছন্দ, স্পন্দিত গদ্য আদিৰ বহুল প্রচলন, শব্দৰ আভিধানিক অর্থ অতিক্রমী অভিধাৱিক্ত ব্যঞ্জনা, অনুভৱ আৰু বুদ্ধিনিষ্ঠতাৰ সমন্বয়, অৱচেতন মনৰ অসংলগ্ন খণ্ড খণ্ড অনুভৱৰ টুকুৰাবোৰৰ যথাযথ চিত্রণৰ প্রয়াস প্রতীকৰ প্রচুৰ প্রয়োগ আৰু যৌনকামনাৰ ইঙ্গিত আৰু প্রকাশভংগীৰ একান্ত, বৈয়ক্তিক আৰু অনর্গল প্রয়োগ, চিৰাচৰিত সামাজিক মূল্যবোধৰ প্রতি আস্থাহীনতা, উদ্যোগ প্রদান নাগৰিক সভ্যতাৰ প্রতি ক্লান্তিবোধ, পুৰণি কবি প্রসিদ্ধিৰ ঠাইত যুগপ্রতীকী ন ন চিত্রকল্পৰ সৃষ্টি, ন ন উপমাৰ প্রয়োগ আদিবোৰ আধুনিক কবিতাৰ বিশেষত্ব হিচাপে পৰিগণিত হ'ল।

৪.৪ অসমীয়া কবিৰ কবিতাৰ (১৯৪০-১৯৭০)পাশ্চাত্য আধুনিক কবিসকলৰ প্রভাৱ

আধুনিক অসমীয়া কবিতাৰ শুভাৰম্ভণি ঘটিছিল মাক্সীয় চেতনাপ্রসূত প্রগতিবাদী চিন্তাধাৰাৰ কবিতাৰ জৰিয়তে। শ্রেণী চেতনাৰ প্রকাশ আৰু শ্রেণী সংগ্রামৰ আহ্বান থকা প্রথম অসমীয়া কবিতা লিখিছিল ত্রিছৰ দশকৰ মাজভাগত গোলাঘাটৰ ধীৰেন্দ্র নাথ দত্তই। তেওঁ *জয়ন্তী* আলোচনীৰে আগৰে *জয়ন্তী* যুগৰ বাটকটীয়া কবি আছিল। *অভিযান* নামৰ তেওঁৰ কবিতা পুথি প্রকাশ পাইছিল ১৯৩৫ চনত। *কাঠমিস্ত্রীৰ ঘৰদত্তৰ* আটাইতকৈ চর্চিত উত্তম সৃষ্টি। দত্তৰ পাছতেই আধুনিক অসমীয়া কবিতাৰ ধাৰাটোক অধিক শক্তিশালী কৰি তোলে *জয়ন্তী* (১৯৪৩-৪৯) আলোচনীয়ে। *জয়ন্তীয়ে* সুস্পষ্ট ইস্তাহাৰেৰে আধুনিকতাৰ সূচনা দিয়ে আৰু ৰোমাণ্টিক কাব্যৰ বাস্তৱবিমুখ, কল্পনাসর্বস্ব কাব্যৰ বিৰুদ্ধে ক্রান্তিকাৰী চেতনা আৰু সমাজবাদী ধাৰণাৰ বাহক স্বৰূপে

কবিতাক প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰে। *জয়ন্তীৰ* পাতত প্রগতিবাদী অসমীয়া আধুনিক কবিতা বাটকটীয়াসকলৰ ভিতৰত অমূল্য বৰুৱা, ভৱানন্দ দত্ত অন্যতম। বৰুৱাৰ *বেশ্যা, কুকুৰ, কয়লা* আদি কবিতা আছিল আগেয়ে অ-কাব্যিক বুলি বিবেচিত বিষয়ৰ কাব্যৰূপ। চল্লিশৰ দশকৰ সংৰক্ষণশীল মধ্যবিত্ত অসমীয়া পঢ়ুৱৈৰ বাবে *বেশ্যা* শিৰোনামটোও আছিল অতিশয় নাভূত-নাশ্রুত আৰু অস্বস্তিকৰ। বৰুৱাৰ কবিতাৰ অগতানুগতিক বিষয় আৰু প্রকাশ-ভংগীৰ নতুনত্ব আছিল আধুনিক অসমীয়া কবিতাৰ বাবে গুৰুত্বপূর্ণ। *জয়ন্তীৰ* আন এজন প্রগতিশীল ৰমন্যাসবিৰোধী কবি আছিল ভৱানন্দ দত্ত। প্রগতিশীল কবিতাৰ ইস্তাহাৰৰ ঘাই প্রৱর্তক দত্তই সজ্ঞান মার্ক্সবাদী আদর্শেৰে *নাচিকেতা* ছদ্মনামত লিখা *ৰাজপথ, পাউদাৰ* আদি কবিতা সেই সময়ৰ কাব্য ভাৱনাৰৰ তাৎপর্যপূর্ণ নিদর্শনেই নহয় কবিতাৰ ভাবজগতত বস্তুগত বহির্জগত প্রতিষ্ঠাত এক ঐতিহাসিক ভূমিকা পালন কৰিছিল। অমূল্য বৰুৱাৰ নিচিনাকৈয়ে দত্তই অগতানুগতিক কাব্যছন্দ এৰি অসমীয়া ভাষাত গদ্য ছন্দৰ পৰীক্ষা কৰিছিল। *ৰাজপথ* নামৰ কবিতাত মহানগৰৰ বিলাসবৈভৱৰ মাজত *শূন্য ভিক্ষা পাত্র লৈ শুই পৰা/মৃতপ্রায় কংকাল...* ৰাজপথত যি কল্পচিত্র আঁকিছিল সেয়া আহিল সেই সময়ৰ বাবে অভিনৱ।

এই সময়ছোৱাতে ভৱপ্রসাদ ৰাজখোৱাই *মুটীয়া, ৰিক্সাৱালা, পৰিচয়, বিদ্রোহী বিধৱা* আদি কবিতাত নিষ্পেষিতৰ প্রতি সহানুভূতি প্রকাশ কৰিছিল। প্রগতিশীল সমাজ চেতনাৰ আন এজন অগ্রজ কবি সিদ্ধেশ্বৰ তামুলীয়ে *বেশ্যা, আইচক্রিমৱালা, কুলি* আদি কবিতাত অৱহেলিতজনৰ বাস্তৱধর্মী চিত্র অংকনেৰে তেওঁলোকৰ অভিযোগ ফুটাই তুলিছিল—

আমি কৰোঁ পৰিশ্রম
শৰীৰৰ ৰক্তপাত কৰি,
পুঁজিপতি কোটিপতিহঁতে
বিলাসী বিশ্রাম কৰে... (*কুলি*)

আব্দুছ ছাত্তাৰেও সময়ৰ ৰূঢ় বাস্তৱক ফুটাই তুলি বিদেশী সাম্রাজ্যবাদী আৰু স্বদেশী অনুচৰক ব্যঙ্গাত্মক আক্রমণ কৰি কেইবাটাও কবিতা লিখিছিল। আধুনিক কাব্যধাৰা প্রাচীন নিয়মৰ অধীন ছন্দ পদ্ধতিৰ সলনি মুক্তক ছন্দৰ ওপৰত অধিক নির্ভৰশীল। চল্লিছৰ দশকতে কাব্য-সাধনাত প্রবৃত্ত হোৱা মহেশ্বৰ নেওগৰ *অন্ত্যজা* আছিল প্রথম অসমীয়া মুক্তক ছন্দৰ কবিতা। কবিতাটোত ৰমন্যাসিক আৰু অৰমন্যাসিক আধুনিকতাৰ সন্মিলন ঘটিছে। বিপৰীতধর্মী শিহৰণৰ সংশ্লেষণ আধুনিক কাব্যদৃষ্টিৰ এক বুনিয়াদ; *অন্ত্যজাৰ* শেষৰ দুশাৰীত এনে বুনিয়াদে স্মৰণীয় ৰূপ লৈছে বুলিব পাৰি ঃ

বাস্তৱৰ পংক ভেদি উঠা ব্যথাক্লিষ্ট পদুম-সপোন
লক্ষ্যহীন সৌন্দর্যৰ লখিমী গোসাঁনী।

জয়ন্তীৰ পাতত অংকুৰিত হোৱা আধুনিক অসমীয়া কবিতাক *পছোৱা আৰু ৰামধেনুৰ* মাজেৰে আগুৱাই নি সুনির্দিষ্ট ৰূপ-ৰীতি প্রদান কৰা কবিজনেই হেম বৰুৱা। হেম বৰুৱাৰ হাততেই

আধুনিক কবিতাৰ শব্দ সম্ভাৰ, লয়, ধ্বনি মিহি আৰু কোমল হৈ অধিক ব্যঞ্জনাক্ষম হৈ উঠে। অসমীয়া কাব্যজগতলৈ আধুনিক পশ্চিমীয়া জীৱনবোধ আৰু কাব্যবোধৰ সুঁতি বোৱাই আনি, পশ্চিমীয়া ভাবাবেগ আৰু ভংগীৰ সৃজনীশীল সালসলনি ঘটাই অসমীয়া কবিতাক সজীৱ, অর্থপূর্ণ, নতুন ৰেহ-ৰূপ দিয়াত হেম বৰুৱাৰ ভূমিকা অতি গুৰুত্বপূর্ণ। আঁৰ-বেৰ নোহোৱা সংযমী, মৃদুল কাব্যিকতাৰে সঁচা আধুনিক কবিতা লিখাৰ সুদৃঢ় সূচনাক ধাৰাবাহিক কৰি তোলাত তেওঁৰ বৰঙণি আছিল প্রচুৰ। অসমীয়া কাব্য-কথনলৈ তেওঁ সুমুৱাই আনিছিল আধুনিক ঠাঁচৰ অভূতপূর্ব স্বৰজনিত বৈচিত্র্য ঃ

বুৰঞ্জীৰ ৰঙা নীলা পাত
আমাৰ কাৰণে হায় বুৰঞ্জী নিমাত...
(নিমাতী চাপৰি)

চল্লিছৰ দশকত অসমীয়া শিক্ষিত মানসত আন্তর্জাতিক দৃশ্যপট স্পষ্টকৈ উদয় হৈছিল। সেয়েহে বৰুৱাৰ কবিতাত আন্তর্জাতিক দৃশ্যপট সুলভ। আধুনিক ইউৰোপীয় চিন্তা-চেতনা হেম বৰুৱাৰ কবি মানসত কিছু গভীৰ আৰু বহল হৈছিল। ইংৰাজী সাহিত্যৰ ছাত্র আৰু শিক্ষক হিচাপে আৰু পিছলৈ কৌতুহলবশতঃ পঢ়া পাউণ্ড, লৰেন্স, এলিয়ট আদিৰ কবিতাই হেম বৰুৱাৰ কবি প্রাণক স্বাধীন আত্মপ্রকাশৰ বাবে উচটাইছিল। সেয়েহে চীনা কবিতা এটা এজৰা পাউণ্ডে কৰা ৰূপান্তৰক প্রেৰণা হিচাপে লৈ ৰচনা কৰা *মমতাৰ চিঠি*ও হৈছিল এক অনুপম মৌলিক সৃষ্টি।

আধুনিক কবিতাৰ আন এক বিশেষত্ব প্রতীকবাদী কাব্যৰীতিৰ আৰ্হি গ্রহণ কৰোঁতা প্রথম গৰাকী আধুনিক অসমীয়া কবিও হেম বৰুৱা। ইংগ-মার্কিন কবি এলিয়টৰ দ্বাৰা প্রভাৱিত হৈছিল যদিও এলিয়টৰ দৰে জটিল প্রতীক আৰু দুর্গম পু�ৰাণ আশ্রিত প্রতীক ব্যৱহাৰ কৰা নাছিল। এইবোৰৰ সৰহ সংখ্যকেই সার্বজনীন আৰু ভাৰত তথা অসমীয়া মানসৰ বাবে পৰিচিত। ৰাম, সীতা, জৰাসন্ধ, শকুন্তলা ইত্যাদি সহজবোধ্য প্রতীক ব্যৱহাৰ কৰিছিল। অসমীয়া লোকজীৱনৰ পৰাও তেওঁ প্রতীক গ্রহণ কৰিছিল— 'ছাগলীয়া শিঙীয়া জোনটোৰ জীৱন সত্তা', 'মেজিৰ নৃত্যৰতা জুই', 'বাহিৰৰ উৰুঙা বতাহ জাক' ইত্যাদি। হেম বৰুৱাৰ ওপৰত এলিয়টৰ প্রভাৱ পোনপটীয়া নাছিল যদিও জীৱন-বাস্তৱৰ, মহানগৰৰ মলিন্য আৰু কদর্যতা প্রকাশত এলিয়টধর্মী চিত্রকল্প দেখিবলৈ পোৱা যায়—

ঘোলা কণীৰে সেকা
অমলেটৰ দৰে
ৰ'দে পোৰা নগ্ন এই পৃথিৱীৰ গোন্ধ
(জীৱনৰ ৰং)

আধুনিক অসমীয়া কবিতাৰ ইতিহাসত এখন ঘাই আসন লভা নৱকান্ত বৰুৱাৰ কবিতাত ৰবীন্দ্র নাথ, খলিল জিব্রান, মায়কভ্চ্কি, হুইটমেন, এলিয়ট আদিৰ প্রভাৱ জীন গৈছে। সময়-প্রবাহত জীৱন-জীৱিকাৰ সংঘাত, উদ্যম-অনুদ্যম, জগত আৰু চেতনাৰ দ্বন্দ্বক আধুনিক ভাষাৰে

তেওঁৰ কবিতাত ফুটাই তুলিবলৈ সক্ষম হৈছে। তেওঁৰ প্রথমখন কবিতা পুথি *হে অৰণ্য হে মহানগৰ* (১৯৫১) অসমীয়া আধুনিক কবিতাৰ মাইলৰ খুঁটি। আধুনিকতাৰ লক্ষণ স্বৰূপ নগৰ-চেতনাই তেওঁৰ আদি স্তৰৰ কবিতাক বিশিষ্ট মাত্রা প্রদান কৰিছে। বৌদ্ধিক চর্চাৰ কেন্দ্রবিন্দু হ'লেও মহানগৰৰ জীৱনৰ জটিলতা, নিসংগতাবোধ, আত্মিক অৱক্ষয় আদিৰে পৰিপূর্ণ। টি. এছ. এলিয়টে মহানগৰক বন্ধ্যাত্বৰ প্রতীক হিচাপে অংকন কৰিছিল। মহানগৰীৰ নিশ্চল আৰু প্রত্যয় হীন জীৱনক গণিকা জীৱনৰ প্রাত্যহিক অভিযাৰৰ লগত তুলনা কৰিছে—

সৰীসৃপ ক্রূৰ মৃত্যু... সপিল জীৱন,
পলাতক দৈনন্দিন নিয়ন-উজ্জ্বল গধূলিৰ
ৰঙা নীলা শেঁতা মুখ
হেনা মধুবালা আৰু অলকানন্দাৰ

(হে অৰণ্য হে মহানগৰ)

T. S. Eliot ৰ The Love Song of J. Alfred Prufrock টো আমি মহানগৰক পণ্য হিচাপে পাওঁ এনেদৰে—

"In the room the woman come and go
Talking of Michelangelo".

হে অৰণ্য হে মহানগৰৰ স্বপ্নাৰম্ভ পঞ্চম অংক স্বপ্ন সম্ভৰ আদি কবিতাত অস্তিত্ববাদী দর্শন দর্শন ফুটি উঠিছে—

অবাস্তৱ মই আৰু
অবাস্তৱ অবাচীন বিৰাট নগৰী
হেজাৰ জীৱনৰ বলি। জীৱনৰ জীৱিকাৰ।
হে নগৰী, বুৰঞ্জীৰ ক্ষণিক অতিথি।

(পঞ্চম অংক)

ফ্রান্সৰ প্রতীকবাদী কবি মার্লামেৰ কবিতাত তেওঁৰ প্রিয় প্রতীক 'নীল আকাশৰ বহুল প্রয়োগ দেখা যায়। নৱকান্ত বৰুৱাৰ কবিতাতো 'আকাশ'ক বিভিন্ন ৰূপত 'তামৰঙী', 'ঈষাৰ দৰে নালী', 'অন্ধনীল আকাশ' আদি প্রতীকাত্মক প্রয়োগ কৰিছে।

হুইটমেনে যিদৰে অতীত-বর্তমান-ভৱিষ্যৎ প্রজন্মৰ মাজত মৈত্রী বন্ধনেৰে কল্পলোক সৃষ্টি কৰাৰ দৰে নৱকান্ত বৰুৱায়ো *পলস* কবিতাত ভালপোৱা ধূলি মাটিৰ পৃথিৱীখনত অতীত-বর্তমান-ভৱিষ্যৎ প্রজন্মৰ মাজত সংযোগ সেঁতু সাজি উলিয়াইছে—

"আমাৰ পলসে সাৰুৱা কৰক কলঙৰ দুয়ো কূল
আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সিৰলিত
আমি সাৰ পাম।...." *(পলস)*

চল্লিছৰ দশকৰ শেষৰ ফালে আত্মপ্রকাশ কৰা আধুনিক অসমীয়া কবিতাৰ ইতিহাসত

অজিৎ বৰুৱা এক বিস্ময়কৰ প্রতিভা বুলিব পাৰি। কিয়নো *কিছুমান পদ্য আৰু গান* (১৯৮২), *ব্রহ্মপুত্র ইত্যাদি পদ্য* (১৯৮৯) আৰু *কিছুমান পদ্য আৰু গান* (২০০১) এই তিনিখন কাব্যগ্রন্থৰ জৰিয়তে বিষয় আৰু আংগিকৰ ক্ষেত্রত অসমীয়া কবিতাক এক নতুন মাত্রা দিবলৈ সক্ষম হৈছে। বাগাড়ম্বৰহীন ভাষা আৰু প্রতীকবাদী কবিতাৰ অর্থৰ অস্পষ্টতা আঁতৰাই কার্য, আৱহ আৰু ধাৰণা একোটাহঁত মূর্ত কৰাৰ সচেতন প্রয়াস অজিৎ বৰুৱাৰ কবিতাত পোৱা যায়। বৰুৱাৰ কবিতাত ফৰাচী কবিতা আৰু এলিয়টীয় দূৰান্বয়ী প্রভাৱ পৰিলক্ষিত হয়। ফৰাচী কবি জুল লাফোর্গে গোলাপৰ জৰিয়তে নাৰী ব্যঞ্জিত কৰা মধ্যযুগীয় চিত্রকল্পৰ ৰূপায়ণ কৰাৰ দৰে অজিৎ বৰুৱাই একেই চিত্রকল্প ব্যৱহাৰ কৰিছে—

ভুল কথা, বগী তগৰেই কেৱল
দূৰৰ পৰা গোন্ধ বিলাব পাৰে।
পাৰে, গোলাপেও পাৰে—
ৰঙা নীলা গুলপীয়া ধুনীয়া গোলাপ
আৰু
শান্তি শুভ্র ত্যাগিনী গোলাপে—
কিন্তু মই পাইছিলো—
(You go away, we stay behind,
We stay behind, you go away
The rose tree spring is running dry,
Truly! And he who doth delay...)

লাফোর্গৰ দৰে 'কাব্যিক ভাষা' আৰু সাধাৰণ কথোপ ভাষাৰ সহ প্রয়োগে অজিৎ বৰুৱাৰ কাব্যভাষাক বিশিষ্টতা প্রদান কৰিছে—

ঘন হিয়াতল ঝিল্লিমুখৰ,
কাণ দুখনৰ
তলাতল ঘৰ... *(মিৰাণ্ডা)*

ইয়াত 'হিয়াতল' কাব্যিক আৰু ঝিল্লিমুখ অকাব্যিক একেলগে সমাৱেশ কৰাইছে। অজিৎ বৰুৱাৰ কবিতাত ব্যৱহৃত চিত্রকল্পত এলিয়টী প্রতীকবাদৰ স্বাক্ষৰ দেখা যায়। *মন-কুঁৱলী সময়* কবিতাৰ প্রথম পংক্তি দুটাই ধোঁৱাময় কুঁৱলী'ৰ প্রতি আমাৰ দৃষ্টি আকর্ষণ কৰে এনেদৰে—

কাতি মাহৰ এটা ধোঁৱা ৰাতিপুৱা
কুঁৱলী গলি ভাঁহে।
'The Yellow fog that rubs its back upon
The window panes.....
...Lingered upon the pools that stand in drains.

(The Love Song of J Alfred Prufrock)

টি এছ্ এলিয়টৰ কবিতাত দুটা পংক্তিৰ মাজত ভাবৰ ব্যৱধান থাকে আৰু এই ভাবৰ সংযোগ স্থাপন পঢ়ুৱৈয়ে কৰিব লাগে। বৰুৱাৰ *মন-কুঁৱলী সময়ৰ* প্রথম পংক্তি 'কাতি মাহৰ এটা ধোঁৱা ৰাতিপুৱা'ৰ সৈতে দ্বিতীয় পংক্তি 'এদিনাখন এটা ঢেকুৰা কুকুৰে মুখত মঙহ লৈ'... আপাত দৃষ্টিত কোনো সামঞ্জস্য নাই। কিন্তু ইয়াৰ মাজতো শৈশৱৰ এটি স্মৃতি অনুষংগ হিচাপে যি পঢ়ুৱৈয়ে বিচাৰি উলিয়াব লগা হয়।

বিষয় ব্যাপ্তি-গভীৰতা, প্রতীকবাদ-চিত্রকল্পবাদৰ সফল প্রয়োগ, চিত্রকলাৰ সৈতে সম্পর্ক স্থাপন আৰু অসমীয়া ভাষাৰ ন ন সম্ভাৱনা মুকলিৰ জৰিয়তে নীলমণি ফুকন অসমীয়া আধুনিক কাব্যজগতৰ অবিস্মৰণীয় ব্যক্তিত্বত পৰিণত হৈছে। এক প্রকাৰৰ আত্মিক বিষণ্ণতাই নীলমণি ফুকনৰ কবিতাক সিক্ত কৰি ৰখা দেখা যায়। এই বিষণ্ণতাৰ চৰিত্র জাপানী কবিতা আৰু জার্মান কবি পল ছেলানৰ কবিতাৰ বিষণ্ণতাৰ সৈতে আত্মিক মিল যুক্ত। পল ছেলানৰ কবিতাত ব্যক্তিগত মর্মন্তুদ ঘটনাৰ গাঢ় ৰূপকাত্মক প্রকাশ যিদৰে দেখা যায়; নীলমণি ফুকনৰ কবিতাতো ঠিক একে—

Just like the blood that bursts from
Your eye or mouth or ear
So your key changes.

(With a Changing Key)

ইয়াত হিটলাৰৰ নৰমেধ যজ্ঞত মৃত্যু হোৱা ছেলানৰ পিতৃ-মাতৃৰ প্রসংগ ৰূপকধর্মীতাৰে প্রকাশ পাইছে। নীলমণি ফুকনৰ কবিতাটো মাতৃ বিয়োগৰ কথা এনেদৰে প্রকাশিত হৈছে—

চকুত চাকিটো মুখত তেজ
চিয়ঁৰি দিওঁ
জনজনাই যায় কাঁহৰ বাটিত মোৰ
হালধি বটা ৰাতি

(আকাশখনে ধপধপায়)

ফুকনৰ কবিতাত মৃত্যুয়ে বিভিন্ন আয়তন লাভ কৰা দেখা যায়। মাৰিয়া ৰিল্কেৰ কবিতাত মৃত্যুৰ জয়ধ্বনি ঘোষিত হৈছে। মৃত্যুক কেন্দ্র কৰিয়েই সকলো ঘূর্ণীয়মান—

For we are just the leaf and just the skin
But the great death which each one has within,
That is the fruit around which all revolves

(The Book of Poverty and Death)

ফুকনৰ কবিতাটো কল বেচি ফুৰা মানুহ এজনৰ দুর্ঘটনাত পতিত হৈ মৃত্যু হোৱা ঘটনাটো আপতিত হৈছে এনেদৰে—

প্রতিটো মুহূর্তই এডোঙা তেজ

প্রতিটো মুহূর্তই এপাচি সেন্দূৰীয়া কল

(হঠাৎ সেই আর্তনাদ আহি গোট মাৰি)

নীলমণি ফুকনৰ কবিতাত *জোনৰ* গতিশীল চিত্রকল্পই জীৱনৰ ৰহস্যময়তা প্রকাশ কৰিছে—

নৈখনৰ সিপাৰেদি
জোনটো নামি যোৱা বাটেৰে
ওপৰলৈ উঠি আহিল
ৰহস্যৰ অসংখ্য স্তম্ভ *(আর্তস্বৰ)*

গার্থিয়া লৰকাৰ কবিতাতো সঘনে জোনৰ চিত্রকল্প ব্যৱহৃত হৈছে—

In the troubled air
The moon moves her arms...

লৰকাই ঘোঁৰাক জীৱনী শক্তিৰ প্রতীক হিচাপে ৰূপায়িত কৰাৰ দৰে নীলমণি ফুকনেও জীৱনৰ প্রবহমান ৰূপ মূর্ত কৰাৰ বাবে ঘোঁৰাৰ প্রতীক ব্যৱহাৰ কৰিছে ঃ

ঘোঁৰাটো কি দূৰন্ত
জঁপিয়াই উঠে নদীৰ দুপাৰত
(হঠাৎ সেই আর্তনাদ আহি গোট মাৰি)

লৰকাৰ দৰে চিত্রশিল্পৰ লগত থকা নীলমণি ফুকনৰ কাব্যচর্চাৰ গাঢ় সম্পর্কই কবিতাৰ বয়নত দুয়োজন কবিকে ওচৰ চপাই নিছে।

আধুনিক অসমীয়া কবিতালৈ বীৰেশ্বৰ বৰুৱাই তাৎপর্যপূর্ণ বৰঙণি আগবঢ়াই গৈছে। বীৰেশ্বৰ বৰুৱাৰ আগছোৱাৰ কবিতাত বোডলেয়াৰৰ প্রেৰণাতে আধুনিক জীৱনৰ অৱসাদ ক্লান্তি নৈৰাশ্য মূর্ত হৈ উঠিছে—

সমুদ্রৰ কোলাহল। দগ্ধ ৰেখা, ঢৌৰে ঢৌৰে উত্তপ্ত বিষাদ।
অন্তহীন খেও মোৰ। ৰুদ্ধশ্বাস। দিশহাৰা অৱসন্ন প্রাণ।
ধুমুহাৰ কোব শুনো। আঁতৰিছে জ্যোতিৰেখা।
ক্ষণে ক্ষণে জীৱন বিস্বাদ।
আকাশত ব্যর্থ মৃগয়াৰ কোলাহল আৰু মৃত্যুৰ নিচান।
(নির্জন নাবিক)

বোডলেয়াৰব কবিতাত পোৱা যায়—

O Death, old captain, time to make our trip!
This country bores us. Death! let's get away!
Even if sky and sea are black as pitch
You know our hearts are full of sunny rays!

(Voyaging)

এলিয়টৰ দৰে বৰুৱায়ো অসুন্দৰ পৃথিৱীৰ ছবি আঁকিছে যদিও বৰুৱা আশাহত হোৱা নাই।

আমাৰ জীৱন ঘেৰি বনজুই জ্বলে,
নতুন দিনৰ দীপ্তি বুলি ভুল হয় যদি,
হ'ক ভুল। ক্ষতি নাই। আমাৰ দেহৰ ছাঁয়ে
ঢাকি যাব পৃথিৱীৰ এই অসুন্দৰতা।

(সুন্দৰৰ পাতনি)

ব্যক্তিনিষ্ঠ আৰু বস্তুনিষ্ঠ এই দুয়ো ধৰণৰ ছাঁ বীৰেশ্বৰ বৰুৱাৰ কবিতাত দেখা যায়। *ডায়েৰী*নামৰ কবিতাটিত ৰূপকৰ জৰিয়তে পৃথিৱীৰ বিষাদ উদ্ভাষিত হৈছে। কবিতাটিত ইটালীৰ কবি জুচেপ্পো উনগাৰেত্তিৰ *San Martino del Carso* কবিতাৰ প্রেৰণা দেখা যায়।

যাঠিৰ দশকত আত্মপ্রকাশ কৰা হৰেকৃষ্ণ ডেকাৰ কবিতাই সূক্ষ্ম হাস্যৰস, মহানগৰ জীৱন, আতংকময় পৰিবেশ, আতংকময় পৰিস্থিতিৰ ৰূপায়ণেৰে আধুনিকতাবাদী অসমীয়া কবিতালৈ তাৎপর্যপূর্ণ বৰঙণি আগবঢ়াইছে। ডেকাৰ প্রথম স্তৰৰ কবিতাত মূর্ত হোৱা প্রতীকবাদী মনোভংগীৰ প্রেৰণা ফৰাচী প্রতীকবাদ যদিও মৌলিকতা চমকপ্রদ। *সমুদ্রভীতি* তাৰ উৎকৃষ্ট উদাহৰণ। প্রসিদ্ধ প্রতীকবাদী কবি মালার্মেৰ কথিত গতিময়তা হৰেকৃষ্ণ ডেকাৰ প্রথম পর্যায়ৰ কবিতাত দৃষ্টিগোচৰ হয়—

শীতৰ ৰাতি কেতিয়াবা ঘৰৰ ছালত নিয়ৰবোৰৰ অজস্ৰ টোকৰে নিৰবতা ভাঙে।
টেলিগ্রামৰ তাঁৰত ওলমি থকা নিয়ৰবোৰৰ মাজেদি যি সংকেত আহে
সেই সংকেত এই টোকৰবোৰ।
প্রতিটো সাংকেতিক টোকৰৰ মাজেৰে এটা খবৰ আহে।

সিহঁত অহাৰ /প্রথম সংবাদ *(শীত)*

ছেইণ্ট জন পের্ছৰ কবিতাতো বিভিন্ন আকৃতি আৰু ৰূপত ঃ কেতিয়াবা টোৰ অগ্রগতি, ধুমুহাৰ আগজাননী, উৎসৰ পৰা ওলাই অহা নিজৰা, কোনো নদীৰ সোঁত; সেই গতিশীলতা মূর্ত হৈ উঠে। ডেকাৰ *ঊষা* কবিতাত এলিয়ট কথিত বস্তুগতসহগ তত্ত্বৰ উপস্থিতি লক্ষ্য কৰা যায়। অর্থাৎ ইন্দ্রিয়গ্রাহ্য অভিজ্ঞতাৰ অন্তর্ভুক্ত বিভিন্ন পৰিস্থিতি, ঘটনা, অনুষংগৰ একত্রীকৰণ চমকপ্রদভাৱে ধৰা দিছে এনেদৰে—

এৰি থৈ যোৱা চাউনিবোৰৰ ওপৰত
কাউৰীবোৰে ৰমলিয়ায়
ৰৈ থকা নদীখনৰ পানীত
ৰাতিটো কেনেকৈ দূৰলৈ আঁতৰি গ'ল!

সত্তৰ দশকৰ পৰা অসমীয়া কবিতাত ভুমুকি মৰা সমীৰ তাঁতী অসমীয়া আধুনিক কবিতাৰ

এক গুৰুত্বপূর্ণ কণ্ঠস্বৰ। অসমৰ সত্তৰ-আশী দশকৰ অশান্তিজর্জৰ আত্মঘাতী পৰিবেশ তেওঁৰ কবিতাসমূহত ছন্দায়িত হৈ উঠিলেও তাত এখন বৃহত্তৰ কেনভাছ জিলিকি উঠে। অসম আন্দোলনৰ ৰক্তাক্ত সময়ৰ সাক্ষী সমীৰ তাঁতীয়ে মানৱীয়তাৰ অপমৃত্যুত ব্যথিত হৈ যি কবিতা লিখিছিল তালৈ স্পেইন দেশীয় কবি ফেডেৰিকা গার্থিয়া লৰকাৰ হত্যাকাণ্ডৰ ঘটনাকো লৈ আনিছে। স্পেনিছ গৃহযুদ্ধৰ প্রথম ছহিদ লৰকাক এজোপা বুঢ়া জলফাই গছৰ তলত কবৰ দিয়া হৈছিল। লৰকাৰ প্রিয় জলফাইবন আন্দালুছিয়াৰ প্রসংগ সংলগ্ন কৰি তাঁতীয়ে *জোনাক ৰাতি তোমাক যোৱা দেখিছোঁ* কবিতাটো ৰচনা কৰিছে। সামাজিক ঘটনা-পৰিঘটনাৰ সূক্ষ্ম পর্যবেক্ষক তাঁতীয়ে গণতন্ত্রৰ ফোপোলা স্বৰূপ উপলব্ধিৰে লিখিছে—

"আৰু এনেকৈ কিমান দিন গণতন্ত্র
মূৰ দোঁৱাই আঁঠুকাঢ়ি চকু মুদি
তোমাৰ লঘু-লাঞ্ছনাৰ শেষ নাই
তোমাৰ অপমানৰো শেষ নাই
তোমাৰ হাহাকাৰ শুনিছো গণতন্ত্র..."

(আৰু কিমানদিন গণতন্ত্র ঃ যাওঁগৈ ব'লা)

তাঁতীৰ এই কবিতা স্তৱকৰ লগত আর্নেষ্ট হেমিংৱেৰ কবিতাৰ সাদৃশ্য অনুভূত হয়—

They sucked us in,
King and country
Christ almighty
And the rest
Patriotism
Democracy
Honor
Words and Phrases
The either bitch or killed us.

(To God Guys Dead)

সহজ-সৰল কাব্যভাষা ব্যৱহাৰেৰে বিৰল সিদ্ধি লভিবলৈ সক্ষম হোৱা আমেৰিকান কবি ৰবার্ট ফ্রষ্টৰ বর্ণনা কৌশলৰ লগত সমীৰ তাঁতীৰ বর্ণনা কৌশলৰ মিল দেখা যায়—

"বেৰৰ ভিতৰেদি/গছৰ ভিতৰেদি /দেহৰ ভিতৰেদি/ কাঁচৰ ভিতৰেদি /বাহনৰ ভিতৰেদি /স্বপ্নৰ ভিতৰেদি/ বুলেটে জুমি চায় /ৰাতিয়ে দেখুৱায় বাট"

(বুলেট আৰু ৰাতি)

As long as it take to pass/A ship keeps raising its hull/The wetter ground lite glass/ Reflects a standing gull.

(Neither out Far nor in Deep)

আধুনিক আফ্রিকান কবি Augustinho Aleto ৰ দৰে সমীৰ তাঁতীয়েও কথ্য ভাষাৰ ব্যৱহাৰ, নামবাচক বিশেষ্য আৰু অনুভূতিৰ সমন্বিত ৰূপেৰে কবিতা ৰচনা কৰিছে। আধুনিকতাবাদী ভাষাৰীতি আৰু আংগিকৰ সহযোগত তেওঁ কবিতাত শ্ৰেণী চৰিত্ৰ আৰু সংগ্ৰামী জীৱনৰ ছবি তুলি ধৰিছে।

কাব্য ভাষাৰ প্ৰয়োগ, কোনো সূক্ষ্মাতি সূক্ষ্ম বীক্ষণেৰে পটুৱৈলৈ সঞ্চাৰিত কৰাৰ ক্ষেত্ৰত অনুভৱ তুলসীৰ সাৱধানী অনুশীলন পৰিলক্ষিত হয়। সেয়েহে আবেগক বোধলৈ ৰূপান্তৰিত কৰি অসমীয়া আধুনিক কবিতাক তেওঁ এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। স্বতঃস্ফূৰ্ততাৰ সলনি কবিতাৰ নিৰ্মিতিৰ যি ধাৰণা সেয়া ফৰাচী কাব্য ঐতিহ্য আৰু অধিক যথাৰ্থভাৱে ক'বলৈ গ'লে ফৰাচী মানসিকতা উদ্ভুত। অনুভৱ তুলসীৰ কবিতায়ো নিৰ্মিতিৰ ধাৰণাকে প্ৰতীয়মান কৰে। ঠিক একেদৰে ফৰাচী কবিতাৰ শব্দৰ যি আটিল সংগমন সেয়া তুলসীৰ কবিতাতো পৰিলক্ষিত হয়। *গোলাপ গভীৰ গধূলি গুঞ্জল* শীৰ্ষক দীঘলীয়া কবিতাটিৰ আঁৰত ফৰাচী ভাবাদৰ্শৰ অনুৰণন দেখিবলৈ পাওঁ।

দুঃসাহসৰ সময়, পুৱা গধূলিৰ বেলি, কথামালিকাৰ গন্ধ আদি কাব্য সংকলনৰ কবিতাসমূহৰ অভিনৱত্বই জ্ঞান পূজাৰীক অসমীয়া কাব্য সাহিত্যত এক বিশেষ স্থান দিছে। ফেডেৰিকো গার্থিয়া লৰকাৰৰ প্ৰভাৱ পূজাৰীৰ কবিতাত দেখা পোৱা যায়। লৰকাৰ *ব্লাড ৰেডি ক'লা ঘোঁৰা ৰঙা জোন* নামেৰে পূজাৰীয়ে অসমীয়াকৈ অনুবাদ কৰিছে। লৰকাৰ কবিতাৰ জোন আৰু অঘৰী নৈ আৰু নিজৰা পূজাৰীৰ কবিতাতো বিভিন্ন স্থানীয় অনুষংগ ৰূপত ব্যৱহৃত হৈছে। *তোমাৰ শিপাৰ জোনাকত* লৰকাৰ *Ballad of the Moon*ৰে সুৰ এটা ধ্বনিত হৈছে। *ৰাতি-ফুলা ফুলঃ ১ৰ* আতংকময় ছবিখন নব্বৈ দশকৰ অসমৰে যদিও যুগপৎ ভাহি উঠে লৰকাৰ কৰডোবাৰ ঘোঁৰা চোঁৰৰীৰ মৃত্যু যাত্ৰাৰ সেই চিত্ৰ।

সমাজ-জীৱনৰ বিভীষিকা প্ৰকাশ কৰিবলৈ জ্ঞান পূজাৰীয়ে প্ৰায়ে সহজ-সৰল ভাষাৰ আশ্ৰয় লৈছে। এনে ক্ষেত্ৰত আমেৰিকান আধুনিক কবিসকলে পোষণ কৰা কাব্য ভাষা সম্পৰ্কীয় দৃষ্টিভংগী মনলৈ আহে—

টক টক টক টক
টোকৰ পৰিল দুপৰ নিশা
থক্ থক্ থক্
মাকে চালে পুতেকলৈ। পুতেকে চালে বাপেকলৈ।
বাপেকে আইজনীলৈ।

(ৰাতি ফুলা ফুল)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া আধুনিক কবিতাৰ বৈশিষ্ট্যবোৰ লিখক।
(১৫০টা শব্দৰ ভিতৰত)

.....

এটা সময়ত অনূদিত কবিতা বুলিলে ইংৰাজী কবিতাৰ ভাঙনিকে বুজা হৈছিল যদিও সময়ৰ অগ্রগতিৰ লগে লগে অসমীয়া অনূদিত কবিতাই ইংলেণ্ডৰ উপৰি ইউৰোপ, আমেৰিকা, আফ্রিকা আৰু এচিয়া মহাদেশৰ স্বনামধন্য কবিসকলৰ সৃষ্টিকো আদৰি লয়। বিভিন্ন কাকত, আলোচনী, সাময়িকী যোগেদি এই ভাঙনি কবিতাসমূহ প্রকাশ পায়। পিছলৈ সিবোৰ গ্রন্থাকাৰেও প্রকাশিত হয়।

স্বৰাজোত্তৰ কালত কবি নৰকান্ত বৰুৱাই ৱাল্ট হুইটমেনৰ এশটা কবিতা অনুবাদ কৰি গ্রন্থ ৰূপত প্রকাশ কৰে। নীলমণি ফুকনে জাপানী টানাকা আৰু হাইকু আদি এশটা পাঁচটা কবিতাৰে 'জাপানী কবিতা' ১৯৭১ চনত প্রকাশ কৰে। ফুকনে ১৯৮১ চনত গার্থিয়া লৰকাৰ কবিতাও অনুবাদ কৰি গ্রন্থ আকাৰে প্রকাশ কৰে। অৱনী চক্রৱর্তী আৰু যতীন বৰোগাহঞিয়ে পল ব্রিমেন সম্পাদিত You Better Believe it শীর্ষক আফ্রিকাৰ কৃষ্ণাংগ কবিয়ে ৰচনা কৰা কাব্য গ্রন্থৰ পৰা বছা বছা কেইটামান কবিতা ভাঙনি *কৃষ্ণাংগ কবিৰ কবিতা* শিৰোনামেৰে প্রকাশ কৰে। দিলীপ তালুকদাৰ আৰু বিদ্যুৎ বিকাশ ভূঞাৰ *পেলেষ্টাইনৰ কবিতাত* ২৫টা ভাঙনি পোৱা যায়। পৰেশ মল্ল বৰুৱাই *কুৰি শতিকাৰ ছোভিয়েট কবিতা* নামেৰে অনূদিত কাব্য পুথিয়ে যথেষ্ট সমাদৰ লাভ কৰিছিল। তলত অসমীয়ালৈ অনূদিত পাশ্চাত্য কবিতাৰ পুথিসমূহৰ নাম উল্লেক কৰা হ'ল—

কিতাপ	অনুবাদক	মূল লেখক	খ্রীষ্টাব্দ
আফ্রিকাৰ শ্রেষ্ঠ প্রতিবাদী কবিতা	আমিনুৰ ৰহমান	বিভিন্ন কবি	
আহত মৰাল —	*নৰকান্ত বৰুৱা*	*অলেকজেণ্ডাৰ পুস্কিন*	*১৯৮০*
ছন পৰা মাটি —	*দিলীপ বৰুৱা* —	*টি এছ এলিয়ট*	*১৯৯৮*
ছন মাটি —	*অজিৎ বৰুৱা* —	,, ,,	*২০০০*
দেশ বিদেশৰ কবিতা —	*লক্ষহীৰা দাস* —	*বিভিন্ন কবি*	*১৯৯৯*
নিকোলাচ গিয়েনৰ কবিতা —	*ৰবীন্দ্র সৰকাৰ* —	*নিকোলাচ গিয়েন*	*১৯৮৭*
নির্বাচিত আধুনিকতাবাদী আমেৰিকান কবিতা —	*অজিৎ বৰুৱা* —	*বিভিন্ন কবি*	*২০০২*
নির্বাচিত ফৰাচী কবিতা —	*অজিৎ বৰুৱা* —	,,	*১৯৯৯*

ভাস্কো পপাৰ কবিতা — নৱকান্ত বৰুৱা — ভাস্কোপপা
পিছৰ দিনৰ স্তুতি গীত — নৱকান্ত বৰুৱা — নিছিম ইজিকিয়েল (১৯৯৬)
বিশ্ব কবিতা সংগ্রহ — বীৰেশ্বৰ বৰুৱা — বিভিন্ন কবি (১৯৯৪)

ইয়াৰ উপৰি বাতৰি কাকত, আলোচনী আদিতো পাশ্চাত্য কবিতাৰ ভাঙনি প্রকাশ পাইছিল। নির্বাচিত কেইখনমান সাময়িকীত প্রকাশিত কিছুসংখ্যক ভাঙনি আৰু ৰচয়িতাৰ নাম দিয়া হ'ল—

অসমবাণী ঃ অনুবাদক সুজাতা প্রিয়ম্বদা আৰু অমিত সৰকাৰ। কবিতাসমূহ হ'ল— *প্রাচীন বজাৰ* (হাল ভাতোৰ কোয়াজিমোদা, ইটালী), *উদাস বতাহ* (অলীছিয়া কার্মেন কদীলা, পুর্তাৰিকা), *এটি শব্দ, এটি বাক্য বন্ধ* (গ্রটফীড বেন, জার্মানী) *নীলা অগ্নি শিখাময়ী নাৰী* (পাবলো নেৰুদা, চিলি), *আন্দ্রমিডা* (জর্জ চেফাৰিচ গ্রীচ), *গধূলি বেলাৰ শোভাৰ অন্ত নাই* (পোয়েৰ লাগা কুইণ্ট, চুইডেন)।

অসমীয়া ১৯৭০ চনৰ জানুৱাৰীত ভবেন বৰুৱাই জার্মান কবি হানচ মেগনাচ এনজেনচৰ বার্জাৰৰ কবিতাৰ ভাঙনি আগবঢ়ায়।

আবাহনত পবিত্র কুমাৰ ডেকাই তুৰস্কৰ কবি নাজিম হিকমতৰ *Letters from Prison*ৰ ভাঙনি আগবঢ়াইছিল। হৰেকৃষ্ণ ডেকাই বৰ্ট পেনত ওৱাৰেনৰ কবিতা অনুবাদ *ফেঁচা* নামেৰে প্রকাশ কৰিছিল।

আমাৰ প্রতিনিধিত দ্বিজেন্দ্র মোহন শর্মা আৰু কৰবী বৰুৱাই *জানোৱাৰ নাৰী* (ইটালিৰ দিনো কম্পানা), *চৰাইবোৰে গান গায়* (স্পেইনৰ কবি হথান ৰোমান হিমেনেথ), *দুপৰীয়া* (জার্মানীৰ কবি ইনগে বাথমেন) অনুবাদ কৰিছিল। প্রবীণ শইকীয়াই লি পোৰ কবিতা *চাৰি ঋতুৰ গান* নগেন চৌধুৰীয়ে জামান কবি ষ্টেফান গেয়র্গৰ কবিতা *তুমি জুই শিখাৰ দৰে পবিত্র আৰু ঋজু* প্রকাশ কৰে।

দৈনিক অসমত বীৰেশ্বৰ বৰুৱাই ইটালীৰ কবি জছপ্পে উন গাৰোতিৰ পাঁচটা কবিতা আৰু দিলীপ তালুকদাৰে জার্মান কবি বার্টোল্ট ব্রেখটৰ কবিতা অনুবাদ কৰিছিল। এই কাকততে প্রকাশিত কেইটামান উল্লেখযোগ্য কবিতা আৰু তাৰ অনুবাদক হ'ল— *এদিনাখন নিশ্চয় এদিনাখন* (অট্রোৰেন ক্যাষ্টিলো, অনু অৱনী চক্রৱর্তী), *সংকল্প* (জন হেৰিক ক্লার্ক, অন নৱজিৎ পাটোৱাৰী), আৰু *স্বাধীনতাৰ মূল* (পেল এলিউবার্ড অনু দিলীপ তালুকদাৰ আৰু বিদ্যু বিকাশ ভূঞা)।

নতুন প্রতিনিধিত ৰাম গগৈয়ে জার্মান কবি আর্নেষ্ট টলাৰৰ কবিতা 'সি সকল এতিয়াও সংগ্রামৰ পথত; নামেৰে; ৰবীন্দ্র সৰকাৰে নাজিম হিকমতৰ, কবিতা 'ইচ্ছা পত্র' নামেৰে আৰু কংগোৰ কবি পেট্রিচ লুমুম্বাৰ 'আফ্রিকা মোৰ প্রাণৰ আফ্রিকা' নামেৰে অনুবাদ কৰিছিল।

নীলাচলৰ পাতত সুজাতা প্রিয়ম্বদাই হিৰোচিমাৰ কাব্য নামেৰে আঠটা প্রখ্যাত জাপানী কবিতা অনুবাদ কৰিছিল। আনিছ উজ জামানে আধুনিক আৰৱৰ কবিতা অনুবাদ প্রকাশ কৰিছিল। পৰেশ মল্ল বৰুৱাই বিদেশী গুটিমালি নামেৰে ইংলেণ্ড, আমেৰিকা, ফ্রান্স, জার্মান, তুৰস্ক, ৰুচ, স্পেইন, ৰোম আদি দেশৰ ১৩ গৰাকী কবিৰ কবিতাৰ অনুবাদ প্রকাশ কৰিছিল।

প্রকাশৰ পাতত বীৰেশ্বৰ বৰুৱাই জার্মান কবি ৰাইনেৰ মাৰিয়া ৰিলকেৰ *নৱম ইলিজি*

ৰবাৰ্ট ফ্ৰষ্টৰ *যি পথেৰে যোৱা নাই,* ডম্বৰু গগেয়ে ৱাল্ট হুইটমেনৰ *শিবিৰ নিস্তব্ধ হওক* নীলমণি ফুকনে গ্ৰীক কবি ফানিছ ৰিটছৰ কবিতা অনুবাদ কৰি প্ৰকাশ কৰিছিল।

এনেদৰে অসমীয়া কাকত-আলোচনীত বিভিন্নজনে পাশ্চাত্য কবিৰ কবিতা অনুবাদ কৰি প্ৰকাশ কৰিছিল। কিছু কিছু কবিতা গ্ৰন্থ আকাৰে সংকলিত হৈছে যদিও বহুবোৰ আলোচনীৰ পাততে সিঁচৰতি হৈ আছে। শেষত ক'ব পাৰি যে এনেদৰে অনূদিত কবিতাই অসমীয়া পঢ়ুৱৈক বিশ্বৰ অন্যান্য দেশৰ কবিতাৰ সোৱাদ দিবলৈ সক্ষম হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ পাশ্চাত্যৰ পৰা অসমীয়ালৈ অনূদিত কবিতাৰ এক আভাস দিয়ক। (২০০টা শব্দৰ ভিতৰত)

.....



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাহিত্যত আধুনিক আৰু আধুনিকতা কি তাক বুজা গ'ল।
- অসমীয়া আধুনিক কবিতাৰ পটভূমি সম্পৰ্কে জনা গ'ল।
- প্ৰাচ্যতকৈ পাশ্চাত্যত আধুনিকতাই আগতীয়াকৈ কিয় গা কৰি উঠিল তাৰ সন্ধেদ পোৱা গ'ল।
- আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্যসমূহ জনা গ'ল।
- আধুনিকতাৰ পৰশত অসমীয়া কবিতালৈ অহা পৰিৱৰ্তনসমূহ বুজা গ'ল।
- পাশ্চাত্যৰ কোন কোন কবিৰ কাব্য প্ৰেৰণাৰে অসমীয়া কবিয়ে আধুনিকতাৰ পোহাৰ মেলিলে সেয়া অৱগত হ'ল।
- পাশ্চাত্যৰৰ কবিৰ কবিতাৰ অসমীয়া অনুবাদ সম্পৰ্কে জনা গ'ল।



৪.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আহমেদ, এম কামালুদ্দিন, (২০১৫) ঃ *আধুনিক অসমীয়া কবিতা,* গুৱাহাটী ঃ বনলতা।
২) আহমেদ, এম কামালুদ্দিন, (২০১৪) ঃ *সাহিত্যৰ অভিব্যক্তি,* গুৱাহাটী ঃ বান্ধৱ।
৩) কটকী, চন্দ্ৰ, (১৯৮৯) ঃ *আধুনিক অসমীয়া কবিতা,* যোৰহাট ঃ অসম সাহিত্য সভা।
৪) দাস, নাৰায়ণ আৰু (২০১৪) ঃ *অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ,* গুৱাহাটী ঃ চন্দ্ৰ

প্রকাশ। পৰমানন্দ ৰাজবংশী

৫) বৰগোহাঞি, হোমেন, (২০১২) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* ষষ্ঠ খণ্ড আবিলেক।

৬) বৰা, দেৱভূষণ, (২০১৭) ঃ *নির্বচন,* গুৱাহাটী ঃ বান্ধৱ।

৭) শর্মা, সত্যেন্দ্রনাথ, (২০০১) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* গুৱাহাটী ঃ প্রতিমা দেৱী।



৪.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্ন উত্তৰ ঃ মাক্সীয় প্রভাৱ....প্রতীক-চিত্রকল্পৰ প্রয়োগ....ফ্রয়েড-ইয়ুং আদি দার্শনিকৰ প্রভাৱ....আংগিকৰ ক্ষেত্রত অহা পৰিৱর্তন সমূহ....।

২নং প্রশ্ন উত্তৰ ঃ নৱকান্ত বৰুৱা....অজিৎ বৰুৱা....নীলমণি ফুকন....ৰবীন্দ্র সৰকাৰ....বীৰেশ্বৰ বৰুৱা....আদি কবিয়ে কৰা অনুবাদ কর্ম....।



৪.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সাহিত্যত আধুনিকতাই কি বুজায়?

প্রশ্ন ২ ঃ অসমীয়া আধুনিক কবিতাৰ পটভূমি আলোচনা কৰক।

প্রশ্ন ৩ ঃ অসমীয়া প্রগতিবাদী কবিতা সম্পর্কে এক আলোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ ৰমন্যাসিক কবিতাৰ পৰা আধুনিক অসমীয়া কবিতা কোনবোৰ দিশে পৃথক কৰি তুলিছেআলোচনা কৰক।

প্রশ্ন ৫ ঃ নৱকান্ত বৰুৱাৰ কবিতাত পাশ্চাত্য কবিৰ প্রভাৱ বিচাৰ কৰক।

প্রশ্ন ৬ ঃ নীলমণি ফুকনৰ কবিতাৰ পাশ্চাত্যৰ কোন কোন কবিৰ কবিতাৰ সাদৃশ্য অনুভূত হয়? আলোচনা কৰক।

প্রশ্ন ৭ ঃ সমীৰ তাঁতীৰ কবিতাত পাশ্চাত্যৰ প্রভাৱ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৮ ঃ অসমীয়া কবিয়ে পাশ্চাত্যৰ প্রেৰণা গ্রহণ কৰি কবিতা ৰচনা কৰাৰ উপায় পাশ্চাত্য কবিৰ কবিতা অনুবাদতো হাত দিছিল— কথাষাৰ তথ্যসহ বিচাৰ কৰক।

অধ্যায় ৫ ঃ অসমীয়া কবিতাত পাশ্চাত্য প্রভাৱ (১৯৭০-২০০০)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ আধুনিক অসমীয়া কবিতাৰ পটভূমি

৫.৪ আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্য

৫.৫ আধুনিক অসমীয়া কবিতাত (১৯৭০-২০০০) পাশ্চাত্য প্রভাৱ

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্রগতি নিৰীক্ষণ (কৱল ৰূপৰেখা)

৫.৯ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আধুনিক অসমীয়া কবিতাৰ পটভূমি সম্পর্কে জানিব পাৰিব
- আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্যৰ বিষয়ে অৱগত হ'ব
- যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্ব (১৯৭০-২০০০)ৰ অসমীয়া কবিতাত পৰা পাশ্চাত্য প্রভাৱ সম্পর্কে সম্যক ধাৰণা লাভ কৰিব।

৫.২ পৰিচয়

পৰিচয় অসমীয়া কবিতাৰ ক্ষেত্রখন যথেষ্ট বিস্তৃত আৰু জটিল। বিংশ শতিকাৰ ত্রিশৰ দশকৰ পৰা বিশ্ব আৰু ভাৰতীয় প্রেক্ষাপটত সংঘটিত বিভিন্ন ঘটনা আৰু পাশ্চাত্যত নতুনকৈ গঢ়ি উঠা 'বাদ' (ism)বোৰৰ প্রভাৱত অসমীয়া কবিতালৈ আধুনিকতাৰ আগমন হৈছিল। আধুনিক অসমীয়া কবিতা বিভিন্ন পাশ্চাত্য প্রভাৱেৰে সিক্ত। প্রস্তাৱিত এই অধ্যায়ত ১৯৭০-২০০০ চনৰ ভিতৰত ৰচিত অসমীয়া কবিতাত পৰা পাশ্চাত্য প্রভাৱৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হ'ব।

৫.৩ আধুনিক অসমীয়া কবিতাৰ পটভূমি

সাহিত্য তথা শিল্পত কোনো এটা ভাবধাৰা নতুনকৈ গঢ়ি উঠিবলৈ এক সু-নির্দিষ্ট আৰু

শক্তিশালী পটভূমিৰ প্রয়োজন। পটভূমি বা background বুলিলে সেই ক্ষেত্রখনক বুজায়, যাৰ ওপৰত ভিত্তি কোনো আন্দোলন, মতবাদ, উপন্যাস, গল্প অথবা কবিতা গঢ়ি উঠে। আধুনিক অসমীয়া কবিতাৰো এক পটভূমি আছে। এই পটভূমিয়ে নিৰন্তৰ ক্রিয়া কৰা বাবেই ৰোমাণ্টিক কবিতাৰ অবসান ঘটি আধুনিক কবিতাৰ আৰম্ভ হ'ল। দুখন মহাযুদ্ধৰ অন্তঃস্পর্শী প্রতিক্রিয়া, মার্ক্সীয় সমাজবাদী চিন্তাধাৰা আৰু গণতান্ত্রিক সমাজবাদী দৃষ্টিভংগীৰ মাজত সংঘাত, ফ্রয়েডৰ মনোবিশ্লেষণে পোহৰলৈ অনা মানব মনৰ বিভিন্ন স্তৰৰ ৰহস্য, বিশ্বৰ অর্থনীতিত সৃষ্টি হোৱা অর্থনৈতিক সংকট, উদ্যোগীকৰণে সৃষ্টি কৰা নতুন-নতুন সমস্যা, প্রকৃতিৰ আশ্রয়ৰ পৰা মানুহে লাহে-লাহে আঁতৰি অহা ঘটনাই গোটেই মানৱ সমাজত এক জটিলতাৰ সৃষ্টি কৰিছিল। ইয়াৰ পৰিণতিত আধুনিক যুগৰ কবিৰ মনত বিশ্বাসৰ সংকট আহি পৰিছিল আৰু সাহিত্যিকসকলে এক জটিল দৃষ্টিভংগী গ্রহণ কৰিবলৈ বাধ্য হৈছিল। আধুনিক কবিতা গঢ় লৈ উঠাত কুৰি শতিকাৰ নগৰীয়া সমাজখনে বিশেষ ভূমিকা গ্রহণ কৰিছে। বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ প্রসাৰ হোৱাৰ লগে-লগেই যান্ত্রিক নগৰীয়া সমাজখন গঢ় লৈ উঠিছে। সকলো সুবিধাৰে পৰিপুষ্ট হোৱা সত্ত্বেও চহৰীয়া সভ্যতাত মানুহ হৈ পৰিছে নিঃসংগ। মানুহৰ লগত মানুহৰ সম্পর্কৰ পৰিবর্তন ঘটিছে আৰু সেই সম্পর্কে ক্রমে যান্ত্রিক আৰু হৃদয়হীন হৈ পৰিছে। জীৱন হৈ পৰিছে সংকীর্ণ। এই সংকীর্ণতাই মানুহৰ মনস্তত্ত্বত ক্রিয়া কৰিছে আৰু আধুনিক কবিতা সৃষ্টিত অৰিহণা যোগাইছে। সেইদৰে কবিতাত আধুনিক ধ্যান-ধাৰণা সৃষ্টিত ফ্রয়েডীয় মনস্তত্ত্বৰ এক গুৰুত্বপূর্ণ প্রভাৱ আছে। মনোবিজ্ঞানী ছিগমাণ্ড ফ্রয়েডে আমাৰ মনত অবদমিত হৈ থকা আশা-আকাংক্ষা, কামনা-বাসনা, প্রেৰণা-প্রয়োজন, অভিপ্রায় আদিবোৰৰ উল্লেখ কৰিছিল। এই অবদমিত আশা-আকাংক্ষাবোৰে আমাৰ মাজত অজ্ঞাতে চেতন মনৰ পৰা অচেতন মনত ঠাই লয় আৰু ফলস্বৰূপে সেইবোৰ অজ্ঞাত অভিপ্রায়ত পৰিণত হৈ সময়ে-সময়ে চেতন মনত প্রকাশ লাভ কৰিবলৈ ইচ্ছা কৰে। ফ্রয়েডৰ মতে এই অবদমিত আশা-আকাংক্ষাবোৰৰ অধিকাংশ যৌন কামনাৰ অন্তর্ৱর্তী। যেতিয়াই এই অবদমিত যৌনাকাংক্ষাই চেতন মনত প্রকাশ লাভ কৰিবলৈ বিচাৰে, তেতিয়াই ব্যক্তি তথা সমাজ যৌন বিকাৰৰ বলি হয়। সমাজত মাজে-সময়ে দেখা দিয়া নাৰীৰ ওপৰত চলা অনৈতিক অত্যাচাৰ এই যৌন বিকাৰৰে ফল বুলি মনোবিদসকলে ফ্রয়েডৰ তত্ত্বৰ সূত্রৰ আঁত ধৰি ক'বলৈ বিচাৰে। সি যি কি নহওক ফ্রয়েডৰ এই মনোবিজ্ঞানে আধুনিক কবিতাৰ পটভূমি নির্মাণত এক গুৰুত্বপূর্ণ ভূমিকা লৈছে। বিশেষকৈ আধুনিক কবিতাৰ চিন্তাৰ যি অসংবদ্ধতা, সেয়া ফ্রয়েডৰ মনস্তত্ত্বৰে প্রভাৱ।

আধুনিক কবিতাৰ পটভূমি নির্মাণত পশ্চিমত গঢ় লৈ উঠা শিক্ষা বিপ্লৱ তথা বিজ্ঞানৰ অগ্রগতিয়ে গুৰুত্বপূর্ণ বৰঙণি যোগাইছে। বিংশ শতিকাৰ আৰম্ভণিতে বুর্জোৱা (মধ্যবিত্ত শ্রেণীৰ লোক) সভ্যতাৰ পৰিণতিত ইউৰোপৰ ৰাজধানী চহৰ লণ্ডন, পেৰিচ, বার্লিন উদ্যোগিক-বাণিজ্যিক তথা অর্থনৈতিক লেনদেনৰ কেন্দ্র হৈ পৰিছিল। ই কুৰি শতিকাৰ ইউৰোপ আৰু আমেৰিকাৰ মানুহৰ জীৱনত প্রভাৱিত কৰিছিল। সমান্তৰালভাৱে হোৱা বিজ্ঞানৰ

অগ্রগতিয়ে মানুহৰ জীৱন ধাৰণ প্রণালীৰ লগতে চিন্তাধাৰাকো প্রভাৱিত কৰিছিল। ফলত মানুহে ৰোমাণ্টিছিজমৰ কল্পনাবিলাসিতা আৰু প্রকৃতিপ্রীতি বাদ দি ৰূঢ় বাস্তৱক আকোঁৱালি লৈছিল।

আধুনিক অসমীয়া কবিতাই যিবোৰ পটভূমিক আশ্রয় কৰি বিকাশ লাভ কৰিছিল, সেইবোৰৰ ভিতৰত অন্যতম হ'ল দ্বিতীয় বিশ্বযুদ্ধ। এই বিশ্বযুদ্ধৰ বিভীষিকাই মানুহৰ মূল্যবোধত যিদৰে আঘাত হানিছিল, তাৰ পৰিণতিত সাহিত্য তথা শিল্পকলাৰ গতি-প্রকৃতি সলনি হৈছিল। এক কথাত দ্বিতীয় বিশ্বযুদ্ধক আধুনিক অসমীয়া কবিতাৰ এক গুৰুত্বপূর্ণ পটভূমি আখ্যা দিব পাৰি।

৫.৪ আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্য

আধুনিক অসমীয়াৰ কবিতাত যিদৰে জটিল তেনেদৰে ইয়াৰ পৰিসৰো যথেষ্ট ব্যাপক। ৰোমাণ্টিক যুগত নির্দিষ্ট কেইটামান বিষয়বস্তুৰ ওপৰত কবিতা ৰচনা কৰাৰ পৰম্পৰাৰ পৰা ফালৰি কাটি আহি আধুনিক কবিসকলে বিস্তৃত বিষয়বস্তু কবিতাৰ বাবে গ্রহণ কৰিছে। আধুনিক অসমীয়া কবিতাত আধুনিক সাহিত্যৰ প্রায় আটাইবোৰ লক্ষণ ৰক্ষিত হৈছে। তলত আধুনিক অসমীয়া কবিতাত পৰিলক্ষিত হোৱা বৈশিষ্ট্যসমূহ পর্যায়ক্রমে আলোচনা কৰা হ'ল--

বিষয়বস্তুৰ দিশৰ পৰা বৈশিষ্ট্যসমূহ ঃ-

ক) আধুনিক অসমীয়া কবিতাসমূহত নগৰীয়া যান্ত্রিক জীৱনৰ ছবি ফুটি উঠিছে। বিজ্ঞান আৰু প্রযুক্তিৰ প্রসাৰ সাধন হোৱাৰ লগে-লগে যান্ত্রিক ব্যৱস্থাৰ লগত নগৰীয়া সমাজ আবদ্ধ হ'বলৈ বাধ্য হৈ পৰিছে। ইয়াৰ প্রতিফলন ঘটিছে আধুনিক অসমীয়া কবিতাত।

খ) আধুনিক অসমীয়া কবিতাৰ বিষয়বস্তুত মাকর্ছীয় দর্শনৰ প্রভাৱ পৰিছে। সকলো লোককে সম-অধিকাৰ প্রদান কৰি এখন শোষণহীন, শ্রেণীহীন সমাজ গঢ়াৰ বাবে কার্লমার্কছ যি চিন্তাধাৰা আগবঢ়াইছিল, তাৰ প্রভাৱ আধুনিক অসমীয়া কবিতাত সুস্পষ্ট।

গ) আধুনিক অসমীয়া কবিতাত ফ্রয়েডীয় মনোবিজ্ঞানৰো প্রভাৱ পৰিছে।

ঘ) আধুনিক কবিতাত ধর্ম, প্রেম, সৌন্দর্য আদি মূল্যবোধৰ অৱক্ষয় হোৱা দেখা যায়। ৰমন্যাসবাদী কবিতাত থকা সনাতন প্রেম, ধর্ম, সৌন্দর্য আদিৰ প্রতি মানুহৰ আস্থা হেৰুৱাই যোৱাৰ উপক্রম হৈছে। ফলত বিজ্ঞানৰ অগ্রগতিৰ লগে-লগে মানুহে প্রাচীন দৃষ্টিভংগী বাদ দি নব্য দৃষ্টিভংগী আঁকোৱালি ল'লে। ইয়াৰ প্রভাৱ আধুনিক কবিতাতো পৰিছিল।

ঙ) আধুনিক কবিতাৰ আন এটি বৈশিষ্ট্য হ'ল ইতিহাস চেতনা। ইতিহাস সম্পর্কে আধুনিক কবিৰ মন যথেষ্ট সচেতন। আধুনিক কবিয়ে সদায় অতীতক বর্তমানৰ সমভূমি আৰু সমকালত চাবলৈ বিচাৰে।

চ) আধুনিক অসমীয়া কবিতাৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ঈশ্বৰ আৰু প্রথাগত ধর্মত

অনাস্থা প্রকাশ। ঈশ্বৰৰ অস্তিত্ব সম্পর্কে আধুনিক কবিয়ে আস্থা স্থাপন কৰিব পৰা নাই।

আংগিকৰ দিশৰ পৰা বৈশিষ্ট্যসমূহ ঃ

ক) আধুনিক কবিতাৰ ছন্দৰ ক্ষেত্রত নতুনত্ব দেখিবলৈ পোৱা যায়। মুক্তক ছন্দ আৰু স্পন্দিত গদ্য ছন্দ পোন প্রথমবাৰৰ বাবে আধুনিক কবিতাত ব্যৱহাৰ কৰা হয়।

খ) আধুনিক অসমীয়া কবিতাত কবি প্রসিদ্ধিৰ প্রতি অবহেলা দেখা যায়। কবিসকলে পূর্বৰে পৰা চলি অহা কবি প্রসিদ্ধিসমূহ মানি নচলি এক নতুন ৰীতিত আধুনিক কবিতা ৰচনা কৰিছে।


গ) আধুনিক অসমীয়া কবিতাত জাপানী কবিতা টংকা আৰু হাইকুৰ স্পষ্ট প্রভাৱ পৰিছে।

ঘ) চিত্রকল্প আৰু প্রতীকৰ ব্যৱহাৰ আধুনিক কবিতাৰ আন এটি বৈশিষ্ট্য।



জানি থোৱা ভাল -

বিখ্যাত অক্সফোর্ড অভিধানে 'Modernism' ৰ সংজ্ঞা এইদৰে দিছে -- A Style and movement in art, architecture and literature Popular in the middle of the 20th century in which modern ideas, methods and materials were used rather than traditional ones'। আকৌ 'The Chambers' অভিধান খনত modernism ৰ অর্থ 'The use of unconventional subject matter, experiment technique ' বুলি দিছে।



অগ্রগতি নিৰীক্ষণ -

১. আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক। (১০০ শব্দৰ ভিতৰত)

.....

৫.৫ আধুনিক অসমীয়া কবিতাত (১৯৭০-২০০০) পাশ্চাত্য প্রভাৱ

আধুনিক অসমীয়া কবিতাৰ আৰম্ভণি ঘটিছিল মার্ক্সীয় প্রভাৱযুক্ত প্রগতিবাদী চিন্তাধাৰাৰ কবিতাৰ জৰিয়তে। জয়ন্তী আৰু ৰামধেনু যুগৰ বিভিন্ন কবিয়ে এই সময়চোৱাত নব্য দৃষ্টিভংগীৰে কবিতা ৰচনা কৰি আধুনিক অসমীয়া কবিতাৰ ক্ষেত্রখন সমৃদ্ধ কৰি তুলিছে। সি যি কি নহওক পঞ্চাশ আৰু ষাঠিৰ দশকত আত্মপ্রকাশ কৰা কেইবাগৰাকীও শীর্ষস্থানীয় অসমীয়া কবিয়ে সত্তৰৰ দশক আৰু তাৰ পৰৱর্তী কাব্য চর্চা অব্যাহত ৰাখিছিল। এওঁলোকে ৰচনা কৰা কবিতাসমূহ সূক্ষ্মভাৱে পর্যবেক্ষণ কৰিলে দেখা যায় যে অসমীয়া কবিতাত পৰম্পৰাগতভাৱে চলি অহা দৃষ্টিভংগীক অগ্রাহ্য কৰি এক সম্পূর্ণ নতুন দৃষ্টিভংগীৰে জীৱন আৰু সমাজ ব্যৱস্থাৰ পর্যালোচনা

কৰিছে। ইয়াতেই দৰাচলতে আধুনিকতাৰ বিভিন্ন দিশবোৰ ফুটি উঠিছে। সি যি কি নহওক 'ৰমন্যাসবাদ'ৰ দৰে 'আধুনিকতা'ৰ মূল ধাৰাটোৱেই যিহেতু পাশ্চাত্য গতিকে কবিতাবোৰতো পাশ্চাত্য প্রভাৱ পৰাটো কোনো অস্বাভাৱিক নহয়। তলত এই সম্পর্কে আলোচনা দাঙি ধৰা হ'ল।

'কিছুমান পদ্য আৰু গান' (১৯৮২), 'ব্রহ্মপুত্র ইত্যাদি পদ্য' (১৯৮৯) আৰু কিছুমান পদ্য আৰু গান' (২০০১) --- এই তিনিখন কাব্য গ্রন্থ ৰচনা কৰি বিশেষ খ্যাতি অর্জন কৰা কবিগৰাকী হ'ল অজিৎ বৰুৱা। টি. এছ. এলিয়টৰ দ্বাৰা বিশেষভাৱে প্রভাৱিত অজিৎ বৰুৱাই এলিয়টৰ বিখ্যাত 'দ্য ৱেষ্টলেণ্ড' অসমীয়ালৈ 'ছনমাটি' (১৯৯৮) নামেৰে অনুবাদ কৰে। লগতে 'নির্বাচিত ফৰাচী কবিতা' (১৯৯৯) আৰু 'নির্বাচিত আধুনিকতাবাদী আমেৰিকান কবিতা' (২০০২) তেওঁৰ আন দুখন উল্লেখযোগ্য ৰচনা। সময়ৰ ধাৰণাৰ ক্ষেত্রত অজিৎ বৰুৱা এলিয়টৰ দ্বাৰা বিশেষভাৱে প্রভাৱান্বিত যদিও এলিয়টৰ কবিতাত নথকা বহুতো উপাদান নিজা সৃজনী শক্তিৰে কবিতাত ব্যৱহাৰ কৰি কবিতাসমূহক এক নতুনত্ব প্রদান কৰিছে। আকৌ অজিৎ বৰুৱাৰ 'কিছুমান ব্রোঞ্জৰ ঢেকীয়া' কবিতা ৰচনাৰ ক্ষেত্রত সময়ৰ ৰূপায়ণত ফৰাচী ঔপন্যাসিক মার্চেল প্রুষ্টৰ 'In search of lost time, or Remembrance of Things Past'ৰ দ্বাৰা বিশেষভাৱে অনুপ্রাণিত হৈছে। টি. এছ. এলিয়টে কবিতাত মহানগৰীয়া জীৱনৰ নিঃসংগতাবোধক মূর্ত কৰি তুলিছে যদিও অজিৎ বৰুৱাই কবিতাত ব্যৱহাৰ কৰা নিঃসংগতা বোধৰ উৎস গ্রামীণ পৰিৱেশ --

"সি গৈ থাকিব--
পুখুৰীটোৰ পানী পৰুৱাৰ জাক ভাঙি আৰু
সেই খালটোৰ পুনিবোৰ সিঁচৰাই--
দুটা উধানৰ মাজৰ বাঁহ খৰিৰ এঙাৰ আৰু
আধা পো�ৰাবোৰৰ ওপৰেদি।" (হঠাৎ এছাটি অকলশৰীয়া বতাহ)

ফৰাচী কবি জুল লাফোর্গে গোলাপৰ জৰিয়তে নাৰীক ব্যঞ্জিত কৰাৰ দৰে অজিৎ বৰুৱাইও একে চিত্রকল্প ব্যৱহাৰ কৰিছে --

"ভুল কথা, বগী তগৰেই কেবল
দূৰৰ পৰা গোন্ধ বিলাব পাৰে।
পাৰে গোলাপেও পাৰে---
ৰঙা নীলা গুলপীয়া ধুনীয়া গোলাপ
আৰু শান্তি শুভ্র ত্যাগিনী গোলাপে---
কিন্তু মই পাইছিলো---
(You go away, we stay behind

We stay behind, you go away
The rose tree spring is running dry
Truly! and he who doth delay.....)

আধুনিক অসমীয়া কবিতালৈ বলিষ্ঠ পদক্ষেপ আগবঢ়োৱা নীলমণি ফুকনৰ কবিতা বিষয়বস্তুৰ গভীৰতা, প্রতীক-চিত্রকল্পৰ অনবদ্য প্রয়োগ, চিত্রকলাৰ সৈতে সম্পর্ক স্থাপন আৰু অসমীয়া ভাষাৰ নতুন সম্ভাৱনা মুকলি আদি দিশৰ পৰা অদ্বিতীয়। 'সূর্য হেনো নামি আহে এই নদীয়েদি' (১৯৬৩) কাব্যপুথিৰ জৰিয়তে কবিতাৰ ক্ষেত্রখনত ভৰি থোৱা নীলমণি ফুকনে আলোচ্য সময়চোৱাত 'ফুলি থকা সূর্যমুখী ফুলটোৰ ফালে' (১৯৭২), 'কাঁইট গোলাপ আৰু কাঁইট' (১৯৭৫), 'গোলাপী দামুৰ লগ্ন' (১৯৭৭), 'কবিতা' (১৯৮১), 'নৃত্যৰতা' (১৯৮৫) কবিতাপুথি ৰচনা কৰিছিল। ইয়াৰ বাহিৰেও 'জাপানী কবিতা' (১৯৭১), 'গার্থিয়া লৰকাৰ কবিতা' (১৯৮১), 'চীনা কবিতা' (১৯৯৬) তেখেতৰ অনুদিত কাব্য সংকলন। তেখেতৰ কবিতাৰ যি আত্মিক বিষণ্ণতা, তাৰ লগত জাপানী কবিতা তথা জার্মান কবি পল ছেলানৰ কবিতাৰ সামঞ্জস্যতা দেখিবলৈ পোৱা যায়। পল ছেলানৰ কবিতাত দেখা পোৱা ব্যক্তিগত মর্মন্তুদ ঘটনাৰ ৰূপকাত্মক প্রকাশ এনেধৰণৰ --

"Just like the blood that bursts from
Your eye or mouth or ear
So your key changes" (With a Changing key)

নীলমণি ফুকনৰ কবিতাত অনুৰূপভাৱে ব্যক্তিগত মর্মন্তুদ ঘটনাৰ চিত্রণ দেখা যায়। মাতৃবিয়োগ প্রসংগতে তেওঁ লিখিছে ---

'চকুত চাকিটো মুখত তেজ
চিয়ঁৰি দিওঁ
জনজনাই যায় কাঁহৰ বাটিত মোৰ
হালধি বটা ৰাতি।'

(আকাশখনে ধপধপায়)

ইয়াৰ বাহিৰেও তেওঁৰ কবিতাত মাৰিয়া ৰিল্কেৰ কবিতাৰ মৃত্যুৰ জয়ধ্বনি, ৰ্যাবোৰ কবিতাৰ নৌ-যাত্রাৰ কলাত্মক প্রকাশ, চিত্রকল্প লর্কাৰ কবিতাৰ প্রতীকৰ প্রয়োগৰ বিশেষ প্রভাৱ পৰিছে।

'নির্জন নাবিক' (১৯৬১) কাব্যগ্রন্থৰে কাব্যিক জীৱন আৰম্ভ কৰা বীৰেশ্বৰ বৰুৱাই আলোচ্য সময়চোৱাত 'অচিন আৰাও' (১৯৭০), 'ডাউকী' (১৯৭৯), 'চৰাই শামুক আৰু নক্ষত্র' (১৯৮৫), 'নির্বাচিত কবিতা' (১৯৮৭), 'অন্য এক জোনাক' (১৯৯০), কবিতা সংকলন ৰচনা কৰাৰ উপৰিও 'বিশ্ব কবিতা সংগ্রহ' (১৯৯৪) শীর্ষক

অনুদিত কবিতা পুথিও প্রকাশ কৰিছিল। বীৰেশ্বৰ বৰুৱাৰ কবিতাৰ কথা ক'লেই বোডলেয়াৰৰ কবিতাৰ প্রভাৱৰ কথা মনলৈ আহে। বোডলেয়াৰে লিখিছে ---

'O death, old captain, time to make our trip
This country bores us, Death! let's gets away
Even if sky and sea are black as pitch
You know our hearts are full of sunny rays!'
(Voyaging)

বীৰেশ্বৰ বৰুৱাই জীৱনৰ অৱসাদ-ক্লান্তি-নৈৰাশ্য কবিতাত মূর্ত কৰি তুলিছে এইদৰে --

'সমুদ্রৰ কোলাহল। দগ্ধৰেখা, টোৰে টোৰে উত্তপ্ত বিষাদ।
অন্তহীন খেও মোৰ। ৰুদ্ধশ্বাস। দিশহাৰা অৱসন্ন প্রাণ।
ধুমুহাৰ কোব শুনো। আঁতৰিছে জ্যোতিৰেখা।
ক্ষণে-ক্ষণে জীৱন বিষাদ।
আকাশত ব্যর্থ-মৃগয়াৰ কোলাহল আৰু মৃত্যুৰ নিচান।' (নির্জন নাবিক)

ইয়াৰ উপৰিও এলিয়টৰ কবিতাৰ বিষণ্ণতা আৰু নিঃসংগতাৰ অভাৱ তেখেতৰ কবিতাত ৰক্ষিত হৈছে। 'সুন্দৰৰ পাতনি' কবিতা ইয়াৰ উৎকৃষ্ট উদাহৰণ। তেখেতৰ 'ডায়েৰী' নামৰ কবিতাটিত ইটালীয় কবি জুচেপ্পা উনগাৰেত্তিৰ 'San Mortin del Carso' কবিতাটিৰ প্রভাৱ পৰিছে।

হীৰেণ ভট্টাচার্যৰ বহু কবিতাত ৰোমাণ্টিকতা অতি পৰিমিতি ৰূপত ফাটি উঠিছে ----

"তামস আকাশখনৰ
স্তব্ধতা ভাঙে কোমল কহুৱা ফুলে
কবিতাৰো বতৰ আছে
আহিনৰ আকাশে কাণে-কাণে ক'লে।" (আহিনৰ লেণ্ডস্কেপ)

অৱশ্যে 'কপিলী-কলা'ৰ দৰে কবিতাত তেখেতৰ ৰোমাণ্টিকতা বর্জনৰ প্রৱণতা ৰক্ষিত হোৱা দেখা যায়।

আন এগৰাকী গুৰুত্বপূর্ণ কবি হৰেকৃষ্ণ ডেকাই বিগত ষাঠিৰ দশকৰ পৰা কবিতা ৰচনা কৰি অসমীয়া কবিতাৰ ক্ষেত্রখন সমৃদ্ধ কৰিছে। আলোচ্য সময়ৰ ভিতৰত তেখেতৰ 'স্বৰবোৰ' (১৯৭২), 'ৰাতিৰ শোভাযাত্রা' (১৯৮২), 'আন এজন' (১৯৮৬)-- এই কবিতাপুথি তিনিখন প্রকাশ পায়। শক্তিশালী প্রতীকৰ ব্যৱহাৰ তেখেতৰ কবিতাৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য। এই দিশৰ পৰা ক'ব পাৰি যে তেখেত ফৰাচী প্রতীকবাদী আন্দোলনৰ দ্বাৰা বিশেষভাৱে প্রভাৱিত হৈছিল। মালার্মে কথিত

গতিময়তা (Movement) তেখেতৰ প্রথম স্তৱৰ কবিতাবোৰত পৰিলক্ষিত---

"সেই এটা মূহুর্ত মাথোন।
কোনো দিনে দেখা নাই আৰু বৃহৎ চিলনী সেই
মোৰ খমনীত ক্ষণে-ক্ষণে এতিয়াও শুনো
জীৱন শক্তিৰ স্পন্দন, দিনে-দিনে
দ্রুততৰ, দ্রুততৰ হয়।" (গৰুড়)

অনুৰূপ গতিময়তাৰ প্রয়োগ ছেইণ্ট জ'ন পের্ছৰ কবিতাটো দেখা যায়। তেখেতে কবিতাত ব্যৱহাৰ কৰা ব্যঞ্জনাময় আৰু অর্থঘন ভাষা আধুনিক অসমীয়া কবিতাত এক নৱতম সংযোজন।

'সোমধিৰিৰ সোঁৱৰণি আৰু অন্যান্য কবিতা' (১৯৮০) আৰু 'মানুহ অনুকূলে' (২০০০) কবিতাপুথিৰ ৰচক হীৰেন্দ্রনাথ দত্তৰ কবিতাতো এলিয়ট কথিত 'সৌন্দর্য আৰু কদর্যৰ সমাহাৰ আধুনিক জীৱন' -- এই ৰূপক মূর্ত হৈ উঠা দেখা যায় ---

"মোৰ গান জর্জৰিত অন্ধকাৰৰ মাজেৰে
গেৰেকনিত সৰি পৰা ৰাতিৰ নিয়ৰৰ এপাহ ফুল।"

(চাকিবোৰ)

তেওঁৰ 'পানী লেখন' কবিতাটিত কালাতীত ব্যঞ্জনা পানীৰ তলৰ মদাৰৰ চিত্রকল্পৰ ব্যৱহাৰ কৰি দাঙি ধৰিছে। কবিতাটিত কবিয়ে কীটছ-কলিংগ-মাধৱদেৱ-ৱর্ডছৱর্থ-শ্বেইকছপীয়েৰৰ পৰোক্ষ উল্লেখ কৰিছে।

আলোচ্য সময়চোৱাৰ এগৰাকী অতি গুৰুত্বপূর্ণ কবি হ'ল সমীৰ তাঁতী। তেখেতে এইখিনি সময়সীমাত 'যুদ্ধভূমিৰ কবিতা' (১৯৮৫), 'শোকাকুল উপত্যকা' (১৯৯০), 'অত্যাচাৰৰ টোকাবহী' (১৯৯), 'সেউজীয়া উৎসৱ' (১৯৯৪), 'বিষয় দুর্ভিক্ষ' (১৯৯৪), 'এই আন্ধাৰ এই পোহৰৰ তন্ময়তা' (১৯৯৮) কবিতা সংকলনকেইখন ৰচনা কৰিছিল। ৰাজনীতিৰ প্রসংগেৰে কাব্যচর্চা আৰম্ভ কৰা সমীৰ তাঁতীৰ কবিতা মাকর্ছীয় চেতনাৰে উদ্বুদ্ধ, বিশেষকৈ তেওঁ চাহ বাগিচাৰ জীৱনক লৈ এলানি কবিতা ৰচনা কৰিছে। কবিতাবোৰত তেওঁ বনুৱাসকলৰ ওপৰত চলা শোষণ অতি মর্মস্পর্শীভাৱে ৰূপায়িত কৰিছে ---

"তোমাৰ ক্ষুধা থাকক তোমাৰ মতে
নিদ্রা আৰু যৌনতাৰ আশে-পাশে
তুমি থাকা সন্ধ্যা শোকৰ নির্জনতাত"

(চাহ বাগিচা মোৰ চাহ বাগিচা)

সকলো প্রকাৰ শোষণ নিষ্পেষণৰ বিৰুদ্ধে সমীৰ তাঁতীৰ সংগ্রামী আবেদন ফুটি উঠিছে এইদৰে ---

"ভোকত কাতৰ শব্দ
অত্যাচাৰত পংগু শব্দ
যন্ত্রণাত জঠৰ শব্দ
কাঠগড়াত থিয় হোৱা শব্দ
যন্ত্রণাত বোবা শব্দ
নির্বাসিত শব্দবোৰে মাতি আছে।"

(কথোপকথন)

তেখেতৰ কবিতাত শ্রমজীৱী লোকৰ মাতৃৰ মর্মস্পর্শী ৰূপ মূর্ত হৈ উঠিছে --

"চাহপাতৰ দৰে কোমল মোৰ আই। বহে আৰু বহিবলৈ শিকায়।
পিঠিত বান্ধি মোক জোনক মাতে তৰাফুটা
আকাশৰ তলত সপোন ৰচে। বগা দাপোণত চুলি মেলে
কেৰাচিনৰ চাকিৰ দৰে জ্বলে
দেখিছেনে দেখিছেনে মোৰ আইক। চাহ নাৰী। সেউজীয়া
ব্লাউজ ৰঙা পাৰিৰ শাৰী। বগা ভোকতো টোপনিতো নিজকে পাহৰি।'

(মোৰ আই)

কবিতাৰ শাৰীকেইটা পঢ়ি আমাৰ মনলৈ আফ্রিকান কবি Augustinho Aleto ৰ কথা মনলৈ আহে। তেখেতেও সমীৰ তাঁতীৰ দৰে কবিতাত কথ্য ভাষা আৰু নামবাচক বিশেষ্যৰ ব্যৱহাৰ কৰিছে।



অগ্রগতিৰ নিৰীক্ষণ

১. অজিৎ বৰুৱাৰ কবিতাত ৰক্ষিত পাশ্চাত্য প্রভাৱ সম্পর্কে এটি টোকা প্রস্তুত কৰক। (১০০ শব্দৰ ভিতৰত)

.....



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আধুনিক অসমীয়া কবিতাৰ অভ্যুত্থানত ক্রিয়া কৰা বিভিন্ন কাৰকবোৰত বিষয়ে বিস্তৃতভাৱে জানিব পাৰিলোঁ।
- আধুনিক অসমীয়া কবিতাৰ আংগিক আৰু বিষয়বস্তুৰ বৈশিষ্ট্যবোৰৰ বিষয়ে অবগত হ'লো।
- মূলত ঃ ১৯৭০-২০০০ লৈ অসমীয়া কবিতাত পৰা পাশ্চাত্য প্রভাৱৰ বিষয়ে ধাৰণা লাভ কৰিলোঁ।



৫.৭ অধিক জানিবলৈ

১. আহমেদ, এম কামালুদ্দিন ঃ *আধুনিক অসমীয়া কবিতা*, বনলতা, দ্বিতীয় প্রকাশ, ২০১৫ চন

২. গোস্বামী, মালিনী, আহমেদ, কামালুদ্দিন (সম্পা.) ঃ *আধুনিক অসমীয়া কবিতাৰ তিনিটা স্তৰ*, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, প্রথম প্রকাশ, ২০০৯ চন

৩. বৰগোহাঞি, হোমেন (সম্পা.) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড) আবিলেক, দ্বিতীয় খণ্ড, ২০১২ চন।

৪. ভট্টাচার্য, পূর্ণ ঃ *আধুনিক অসমীয়া কবিতা*, চন্দ্র প্রকাশ, দ্বিতীয় সংস্কৰণ, ২০০৯ চন।

৫. ৰাজখোৱা, অৰবিন্দ (সম্পা.) ঃ *অসমীয়া কাব্য পৰিক্রমা*, দত্ত প্রকাশন, লখিমপুৰ, তৃতীয় প্রকাশ, ২০১৩ চন।



৫. ৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১. নং প্রশ্নৰ উত্তৰ - আৰম্ভণি - আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্যসমূহ - সামৰণি

২. নং প্রশ্নৰ উত্তৰ - আৰম্ভণি - আধুনিক অসমীয়া কবিতা - অজিৎ বৰুৱাৰ পৰিচয় - তেখেতৰ কবিতাত পৰা পাশ্চাত্য প্রভাৱ - সামৰণি



৫. ৯ আৰ্হি প্রশ্ন

১. আধুনিক অসমীয়া কবিতাৰ পটভূমি সম্পর্কে এটি প্রৱন্ধ প্রস্তুত কৰক।

২. অজিৎ বৰুৱা আৰু নীলমণি ফুকনৰ কবিতাত কিদৰে পাশ্চাত্য প্রভাৱ পৰিছে? আলোচনা কৰক।

৩. 'আধুনিকতা' (modernism) ৰ এটা সংজ্ঞা প্রদান কৰি আধুনিক অসমীয়া কবিতাত ৰক্ষিত পাশ্চাত্য প্রভাৱ সম্পর্কে এটি আলোচনা যুগুত কৰক।

৪. চমুটোকা লিখক ঃ

ক) এলিয়ট আৰু অসমীয়া কবিতা

খ) হৰেকৃষ্ণ ডেকাৰ অসমীয়া কবিতা

গ) সমীৰ তাঁতীৰ কবিতা

ঘ) আধুনিক অসমীয়া কবিতাৰ বিষয়বস্তু

অধ্যায় ৬ ঃ অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৮৮৯-১৯৪০)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৮৮৯-১৯৪০)
৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৫ অধিক জানিবলৈ
৬.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৬.৭ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আধুনিক অসমীয়া নাটকৰ পটভূমি সম্পর্কে এটি সম্যক ধাৰণা লাভ কৰিব
- পাশ্চাত্য নাট সাহিত্যৰ, বিশেষকৈ বিশ্ববিখ্যাত ইংৰাজ নাট্যকাৰ শ্বেইক্সপীয়েৰৰ নাটক সম্পর্কে আভাস পাব
- আধুনিক অসমীয়া নাটকৰ আৰম্ভণি কালছোৱাত পাশ্চাত্য, বিশেষকৈ শ্বেইক্সপীয়েৰৰ নাটক আৰু নাট্যৰীতিৰ প্রভাৱ অসমীয়া নাটকত কিদৰে পৰিছে সেই সম্পর্কে ধাৰণা লাভ কৰিব
- ১৮৮৯-১৯৪০ চনৰ ভিতৰত ৰচিত অসমীয়া নাটকত শ্বেইক্সপীয়েৰৰ উপৰি বাস্তৱবাদী, গীতি নাটক, কাব্য নাটক আৰু প্রতীকধর্মী আদি নতুন ধাৰাৰ নাটক সম্পর্কেও কিছু আভাস পাব।

৬.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষান্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ'ৰ অন্তর্গত এইটো ষষ্ঠ অধ্যায়।

এই অধ্যায়ত ১৮৮৯-১৯৪০ চনৰ ভিতৰত ৰচিত আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্রভাৱনো কিদৰে পৰিছে সেই সম্পর্কে আলোচনা কৰা হ'ব। ইয়াৰ লগতে বিষয়ৰ লগত সংগতি ৰাখি শ্বেইক্সপীয়েৰৰ নাটকৰ প্রসংগও টানি অনা হ'ব।

সাহিত্যৰ এক অন্যতম ভাগ হৈছে নাটক। নাটক পৰিৱেশ্য কলাৰ অন্তর্গত। মিশ্রিত বা যৌগিক কলা হিচাপে নাটকত নৃত্য, গীত, কাব্য আদিকে ধৰি প্রায় সকলো শিল্পকলাৰ সমন্বয়

ঘটে। নাটকত মানৱ জীৱনৰ বিভিন্ন অভিব্যক্তি, চেতনা তথা ধাৰাসমূহ আকর্ষণীয় ৰূপত ভিন্ন ৰুচি আৰু ভিন্ন স্তৰৰ পাঠক-দর্শকৰ মানসিক পৰিপুষ্টি তথা বিনোদনৰ উদ্দেশ্যৰে তুলি ধৰা হয়। সেয়ে নাটক ৰচনাৰ ক্ষেত্ৰত নাট্যকাৰসকলে এনে উদ্দেশ্যক সফল কৰি তুলিবলৈ নিত্য-নতুন আৰ্হি, কলা-কৌশল তথা বিষয়বস্তু নির্বাচনত নিজ নিজ ধাৰণাৰ লগতে দেশ-বিদেশৰ প্রখ্যাত নাট্যকাৰ তথা নাটকৰ আৰ্হিও গ্রহণ কৰিব লগা হয়। আৰম্ভণি সময়ৰ পৰা সাম্প্রতিক সময়লৈকে যদি আমি অসমীয়া নাটকৰ ইতিহাস লক্ষ্য কৰোঁ, তেন্তে দেখিম যে বিভিন্ন সময়ত বিভিন্ন স্তৰ অতিক্রম কৰি নিত্য-নতুন পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে আহি অসমীয়া নাটকে আজি এক উচ্চ স্থানত প্রতিষ্ঠা লাভ কৰিছে। ক'ব পাৰি আধুনিক অসমীয়া নাটকৰ আৰম্ভণি ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা হয় যদিও দ্বিতীয় বিশ্বযুদ্ধ আৰু ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ পিছতহে ই প্রকৃতার্থত পূর্ণতা লাভ কৰিবলৈ সক্ষম হয়। যিহেতু আমাৰ উদ্দেশ্য হ'ল অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ সম্পর্কে আলোচনা কৰা, সেয়ে নাটকৰ ধাৰা, কলা-কৌশল বা ইতিহাস সম্পর্কীয় অধ্যয়নলৈ পোনপটীয়াকৈ নগৈ নির্বাচিত বিষয়টিৰ আলোচনাৰ দিশত আগবঢ়া হ'ব। এই অধ্যায়টি অধ্যয়নৰ জৰিয়তে আপুনি অসমীয়া নাটকলৈ আধুনিক দৃষ্টিভংগীৰ আগমন তথা পাশ্চাত্য নাটকৰ প্রভাৱ সম্পর্কীয় অনেক নতুন দিশ সম্পর্কে অৱগত হ'ব পাৰিব।

৬.৩ আধুনিক অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৮৮৯-১৯৪০)

অসমীয়া নাটকত আধুনিকতাৰ সূচনা হয় ঊনবিংশ শতিকাৰ দ্বিতীয়ার্দ্ধৰ পৰা, গুণাভিৰাম বৰুৱা ৰচিত '*ৰাম-নৱমী নাটক*' (১৮৫৭) নাটকখনৰ জৰিয়তে। ইয়াৰ আগলৈকে শংকৰদেৱৰ হাতত জন্ম লাভ কৰা অংকীয়া নাট-ভাওনাৰ পৰম্পৰাটোৱে অসমীয়া নাটকৰ পৰিচয় বহন কৰি আছিল। শংকৰদেৱৰ মৃত্যুৰ পিছতো তেওঁৰ শিষ্য-প্রশিষ্য আৰু অনুগামীসকলে অংকীয়া নাট্য-পৰম্পৰা তথা তেওঁৰ আৰ্হিতে নতুন ধৰণৰ কিছুমান শৈলী প্রয়োগেৰে অংকীয়া নাটৰ পৰম্পৰাক সজীৱ কৰি ৰাখিলে। 'অসমীয়া নাটকত শ্বেইক্সপীয়ে�ৰৰ প্রভাৱ' শীর্ষক প্রৱন্ধত দয়ানন্দ পাঠকে কৈছে— 'যিসকলে বুজিছিল যে গুৰুজনাই নৱবৈষ্ণৱ ধর্মৰ আদর্শক জনজীৱনত প্রচাৰিত আৰু প্রসাৰিত কৰিবলৈ এক প্রচাৰধর্মী মানসিকতাৰে অংকীয়া নাটসমূহ ৰচনা কৰিছিল আৰু সেইবোৰ অভিনয় কৰিছিল তেনে লোকসকলৰ মনত অংকীয়া নাটসমূহৰ প্রতি শ্রদ্ধাৰ অন্ত নাছিল। ইয়াৰ পিছত ১৮২৬ চনত অসম ইংৰাজৰ অধীনলৈ যোৱাৰ পিছত পাশ্চাত্য কলা-সংস্কৃতিৰ ভাবাদর্শই অসমীয়া মানুহৰো মন আকর্ষণ কৰে। সেই সময়ত অসমত কোনো ধৰণৰ উচ্চ শিক্ষানুষ্ঠান গঢ় লৈ উঠা নাছিল বাবে পাশ্চাত্য শিক্ষাৰ প্রতি আগ্রহী এচাম অসমীয়া যুৱকে কলিকতালৈ গৈ ইংৰাজী আৰু বাংলা ভাষা-সাহিত্যৰ শিক্ষা গ্রহণ কৰিছিল। কলিকতাত ইতিমধ্যে পশ্চিমীয়া আৰ্হিৰ ৰংগমঞ্চ আৰু শ্বেইক্সপীয়েৰৰ নাটকৰ ৰীতি-প্রকৃতিৰে বঙলা নাটক ৰচিত হৈছিল। 'অসমীয়া নাটকৰ সমীক্ষা'

গ্রন্থত বসন্তকুমাৰ ভট্টাচার্যই লিখিছে— 'ইংৰাজী শিক্ষাৰ পোহৰ পোৱা অসমীয়া যুৱকসকলে ইংৰাজী নাটকৰ আৰ্হিৰে ৰচিত বঙলা নব্য নাটক আৰু তাৰ অভিনয়ৰ প্রতি আকর্ষিত হয় আৰু তেনে নাটকৰ আৰ্হিলৈ অসমীয়াতো নাটক ৰচিবলৈ তৎপৰ হৈ পৰে।' সেয়ে ক'ব পাৰি ইয়াৰ ফলশ্রুতিতে ইংৰাজী আৰু বাংলা শিক্ষাৰে শিক্ষিত অসমীয়া ডেকা গুণাভিৰাম বৰুৱাই ১৮৫৭ চনত 'ৰাম-নৱমী নাটক' ৰচনা কৰি আধুনিক অসমীয়া নাটকৰ ধাৰা প্রৱর্তন কৰে। 'ৰাম-নৱমী নাটক'ত শ্বেইক্সপীয়েৰৰ নাট্যৰীতি আৰু নাট্য-কৌশলৰ স্পষ্ট প্রভাৱ পৰাৰ লগতে বঙ্গদেশৰ সংস্কাৰবাদী আন্দোলন, পৰম্পৰাগত ভাৰতীয় নাট্য বিশেষকৈ কালিদাসৰ নাট্যৰীতি আৰু শংকৰদেৱৰ নাট্যৰীতিৰো প্রভাৱ দেখা যায়। গুণাভিৰাম বৰুৱাই কলিকতাত অধ্যয়ন কৰি থাকোতে বংগদেশৰ সংস্কাৰবাদী আন্দোলনৰ প্রভাৱলৈ আহিছিল আৰু ঈশ্বৰচন্দ্র বিদ্যাসাগৰৰ আদর্শবাদিতাত অনুপ্রাণিত হোৱাৰ লগতে ব্রহ্মসমাজৰ দ্বাৰা অনুষ্ঠিত প্রথমখন বিধৱা বিবাহতো উপস্থিত আছিল। ইয়াৰ দ্বাৰা গভীৰভাৱে অনুপ্রাণিত হৈ অসমতো তেনে এক ভাবধাৰা প্রৱর্তন কৰাৰ বাবে বৰুৱাই 'ৰাম-নৱমী নাটক'ৰ বিষয়বস্তু হিচাপে বিধৱা বিবাহক বাছি লৈছিল। অৱশ্যে ১৮৫৬ চনত বিধৱা বিবাহক কেন্দ্র কৰি বঙলা ভাষাত ৰচিত প্রথম নাটক উমেশ মিত্রৰ 'বিধৱা বিবাহ নাটক'খনৰ দ্বাৰা প্রভাৱান্বিত হৈ বৰুৱাই 'ৰাম-নৱমী নাটক'খন ৰচনা কৰিছিল বুলি ধাৰণা কৰিব পাৰি। নাটকখনত বাল্য-বিধৱা নৱমী আৰু যুৱক ৰামচন্দ্রৰ মাজত গঢ় লৈ উঠা প্রেম আৰু তাৰ পৰিণতি স্বৰূপে নৱমী অন্তঃসত্ত্বা হোৱা তথা সমাজৰ দ্বাৰা পতিত হৈ শেষত দুয়ো কিদৰে আত্মহত্যাৰ পথ বাচি ল'লে তাক সুন্দৰকৈ উপস্থাপন কৰা হৈছে। নাটকখনৰ কাহিনী বিধৱা-বিবাহকেন্দ্রিক হ'লেও কাহিনীৰ উপস্থাপন ৰীতি তথা নাট্য কলা-কৌশলতে শ্বেইক্সপীয়েৰৰ নাট্যৰীতিৰ স্পষ্ট প্রভাৱ বিদ্যমান। শ্বেইক্সপীয়েৰৰ 'ৰোমিঅ' এণ্ড জুলিয়েট' (Romeo and Juliet) নাটকৰ দৰে 'ৰাম-নৱমী নাটক'ৰ কাহিনীতো সমাজ তথা পিতৃ-মাতৃৰ স্বীকৃতিৰ বাহিৰত নায়ক-নায়িকাৰ অনানুষ্ঠানিক বিবাহ হোৱা তথা শেষৰ ফালে নায়ক-নায়িকা দুয়োজনেই আত্মহত্যা কৰা দেখুওৱা হৈছে। সেইদৰে শ্বেইক্সপীয়েৰৰ ৰোমিঅ' আৰু জুলিয়েট চৰিত্রৰ চাৰিত্রিক বৈশিষ্ট্যৰ লগত ৰাম আৰু নৱমীৰ মিল দেখা যায়। সংলাপ ৰচনাৰ ক্ষেত্রতো বৰুৱাই 'ৰোমিঅ' এণ্ড জুলিয়েট' নাটকৰ ওচৰ চাপিলে। জুলিয়েটৰ সংলাপৰ লগত নৱমীৰ সংলাপৰ মিল ঠায়ে ঠায়ে দেখা যায়। 'ৰাম-নৱমী নাটক'ৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশটো হৈছে শ্বেইক্সপীয়েৰৰ নাট্য-কৌশলৰ প্রভাৱ। বৰুৱাই নাটকখনৰ উপস্থাপন কৌশলতো শ্বেইক্সপীয়েৰৰ নাটকৰ পাঁচ অংকৰ ব্যৱহাৰ উপকাহিনীৰ সৃষ্টি, ধেমেলীয়া চৰিত্র চিত্রণ আদি স্পষ্টৰূপত কৰিছে। ঘাইকৈ অংকীয়া নাট্য পৰম্পৰাৰে সমৃদ্ধ অসমীয়া নাটকত বৰুৱাইয়ে প্রথমতে শ্বেইক্সপীয়েৰৰ নাট্য-কৌশল কঢ়িয়াই অনাৰ লগতে ট্রেজেডিৰ ধাৰণা এটা নাটকখনৰ যোগেদি দিবলৈ সক্ষম হৈছিল।

গুণাভিৰাম বৰুৱাই আৰম্ভ কৰা এই নাট্য পৰম্পৰাক তেওঁৰ সমসাময়িক আৰু পৰৱর্তী নাট্যকাৰসকলে আৰু অধিক সবল কৰি তোলে। ১৮৬১ চনত হেমচন্দ্র বৰুৱাই

'কানীয়াৰ কীর্তন' আৰু ১৮৭১ চনত ৰুদ্রৰাম বৰদলৈয়ে 'বঙাল-বঙালনী' নামৰ লঘু ধেমেলীয়া নাটক ৰচনাৰ জৰিয়তে সমসাময়িক অসমীয়া সমাজৰ কু-সংস্কাৰ, ভণ্ডামি তথা অনাচাৰ-অনীতিবোৰ হাস্য-ব্যঙ্গভাৱে তুলি ধৰিলে। শ্বেইক্সপীয়েৰৰ নাটকৰ কৌশলসমূহ এই দুয়োখন নাটকৰ উপস্থাপন ৰীতি তথা গাঠনিক দিশত পৰিলক্ষিত হৈছে।

অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ 'ৰাম-নৱমী নাটক'ৰ (১৮৫৭) ৰচনাৰ সময়ৰ পৰা আৰম্ভ কৰি দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণি (১৯৩৯) সময়লৈকে বর্তি আছিল। হেমচন্দ্র বৰুৱা আৰু ৰুদ্রৰাম বৰদলৈৰ পিছত ১৮৮৮ চনত ৰমাকান্ত বৰকাকতি, ঘনশ্যাম বৰুৱা, গুঞ্জানন বৰুৱা আৰু ৰত্নধৰ বৰুৱা নামৰ চাৰিজন ছাত্রই শ্বেইক্সপীয়েৰৰ 'Comedy of Errors' নাটকখন 'ভ্রমৰাঙ্গ' নামেৰে অসমীয়ালৈ অনুবাদ কৰিছিল আৰু তেতিয়াৰ পৰাই অসমীয়া নাটকত পাশ্চাত্য নাটকৰ অনুবাদৰ ধাৰা এটাও আৰম্ভ হৈছিল। এই বিষয়ে অলপ পিছত আলোচনা কৰা হ'ব।

ক'ব পাৰি অসমীয়া নাটকত শ্বেইক্সপীয়েৰৰ নাটকৰ প্রভাৱ একাধিক পর্যায়ত পৰিলক্ষিত হোৱা দেখা যায়। এচামে যিদৰে শ্বেইক্সপীয়েৰৰ নাটকৰ প্রতি প্রভাৱিত হৈ অনুবাদ আৰু অভিযোজনা কার্যত হাত দিলে, আন এচামে আকৌ শ্বেইক্সপীয়েৰৰ নাটকৰ কাহিনীতকৈ উপস্থাপন ৰীতি আৰু কলা-কৌশলৰ প্রতি প্রভাৱিত হৈ নাটক ৰচনাত তাৰ প্রয়োগ কৰিলে। সেয়ে তেওঁৰ নাটকৰ অনুবাদ কার্যৰ ধাৰাটো পিছলৈ ঠেলি যদি আমি আলোচনা কৰো তেন্তে দেখিম যে গুণাভিৰাম বৰুৱাৰ পিছত যিসকল নাট্যকাৰে নাটক ৰচনা কৰিলে তেওঁলোকেও শ্বেইক্সপীয়েৰৰ নাটকৰ কলা-কৌশলগত দিশবোৰৰ প্রতিহে বেছি প্রভাৱিত হৈছিল। এইখিনিতে উল্লেখ কৰা প্রয়োজন যে অংকীয়া নাট্য পৰম্পৰাত অভ্যস্ত অসমীয়া মানুহে খুব সোনকালে বিধৱা বিবাহ প্রচলনৰ দৰে গহীন বিষয় এটাক আদৰি লোৱাটো কঠিন আছিল। সেইদৰে সমকালনী সমাজৰ উচ্চ শ্রেণীৰ কিছুমান দোষ-ত্রুটি হাস্য-ব্যঙ্গভাৱে তুলি ধৰাৰ ক্ষেত্রতো সমাজৰ বৰমূৰীয়াসকল হয়তো পক্ষপাতি নাছিল। সেয়ে নাট্যকাৰসকলে পুৰাণ, মহাকাব্যৰ কাহিনী আৰু ইতিহাসৰ যিসমূহ ঘটনা কিছুমানক লৈ বিশেষকৈ সমাজত জনপ্রিয় আছিল সেই সূহক লৈ, তাত পাশ্চাত্য নাট্যৰীতি আৰু কলা-কৌশল প্রয়োগৰ জৰিয়তে ৰচনা কৰিছিল।

১৮৫৭-১৮৯৯ চনৰ সময়ছোৱাৰ ভিতৰত গহীন সামাজিক আৰু লঘু-হাস্যৰঙ্গধর্মী নাটক ৰচিত হোৱাৰ লগতে পৌৰাণিক নাটক ৰচনাৰ ধাৰাটো আৰম্ভ হৈছিল। যিয়ে বিংশ শতিকাৰ আৰম্ভণিৰ লগে লগে ব্যাপক মাত্রাত পৰিপুষ্টি লাভ কৰিছিল। অৱশ্যে ঐতিহাসিক নাটকৰ ধাৰা ১৯০০ চনৰ পৰাহে আৰম্ভ হৈছিল। এই সময়ছোৱাৰ ভিতৰত ৰচিত নাটকসমূহত শ্বেইক্সপীয়েৰৰ নাটকৰ কলা-কৌশলৰ প্রয়োগ স্পষ্টকৈ দেখা যায়। তদুপৰি ১৮৮৯ চনত 'জোনাকী' আলোচনীৰ প্রকাশ তথা এই শতিকাৰ শেষৰ ফালে অসমৰ ভিন্ন ঠাইত স্থায়ী আৰু অস্থায়ী ৰঙ্গমঞ্চৰ প্রতিষ্ঠাপনে পাশ্চাত্য চিন্তা-ধাৰাৰ অনেক বীজ অসমীয়া সাহিত্যলৈ কঢ়িয়াই আনিছিল। যিয়ে নাট্যকাৰসকলক অসমীয়া নাটকৰ ক্ষেত্রখনত শ্বেইক্সপীয়েৰীয় চিন্তাক প্রতিষ্ঠা

কৰাত সহায় কৰিলে। এই সময়ছোৱাত ৰচিত পৌৰাণিক আৰু লঘু তথা গহীন বিষয়ক সামাজিক নাটকৰ ভিতৰত ৰমাকান্ত চৌধুৰীৰ 'সীতাহৰণ' (১৮৭৫ৰ., ১৮৭৮ প্র.), ভৰতচন্দ্র দাসৰ 'অভিমন্যুবধ' (১৮৮৫), ৰজনীকান্ত বৰদলৈ, কনকলাল বৰুৱা আৰু গোপালকৃষ্ণ দে'ৰ যুটীয়াভাৱে ৰচিত 'সাৱিত্রী-সত্যবান' (১৮৯১), পূর্ণকান্ত শর্মাৰ 'হৰিশ্চন্দ্র উপাখ্যান' (১৮৯৩) আৰু 'হৰধনু ভঙ্গ' (১৮৯৩), বেনুধৰ ৰাজখোৱাৰ 'সেউতী কিৰণ' (১৮৯৪), লক্ষ্মীনাথ বেজবৰুৱাৰ 'লিতিকাই' (১৮৯০), দুর্গাপ্রসাদ মজিন্দাৰ বৰুৱাৰ 'মহৰী' (১৮৯৬), পদ্মনাথ গোহাঞিবৰুৱাৰ 'গাঁওবুঢ়া' (১৮৯৯) উল্লেখযোগ্য। উল্লিখিত নাটকসমূহৰ ৰচনাৰীতি আৰু উপস্থাপন কৌশলত পাশ্চাত্য প্রভাৱ কম-বেছি পৰিমাণে বিদ্যমান। বিশেষকৈ শ্বেইক্সপীয়েৰৰ দৰে নাটকৰ কাহিনীৰ উপস্থাপন, পাঁচ অংক বা তাতকৈ কম আৰু প্রতিটো অংকতে পাঁচটা বা অধিক দৃশ্যৰ প্রয়োগ, স্বগঃতোক্তি, কাষৰীয়া উক্তি, উপকাহিনীৰ প্রয়োগ, ধেমেলীয়া চৰিত্র সৃষ্টি, সংঘাত, নাটকীয় শ্লেষ, পৰিস্থিতি, কাব্যিক সংলাপ আদি সকলোবোৰ বৈশিষ্ট্য দেখা যায়। বেণুধৰ ৰাজখোৱাৰ 'সেউতী কিৰণ' নাটকখনত শ্বেইক্সপীয়েৰৰ 'othello' আৰু 'Hamlet' নাটকৰ ভালেখিনি উপাদান থকাৰ কথা দয়ানন্দ পাঠকে 'অসমীয়া নাটকত শ্বেইক্সপীয়েৰৰ প্রভাৱ' শীর্ষক প্রবন্ধত আলোচনা কৰিছে।

বিংশ শতিকাৰ আৰম্ভণিৰ লগে লগে অসমীয়া নাটকে এক নতুন মাত্রা লাভ কৰে। এই শতিকাৰ তৃতীয় দশক মানলৈকে পৌৰাণিক আৰু ঐতিহাসিক নাটকেই সৰহ সংখ্যক ৰচিত হৈছিল। অৱশ্যে লঘু আৰু গহীন ধাৰাৰ সামাজিক নাটকৰ ধাৰাটোও অব্যাহত আছিল। তদুপৰি এই শতিকাৰ তৃতীয়-চতুর্থ দশক মানত গীতি, কাব্য, ৰূপকধর্মী, প্রতীকধর্মী আদি নতুন ৰীতি-প্রকৃতিৰ নাটক কিছুমানো ৰচিত হৈছিল। ১৯০০-১৯৪০ চনৰ ভিতৰত ৰচিত পৌৰাণিক আৰু ঐতিহাসিক নাটককে ধৰি অন্যান্য বিষয়ৰ নাটকসমূহৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে শ্বেইক্সপীয়েৰে তেওঁৰ নাটকত ব্যৱহাৰ কৰা অমিত্রাক্ষৰ ছন্দৰ প্রয়োগৰ প্রভাৱ। কেইবাজনো নাট্যকাৰে ইয়াৰ আধাৰত তেওঁলোকৰ নাটকত অমিত্রাক্ষৰ ছন্দৰ প্রয়োগ কৰিছে যদিও ই যে কেৱল শ্বেইক্সপীয়েৰৰে প্রভাৱ তাক একে আষাৰে স্বীকাৰ কৰিব নোৱাৰি। সি যি নহওক নাটকৰ কাহিনী উপস্থাপন কৌশল আৰু ৰচনা-ৰীতিৰ ক্ষেত্রত এই সময়ছোৱাত ৰচিত অসমীয়া নাটকত পাশ্চাত্য বিশেষকৈ শ্বেইক্সপীয়েৰৰ প্রভাৱ যে অটুট আছিল সেয়া স্পষ্ট ৰূপত দেখা যায়।

এই সময়ছোৱাৰ কেইবাজনো নাট্যকাৰ আৰু তেওঁলোকৰ ৰচিত নাটকসমূহত। যেনে -- দেৱনাথ বৰদলৈৰ 'বৈদেহী বিচ্ছেদ' (১৯০১), বেণুধৰ ৰাজখোৱাৰ 'দুর্যোধনৰ উৰুভংগ' (১৯০৩), 'দক্ষযজ্ঞ' (১৯০৮), দুর্গাপ্রসাদ মজিন্দাৰ বৰুৱাৰ 'গুৰুদক্ষিণা' (১৯০৩), চন্দ্রধৰ বৰুৱাৰ 'মেঘনাদ বধ' (১৯০৪), দুর্গেশ্বৰ শর্মাৰ 'পার্থ পৰাজয়' (১৯০৩), 'বালীবধ' (১৯১২), অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'জয়দ্রথ বধ' (১৯১২), বলৰাম পাঠকৰ 'লৱ-কুশ' (১৯১৪), ধনীৰাম দত্তৰ 'উর্বশী উদ্ধাৰ' (১৯১৮), জ্যোতিপ্রসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী' (১৯২৫),

ইন্দ্রেশ্বৰ বৰঠাকুৰৰ 'শ্রীবৎসচিন্তা' (১৯২৭), দণ্ডিনাথ কলিতাৰ 'অগ্নিপৰীক্ষা', পদ্মনাথ গোহাঞিবৰুৱাৰ 'বাণৰজা' (১৯৩৩), অতুলচন্দ্র হাজৰিকাৰ 'নৰকাসুৰ' (১৯৩০), 'বেউলা' (১৯৩৩), 'নন্দ দুলাল' (১৯৩৫), 'কুৰুক্ষেত্র' (১৯৩৬), 'সাবিত্রী' (১৯৩৯), গণেশ গগৈৰ 'শকুনিৰ প্রতিশোধ' (১৯৩৯) আদি উল্লেখযোগ্য পৌৰাণিক নাটকত পাশ্চাত্য নাটকৰ কলা-কৌশল লক্ষ্য কৰা যায়।

পাশ্চাত্য প্রভাৱেৰে প্রভাৱান্বিত আধুনিক অসমীয়া নাটকৰ আনটো উল্লেখযোগ্য ধাৰা হৈছে ঐতিহাসিক নাটকৰ ধাৰা। ঐতিহাসিক নাটক ৰচনাৰ মূল উদ্দেশ্য হৈচে অসমীয়াৰ মনত জাতীয় প্রেম আৰু স্বাধীনতাৰ স্পৃহা জগাই তোলা। শ্বেইক্সপীয়েৰৰ ঐতিহাসিক নাটকসমূহত শাসক আৰু শাসিতৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু বুজাবুজিৰ ভাব দাঙি ধৰা হৈছে, যিয়ে ইংৰাজসকলৰ মনত আধাৰ কৰি বৃটিছ শাসনৰ বিৰুদ্ধে অসমীয়াৰ মনত জাতীয় প্রেম তথা স্বদেশ চেতনা জাগ্রত কৰাৰ উদ্দেশ্যৰে **১৯০০-১৯৪০** চনৰ সময়ছোৱাত এচাম নাট্যকাৰে ঐতিহাসিক নাটক ৰচনা কৰিছিল। শ্বেইক্সপীয়েৰৰ ঐতিহাসিক নাটকৰ কাহিনীৰ উপস্থাপন ৰীতি, চৰিত্র সৃষ্টি তথা কলা-কৌশলৰ প্রভাৱ অসমীয়া ঐতিহাসিক নাটকত স্পষ্টকৈ দেখা যায়। ১৯০০ চনত ৰচিত পদ্মনাথ গোহাঞি বৰুৱাৰ 'জয়মতী'কেই প্রথম অসমীয়া ঐতিহাসিক নাটক হিচাপে ধৰা হয়। তেওঁৰ 'গদাধৰ' (১৯০৭), 'সাধনী' (১৯১০) আৰু 'লাচিত বৰফুকন' (১৯১৫) আন তিনিখন উল্লেখযোগ্য ঐতিহাসিক নাটক। গোহাঞিবৰুৱাৰ আটাইকেইখন ঐতিহাসিক নাটকেই শ্বেইক্সপীয়েৰৰ নাটকৰ গঠনশৈলীৰ দ্বাৰা প্রেৰিত। 'জয়মতী' আৰু 'গদাধৰ' দুয়োখন নাটকতে শ্বেইক্সপীয়েৰৰ 'হেমলেট' নাটকৰ হেমলেট চৰিত্রৰ ভালেখিনি বৈশিষ্ট্য থকা পৰিলক্ষিত হয়। এওঁৰ উপৰি উক্ত সময়ছোৱাত পাশ্চাত্য নাট্যৰীতিৰ আদর্শৰে অসমীয়া ঐতিহাসিক নাটকৰ ধাৰাক পূর্ণ-প্রতিষ্ঠা কৰি যোৱা নাট্যকাৰ আৰু নাটকসমূহৰ ভিতৰত— লক্ষ্মীনাথ বেজবৰুৱাৰ 'চক্রধ্বজ সিংহ' (১৯১৫), 'জয়মতী কুঁৱৰী' (১৯১৫), 'বেলিমাৰ' (১৯১৫), 'গদাধৰ ৰজা' (১৯১৮), ৰাধাকান্ত সন্দিকৈৰ 'মূলাগাভৰু' (১৯২৪), নকুলচন্দ্র ভূঞাৰ 'বদন বৰফুকন' (১৯২৭), 'চন্দ্রকান্ত সিংহ' (১৯৩১) আৰু 'বিদ্রোহ মৰাণ' (১৯৩৮), পজৰুদ্দিন আহমেদৰ 'গুলেনাৰ' (১৯২৪), শৈলধৰ ৰাজখোৱাৰ 'বিদ্যাৱতী' (১৯১৮), প্রসন্নলাল চৌধুৰীৰ 'নীলাম্বৰ' (১৯২৬), দৈৱচন্দ্র তালুকদাৰৰ 'অসম প্রতিভা' (১৯২৪), 'হৰদত্ত' (১৯৩১), 'বামুণী কোঁৱৰ' (১৯২৯), দণ্ডিনাথ কলিতাৰ 'সতীৰ তেজ' (১৯৩১), কমলানন্দ ভট্টাচার্যৰ 'মৰাণ জীয়ৰী' (১৯২৪), 'নগা কোঁৱৰ' (১৯৩৫), অতুলচন্দ্র হাজৰিকাৰ 'কনৌজ কুঁৱৰী' (১৯৩৩), বিনন্দ্রচন্দ্র বৰুৱাৰ 'শৰাইঘাট' (১৯৩৭), আনন্দচন্দ্র বৰুৱাৰ 'কমতা কুঁৱৰী' (১৯৪০) আদি উল্লেখযোগ্য। বেজবৰুৱাৰ ঐতিহাসিক নাটককেইখনত শ্বেইক্সপীয়েৰৰ ঐতিহাসিক নাটকৰ প্রভাৱ স্পষ্ট। এই সম্পর্কে দয়ানন্দ পাঠকে 'অসমীয়া নাটকত শ্বেইক্সপীয়েৰৰ প্রভাৱ' শীর্ষক প্রবন্ধত লিখিছে— 'চক্রধ্বজ সিংহ নাটকত চিত্রিত হোৱা গজপুৰীয়া চৰিত্রটো 'কিং হেনৰি ফর্থ'ৰ (King Henry

Fourth) ফলষ্টাফৰ (Fallstuff) চৰিত্রটিৰ কথাখিনি মিল দেখা যায়। ঠিক তেনেদৰে 'বেলিমাৰ' নাটকৰ বদন বৰফুকনৰ জীয়াৰী আৰু পূর্ণানন্দ বুঢ়াগোহাঁইৰ বোৱাৰী পিজৌৰ চৰিত্রতি অতি মনোৰম। শ্বেইক্সপীয়েৰৰ 'হেমলেট' (Hamlet) নাটকৰ অফিলিয়াৰ (Ophelia) চৰিত্রটিৰ লগত পিজৌৰ চৰিত্রটিৰ কথাখিনিৰ মিল লক্ষণীয়। 'জয়মতী কুঁৱৰী' নাটকৰ ডালিমী নামৰ কিশোৰীগৰাকীৰ চৰিত্রটিৰ লগত শ্বেইক্সপীয়েৰৰ 'টেমপেষ্ট' (Tempest) নাটকৰ মিৰান্দাৰ (Miranda) বহুখিনি মিল দেখা যায়।' শ্বেইক্সপীয়েৰৰ হেমলেট চৰিত্রৰ মানসিক সংঘাতৰ লগত গদাপাণিৰ (জয়মতী কুঁৱৰী) মানসিক সংঘাত তথা শ্বেইক্সপীয়েৰৰ মেকবেথ চৰিত্রৰ লগত বদনচন্দ্রৰ (বেলিমাৰ) অনুশোচনাৰ মিল লক্ষণীয়। সেইদৰে শ্বেইক্সপীয়েৰৰ নাটকত ইউৰোপীয় প্রতিশোধ নাটকৰ (Revenge play) যি ধাৰণা দেখা যায় তাৰ আদর্শ প্রসন্নলাল চৌধুৰীৰ 'নীলাম্বৰ', দৈৱচন্দ্র তালুকদাৰৰ 'বামুণী কোঁৱৰ', নকুলচন্দ্র ভূঞাৰ 'বদন বৰফুকন', আনন্দচন্দ্র বৰুৱাৰ 'কমতা কুঁৱৰী' আদি নাটকত স্পষ্টকৈ পোৱা যায়।

পাশ্চাত্য নাটক, বিশেষকৈ শ্বেইক্সপীয়েৰৰ নাট্যাদর্শৰে প্রভাৱিত, ১৯০০-১৯৪০ চনৰ ভিতৰত ৰচিত গহীন তথা লঘু সামাজিক নাটকসমূহৰ ভিতৰত নবীনচন্দ্র বৰদলৈৰ 'গৃহলক্ষ্মী' (১৯১১), জ্যোতিপ্রসাদ আগৰৱালা 'কাৰেঙৰ লিগিৰী' (১৯২৫), লক্ষ্মীধৰ শর্মাৰ 'নির্মলা' (১৯২৬), লক্ষ্মীকান্ত দত্তৰ 'সংসাৰ চিত্র' (১৯৩৭), হৰিশ্চন্দ্র ভট্টাচার্য 'ৰমণী শক্তি' (১৯৩৫), 'কু-পুত্র' (১৯৩৮), অতুলচন্দ্র হাজৰিকাৰ 'কল্যাণী' (১৯৩৯), সত্যপ্রসাদ বৰুৱাৰ 'চাকৈ-চকোৱা' (১৯৩৯), পদ্মনাথ গোহাঞিবৰুৱাৰ 'টেটোন-তামুলী' (১৯০৯), 'ভূত নে ভ্রম' (১৯২৪), বেণুধৰ ৰাজখোৱাৰ 'কলিযুগ' (১৯০৪), 'দৰবাৰ' (১৯০২), 'লখিমী তিৰোতা' (১৯০৯), 'অশিক্ষিত ঘৈণী' (১৯১২), 'তিনিঘৈণী' (১৯২৮), 'টোপনিৰ পৰিণাম' (১৯৩২), পদ্মধৰ চলিহাৰ 'নিমন্ত্রণ' (১৯১৫), মিত্রদেৱ মহন্তৰ 'বিয়া-বিপর্যয়' (১৯২৪), 'কুকুৰিকণাৰ আঠমঙলা' (১৯১৭) আদি উল্লেখযোগ্য। এইসমূহৰ উপৰি বিংশ শতিকাৰ তৃতীয় দশকৰ পৰা কাল্পনিক, প্রতীক, ৰূপকধর্মী, গীতি আৰু কাব্যধর্মী নাটক ৰচনাৰ ধাৰা এটাও অসমীয়া নাটকত আৰম্ভ হৈছিল। কাল্পনিক নাটকৰ ধাৰাটোক জ্যোতিপ্রসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' (১৯২৫) আৰু 'ৰূপালীম' (১৯৩৬) নাটকে বাস্তৱ ৰূপ প্রদান কৰিছিল। ক'ব পাৰি শ্বেইক্সপীয়েৰৰ পিছত অসমীয়া নাটকলৈ অন্য পাশ্চাত্য নাট্যধাৰাক তেৱেঁই পোনপ্রথম কঢ়িয়াই আনিছিল। 'কাৰেঙৰ লিগিৰী'ত তেওঁ শ্বেইক্সপীয়েৰৰ লগতে নৰৱেৰ নাট্যকাৰ হেনৰিক ইবচেনৰ নাট্যৰীতিৰো সংমিশ্রণ কৰিছে। সেইদৰে 'ৰূপালীম' নাটকত মৰিছ মেটাৰলিংকৰ 'মন্নভান্না' নাটকৰ কাহিনীৰ স্পষ্ট প্রভাৱ পৰিলক্ষিত হয়। জ্যোতিপ্রসাদ আগৰৱালাৰ উপৰি অতুলচন্দ্র হাজৰিকাৰ 'মানস প্রতিমা' (১৯২৫), 'মর্জিয়ানা' (১৯৩৯), আনন্দচ্দ্র বৰুৱাৰ 'বিজয়া', সুৰেশ গোস্বামীৰ 'ৰুণুমী' আদি এই সময়ৰ উল্লেখযোগ্য কাল্পনিক নাটক। 'মর্জিয়ানা' নাটকখন আৰবীয় কাহিনীক আধাৰ কৰি ৰচিত। সেইদৰে 'বিজয়া' নাটকৰ কাহিনী স্পেনিচ নাট্যকাৰৰ জুৱান হার্টচেন- বুচৰ 'টেৰুৱেল নগৰৰ

প্রণয়ী' (La-Amentes de Terual) আৰু 'ৰুণুমী' নাটকৰ কাহিনী ইবচেনৰ 'Warriors of Halgeland' নামৰ নাটকৰ কাহিনীক আধাৰ কৰি ৰচিত। এওঁলোকৰ নাটকৰ উপস্থাপন শৈলীত শ্বেইক্সপীয়েৰৰ প্রভাৱ পৰিলেও বিশ্বৰ অন্য নাট্যকাৰসকলৰ প্রতিও যে অসমীয়া নাট্যকাৰসকলৰ মন সেই সময়ৰ পৰা লাহে লাহে ঢাল খাবলৈ ধৰিছিল, সেইয়া এওঁলোকৰ পৰাই নিশ্চিত হ'ব পাৰি।

বিংশ শতিকাৰ তৃতীয়-চতুর্থ দশকৰ সময়ছোৱাত প্রতীক, ৰূপক, গীতিধর্মী আৰু কাব্য নাটকৰ ৰচনাই অসমীয়া নাটকৰ ধাৰাটোক বিস্তৃতি আৰু বৈচিত্র্য প্রদান কৰিছিল। এই ধৰণৰ নাটকত বাংলা নাট্যকাৰ ৰবীন্দ্রনাথৰ নাটকৰ প্রভাৱহে স্পষ্ট যদিও পাশ্চাত্য ৰূপক আৰু প্রতীক নাটকৰ প্রভাৱো নোহোৱা নহয়। এনে নাটকৰ ভিতৰত প্রতীকধর্মী নাটক হিচাপে পার্বতিপ্রসাদ বৰুৱাৰ 'সোণৰ সোলেং' (১৯২৯); ৰূপকধর্মী নাটকৰ ভিতৰত পার্বতিপ্রসাদ বৰুৱাৰ 'লখিমী', কমলেশ্বৰ চলিহাৰ 'ধূলি', কীর্তিনাথ বৰদলৈ আৰু মুক্তিনাথ বৰদলৈৰ 'সুৰবিজয়', 'বাসন্তীৰ অভিষেক' (১৯২৯), 'লুইত কোঁৱৰ' (১৯৩০), 'মেঘাৱলী' (১৯৪০), আনন্দচন্দ্র বৰুৱাৰ 'কপৌ-কুঁৱৰী' আদি উল্লেখযোগ্য। ইয়াৰে 'সোণৰ সোলেঙ্', 'বাসন্তীৰ অভিষেক', 'লুইত কোঁৱৰ', 'সুৰবিজয়' আৰু 'মেঘাৱলী' আদি নাটককেইখন ৰচনাৰশৈলী গীতিধর্মী।

গুণাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী নাটক' ৰচনা হোৱাৰ পৰা আৰম্ভ কৰি বিংশ শতিকাৰ চতুর্থ দশক পর্যন্ত শ্বেইক্সপীয়েৰৰ নাটকসমূহৰ প্রতি অসমীয়া নাট্যকাৰসকলৰ মনত দুর্বাৰ আকর্ষণ গঢ়ি উঠা দেখা যায়। এনে আকর্ষণৰ বশৱর্তী হৈয়ে এচাম নাট্যকাৰে শ্বেইক্সপীয়েৰৰ নাট্যাদর্শ অসমীয়া নাটকৰ ৰচনা ৰীতিত প্রয়োগ কৰিছিল আৰু আন এচামে তেওঁৰ মূল ইংৰাজী নাটকবোৰক অসমীয়া ভাষালৈ অনুবাদ আৰু অভিযোজনা কৰিছিল, যিয়ে অসমৰ জনমানসত স্বেইক্সপীয়েৰক জনপ্রিয় কৰি তোলাৰ লগতে সমকালীন অসমীয়া নাটকৰ ৰচনা প্রক্রিয়াটোকো বহুদূৰ পৰিচালিত কৰিছিল। ১৮৮৮ চনত শ্বেইক্সপীয়েৰৰ Comedy of Errors' ৰ 'ভ্রমৰঙ্গ' নামেৰে অনুবাদ কার্য সম্পন্ন হোৱাৰ পিছত বিংশ শতিকাৰ আৰম্ভণিৰ পৰা তেওঁৰ বহুকেইখন নাটকৰ অসমীয়া ভাষাত অনুবাদ-অভিযোজনা হোৱা দেখা গৈছে। তাৰ ভিতৰত 'As you like It' নাটকখন দুর্গেশ্বৰ শর্মাই 'চন্দ্রাৱলী' (১৯১০) নামেৰে, পদ্মধৰ চলিহাই 'Romeo and Juliet'খন 'অমৰলীলা' (১৯১৯) নামেৰে, দেৱানন্দ ভৰালীয়ে 'Macbeth' খন 'ভীমদর্প' (১৯১৮) নামেৰে, অম্বিকাপদ গোস্বামীয়ে 'Cymbeline' খন 'তাৰা' (১৯৩৫) নামেৰে, শৈলধৰ ৰাজখোৱাই 'Othello' খন 'ৰণজিৎ সিং' আৰু 'Twelfth Night' খন 'মনৰ মানুহ' নামেৰে কৰা অনুবাদ উল্লেখযোগ্য। এওঁলোকৰ উপৰি নবীনচন্দ্র বৰদলৈয়ে শ্বেইক্সপীয়েৰৰ 'Troilus and Cresida' নাটকৰ আধাৰত 'অৰুণ-কাঞ্চন' (১৯৩২), 'King Lear' ৰ আধাৰত 'বিষাদ কাহিনী' (১৯৩২), 'Taming of the Shrew' ৰ আধাৰত 'দন্দুৰী দমন' (১৯৩২) আৰু 'As you like It'ৰ আধাৰত 'ভ্রান্তি বিনোদ' (১৯৩২)


নামেৰে নাটক লিখাৰ কথা দয়ানন্দ পাঠকে তেওঁৰ 'অসমীয়া নাটকত শ্বেইক্সপীয়েৰৰ প্রভাৱ' শীর্ষক প্রবন্ধত উল্লেখ কৰিছে। গুৰুত্বপূর্ণ কথাটো হৈছে যে স্বাধীনতাৰ পৰৱর্তী কালৰ পৰা বিংশ শতিকাৰ সত্তৰ-আশী দশকলৈকে শ্বেইক্সপীয়েৰৰ নাটকৰ অনুবাদ-অভিযোজনা অসমীয়া নাটকত হৈ আছে। তাৰ ভিতৰত অতুলচন্দ্র হাজৰিকাই 'Merchant of Venice' নাটকখন 'বণিজ কোঁৱৰ' (১৯৪৬) নামেৰে, 'King Lear' খন 'অশ্রুতীর্থ' (১৯৫০) নামেৰে, সত্যপ্রসাদ বৰুৱাই 'Othello' খন 'অথেলো' (১৯৭৪) আৰু 'Macbeth' খন 'মেকবেথ্' (১৯৮০) নামেৰে, সর্বানন্দ পাঠকে 'Macbeth' খন 'বিপ্লৱ বীৰ' (১৯৪৯) নামেৰে, দয়ানন্দ পাঠকে 'Romeo and Juliet' খন 'ৰোমিঅ' জুলিয়েট' (১৯৭৪), 'Hamlet' খন 'হেমলেট' (১৯৭৫), Julius Casear' খন 'জুলিয়াচ চিজাৰ' (১৯৮৭) নামেৰে কৰা অনুবাদ উল্লেখযোগ্য। স্বাধীনতাৰ পৰৱর্তী সময়ছোৱাত অৱশ্যে শ্বেইক্সপীয়েৰৰ উপৰি বিশ্বৰ আন আন নাট্যকাৰসকলৰ নাটকো অসমীয়ালৈ অনুবাদ হ'বলৈ ধৰিছিল যদিও শ্বেইক্সপীয়েৰৰ প্রভাৱ যে অসমীয়া নাট্যকাৰসকলৰ মনত শিপাই আছিল সেয়া ইয়াৰ দ্বাৰাই প্রমাণ হয়।

আলোচনাটিৰ শেষত ক'ব পাৰি ১৮৫৭ চনত 'ৰাম-নৱমী নাটক' ৰচনা হোৱাৰ পিছত অসমীয়া নাটকে পৰম্পৰাগত অংকীয়া নাটৰ আদর্শৰ ঠাইত পাশ্চাত্য নাটকৰ ৰীতি আৰু গঠন কৌশলৰ দ্বাৰা পৰিপুষ্ট হৈ এক নতুন ৰূপ পৰিগ্রহ কৰিলে। তথা সময়ৰ লগে লগে পাশ্চাত্য নাটকত যি ধৰণৰ নতুন নতুন পৰিৱর্তন সাধিত হ'ল সিও অসমীয়া নাটকে নিজ মাজত সামৰি থ'লে। বিংশ শতিকাৰ চতুর্থ দশকৰ পিছৰ পৰা অসমীয়া নাটকলৈ বাস্তৱবাদী, এবছার্ড, এপিক, মনোবিশ্লেষণধর্মী আদি অনেক পাশ্চাত্য নাট্যধাৰা প্রভাৱ আহিল। এই বিষয়ে পৰৱর্তী অধ্যায়ত আলোচনা কৰা হ'ব। কিন্তু এটা কথা লক্ষণীয় যে ১৮৫৭-১৯৪০ চৰ সময়ছোৱাৰ ভিতৰত ৰচিত অসমীয়া নাটকত পাশ্চাত্য নাটকৰ যি ৰীতিৰ প্রভাৱ পৰিলক্ষিত হয় তাৰ ভিতৰত শ্বেইক্সপীয়েৰৰ নাটক আৰু নাট্যৰীতিৰ প্রভাৱেই সর্বাধিক।



জানি থোৱা ভাল

- ইংৰাজী নাটকৰ আর্হিত বঙলা ভাষাত 'কীর্ত্তি বিলাস' (১৮৫১) আৰু 'কুলীন সর্বস্ব' (১৮৫৪) নামৰ নাটক দুখন ৰচিত আৰু অভিনীত হোৱাৰ পিছত ১৮৫৬ চনত উমেশ মিত্রই 'বিধৱা-বিবাহ' নাটকখন ৰচনা কৰে আৰু এই নাটকখনেই গুণাভিৰাম বৰুৱাক 'ৰাম-নৱমী নাটক'ৰ বিষয়বস্তু নির্বাচনত অনুপ্রেৰণা যোগাইছিল।
- অসমীয়া নাটকত আধুনিক যুগ আৰম্ভ হোৱাৰ পিছত ১৮৭৭ চনত প্রথম কামাখ্যা দামতে প্রছেনিয়াম মঞ্চৰ আর্হিত নাট্যমঞ্চৰ প্রতিষ্ঠা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোন কেইগৰাকী পাশ্চাত্য নাট্যকাৰৰ নাটক অসমীয়া লৈ অনূদিত হৈছে। এখন তালিকা প্ৰস্তুত ক ৰক।

(৭৫ টা শব্দৰ ভিতৰত)

.....



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আধুনিক অসমীয়া নাটকৰ পটভূমি সম্পৰ্কে এটি সম্যক ধাৰণা লাভ কৰিলো।
- পাশ্চাত্য নাট্য সাহিত্যৰ, বিশেষকৈ শ্বেইক্সপীয়েৰৰ নাটক সম্পৰ্কে আভাস পালো।
- আধুনিক অসমীয়া নাটকৰ আৰম্ভণি কালছোৱাত পাশ্চাত্য, বিশেষকৈ শ্বেইক্সপীয়েৰৰ নাটক আৰু নাট্যৰীতিৰ প্ৰভাৱ অসমীয়া নাটকত কিদৰে পৰিছে সেই সম্পৰ্কে জানিব পাৰিলো।
- ১৮৮৯-১৯৪০ চনৰ ভিতৰত ৰচিত অসমীয়া নাটকত শ্বেইক্সপীয়েৰ প্ৰভাৱিত নাটকৰ উপৰি বাস্তৱবাদী, গীতি নাটক, কাব্য নাটক, প্ৰতীক আৰু ৰূপকধৰ্মী আদি নতুন ধাৰাৰ নাটক সম্পৰ্কেও কিছু আভাস পালো।
- পাশ্চাত্য নাট্যধাৰাৰে প্ৰভাৱিত অসমীয়া নাটক সম্পৰ্কে জনাৰ লগতে নাট্যকাৰসকলৰ নামো জানিব পাৰিলো।



৬.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। ভট্টাচাৰ্য, বসন্ত কুমাৰ (২০১১) ঃ অসমীয়া নাটকৰ সমীক্ষা; নলবাৰী ঃ জাৰ্ণাল এম্প'ৰিয়াম।

২। ভট্টাচাৰ্য, হৰিচন্দ্ৰ (২০১৩) ঃ অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি; গুৱাহাটী ঃ লয়াৰ্ছ বুক ষ্টল।

৩। ৰাজবংশী, পৰমানন্দ; ৰাজবংশী, নচিফা ইছলাম; বড়ো, কৰবী খেৰকটাৰী (সম্পা.) (২০০৯) ঃ অসমীয়া নাট্য-সাহিত্য ঃ পৰম্পৰা আৰু পৰিৱৰ্তন; গুৱাহাটী ঃ অসম

প্রকাশন পৰিষদ।

৪। ৰাজবংশী, পৰমানন্দ (সম্পা.) (২০০৮) ঃ অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিৱর্তন; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৫। শর্মা, সত্যেন্দ্রনাথ (২০১৫) ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৬। শর্মা, সত্যেন্দ্রনাথ (২০১০) ঃ অসমীয়া নাট্য সাহিত্য; গুৱাহাটী ঃ সৌমাৰ প্রকাশ

৬.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ মূল পাঠৰ পৰা সহায় লৈ উত্তৰটো লিখিব।

৬.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ আধুনিক অসমীয়া নাটকৰ পটভূমি সম্পর্কে এটি আলোচনা দাঙি ধৰক।

প্রশ্ন ২ ঃ শ্বেইক্সপীয়েৰৰ নাটক সম্পর্কে এটি পৰিচয়মূলক টোকা প্রস্তুত কৰক।

প্রশ্ন ৩ ঃ ১৮৫৭-১৯৪০ চনলৈ আধুনিক অসমীয়া নাটকত শ্বেইক্সপীয়েৰৰ প্রভাৱ সম্পর্কে এটি প্রৱন্ধ প্রস্তুত কৰক।

*** ***** ***

অধ্যায় ৭ ঃ অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ (১৯৪০-১৯৭০)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ১৯৪০-১৯৭০ চনৰ সময়ছোৱাত ৰচিত অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ
৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৫ অধিক জানিবলৈ
৭.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৭.৭ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শ্বেইক্সপীয়েৰৰ পিছত অসমীয়া নাটকলৈ কোন কোন পাশ্চাত্য নাট্যকাৰ আৰু তেওঁলোকৰ ৰচনাৰীতিৰ প্ৰভাৱ আহিল, সেই সম্পৰ্কে আভাস পাব
- ১৯৪০-১৯৭০ চনৰ সময়ছোৱাৰ ভিতৰত কি কি নতুন নতুন ধাৰা অসমীয়া নাটকে লাভ কৰিলে, সেই বিষয়ে ধাৰণা কৰিব পাৰিব
- ১৯৪০-১৯৭০ চনৰ সময়ছোৱাৰ ভিতৰত ৰচিত অসমীয়া নাটকৰ পটভূমি সম্পৰ্কেও উমান পাব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত উল্লেখ কৰি অহা হৈছে যে, আধুনিক অসমীয়া নাটকে প্ৰকৃতাৰ্থত পূৰ্ণতা দ্বিতীয় বিশ্বযুদ্ধ আৰু ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছতহে লাভ কৰে। ১৯৩৯ চনত আৰম্ভ হোৱা দ্বিতীয় বিশ্বযুদ্ধই সমগ্ৰ বিশ্বতে প্ৰভাৱ পেলাইছিল। ভাৰত তথা অসমো ইয়াৰ ব্যতিক্ৰম নাছিল। যিয়ে সমাজ জীৱনৰ পৰিৱৰ্তনৰ লগতে সাহিত্য-সংস্কৃতিৰ ৰীতি-প্ৰকৃতি আৰু আদৰ্শবো সলনি কৰি দিছিল। দ্বিতীয় বিশ্বযুদ্ধই কঢ়িয়াই অনা প্ৰাচীন আৰু পৰম্পৰাগত মূল্যবোধৰ পৰিৱৰ্তন তথা ভাৰতৰ গণ আন্দোলন (১৯৪২) আৰু স্বাধীনতাৰ, ৰাজনৈতিক ভ্ৰষ্টাচাৰ আদিয়ে সমাজ জীৱনলৈ গভীৰ সংকট কঢ়িয়াই আনিছিল। স্বাধীনতাই ব্যক্তি মানসত যি আশাৰ বীজ সিঁচিছিল, সি হঠাতে নষ্ট হৈ গৈছিল। 'অসমীয়া নাট্য-সাহিত্য' গ্ৰন্থত সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে— 'শ্ৰেণী সংগ্ৰাম, পুঁজিবাদী আৰু সাম্ৰাজ্যবাদৰ বিৰোধ, সাম্যবাদৰ আদৰ্শ, বংশ মৰ্যাদাৰ প্ৰভাৱ, বিভিন্ন পুৰুষৰ (Generation) মাজত দ্বন্দ্ব, শ্ৰমজীৱী

আৰু শোষিত বৰ্গৰ জীৱন যাত্রা, নিবনুৱা সমস্যা, মধ্যবিত্ত শ্রেণীৰ আশা-আকাংক্ষা, প্রেমৰ মুক্তি পৰিস্ফুৰণৰ পথত সামাজিক অন্তৰায় আৰু মনস্তাত্বিক বিচিত্র অভিব্যক্তি আদি বিবিধ সমস্যাই লাহে লাহে লিখকসকলৰ দৃষ্টি আকর্ষণ কৰা দেখা গৈছে।' ঊনবিংশ শতিকাৰ পৰা বিংশ শতিকাৰ সময়ছোৱাত পাশ্চাত্য নাট্য সাহিত্যত কেইবাটাও নতুন নাট্যধাৰা প্রৱর্তন হোৱা দেখা যায়। তাৰ ভিতৰত— বাস্তৱবাদী নাট্যধাৰা, কাব্যিক, অভিব্যক্তিবাদী, উদ্ভট (Absurd), অৱস্থিতিবাদী, এপিক আদি নাট্যধাৰা বিশেষভাৱে উল্লেখযোগ্য। ঊনবিংশ শতিকাৰ শেষার্দ্ধত পাশ্চাত্য নাট্যজগতত প্রতিষ্ঠা লাভ কৰা বাস্তৱবাদী নাট্যধাৰাৰ প্রতিষ্ঠাপক আছিল নৰৱেৰ নাট্যকাৰ হেনৰিক ইব্চেন। তেওঁৰ লগতে এই ধাৰাক ষ্ট্রিণ্ডবার্গ, শ্বেখভ, টলষ্টয়, মেক্সিম গৰ্কী, বার্ণাড শ্ব', গেলছ্ৱর্থি আদি নাট্যকাৰসকলে এক উন্নত স্থান প্রদান কৰিছিল। সেইদৰে ইয়েট্চ, ইলিয়ট আদি নাট্যকাৰে কাব্যিক ধাৰা, কাইজাৰ, এলমাৰ ৰাইচ, কাৰেল কাপেক আদিয়ে অভিব্যক্তিবাদী ধাৰা, জাঁ পল ছার্ত্রেই অৱস্থিতিবাদী ধাৰা আৰু বিংশ শতিকাত চেমুৱেল বেকেট, ইউজিন আয়'নেস্ক' আদিয়ে এবছার্ড ধাৰা তথা বার্টোল্ট ব্রেখেটে এপিক ধাৰা সফল প্রয়োগ ঘটাই পাশ্চাত্য নাট্য সাহিত্যক নতুন ৰূপ প্রদান কৰিছিল।

বিংশ শতিকাৰ চল্লিছ্ব দশকৰ পৰা বিশেষকৈ স্বাধীনতাৰ পৰৱর্তী সময়ছোৱাত অসমীয়া নাট্যকাৰসকলে এইসমূহ পাশ্চাত্য নাট্যধাৰাৰ সৈতে পৰিচিত হৈ অসমীয়া নাটকত ইয়াৰ পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰে। ১৮৫৭-১৯৩৯ চনলৈকে অসমীয়া নাটকত পাশ্চাত্য নাটকৰ বিশেষকৈ শ্বেইক্সপীয়েৰৰ নাট্যৰীতিৰ যি প্রভাৱ আৰু প্রয়োগ আছিল, সেয়া লাহে লাহে কম হ'বলৈ ধৰে। অসমীয়া নাট্যকাৰসকলে বিষয়বস্তু আৰু আংগিক দুয়োটা দিশতে নতুন নতুন পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰা দেখা যায়। এই অধ্যায়ত ১৯৪০-১৯৭০ চনৰ সময়ছোৱাৰ ভিতৰত অসমীয়া নাটকৰ জগতলৈ আগমন ঘটা নতুন নতুন পাশ্চাত্য নাট্যধাৰা আৰু ইবোৰৰ প্রভাৱ সম্পর্কে অৱগত হ'ব পাৰিব।

৭.৩ ১৯৪০-১৯৭০ চনৰ সময়ছোৱাত ৰচিত অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ

বিংশ শতিকাৰ চল্লিছ্ব দশকৰ পৰা অসমীয়া নাটকলৈ নতুন নতুন পাশ্চাত্য নাট্যধাৰা কিছুমান আগমন হয়। ১৯৩৭ চনত ৰচিত জ্যোতিপ্রসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাটকখনতে আমি ইয়াৰ উমান পাওঁ। অৱশ্যে ১৯৩০-১৯৭০ চনৰ সময়ছোৱাৰ ভিতৰত কেইখনমান পৌৰাণিক আৰু ঐতিহাসিক নাটক ৰচিত হৈছিল, য'ত শ্বেইক্সপীয়েৰৰ নাটকৰ প্রভাৱেই অধিক বুলিব পাৰি। তাৰ ভিতৰত পৌৰাণিক নাটক, যেনে- মুক্তিনাথ বৰদলৈৰ 'ভক্ত প্রহ্লাদ' (১৯৪৯), সুৰেন্দ্রনাথ শইকীয়াৰ 'কর্ণ' (১৯৪৯), 'লক্ষ্মণ' (১৯৪৯), লক্ষ্যধৰ চৌধুৰীৰ 'ৰুক্ষকুমাৰ' (১৯৫২); ঐতিহাসিক নাটক, যেনে- প্রবীণ ফুকনৰ 'মণিৰাম দেৱন' (১৯৪৮), 'লাচিত বৰফুকন' (১৯৪৮), নগাঁও নাট্য সংঘৰ 'পিয়লি ফুকন' (১৯৪৮), সৰেন্দ্রনাথ

শইকীয়াৰ 'কুশল কোঁৱৰ' (১৯৪৯), চৈয়দ আব্দুল মালিকৰ 'ৰাজদ্রোহী', অতুলচন্দ্র হাজৰিকাৰ 'টিকেন্দ্রজিৎ' (১৯৫৯), 'ছত্রপতি শিৰাজী' (১৯৪৭), ফণী শর্মাৰ 'ভোগজৰা' (১৯৫৭), উত্তম বৰুৱাৰ 'জেৰেঙাৰৰ সতী' (১৯৬২), 'বৰৰজা ফুলেশ্বৰী' (১৯৭১) আদি উল্লেখযোগ্য। পৰিৱর্তিত সমাজ ব্যৱস্থাই মানুহৰ মনত বাস্তৱবোধৰ বিকাশ কৰিছিল বাবে এই সময়ছোৱাত পৌৰাণিক আৰু ঐতিহাসিক নাটকৰ ঠাইত নাট্যকাৰসকলে সামাজিক সমস্যামূলক আৰু বাস্তৱধর্মী বিষয়বস্তুক নাটকত আগস্থান দিবলৈ আৰম্ভ কৰিছিল। অৱশ্যে উল্লিখিত ঐতিহাসিক নাটককেইখনত আমি সামাজিক দৃষ্টিভংগীৰে ইতিহাসক পুনর্নির্মাণৰ প্রচেষ্টা দেখা পাওঁ।

বাস্তৱ শব্দৰ অর্থ নিৰপেক্ষ। যুগ, সময় অনুসৰি ই গতি কৰে। সমালোচকসকলৰ মতে বাস্তৱবাদ আৰু ৰোমাণ্টিকতাবাদ দুয়ো দুয়োৰে পৰিপূৰক। পিছে সাহিত্যৰ প্রসংগত ধ্রুপদী, ৰোমাণ্টিক আদিৰ বিপৰীতে বাস্তৱ জীৱন-জগতৰ ছবি প্রতিফলিত কৰিব পৰা স্বকীয় কলা-গুণবিশিষ্ট এক শ্রেণীৰ সাহিত্যকর্মক বুজাবলৈহে 'বাস্তৱবাদ' বা 'বাস্তৱবাদী' অভিধাটো প্রয়োগ কৰা হৈছে। বাস্তৱবাদী নাটকত মানৱ জীৱন আৰু জগত সম্পর্কীয় দিশবোৰক ঘটনা, চৰিত্র, সংলাপ, পৰিৱেশ আদিৰ যোগেদি বিবিধ কলা-কৌশলৰ সহায়ত অবিকল ৰূপত মঞ্চত উপস্থাপন কৰি দেখুওৱা হয়। বসন্ত কুমাৰ ভট্টাচার্যই 'বাস্তৱধর্মী' নাটকৰ ৰূপ আৰু ৰীতিৰ বিচাৰ কৰোতে 'নাটকৰ বর্ণমালা' গ্রন্থত বাস্তৱধর্মী নাটকত, 'সাধাৰণ লোকৰ, বিশেষকৈ কৃষক, শ্রমিক, ৰুগ্ন, ভিক্ষাৰী, পকেটমাৰ, দেহোপজীৱীনী আদিৰ জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা, বেথা-বেদনা, জীৱন-লালসা আদি সংবেদনশীল ৰূপত চিত্রিত হয়' বুলি কৈছে। বিংশ শতিকাৰ চল্লিছৰ দশকৰ শেষৰ পৰা অসমীয়া নাটকত পাশ্চাত্য নাট্যকাৰ শ্বেইক্সপীয়েৰৰ ঠাইত হেনৰিক ইব্চেন, বার্ণাড শ্ব', গেল্ছৱর্থি আদি নাট্যকাৰৰ বাস্তৱধর্মী নাটকৰ বিষয়বস্তু তথা ৰীতি প্রকৃতিৰে নাটক ৰচনা আৰম্ভ হয় আৰু পঞ্চাশ-ষাঠিৰ দশকত ই বিস্তৃতি লাভ কৰে। অৱশ্যে ইয়াৰ আৰম্ভণি জ্যোতিপ্রসাদৰ 'কাৰেঙৰ লিগিৰী' আৰু 'ৰূপালীম' নাটকতে প্রথম দেখা পাওঁ। 'কাৰেঙৰ লিগিৰী'ৰ পটভূমি সামন্তযুগীয় যদিও ইয়াৰ সমস্যা বাস্তৱধর্মী, সেইদৰে নাটকখনত চৰিত্রৰ অন্তর্দ্বন্দ্ব, সংঘাত, সংলাপ আদি যি ধৰণেৰে বুদ্ধিদীপ্ত আৰু বিতর্কমূলক ৰূপত নাট্যকাৰে উপস্থাপন কৰিছে তাত বার্ণাড শ্ব' আৰু ইবচেনৰ প্রভাৱ বিদ্যমান। সেইদৰে 'ৰূপালীম' নাটকৰ বিষয়বস্তু উপস্থাপন, চৰিত্রৰ অন্তর্দ্বন্দ্ব-সংঘাত আৰু সংলাপ উপস্থাপনত নাট্যকাৰে সামাজিক সংমস্যাবোৰ স্পষ্টৰূপত তুলি ধৰিছে। 'নাটকৰ কথা' গ্রন্থত পোনা মহন্তই ইব্চেন, শ্ব', জ্যোতিপ্রসাদৰ বিষয়ে কৰা আলোচনাত লিখিছে, 'জ্যোতিপ্রসাদে য়ুৰ'পত ইব্চেন, শ্ব' আৰু তেওঁলোকৰ অনুগামীসকলৰ লেখিয়াকৈ ভাৰতবর্ষৰ পূব প্রান্তৰ অসমীয়া সাহিত্যত বাস্তৱধর্মী সমস্যা বিষয়ক, চিন্তামূলক, আলোচনাত্মক নাটকৰ বুনিয়াদ ৰচনা কৰে।' কিয়নো যি সময়ত ইউৰোপৰ নাট্যজগতত ইব্চেন, শ্ব', গেল্ছৱর্থি আদিৰ নাটকে জনপ্রিয়তাৰ শীর্ষস্থান অধিকাৰ কৰিছিল, সেই সময়ত জ্যোতিপ্রসাদো বিদেশলৈ গৈছিল (১৯২৬)। অনুমান কৰিব পাৰি বিদেশত থকা সময়ছোৱাত তেওঁ বোলছবি সম্পর্কীয় শিক্ষা গ্রহণৰ লগতে

সমসাময়িক পাশ্চাত্য নাট্যকলা আৰু মঞ্চৰ বিষয়েও অধ্যয়ন কৰিছিল। 'শোণিত কুঁৱৰী'ৰ যোগেদি বাস্তৱৰ প্ৰলেপ সনা নাটকৰ আখৰাই 'কাৰেঙৰ লিগিৰী'ৰ যোগেদি প্ৰাণ পাই উঠিছিল বুলি ক'ব পাৰি। জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী' আৰু 'ৰাপালীম' দুয়োখন নাটকতে ইব্চেন আৰু শ্ব'ৰ নাটকৰ প্ৰভাৱ বিদ্যমান, যদিও দুয়োখন নাটকতে তেওঁ স্ব-মৌলিক প্ৰতিভাৰ পৰিচয় দিব পাৰিছে। সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাৰে ক'বলৈ গ'লে সমাজ আৰু ব্যক্তিৰ মাজত যি সংঘৰ্ষ, প্ৰাচীন ৰীতি-নীতি, সংস্কাৰ আৰু নতুন আদৰ্শৰ মাজত যি বিৰোধ, সেই সংঘৰ্ষ বা বিৰোধে কেনেকৈ মানৱৰ অগ্ৰগতিৰ পথত বাধা দি জীৱন বিষময় কৰি তোলে তাকেই নাট্যকাৰে দুয়োখন নাটকতে তুলি ধৰিছে। 'কাৰেঙৰ লিগিৰী'ৰ সুন্দৰ কোঁৱৰ, কাঞ্চনমতী, শেৱালী, ৰাজমাও আৰু 'ৰূপালীম' নাটকৰ 'মায়াব', ৰূপালীম, ইতিভেন, মণিমুগ্ধ আতি চৰিত্ৰবোৰে সমাজ বাস্তৱতাৰ স্বৰূপ স্পষ্টকৈ ফুটাই তুলিছে। চৰিত্ৰবোৰৰ মাজেদি মানসিক সংঘাত, পৰম্পৰাগত ৰীতি-নীতিৰ বিৰুদ্ধাচৰণ, সংঘৰ্ষ, ঈৰ্ষা-বিৰোধ আদিয়ে বাস্তৱবাদী নাটকৰ বৈশিষ্ট্যক প্ৰতিফলিত কৰাত নাট্যকাৰ জ্যোতিপ্ৰসাদ আগৰৱালা সফল হৈছে। বৈপ্লৱিক মনোভাৱে প্ৰেমৰ প্ৰতিষ্ঠা আৰু সমাজৰ শ্ৰেণী ব্যৱস্থাৰ বিৰুদ্ধে গৈ সত্য প্ৰতিষ্ঠাৰ দিশত কিদৰে আগবাঢ়ে, সেয়া 'কাৰেঙৰ লিগিৰী'ৰ সুন্দৰ কোঁৱৰ চৰিত্ৰই বুজাই দিছে। উচ্চ শ্ৰেণীৰ প্ৰতিনিধি সুন্দৰ কোঁৱৰৰ চৰিত্ৰত বিপ্লৱ আছে সঁচা, কিন্তু সেই বিপ্লৱ তেওঁ কৰিছে পুৰণি সমাজৰ কুসংস্কাৰ, অন্ধবিশ্বাস, ভুল অনুষ্ঠান আৰু তথাকথিত উচ্চশ্ৰেণীৰ ভণ্ডামিৰ বিৰুদ্ধে। সেইদৰে শেৱালী আৰু ৰূপালীমৰ চৰিত্ৰত সৰলতা আছে, প্ৰেম আছে, বিপৰীতে ইতিভেনৰ চৰিত্ৰত নাৰীৰ সহজাত প্ৰবৃত্তি ঈৰ্ষাৰ স্বৰূপ প্ৰতিফলিত হৈছে। ইতিভেন সাহসী, ন্যায়কাৰী, স্বজাতিৰ মৰ্যাদা আৰু গৌৰৱ সম্পৰ্কে সচেতন, কিন্তু নিজৰ স্বাৰ্থক আনৰ বাবে ত্যাগ কৰাৰ পক্ষপাতি নহয়। মায়াব'ৰ সাহস আছে, অন্তৰত নিঃস্বাৰ্থ প্ৰেম আছে, কিন্তু সেই প্ৰেমক অপশক্তিৰ হাতৰ পৰা, সমাজৰ কু-নীতিৰ পৰা ৰক্ষা কৰিবলৈ অপাৰগ। সেইদৰে মণিমুগ্ধৰ চৰিত্ৰত প্ৰেম, সাহস দুয়োটাই আছে, কিন্তু প্ৰেমৰ ক্ষেত্ৰত পৌৰুষ কামনাই আগস্থান পাইছে। ৰাজমাও চৰিত্ৰই পৰম্পৰাগত ন্যায় নীতিক প্ৰতিনিধিত্ব কৰাৰ বিপৰীতে কাঞ্চনমতীয়ে তাৰ বিদ্ৰোহ কৰিছে যদিও এইবোৰ ভাঙি ওলাই যোৱাৰ সাহস কৰা নাই। দুয়োখন নাটকৰে বিষয়বস্তু আৰু চৰিত্ৰ ৰূপায়ণত ইব্চেন আৰু শ্ব'ৰ লেখিয়াকৈ সমাজ বাস্তৱতাৰ চিন্তামূলক আলোচনা-বিশ্লেষণ আছে। তদুপৰি দুয়োখন নাটকৰ ভাষা, কথোপকথনৰ গদ্য, বিশদ মঞ্চ নিৰ্দেশনা আদিৰো ইব্চেন আৰু শ্ব'ৰ নাটকৰ সৈতে আলোচনা কৰিব পাৰি। ইব্চেন, শ্ব' বা গেল্ছৱৰ্থিৰ নাটকসমূহত যিদৰে বহল মঞ্চ নিৰ্দেশনা, কাব্যধৰ্মী আৰু স্পষ্ট ভাষাত সংলাপ ব্যৱহাৰ হৈছে, জ্যোতিপ্ৰসাদৰো দুয়োখন নাটকতে আমি এনেবোৰ লক্ষণ দেখা পাওঁ। 'কাৰেঙৰ লিগিৰী'ত নাট্যকাৰে শেষৰ ফালে যি শোকাৱহ পৰিণতি আৰু অৱস্থাৰ সৃষ্টি কৰিছে তাক শ্বেইক্সপীয়েৰৰ ট্ৰেজেডিৰ প্ৰভাৱো বিদ্যমান। সেইদৰে 'ৰূপালীম' নাটকৰ বিষয়বস্তু উপস্থাপন আৰু কলা-কৌশলত ইব্চেন, শ্ব'ৰ প্ৰভাৱ আছে যদিও নাট্যকাৰে নাটকখনৰ কাহিনীভাগে বেলজিয়াম

নাট্যকাৰ মৰিছ মেটাৰলিংকৰ 'মান্না ভান্না' নাটকৰ কাহিনীক আধাৰ হিচাপে লৈ ৰচনা কৰিছে। তেওঁ মেটাৰলিংকৰ ভান্না চৰিত্রটোক 'ৰূপালীম'ত ৰূপালীম আৰু ইতিভেন এই দুটা চৰিত্রত বিভাজন কৰি দেখুৱাইছে। সেইদৰে 'মান্নাভান্না'ৰ প্রিঞ্জিভেল আৰু গুইডো চৰিত্র দুটাৰ কার্য আৰু প্রকৃতিৰ সাল-সলনি ঘটাই মণিমুগ্ধ আৰু মায়াব' চৰিত্রৰ ৰূপায়ণ কৰিছে। নাটকখনৰ পৰিৱেশ, পটভূমি, চৰিত্র সৃষ্টি সকলোতে তেওঁ মৌলিকতাৰ পৰিচয় দিছে বাবে মেটাৰলিংকৰ নাটকখনৰ ছাঁটোহে ইয়াত দেখা যায়।

১৯৪০ চনৰ পিছতহে বাস্তৱবাদী চিন্তাধাৰাৰ প্রয়োগ অসমীয়া নাটকত বেছিকৈ হ'বলৈ ধৰে যদিও জ্যোতিপ্রসাদৰ হাতত এই ধাৰাৰ নাটকৰ অংকুৰণ বিংশ শতিকাৰ তৃতীয় দশকতে হৈছিল। দ্বিতীয় মহাযুদ্ধৰ প্রভাৱে এই সময়ছোৱাত সমগ্র বিশ্বৰ লগতে ভাৰত তথা অসমকো কম-বেছি পৰিমাণে চুই যোৱাৰ কথা ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। যিয়ে ব্যক্তিৰ জীৱনৰ বাস্তৱ ৰূপ আৰু মানসিকতা সকলোকে সলনি কৰি পেলাইছিল। তদুপৰি ভাৰত তথা অসমত ব্রিটিছৰ শাসন ব্যৱস্থা ইয়ো ভাৰতীয় তথা অসমীয়া মানুহক আমুৱাইছিল। মহাত্মা গান্ধীৰ দর্শনে সকলোকে আপ্লুত কৰিছিল যাৰ বাবে সকলো জাতীয় সংগ্রামত নামি পৰিছিল। মানুহৰ জাতীয় আৰু ব্যক্তিগত সমস্যা, সংঘাতবোৰো বাঢ়ি অহা দেখা গৈছিল, পাশ্চাত্য জীৱনধাৰাই মানুহৰ মন চুই গৈছিল আৰু বহুকাল ব্রিটিছৰ অধীনত থাকি থাকি তেওঁলোকৰ জীৱন আৰু মানসিকাতত পাশ্চাত্য জীৱনধাৰাবোৰো প্রভাৱ আহিছিল। মানুহে পূর্বৰ ৰোমাণ্টিক ভাবধাৰাৰ পৰা আঁতৰি বাস্তৱ সমাজৰ সৈতে আগুৱাই যাবলৈ শিকিছিল, যাৰ প্রভাৱ অসমীয়া নাট্যকাৰসকলৰ মনতো পৰিছিল। এই সময়ছোৱাত অসমৰ সমাজ-জীৱনত দেখা দিয়া নানান সমস্যা, যেনে- ৰাজনৈতিক সংঘাত, শোষণ-পীড়ন, প্রেম-অপ্রেম, ঈর্ষা-অসূয়া আদিক বিষয়বস্তু হিচাপে লৈ নাট্যকাৰসকলে পাশ্চাত্য বাস্তৱবাদী নাটকৰ প্রভাৱে ৰচনা কৰা অসমীয়া নাটকৰ ভিতৰত— সাৰদা বৰদলৈ আৰু কৃষ্ণানন্দ ভট্টাচার্যৰ 'মগৰীৱৰ আজান' (১৯৪৮), সাৰদা বৰদলৈৰ 'পহিলা তাৰিখ' (১৯৫৬), 'সেই বাটেদি' (১৯৬৭), অনিল চৌধুৰীৰ 'প্রতিবাদ' (১৯৫৩), প্রবীন ফুকনৰ 'শতিকাৰ বান' (১৯৫৪), 'বিশ্বৰূপা' (১৯৬১), গিৰীশ চৌধুৰীৰ 'মিনা বজাৰ' (১৯৫৮), সর্বেশ্বৰ চক্রৱর্তীৰ 'অভিমান' (১৯৫২), সত্যপ্রসাদ বৰুৱাৰ 'শিখা' (১৯৫৭), 'জ্যোতিৰেখা' (১৯৫৮), ফণী শর্মাৰ 'চিৰাজ' (১৯৫৭), 'নাগপাশ', 'কিয়' (১৯৬৩), 'সুৰেশ গোস্বামীৰ 'ভঙাগঢ়া' (১৯৫৯), 'নতুন জীৱন' (১৯৬৩), অৰুণ শর্মাৰ 'জিন্‌টি' (১৯৬২), 'উৰুখা পঁচা' (১৯৬৪), লক্ষ্যধৰ চৌধুৰীৰ 'নিমিলা অংক' (১৯৬৫), ফণী তালুকদাৰৰ 'জুয়ে পোৰা সোণ' (১৯৬৭), 'অগ্নি পৰীক্ষা', প্রফুল্ল বৰাৰ 'সাকোঁ' (১৯৬৮), 'বৰুৱাৰ সংসাৰ' আদি উল্লেখযোগ্য। উল্লিখিত নাটকসমূহত পাশ্চাত্য নাটকৰ বিশেষকৈ ইব্‌চেন, শ্ব', গেল্‌ছৱর্থি আদি নাট্যকাৰৰ বাস্তৱধর্মী নাট্যৰীতিৰ প্রয়োগ ঘটা দেখা যায়। কিন্তু এওঁলোকৰ দৰে জীৱনৰ সমস্যাৰ প্রতি গভীৰ দৃষ্টিভংগী, প্রয়োগৰীতিৰ নতুনত্ব আৰু মানৱ মনৰ বিশ্লেষণ পুংখানুপুংখ ৰূপত হোৱা কোনোখন নাটকতে পৰিলক্ষিত নহয়।

১৯৪০-১৯৭০ চনৰ সময়ছোৱাৰ ভিতৰত ইব্‌চেনকে ধৰি বিভিন্নজন পাশ্চাত্য নাট্যকাৰৰ নাটক অসমীয়ালৈ অনুবাদ অভিযোজনা কৰা হৈছিল। শ্বেইক্সপীয়েৰৰ পিছত এই সময়ছোৱাৰ পৰা অন্য পাশ্চাত্য নাট্যকাৰৰ নাটকৰ অনুবাদৰ ধাৰাটোলৈ লক্ষ্য কৰিলে দেখা যায় যে ইতিমধ্যে অসমীয়া নাট্যকাৰসকলে পাশ্চাত্য নাটকৰ বিষয়ে অধ্যয়নৰ কাৰণে এখন বহল ক্ষেত্ৰ বিচাৰি পাইছিল আৰু তাৰ প্রভাৱেৰে অসমীয়া নাটকত নতুন নতুন পৰীক্ষা-নিৰীক্ষা কৰাৰ লগতে অনুবাদ-অভিযোজনাৰ যোগেদিও অসমীয়া নাটকৰ ক্ষেত্রখনলৈ যথেষ্ট অৱদান আগবঢ়াবলৈ সক্ষম হৈছিল। ১৯৪৬ চনত সুৰেশ গোস্বামীয়ে ইব্‌চেনৰ 'The Vikings at Helgaland' নাটখন 'ৰুণুমী' নামেৰে কৰা অভিযোজনাই হ'ল শ্বেইক্সপীয়েৰৰ পিছত অন্যান্য পাশ্চাত্য নাট্যকাৰৰ দ্বাৰা প্রভাৱিত প্রথম অসমীয়া অনূদিত নাটক। ইয়াৰ পিছত ইব্‌চেনৰ 'A Doll's House' নাটকখন পদ্ম বৰকটকীয়ে 'পুতলা ঘৰ' (১৯৫১) নামেৰে, 'The wild Duck' খন সত্যপ্রসাদ বৰুৱাই 'বনহংসী' (১৯৬২) নামেৰে, 'Ghosts' নাটকখন মহেন্দ্র বৰাই 'ভূত' (১৯৬৫) নামেৰে অসমীয়ালৈ অনুবাদ কৰিছে। ইয়াৰ উপৰি এই সময়ছোৱাত অন্যান্য পাশ্চাত্য নাট্যকাৰৰ ভিতৰত চফ'ক্লিজৰ 'king Oedipus' খন সত্যপ্রসাদ বৰুৱাই 'ৰজা অভিপাছ' (১৯৬৪) নামেৰে, শ্বেখভৰ 'The Cherry Orchard' খন কনক মহন্তই 'ছেৰী বাগিচা' (১৯৬২) নামেৰে, ষ্টেনলী হিউজ্‌টনৰ (Stanley Hughton) 'Bear Departed' খন সুৰেন্দ্রনাথ শইকীয়াই 'প্রেতাত্মাৰ পৰিদর্শন' (১৯৫০) নামেৰে, যোগেন চেতিয়াই 'চেনেহৰ সোঁতা' (১৯৫৭) আৰু প্রফুল্ল বৰুৱাই 'পিতৃ-বিয়োগ' (১৯৬২) নামেৰে, জে. বি. প্রেষ্টলিৰ 'An Inspector Calls' খন ফণী শর্মাই 'এন্ ইন্সপেক্টৰ কলছ্' নামেৰে, মেটাৰলিংকৰ 'The Blue Bird' খন অতুলচন্দ্র হাজৰিকাই 'নীলা চৰাই' নামেৰে কৰা অনুবাদ উল্লেখযোগ্য। এইখিনিতে উল্লেখ কৰিব পাৰি ইব্‌চেনকে ধৰি অন্যান্য পাশ্চাত্য নাট্যকাৰসকলৰ নাটক বিংশ শতিকাৰ আশী-নব্বৈৰ দশকতো অনুবাদ হোৱা দেখা যায়। ক'ব পাৰি বিংশ শতিকাৰ আশীৰ দশকৰ শেষৰ পিনে অসমীয়া নাট্যধাৰাই পাশ্চাত্য নাট্যৰীতিৰ পৰা আঁতৰি আহি পৰম্পৰাগত নাট্যৰীতি গ্রহণ কৰিলেও অনুবাদ নাটকৰ জৰিয়তে যে পাশ্চাত্য নাট্যকাৰৰ প্রভাৱ, অসমীয়া নাট্যকাৰৰ মনত সোমাই আছিল, সেয়া জনা যায়।

১৯৪০-১৯৭০ চনৰ সময়ছোৱাৰ ভিতৰত অসমীয়া নাটকে পাশ্চাত্য নাট্যৰীতিৰ বহল পৰিসৰ এটা নিজৰ মাজত সামৰি ল'লেও নির্দিষ্টকৈ ক'বলৈ গ'লে ইব্‌চেনৰ প্রভাৱিত নাটকৰ সংখ্যাহে এই সময়ছোৱাত বেছি দেখা যায়। অৱশ্যে সত্তৰৰ দশকৰ শেষৰ ফালে অসমীয়া নাটকলৈ এবছার্ড, এপিক, মনোবিশ্লেষণধর্মী আদি ধাৰাৰ নাট্যকাৰ আৰু নাটকৰ প্রভাৱ পৰা দেখা যায়। অৰুণ শর্মাৰ 'শ্রী নিবাৰণ ভট্টাচার্য' (১৯৬৭) নাটকখনকে ইয়াৰ আৰম্ভণি বুলি ক'ব পাৰি। নাটকখনক এবছার্ড নাটকৰ এটি ক্ষীণ প্রভাৱ পৰিলক্ষিত হয়। এই সম্পর্কে পৰৱর্তী অধ্যায়ত আলোচনা কৰা হ'ব।



জানি থোৱা ভাল

● ১৯২৮ চনত নৰৱেত জন্ম গ্ৰহণ কৰা হেনৰিক ইব্‌চেনৰ হাতেতে বাস্তৱধৰ্মী নাটকে এটি পৰিপক্ক ৰূপ লাভ কৰিছিল। 'A Doll's House' (১৮৭৯) তেওঁৰ প্ৰথমখন বাস্তৱধৰ্মী নাটক। ইয়াৰ উপৰি 'The Vikings at Helgaland' (১৮৫৭), 'The Wild Duck' (১৮৮৪), 'Glosts' (১৮৮১), 'The Enemy of the people' (১৮৮২) আদি ইব্‌চেনৰ ৰচিত বিখ্যাত বাস্তৱধৰ্মী নাটক।

ইব্‌চেনৰ সমসাময়িক ছুইডেনৰ নাট্যকাৰ আগষ্ট ষ্ট্ৰিণ্ডবাৰ্গৰ কেইখনমান বাস্তৱধৰ্মী নাটক হৈছে— 'The Father' (১৮৮৭), 'Creditors' (১৮৮৮), 'Miss Julie' (১৮৮৮), 'A Dream play' (১৯০২) আদি।

● বিংশ শতিকাৰ ৰাছিয়াৰ নাট্যকাৰ লিঅ'টলষ্টয়' মেক্সিম গৰ্কী, আষ্টন শ্বেখভ আদিৰ সময়তে ১৮৯৭ চনত মস্কোত 'আৰ্টথিয়েটাৰ' গঢ় লৈ উঠিছিল। এওঁলোকে ইব্‌চেনৰ নাট্যৰীতিক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। যাৰ বাবে ৰাছিয়াত গঢ় লৈ উঠা বাস্তৱধৰ্মী নাটকৰ নতুন ধাৰাটোক সমাজতান্ত্ৰিক বাস্তৱধৰ্মী ধাৰা হিচাপে চিহ্নিত কৰা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাস্তৱবাদী নাটকত কি প্ৰদৰ্শন কৰা হয়?

(৭৫ টা শব্দৰ ভিতৰত)



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পাশ্চাত্য নাট্যকাৰ শ্বেইক্সপীয়েৰ আৰু তেওঁৰ নাটকৰ পিছত অসমীয়া নাটকলৈ অহা অন্য পাশ্চাত্য নাটক আৰু নাট্যকাৰৰ ৰচনাৰীতিৰ প্ৰভাৱ সম্পৰ্কে জানিব পাৰিলো।
- ১৯৪০-১৯৭০ চনৰ সময়ছোৱাৰ ভিতৰত ৰচিত নতুন নতুন ধাৰাৰ অসমীয়া নাটকৰ বিষয়ে আভাস পালো।
- ১৯৪০-১৯৭০ চনৰ সময়ছোৱাৰ ভিতৰত ৰচিত অসমীয়া নাটকৰ পটভূমি সম্পৰ্কে গম পালো।



৭.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। ভট্টাচার্য, বসন্ত কুমাৰ (২০১১) ঃ অসমীয়া নাটকৰ সমীক্ষা; নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম।

২। ভট্টাচার্য, বসন্ত কুমাৰ (২০০৪) ঃ নাটকৰ বর্ণমালা; নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম।

৩। ভৰালী, শৈলেন (২০১৩) ঃ অসমীয়া নাটক; স্বৰাজোত্তৰ কাল; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্রপ্রকাশ।

৪। মহন্ত, পোনা (২০০৪) ঃ নাটকৰ কথা; ডিব্রুগড় ঃ বনলতা।

৫। ৰাজবংশী, পৰমানন্দ (সম্পা.) (২০০৮) ঃ অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিৱর্তন; গুৱাহাটী ঃ চন্দ্রপ্রকাশ।

৬। ৰাজবংশী, পৰমানন্দ; ৰাজবংশী, নচিফা ইছলাম; বড়ো, কৰবী খেৰকটাৰী (সম্পা.) (২০০৭) ঃ অসমীয়া নাট্য-সাহিত্য পৰম্পৰা আৰু পৰিৱর্তন; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৭। শর্মা, সত্যেন্দ্রনাথ (২০১১) ঃ অসমীয়া নাট্য সাহিত্য; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।



৭.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ বাস্তৱবাদী নাটক বুলিলে কি বুজে ..... বাস্তৱবাদী নাটকত কি কি দিশ প্রদর্শন কৰা হয় তাৰ চমু লেখ।



৭.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ১৯৪০-১৯৭০ চনলৈ অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ সম্পর্কে এটি প্রৱন্ধ প্রস্তুত কৰক।

প্রশ্ন ২ ঃ অসমীয়া নাটকত ইব্‌চেনৰ নাট্যৰীতিৰ প্রভাৱ সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ (১৯৭০-২০০০)

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ১৯৭০-২০০০ চনৰ সময়ছোৱাত ৰচিত অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৮.৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ১৯৭০-২০০০ চনৰ সময়ছোৱাৰ ভিতৰত অসমীয়া নাটকলৈ কি কি নতুন ধাৰাৰ আগমন ঘটিল, সেই সম্পর্কে ধাৰণা লাভ কৰিব
- ১৯৭০-২০০০ চনৰ সময়ছোৱাত ৰচিত অসমীয়া নাটকৰ পটভূমি সম্পর্কে গম পাব।
- ১৯৭০-২০০০ চনৰ সময়ছোত কোন কোন পাশ্চাত্য নাট্যকাৰৰ কি কি ৰচনাৰীতিৰ প্রৱেশ ঘটিল, সেই সম্পর্কে আভাস পাব।

৮.২ পৰিচয়

পূর্বৰ অধ্যায়ত আমি ১৯৪০-১৯৭০ চনৰ সময়ছোৱাত অসমীয়া নাটকলৈ অহা নতুন নতুন পাশ্চাত্য নাট্যধাৰা আৰু ৰীতি-নীতি সম্পর্কে আলোচনা কৰিছিলোঁ। অৱশ্যে ১৯৭০ চনৰ পিছতহে অসমীয়া নাটকে একেলেথাৰিয়ে কেইবাটাও নতুন নতুন পাশ্চাত্য নাট্যধাৰাক নিজৰ মাজত সুমুৱাই লৈছিল। সেইবোৰৰ ভিতৰত - এবছার্ড, এপিক, মনোবিশ্লেষণধর্মী ধাৰা উল্লেখযোগ্য। ইব্চেনৰ বাস্তৱবাদী ধাৰাৰে নাটক ৰচনা কৰাৰ পিছত অসমীয়া নাটকত আৰম্ভ কৰিছিল। জার্মান কবি, নাট্যকাৰ পৰিচালক বার্টোল্ট ব্রেখেট, চেমুৱেল বেকেট, ইউজিন আয়নেস্ক' আর্থাৰ আদামড, জ্যা জেনেট, আর্থাৰ মিলাৰ আদি নাট্যকাৰসকলৰ মন প্রভাৱিত কৰিছিল। সেয়ে দেশীয় বিষয়বস্তুৰ লগত মিলাকৈ তেনেধৰণৰ পৰীক্ষা নিৰীক্ষা কিছুমান কৰাত গুৰুত্ব দিছিল। ইয়াৰ উপৰি দ্বিতীয় বিশ্বযুদ্ধই অসমৰ সমাজ জীৱনলৈও কঢ়িয়াই অনা নিসংগতা আৰু নৈৰাজ্যবোধ, সমগ্র বিশ্বজুৰি তোলপাৰ কৰা বিজ্ঞানৰ নিত্য-নতুন আৱিষ্কাৰ, হাইজেনবার্গৰ 'Principle of Indetermiancy', আইনষ্টাইনৰ আপেক্ষিকতাবাদ,

চিগমাণ্ড ফ্রয়েডৰ মনোবৈজ্ঞানিক তত্ত্ব, এলেব্যেৰ ক্যেসুৰ এবছার্ড ধাৰণা, নীৎসেৰ ঈশ্বৰৰ সম্পৰ্কীয় ধাৰা আদিয়ে বিশ্বৰ ব্যক্তিমানসৰ লগতে অসমৰ জনমানস জীৱনপঞ্জী আৰু বৌদ্ধিক চিন্তা-চৰ্চাতো অন্তঃসাৰ শূন্যতা, বিশ্বাসহীনতা আৰু ছিন্নমূল ধাৰণা কিছুমানৰ জন্ম দিছিল। সেয়ে সমাজৰ বাস্তৱধৰ্মী সমস্যাবোৰৰ পৰা আঁতৰি আহি অসমীয়া নাট্যকাৰসকলে বিশ্ব-নাট্যধাৰাত চলা নতুন নতুন চিন্তা-চৰ্চা আৰু পৰীক্ষা-নিৰীক্ষাবোৰ নিজেও কৰি চাইছিল। এই অধ্যায়ত ১৯৭০-২০০০ চনৰ সময়ছোৱাত অসমীয়া নাট্য-সাহিত্যত নতুন নতুন পাশ্চাত্য নাট্যধাৰাৰ প্রভাৱ আৰু পৰীক্ষা-নিৰীক্ষা সম্পৰ্কে অৱগত হ'ব পাৰিব।

৮.৩ ১৯৭০-২০০০ চনৰ সময়ছোৱাত ৰচিত অসমীয়া নাটকত পাশ্চাত্য প্রভাৱ

১৯৭০ চনৰ পৰা অসমীয়া নাটকত ইব্‌চেনীয় নাট্যৰীতিৰ সলনি নতুন নতুন পাশ্চাত্য নাট্যধাৰা আৰু নাট্যৰীতিৰ পৰীক্ষা-নিৰীক্ষা চলিবলৈ ধৰিছিল, যদিও এচাম নাট্যকাৰে ১৯৭০-২০০০ চনৰ সময়ছোৱাৰ ভিতৰতো ইব্‌চেনৰ বাস্তৱবাদী নাট্যৰীতিতে নাটক ৰচনা কৰিছিল। তেনে নাটকসমূহৰ ভিতৰত সাৰদা বৰদলৈৰ 'উপহাৰ' (১৯৭২), ধনচন্দ্র দাসৰ 'পৃথিৱীপুত্র' (১৯৭১), ৰুদ্র চৌধুৰীৰ 'ঘেৰাও' (১৯৭২), অমৰ পাঠকৰ 'প্রতিকাৰ' (১৯৭৩), হৰেন ডেকাৰ 'ইন্দ্রজাল' (১৯৭৩), জিতেন শর্মাৰ 'সৰু বোৱাৰী' (১৯৭৪), টিকেন্দ্রজিৎ মজুমদাৰৰ 'জীৱন তৃষ্ণা' (১৯৭৬), 'অভিনন্দন' (১৯৭৮), আব্দুল মজিদৰ 'বঞ্চিতা', 'চোৰ', নগেন শর্মাৰ 'উল্কাৰ জুঁই', বসন্ত কুমাৰ ভট্টাচার্যৰ 'গ্রহণ মুক্তি' (১৯৮২), 'সময় বৃত্ত' (১৯৮৩), মহেন্দ্র বৰঠাকুৰৰ 'বলিয়া হাতী' (১৯৯৬) আদি। ইয়াৰ উপৰি এচাম নাট্যকাৰে আকৌ ইব্‌চেনীয় চাক্ষুস বাস্তৱতাৰ পৰা আঁতৰি আহি প্রতীকী ব্যঞ্জনাৰ সহায়ত মিতব্যয়ী সংলাপেৰে, দৃশ্য আৰু শ্রব্য দুয়োটা দিশতে অধিক গুৰুত্ব দি ইব্‌চেনীয় নাট্যৰীতি প্রয়োগেৰে সমাজৰ কু-সংস্কাৰ, দুর্নীতিৰ স্বৰূপ দাঙি ধৰি এখন সুস্থ, নিকা আৰু প্রগতিশীল সমাজ স্থাপনত গুৰুত্ব দিলে। তাৰ ভিতৰত অৰুণ শর্মাৰ 'চিঞৰ' (১৯৭২), 'বুৰঞ্জী পাঠ' (১৯৭৪), হিমেন্দ্র বৰঠাকুৰৰ 'বাঘ' (১৯৭২), মহেন্দ্র বৰঠাকুৰৰ 'জন্ম' (১৯৭৬), 'মুখ্যমন্ত্রী' (১৯৮৯) আৰু শেহতীয়াকৈ 'আঁহতগুৰিৰ নতুন বাট' (২০০২) আলি হাইদৰৰ 'অহৈতুকী স্বদেশ প্রীতি' (১৯৭২), 'এটা চোলাৰ কাহিনী' (১৯৭৫), 'এলান্ধ পাহাৰ' (১৯৭৭), 'এখন নিলাজ মানুহৰ দেশ) (১৯৭৫), 'ধুমুহা পক্ষীৰ নীড়' (১৯৭৭), 'নাস্তিক' (১৯৮৫), 'এক দিন কা বাদশ্বাহ' (১৯৯১), অখিল চক্রৱর্তীৰ 'উত্তৰ পুৰুষ' (১৯৮০ , 'আমি স্বপ্নাতুৰ' (২০০০), মুনীন শর্মাৰ 'সভ্যতাৰ সংকট' (১৯৯০), মুনীন ভূঞাৰ 'হাতী আৰু ফান্দী' (২০০০), 'সন্ধিক্ষণ' (২০০০) আদি উল্লেখযোগ্য। এইখিনিতে ক'ব লাগিব -- এই নাট্যকাৰসকল ইব্‌চেনীয় বাস্তৱধৰ্মী নাট্যৰীতিক নতুন মাত্রা প্রদান কৰি সমাজতান্ত্রিক বাস্তৱধৰ্মী নাট্যধাৰা হিচাপে চিনাক্ত কৰা ৰাছিয়াৰ নাট্যকাৰ টলষ্টয়, মেকছিম গৰ্কী, আণ্টন শ্বেখভ আদিৰ দ্বাৰাহে প্রভাৱিত হৈছিল আৰু এই নব্য বাস্তৱধৰ্মী ধাৰাটোৰ পৰীক্ষা-নিৰীক্ষাই তেওঁলোকে কৰিছিল।

অসমীয়া নাট্যকাৰসকলে শ্বেইকছীয়েৰ বা ইব্‌চেনৰ নাটকৰ বিষয়বস্তু আৰু আংগিক দুয়োটাই গ্রহণ কৰিছিল, কিন্তু বার্টোল্ট ব্রেখটৰ ক্ষেত্রত তেওঁৰ নাট্য উপস্থাপন ৰীতিটোকহে বেছি গ্রহণ কৰা দেখা যায়। কিয়নো ব্রেখটে নাটকৰ জৰিয়তে দর্শকক আনন্দ যোগান ধৰাতকৈ

শিক্ষা প্রদান আৰু সাম্যবাদী আদর্শৰ প্রচাৰ প্রসাৰতহে গুৰুত্ব দিছিল। ব্রেখটৰ মতে দর্শক নাটক পৰিদর্শনৰ সময়ত আৱেগিক হৈ পৰিলে দর্শকৰ নিজ চিন্তা শক্তি লুপ্ত হ'ব আৰু নাট্যকাৰ আৰু অভিনেতাৰ ভাব-অনুভূতিৰ দ্বাৰা পৰিচালিত হ'ব। তেতিয়া নাটকখনৰ মূল তাৎপর্য বিশ্লেষমত ব্যর্থ হ'ব। ব্রেখট যিহেতু দুয়োখন বিশ্বযুদ্ধৰ প্রত্যক্ষদর্শী হোৱাৰ লগতে মাকর্ছ আৰু হেগেলৰ দর্শনৰ দ্বাৰাও প্রভাৱিত হৈছিল আৰু সমকালীন জার্মানীত যুদ্ধৰ বিভীষিকা, অস্থিৰতা, অনিশ্চয়তা অভাৱ আদিয়ে সমাজ-সংস্কৃতি-সাহিত্যৰ ক্ষেত্রখনলৈ কঢ়িয়াই অনা অনিশ্চয়তাৰ স্বৰূপ প্রত্যক্ষ কৰিব পাৰিছিল। সেয়ে নাটকৰ জৰিয়তে বুর্জোৱা চিন্তা-চর্চাৰ বাহিৰৰ নতুন বিষয়বস্তু কিছুমান মানুহৰ অন্তৰ-জগতত প্রতিষ্ঠা কৰি মহাকাব্যিক ৰীতিৰ ধৰণেৰে উপস্থাপন কৰিদেখুৱাইছিল। 'নাটকত আধুনিকতা' শীর্ষক প্রবন্ধত পোনা মহন্তই লিখিছে --'ব্রেখটোও পোনতেই সেই সময়ত জার্মানী তথা সুৱোপত জনপ্রিয় হৈ থকা ৰোমাণ্টিক, ভাববাদী, আৱেগপ্রধান নাটক ৰচনা কৰিছিল যদিও পিছলৈ সমাজবাদী চিন্তা-চর্চাত বিশ্বাসী আৰু ব্রতী হৈ এক নতুন নাট্যশৈলী প্রৱর্তন কৰিবলৈ সক্ষম হয়।' (পৃ. ৮৬) ব্রেখটে এক নতুন নাট্যৰীতি প্রৱর্তন কৰাৰ যোগেদি মানুহ আৰু সমাজৰ নিৰৱচ্ছিন্ন পৰিৱর্তন সম্পর্কে দেখুৱাব খুজিছিল। অস্কাৰ দা ব্রেকেট (Oscar the Brackett) নামৰ সমীক্ষক গৰাকীয়ে 'The Theatre : An Introduction'ত ব্রেখটৰ নাট্যৰীতি সম্পর্কত তিনিটা কথা উল্লেখ কৰিছে --- ঐতিহাসিকৰণ (Historification), বিচ্ছিন্নকৰণ (Alienation) আৰু মহাকাব্যিক শৈলী (Epic Style), (ভৰালী, পবিত্র (২০০০); 'বাটোল্ট ব্রেখট ঃ মহাকাব্যিক নাটক'; গগৈ, মৃণাল কুমাৰ (সম্পা.); 'নাটক', ড্রিাবৈ ঃ গৰিয়সী সংঘ; পৃ. ৩০০) এই তিনিটা উপকৰণৰ সমাহাৰ ঘটাই ব্রেখটে নাটকত দর্শক আৰু অভিনেতাৰ মাজত 'একাত্মহীনতা'ৰ স্থাপন কৰিছিল। তেওঁৰ মতে নাটকৰ দর্শক মহাকাব্যৰ পাঠকৰ দৰে হ'ব লাগে আৰু নাটক এৰিষ্টট'লৰ নাটকৰ দৰে নাটকীয় হোৱাতকৈ মহাকাব্যৰ দৰে বর্ণনাত্মক হ'ব লাগে যাতে তাত আৱেগ-অনুভূতিৰ সলনি বৈজ্ঞানিক সমাজবাদহে প্রতিষ্ঠা হয়। 'নাটক আৰু নাট্যকাৰ' গ্রন্থত পোনা মহন্তই ব্রেখটৰ 'এপিক থিয়েটাৰ' সম্পর্কে আলোচনা কৰোতে কৈছে --'ব্রেখটীয় নাটকৰ মূল লক্ষ্য হৈছে নাটকে যাতে দর্শকৰ মনত তীব্র আৱেগ-নুভূতিৰ সলনি চিন্তাৰহে উদ্রেক কৰে তাৰ যত্ন লোৱা আৰু দর্শকেও যাতে নাটকৰ চৰিত্রৰ লগত একাত্মবোধ অনুভৰ কৰাৰ পৰিৱর্তে নিৰপেক্ষ পর্যবেক্ষণৰৰ ভূমিকা লৈ এইবোৰৰ প্রতি সমালোচনামূলক দৃষ্টিভংগীহে গ্রহণ কৰে তালৈ চকু দিয়া।' (পৃ. ৭৯)

মার্ক্সবাদী আৰু বৈপ্লৱিক চিন্তাধাৰাৰ প্রকাশ থকা 'The Three Penny Opera' (১৯২৮) শীর্ষক নাটকত ব্রেখ্টে তেওঁৰ প্রৱর্তিত মহাকাব্যিক (Epic) নাটকৰ বিষয়ে লিখিছে --'Today when human character must be understood as the totality of all social conditions the epic form is the only one that can comprehend all the processes which could serve the drama as material for a fully representetive picture of the world.'('Three Penny Opera', Called plays of Bertalt Brecht, Methun drama,

New Ed. 30, Aug 1994) ব্রেখটৰ নাটকত ঐতিহাসিকৰণ, বিচ্ছেদীকৰণ আৰু মহাকাব্যিক শৈলী -- এই তিনিটা বৈশিষ্ট্যৰ যি সমাহাৰ দেখা যায়, তাক আমি শংকৰদেৱৰ অংকীয়া নাটৰ সৈতে ৰিজাই চাব পাৰো --

ক) ঐতিহাসিকৰণ (Historification, অতীত কাহিনী) - শংকৰদেৱৰ কেওখন নাটৰ কাহিনী ভাগৱত, ৰামায়ণ, হৰিবংশ আদি প্ৰাচীন ধৰ্মপুথিৰ পৰা লোৱা, সেইদৰে ব্রেখটৰ 'দি গুড অমেন অৱ চেজুৱা', 'দি ককেচিয়ান ক্বে চাৰ্কল', 'মাদাৰ কাৰেজ এণ্ড হাৰ চিলড্রেন', 'দি থ্রি পেনী অপেৰা' আদি এপিক নাটকৰো কাহিনী ইতিহাসৰ ঘটনা আৰু প্ৰাচীন জনশ্রুতিৰ ওপৰত প্রতিষ্ঠিত। শংকৰদেৱৰ উদ্দেশ্য যিদৰে একশৰণ ধৰ্ম প্রতিষ্ঠাৰ জৰিয়তে সমাজৰ পৰা কু-সংস্কাৰ আঁতৰোৱা, সেইদৰে ব্রেখ্টোও সাধাৰণ শ্রেণীৰ লোকক বুৰ্জোৱা শাসনৰ পৰা মুক্ত হ'বলৈ শ্রেণী সংগ্রামৰ পথলৈ আহ্বান জনাইছিল।

খ) বিচ্ছেদীকৰণ (নাটকৰ চৰিত্র, অভিনেতা আৰু দৰ্শক) - শংকৰদেৱৰ নাটৰ চৰিত্র সূত্রধাৰে নান্দী, প্রৰোচনা আৰু প্রস্তাৱনাৰ জৰিয়তে দৰ্শকক নাট্যবস্তু আৰু নাট উপস্থাপনৰ উদ্দেশ্যৰ বিষয়ে অৱগত কৰি সাৱধানে নাট চাবলৈ, নাটৰ কথা বস্তু অনুধাৱন কৰিবলৈ আহ্বান জনায়। সেইদৰে ব্রেখ্টেও তেওঁৰ নাটকত চৰিত্রৰ সংলাপৰ যোগেদি কাহিনীৰ সৈতে অভিনেতা আৰু দৰ্শকৰ কোনো ধৰণৰ পোনপটীয়া সম্পৰ্ক যে নাথাকে তাক প্রমাণ কৰি দেখুৱাইছে। শংকৰদেৱ আৰু ব্রেখ্ট দুয়োজনেই নাট্য চৰিত্র আৰু অভিনেতাৰ মাজত বিচ্ছেদৰ সৃষ্টি কৰি দৰ্শকক বাস্তৱতাৰ সৈতে সংযোগ কৰি ৰাখিছিল। শংকৰদেৱৰ সূত্রধাৰ চৰিত্রৰ দৰে ব্রেখ্টৰ নাটকৰ চৰিত্রইয়ো পোনপটীয়াকৈ দৰ্শকলৈ সংলাপ প্রক্ষেপ কৰে।

গ) মহাকাব্যিক শৈলী (Epic style)- সাধাৰণতে মহাকাব্যসমূহত এজন বক্তা আৰু এজন বা বহুজন শ্রোতা থাকে। শংকৰদেৱৰ অংকীয়া নাটত সূত্রধাৰে এই ভূমিকা আৰম্ভণিৰ পৰা শেষলৈকে পালন কৰিছে। সেইদৰে ব্রেখ্টৰ নাটকতো মহাকাব্যৰ দৰে ব্যাখ্যা কৰা পদ্ধতি আছে, যাক সমালোচক Epic style বুলি কৈছে।

এইখিনিতে ক'ব পাৰি শংকৰদেৱৰ অংকীয়া নাটে নান্দী শ্লোক, ভটিমা, ধৈমালি আৰু মাংগলিক ভক্তি জ্ঞাপক নৃত্য-গীতৰ মাজেদি দৰ্শকক ভগৱদ ধৰ্মৰ প্রতি আকৃষ্ট কৰাই আনহাতে ব্রেখ্টৰ এপিক নাটকৰ নায়কে নাট্য চৰিত্র, অভিনেতা আৰু দৰ্শকৰ মাজত আত্মীয়তা স্থাপনত বাধা দি দৰ্শকক নাটকত প্রদর্শিত কৰা সমস্যাৰ বিৰুদ্ধে থিয় হ'বলৈ আহ্বান কৰে। ব্রেখ্টৰ নাটকত গীত, নৃত্য পোহৰ, দৃশ্যসজ্জাৰ ব্যৱহাৰ, নাট্য সংলাপ আৰু পৰিস্থিতিৰ সৈতে দৰ্শকৰ বিপৰীতমুখী সম্পৰ্ক স্থাপনৰ বাবেহে কৰা হয়। দুয়োজনৰে মাজত আদৰ্শগত মিল নাথাকিলেও নাট্যবস্তু উপস্থাপনত মিল লক্ষণীয়। দুয়োজনৰ মাজত থকা মিলসমূহলৈ লক্ষ্য কৰি বসন্ত কুমাৰ শৰ্মাই 'The Evolution of Assamese Comedy' গ্রন্থত লিখিছে --'... Our Ankiya Nats in their Qualities of clear description, the direct addressing of the audience by the sutradhara and their use of Prologues and epilogues appronimate to an epic drama in its out word from, but the affinites cannot go beyond this. They are not

Brechtion in spirit and appeal' (p. 108) ব্রেখ্‌টে তেওঁৰ নাটকত নাটকীয় গতি অব্যাহত ৰাখি দর্শকৰ মানসিকতাৰ চিন্তাৰ উদ্রেক কৰিবৰ বাবে যি ৰীতি প্ৰৱর্তন কৰিছিল তাত লুইগি পিৰাণ্ডেলো, আইজেষ্টাইন, মায়াক'ভস্কি আদি নাট্যকাৰৰ ক্রিয়াশীলতা লক্ষ্য কৰিব পাৰি। তদুপৰি এৰিক এংগেলৰ পৰিচালনা পদ্ধতি, ষ্টিণ্ডবার্গ ফ্রেংক-ব্রেডকাইণ্ডৰ কথনভংগীৰ প্রভাৱো তেওঁৰ নাটকত আছে।

বিংশ শতিকাৰ সপ্তম দশক মানৰ পৰা অসমীয়া নাটকত ব্রেখ্‌টীয় নাট্যশৈলীৰ প্রভাৱ পৰিলক্ষিত হয়। ১৯৭০ চনত ব্রেখ্‌টৰ 'The Three Penny opera' নাটকৰ বঙালী অনুবাদৰ সহায়ত ডিব্রুগড়ৰ বিজয় সংঘই সম্ভৱতঃ প্রথমবাৰৰ বাবে অসমৰ ৰংগমঞ্চত ব্রেখ্‌টীয় নাটক উপস্থাপন কৰে। অৱশ্যে এপিক থিয়েটাৰে অসমত বিশেষ আলোড়নৰ সৃষ্টি কৰিব নোৱাৰিলেও অসমীয়া নাট্যধাৰাত এক নৱতম ধাৰাৰ সংযোগ কৰিবলৈ সক্ষম হৈছিল। ১৯৭০-২০০০ চনৰ সময়ছোৱাৰ ভিতৰত ৰচিত ব্রেখ্‌টীয় নাট্যশৈলীৰ প্রভাৱ থকা অসমীয়া নাটকৰ ভিতৰত -- প্রফুল্ল বৰাৰ 'বান', সত্যপ্রসাদ বৰুৱাৰ 'নায়িকা-নাট্যকাৰ' (১৯৭৬), 'মৃণাল-মাহী' (১৯৭৭), অৰুণ শর্মাৰ 'চিঞৰ' (১৯৭৪), 'বুৰঞ্জী পাঠ', 'অদিতিৰ আত্মকথা' (২০০০), বসন্ত শইকীয়াৰ 'মৃগতৃষ্ণা' (১৯৭২), 'মানুহ' (১৯৭৭), 'অসুৰ' (১৯৭৭), 'এজন নায়কৰ মৃত্যু' (১৯৮৯), 'ভঙুৱা ৰজা', হিমেন্দ্র বৰঠাকুৰৰ 'বাঘ', 'দ্বীপ', মহেন্দ্র বৰঠাকুৰৰ 'জন্ম', যোগেন বায়নৰ 'ৰামধেনু', বিনোদ শর্মাৰ 'নাঙল', মুনীন শর্মাৰ 'সভ্যতাৰ সংকট' (১৯৯০), অতুল বৰদলৈৰ 'বৃক্ষৰ খোজ' আদি উল্লেখযোগ্য। উল্লিখিত নাটকসমূহত ব্রেখ্‌টীয় নাট্যশৈলীৰ প্রভাৱ কম-বেছি পৰিমাণে ৰক্ষিত হোৱা দেখা যায়। মুনীন শর্মাৰ 'সভ্যতাৰ সংকট' (১৯৯০), তুল বৰদলৈৰ 'বৃক্ষৰ খোজ' আদি উল্লেখযোগ্য। উল্লিখিত নাটকসমূহত ব্রেখ্‌টীয় নাট্যশৈলীৰ প্রভাৱ কম-বেছি পৰিমাণে ৰক্ষিত হোৱা দেখা যায়। মুনীন শর্মাৰ 'সভ্যতাৰ সংকট' আৰু বিনোদ শর্মাৰ 'নাঙল' নাটকত শ্রেণী সংঘর্ষৰ ৰূপায়ণত ব্রেখ্‌টীয় শৈলীৰ প্রয়োগ লক্ষণীয়। শৈলেন ভৰালীয়ে 'অসমীয়া নাটক ঃ স্বৰাজোত্তৰ কাল' গ্রন্থখনত মুনীন শর্মাৰ 'সভ্যতাৰ সংকট' নাটকৰ বিষয়ে আলোচনা প্রসংগত লিখিছে ---'অভিনেতা-অভিনেত্রীৰ সৈতে আত্মীয়তা স্থাপন নকৰি বিষয়ৰ তাৎপর্য গ্রহণ কৰাৰ চেষ্টা কৰে তাৰ বাবে ব্রেখ্‌টে অভিনয়ৰ সময়ত অভিনেতা-অভিনেত্রীৰ পৰা দর্শকক মানসিকভাৱে বিচ্ছেদ কৰি ৰখাৰ কৌশল অৱলম্বন কৰিছিল। 'সভ্যতাৰ সংকট'তো এই উদ্দেশ্যই অভিনয়ৰ মাজে মাজে কোৱাছ, প'ষ্টাৰ, গীত আদিৰ সময়েৰে ঘটনাৰ বিৱৰণ দি থকা হৈছে।' (পৃ. ৪৫-৪৭) সেইদৰে বসন্ত শইকীয়াৰ 'ভঙুৱা ৰজা' নাটকত মধ্যযুগৰ কাল্পনিক ৰজা এজনৰ কাহিনীৰ বর্ণনাৰে আৰু সূত্রধাৰৰ গীত-নৃত্য, গায়ন-বায়নৰ উপস্থাপনেৰে আৰু মহাকাব্যৰ বিৱৰণীৰ দৰে সূত্রধাৰে কোৱা সংলাপৰ যোগেদি ব্রেখ্‌টীয় নাটৰ তিনিটা গুণক প্রকাশ কৰা হৈছে।

অসমীয়া নাটকত এবছার্ড নাট্যধাৰাৰ প্রভাৱ সত্তৰৰ দশকতহে দেখা যায়। অন্যান্য পাশ্চাত্য নাটকৰ প্রভাৱ অসমীয়া নাটকত যিদৰে দেখা যায় এবছার্ড নাটকৰ প্রভাৱ তাৰ তুলনাত যথেষ্ট কম। ইয়াৰ কাৰণ হয়তু এবছার্ড নাটকত সংগতিহীন, উদ্দেশ্যহীন, অস্তিত্বহীন মানৱ জীৱনৰ অংকনেই হ'ব পাৰে। শতিকাত সংঘটিত দুখনকৈ বিশ্বযুদ্ধৰ ভয়াবহতা,

পাৱমাণৱিক অস্ত্রৱ প্রসাৱতা আদিয়ে মানৱ জীৱন মূল্যহীন কৱি তোলাৱ লগতে মানুহৱ অন্তর্জগতত যি হতাশা, ক্ষোভ আৰু বিচ্ছিন্নতাবোধ জগাই তুলিছিল, সিয়েই ফ্রান্সত বিংশ শতিকাৱ পঞ্চাশৱ দশকত এবছার্ড নাটকৱ জন্মত অৱিহণা যোগাইছিল। 'নাটক আৰু নাট্যকাৱ' গ্রন্থত এবছার্ড নাটক সম্পর্কে আলোচনা কৱোতে পোনা মহন্তই লিখিছে ---'ফৱাচী লেখক এলবার্ট কেসুৱে তেওঁৱ 'দা মিথ্ অৱ্ চিচিফাচ্' (The Myth of Sisyphus) নামৱ ৱচনাত আধুনিক মানুহৱ মনৱ অৱস্থা বুজাবলৈ 'এবছার্ড' শব্দটো ব্যৱহাৱ কৱে।' (পৃ. ৮৩) ১৯৬১ চনত 'The Theatre of the Absurd' গ্রন্থত মার্টিন এচলিনে নাটকৱ ক্ষেত্রত পোন প্রথমে 'এবছার্ড' (Absurd) শব্দটো ব্যৱহাৱ কৱে। এচলিনে গ্রন্থখনত 'Absurd' শব্দৱ অর্থ 'out of harmony' in a musical context বুলি উল্লেখ কৱিছে। তেওঁ আকৌ কৈছে -- 'In Common usage, 'Absurd' may simply mean 'ridiculous' but this is not the sense in which Camus uses the word, and in which it is used when we speak of the Theatre of the Absurd.' (P. 23) ফ্রান্সত চেমুৱেল বেকেটৱ 'Waiting for Godot' (১ম দর্শন পেৱিচ, ১৯৫৩) নাটকখনৱ পৱাই এবছার্ড নাট্যধাৱাই আন্তর্জাতিক খ্যাতি লাভ কৱিছিল। অৱশ্যে ঊনবিংশ শতিকাৱ ফৱাচী কবি, নাট্যকাৱ আলফ্রেড জেৱিককহে এবছার্ড নাটকৱ পিতৃ বুলি কোৱা হয়। এবছার্ড নাটকত ব্যক্তি জীৱনৱ নিসংগতা, হতাশা, উদ্দেশ্যহীনতা আদিৱ ছবি তুলি ধৱা হয় যদিও জীৱন-জগত সম্পর্কে সজাগতা সৃষ্টি কৱি উদ্ভট জগতখনৱ পৱা নিজক মুক্ত কৱিবলৈ ব্যক্তিয়ে নিজেই প্রয়াস কৱিব লাগিব, তাৱ পথো দেখুৱায়। চেমুৱেল বেকেটে 'Waiting for Godot' নাটক খনত বিংশ শতিকাৱ ফ্রান্সৱ মানৱ মানুহৱ অনিশ্চয়তা, উদ্দেশ্যহীনতা, বিশ্বাসহীনতা, জীৱনৱ প্রতি অনীহা আদি দিশৱ প্রকাশ কৱিছে। নাটক খনত ভলাডিমিৱ আৰু এষ্ট্রাগণ দুটা মুখ্য চৱিত্রই অসংযত কিছুমান কাম-কাজৱ জৱিয়তে 'গড' নামৱ কোনোবা এজনৱ বাবে অপেক্ষা কৱি আছে। কিন্তু গড'ৱ বিষয়ে এজনেও ভালদৱে নাজানে। হয়তু ই মানৱ জীৱনৱ এটা আশা হ'ব পাৱে য'ত মুক্তিৱ পথ লুকাই আছে। মার্টিন এচলিনেও এই 'গড' নাটকখনৱ বিষয়বস্তু নহয়, অপেক্ষা কৱাটোৱে মানৱ জীৱনৱ এটা ৱস্থা বুলি কৈছে। বেকেটৱ পিছত এবছার্ড নাট্যধাৱাক আর্থাৱ আদামভ, ইউজিন আয়নেস্ক' জ্যা জেনেট, হেৱল্ড পিষ্টাৱ, গুণ্টাৱ গ্রাছ, এডৱার্ড এলবি আদিয়ে বহুদূৱ আগুৱাই নিবলৈ সক্ষম হয়

বিংশ শতিকাৱ ষাঠিৱ দশকত বংগদেশতো বাদল সৱকাৱৱ 'এবাং ইন্দ্রজিৎ' (১৯৬২), 'পাগল ঘোঁৱা' আদি নাটকৱ জৱিয়তে এবছার্ড নাট্যধাৱাই ভাৱতীয় নাটকত প্রৱেশ কৱে। অসমীয়া নাটকত অৱশ্যে সত্তৱৱ দশকতে ইয়াৱ প্রভাৱ পৱিলক্ষিত হয়। অৰুণ শর্মাৱ 'আহাৱ' (১৯৭১) নাটকখনক এবছার্ড নাট্যধাৱা প্রভাৱিত প্রথম অসমীয়া নাটক বুলি কোৱা হয়। অৱশ্যে য়িাৱ আগতে ৱচিত 'শ্রী নিৱাৱণ ভট্টাচার্য' (১৯৫৭) নাটকখনত এবছার্ড নাটকৱ এটি ক্ষীণ প্রভাৱ পৱিলক্ষিত হয়। বিশেষকৈ ইউজিন আয়নেস্ক'ৱ '' নাটক খনৱ শেষৱ দৃশ্যত যিদৱে এজন বৃদ্ধই তেওঁৱ জীৱনৱ কথা ক'বলৈ শূন্য আসনবিলাকৱ সন্মুখত থিয় দিছে, সেইদৱে 'শ্রীনিৱাৱণ ভট্টাচার্য' নাটকৱ নিৱাৱণ ভট্টাচার্যৱো সুদীর্ঘ জীৱনৱ শিল্প সাধনাৱ বিষয়ে ক'বলৈ

নাটকখনৰ শেষৰ দৃশ্যত শূন্য আসনৰ সন্মুখত থিয় দিছে। অৰুণ শর্মাৰ 'আহাৰ' নাটকখনত বিষয়বস্তু আৰু আংগিক দুয়োটাতে এবছার্ড নাটকৰ প্রায় লক্ষণেই পোৱা যায়। এবছার্ড নাটকত কাহিনীৰ এটা সুসংহত আৰু যুক্তিসংগত ৰূপ পোৱা নাযায়। তদুপৰি প্রচলিত নাটকৰ সংগতি, সামঞ্জস্য আৰু অর্থময়তাৰ বিপৰীতে সংগতিহীনতা, সামঞ্জস্যহীনতা আৰু ঠাই বিশেষে অর্থশূন্যতা প্রকাশ কৰা হয়। এক অর্থত এবছার্ড নাটকত কাব্যিক অনুভূতিৰ প্রকাশ থাকিলেও ব্যক্তি জীৱনৰ অস্তিত্বৰ উদ্দেশ্যহীনতা আৰু অর্থহীনতাই সৃষ্টি কৰা মনৰ সংঘাতময় ৱস্থাৰ স্বৰূপহে প্রকাশ কৰা হয়। অৰুণ শর্মাৰ 'আহাৰ'তো কাহিনী ৰূপায়ন, উপস্থাপন ৰীতি, চৰিত্র চিত্রণ, সংলাপ, পৰিৱেশ সকলোতে এক অগতানুগতিকতা পৰিলক্ষিত হয়। নাটকখনত চাৰিটা ভিন্ন ক্ষেত্রৰ লগত জড়িত পুৰুষ চৰিত্রৰ বিপৰীতে এগৰাকী নাৰী চৰিত্রক অংকন কৰি ব্যক্তি জীৱনৰ কিছুমান অসংলগ্ন, সামঞ্জস্যহীন ঘটনাক তুলি ধৰাৰ চেষ্টা কৰা হৈছে। চাৰিওটা চৰিত্রই হস্পিতালৰ মর্গৰ পৰা এটা মৃত নাৰীদেহ চুৰি কৰি আনি এঠাইত পুতি থবৰ বাবে যো-যা কৰিছে আৰু সঠিক সময়লৈ অপেক্ষা কৰিছে আৰু এই অপেক্ষা কৰি থকাৰ সময়তে নাৰীগৰাকীয়ে সাৰ পাই উঠি পুৰুষ চাৰিজনৰ অৱচেতন মনত চাৰিটা ভিন্ন ৰূপত প্রৱেশ কৰি সিহঁতৰ অতীতৰ কাম-কাজ আৰু অভিজ্ঞতা কিছুমান জাগ্রত ৰূপত দেখুৱাইছে। নাৰীগৰাকীৰ মাজত নাট্যকাৰে প্রেমিকা, পত্নী, মাতৃ আৰু বেশ্যা এই চাৰিটা ৰূপ অংকন কৰি ক্রমে - কমল, নলিনী, ধীৰেন আৰু নবীন চৰিত্রৰ জীৱনৰ অভিজ্ঞতাৰ যোগেদি ব্যক্তি জীৱনত ঘটি থকা বিভিন্ন ঘটনাবোৰ তুলি ধৰিছে। নাটকখনত চেমুৱেল বেকেটৰ 'Waiting for Godot', ইউজিন আয়নেস্ক'ৰ 'Amedee or How to get Rid of it' আৰু বাদল সৰকাৰৰ 'পাগল ঘোঁৰা' নাটকৰ প্রভাৱ দেখা যায়। 'আহাৰ' নাটকখনৰ কাহিনীত 'Amedee or How to get Rid of it' আৰু 'পাগল ঘোঁৰা'ৰ প্রভাৱ আছে। যিহেতু এবছার্ড নাটকত কিছুমান অসংলগ্ন, সংগতিহীন ঘটনাক একোটা প্রতীকৰ সহায়ত কাব্যিক ৰূপত তুলি ধৰা হয়। উক্ত তিনিওখন নাটকতো এটা মৃতদেহক প্রতীক ৰূপে দেখুওৱা হৈছে। অৱশ্যে তিনিওখনৰ কেন্দ্রস্থ ভাব বেলেগ। 'Amedee or How to get Rid of it' নাটকত এহাল স্বামী-স্ত্রীৰ কোঠাত বহু বছৰ ধৰি পৰি থকা এটা মৃতদেহে বৃহৎ আকাৰ ধাৰণ কৰিছে। সেইদৰে 'পাগল ঘোঁৰা' আৰু 'আহাৰ'ত চাৰিটা চৰিত্রই এটা মৃতদেহ আগত লৈ একেধৰণৰ আচৰণ কৰিছে। 'অসমীয়া নাটক ঃ স্বৰাজোত্তৰ কাল' শীর্ষক গ্রন্থত শৈলেন ভৰালীয়ে কৈছে ---'আহাৰ'ত কমল, নলিনী, ধীৰেন আৰু নবীনে এটা তোৰণৰ তলত আৰু 'পাগল ঘোঁৰা'ত শশী, হিমাদ্রী, ছাতু আৰু কার্তিকে এখন মৰিশালীত বহি প্রায় একে ধৰণে আচৰণ কৰা দেখা গৈছে। কিন্তু নাটক দুখনৰ কেন্দ্রীয় ভাবৰ মাজত অমিল আছে। 'পাগল ঘোঁৰা'ৰ ব্যর্থ প্রেমৰ স্মৃতি 'আহাৰ'ত নাই। (পৃ. ৬১) সেইদৰে 'আহাৰ' নাটকখনৰ সংলাপত 'Waiting for Godot' নাটকৰ প্রভাৱ পৰিলক্ষিত হয়। এবছার্ড নাটকৰ সংলাপ কাব্যিক, গীতিধর্মী আৰু ব্যঞ্জনাময় হোৱাৰ যি লক্ষণ সেয়া 'আহাৰ' আৰু 'Waiting for Godot' দুয়োখন নাটকতে দেখা যায়। চুটি আৰু সহজ-সৰল সংলাপ হ'লেও 'Waiting for Godot' নাটকখনত যিদৰে চৰিত্রসমূহৰ কার্যকলাপৰ জৰিয়তে বিষয়বস্তুৰ উপস্থাপনত স্পষ্টতা আৰু ভাষাৰ গাম্ভীর্যতা প্রকাশ কৰা হৈছে, সেইদৰে

'আহাৱ'তো নাট্যকাৰে চৰিত্রসমূহৰ কার্য-কলাপৰ যোগেদি নাটকীয় পৰিস্থিতি স্পষ্ট কৰি তোলাৰ লগতে সংলাপৰ ভাষাতো অভিনৱত্ব প্রকাশ কৰি দেখুৱাইছে। যেনে 'Waiting for Godot' নাটকত ----

'Vladimir : Sometime I feel is comings all the same. Then I go all queer..... Nothing to be done. (Estragon with a ..... Looks on the ground to see if anything has fallen out, finds nothings, feel inside it again it again, staring sight lessly before him.)
well?
Estragon : Nothing.
Vladimir : Show me.
Estragon : There's nothing to show.
Vladimir : Try and put on again.

সেইদৰে 'আহাৱ'ত

'নবীন ঃ প্রেম-এগিলাচ মদ
নলিনী ঃ চেকবহীৰ এখিলা পাত
ধীৰেন ঃ ৰিভলভাৰৰ এটা শব্দ
নবীন ঃ প্রেম
নলিনী ঃ দাৰুণ
ধীৰেন ঃ চমৎকাৰ'

অৰুণ শর্মাৰ পিছত এবছার্ড নাট্যৰীতি প্রভাৱিত অসমীয়া নাটককেইখন হৈছে ---বসন্ত শইকীয়াৰ 'মৃগতৃষ্ণা' (১৯৭২), 'মানুহ' (১৯৭৭), 'অসুৰ' (১৯৭৭), গংগাপদ চৌধুৰীৰ 'জন্মলগ্ন', ঘন হাজৰিকাৰ 'এটা নির্জন দ্বীপত মৃত্যুৰ সৈতে এৰাতি', নৰেন পাটগিৰীৰ 'ৰাগ বসুন্ধৰা' আদি। বসন্ত শইকীয়াৰ 'মৃগতৃষ্ণা'নাটকখনত আয়নেস্ক'ৰ 'Amedee or How to get rid of it' নাটকখনৰ প্রভাৱ বিদ্যমান। আয়নেস্ক'ৰ নাটকখনত যিদৰেপ বৃদ্ধ দম্পতী হালৰ সপোনৰ ৱস্থা এটিৰ ৰূপায়ন কৰা হৈছে, সেইদৰে অসংলগ্ন আৰু যুক্তিহীন সংলাপৰ জৰিয়তে 'মৃগতৃষ্ণা'তো দিগন্ত হাজৰিকা নামৰ হতাশাগ্রস্ত কেৰাণীজনৰ সপোনৰ অৱস্থা এটিক নাট্যৰূপ দিয়া হৈছে। 'মানুহ' নাটকখনতো আয়নেস্ক'ৰ 'Rhinoco'ros' নাটকখনৰ প্রভাৱ দেখা যায়। আয়নেস্ক'ৰ নাটকখনত মানুহ গড়লৈ ৰূপান্তৰিত হোৱাৰ দৰে 'মানুহ' নাটকখনত মানুহে বাসৰ ৰূপ ধাৰণ কৰিছে। সেইদৰে 'অসুৰ' নাটকখনত আয়নেস্ক'ৰ 'The Lesson' নাটকখনৰ প্রভাৱ পৰিলক্ষিত হয়। 'The Lesson'ত অধ্যাপক গৰাকীৰ শাসন আৰু আচৰণে ছাত্রগৰাকীৰ মনত যিদৰে প্রতিক্রিয়া কৰিছে, সেইদৰে 'অসুৰ' নাটকতো হৰনাথ চৌধুৰীৰ আচৰণ আৰু অত্যাচাৰত নিৰুপমা নামৰ ছোৱালীজনীৰ মনৰ প্রতিক্রিয়া দাঙি ধৰাৰ চেষ্টা কৰা হৈছে। শৈলেন ভৰালীৰ ভাষাত 'আয়নেস্ক'ৰ নাটকৰ নিচিনাকৈ শইকীয়াৰ কেউখন নাটকৰ বিষয়বস্তু ৰূপায়নত নাট্যকাৰ আয়নেস্ক'ৰ দ্বাৰা প্রভাৱিত হৈছে। এবছার্ড নাটকৰ মর্ম

বুজাটো কঠিন হোৱাৰ লগতে ই দৰ্শকৰ লগত সংযোগ স্থাপন নকৰাকৈ অসংলগ্ন পৰিস্থিতি কিছুমান ৰূপায়নৰ যোগেদি ব্যক্তি মানসিকতাৰ প্রকাশ কৰি থকাৰ বাবেই হয়তু ই বেছি ব্যাপ্তি লাভ কৰিবলৈ সক্ষম নহ'ল। নির্দিষ্ট পৰিসৰৰ মাজতে এবছার্ড নাটকে স্থিতি লোৱা দেখা গ'ল।

বিংশ শতিকাৰ সত্তৰৰ দশকত কেইজনমান অসমীয়া নাট্যকাৰে মানুহৰ মনস্তাত্বিক দিশটোৰ ওপৰত গুৰুত্ব দিয়ো নাটক ৰচনা কৰা দেখা যায়। এই ক্ষেত্রত চিগমাণ্ড ফ্রয়েডৰ মনস্তত্ব বিষয়ক ৰচনাৰ অধ্যয়নে ব্যক্তিৰ মনৰ জগতত প্রৱেশ কৰি তাৰ স্বৰূপ প্রকাশ কৰিবলৈ নাট্যকাৰসকলক সুবিধা কৰি দিছিল। প্রাচীন ধ্যান-ধাৰণাৰ পৰা আঁতৰি আহি ব্যক্তিৰ মনৰ ভাব-অনুভূতি আৰু প্রতিক্রিয়া প্রদর্শনৰ বাবে নতুন নতুন দিশৰ উদ্ভাৱনৰ চেষ্টাৰে লুইগি পি�ৰাণ্ডেলা, আর্থাৰ মিলাৰ আদি নাট্যকাৰৰ দ্বাৰা প্রভাৱিত হৈ দুজনমান অসমীয়া নাট্যকাৰে মনোবিশ্লেষণধর্মী নাটক ৰচনা কৰে। ইয়াৰ ভিতৰত সত্যপ্রসাদ বৰুৱাৰ 'নায়িকা-নাট্যকাৰ' (১৯৭৬), 'জবালা' (১৯৭৬), 'মৃণালমাহী' (১৯৭৭), ৰাম গোস্বামীৰ 'জীৱন-বৃত্ত' (১৯৮০) আৰু কৰুণা ডেকাৰ 'উৰুখা' উল্লেখযোগ্য। সত্যপ্রসাদ বৰুৱাৰ তিনিওখন নাটকত চৰিত্রৰ মনস্তাত্বিক দিশটোৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে অভিব্যক্তিবাদী নাটকৰ ৰীতি-প্রকৃতিৰো প্রভাৱ দেখা যায়। 'নায়িকা-নাট্যকাৰ' নাটকখনত বিবাহ আৰু স্বামী সম্পর্কে সুকীয়া দৃষ্টিভংগী গ্রহণ কৰা শ্বাশ্বতী আৰু ভাস্বতী নামৰ নাৰী চৰিত্র দুটাৰ যোগেদি প্রাচীন আৰু নতুন মূল্যবোধৰ মাজত সংঘাতো সৃষ্টি কৰা হৈছে। নাটকখনত লুইগি পিৰাণ্ডেলোৰ 'Six characters in search of an Author' নাটকখনৰ প্রভাৱ দেখা যায়। পিৰাণ্ডেলোৰ নাটকখনত চৰিত্রকেইটাই নিজৰ মনোভাৱ ব্যক্ত কৰিবৰ কাৰণে এখন নাট্যকাৰৰ সন্ধান কৰাৰ দৰে 'নায়িকা-নাট্যকাৰ'ত নাট্যকাৰ চৰিত্রই প্রাচীন আৰু নতুন ধ্যান-ধাৰণাক লৈ মনত উদয় হোৱা প্রশ্নৰ সমাধান বিচাৰি চৰিত্রৰ সন্ধান কৰিছে। বাকী কেইখন নাটকতো চৰিত্রৰ মনস্তাত্বিক অৱস্থাটোৰ ওপৰতে বেছিকৈ গুৰুত্ব দিয়া হৈছে। সেইদৰে অসমীয়া নাটকত পাশ্চাত্য নাটকৰ অন্য ধাৰাৰ প্রভাৱৰ প্রতি লক্ষ্য ৰাখিলে অস্তিত্ববাদী চিন্তা, ভৱিষ্যতবাদী চিন্তা আৰু কাব্যিক ধাৰাৰো কিছু প্রভাৱ দেখা যায়। এইক্ষেত্রত অস্তিত্ববাদী চিন্তাৰ প্রভাৱ থকা অজিত মহন্তৰ 'ঈশ্বৰৰ মৃত্যুত শোকসভা' (১৯৮৯); টি. এচ এলিয়েটৰ কাব্য নাটৰ প্রভাৱ থকা ৰফিকুল হুছেইনৰ 'অর্জুনৰ প্রতি' আৰু নগেন শইকীয়াৰ 'ঊষা-লগ্ন' উল্লেখযোগ্য। শেহতীয়াকৈ ভৱিষ্যতবাদী নাট্যকাৰ হিচাপে খ্যাত ফিলিপো মেৰিনোট আৰু কাৰেল কাপকাৰ নাট্যাদর্শৰ প্রভাৱত ৰচিত অসমীয়া নাটকৰ ভিতৰত অখিল চক্রৱর্তীৰ 'পূজনীয় দেউতা', ফণী তালুকদাৰৰ 'জুয়ে পোৰা সোণ', সর্বানন্দ পাঠকৰ 'অগ্রগামী' আদিৰ নাম ক'ব পাৰি।

১৯৭০-২০০০ চনৰ সময়াছোৱাত অসমীয়া নাটকলৈ নতুন নতুন পাশ্চাত্য নাট্যধাৰাৰ প্রভাৱ অহাৰ সমান্তৰালভৱে পাশ্চাত্য নাটকৰ অভিযোজনাৰ ধাৰাটোও চলি আছিল। এই সময়ছোৱাতো শ্বেইকছপীয়েৰৰ, ইবচেন্‌ৰ নাটকৰ অসমীয়া অনুবাদ - অভিযোজনা হৈ আছিল আৰু লগে লগে অন্য পাশ্চাত্য নাট্যকাৰৰ নাটকো সামৰি লোৱা লৈছিল। অসমীয়ালৈ অনূদিত হোৱা তেনে নাটকসমূহৰ ভিতৰত -- ছফ'ক্লিজৰ 'Antigone' নাটকৰ প্রফুল্ল দত্ত গোস্বামীয়ে কৰা অনুবাদ, লুইগি পিৰাণ্ডেলোৰ 'Six characters in Search an Author' খন

ডম্বৰু দাস আৰু তছদ্দুক ইউছুফে যুটীয়াভাৱে 'নাট্যকাৰৰ সন্ধানত' নামেৰে চেমুৱেল বেকেটৰো 'Waiting for Godot' খন শৈলেন ভৰালীয়ে 'গ'ডোৰ অপেক্ষাত' (১৯৭৮) নামেৰে, অস্কাৰ ওৱাইল্ডৰ 'The Importance of Being Earnest'খন প্রফুল্ল বৰাই 'বিভূতি' নামেৰে শ্বেইকছপীয়েৰৰ 'As you like it' খন দুর্গেশ্বৰ শর্মাই 'চন্দ্রাৱলী' (১৯৯০) নামেৰে, শ্বেইকছপীয়েৰৰ 'Othello' আৰু 'Mecbeth' খন সত্যপ্রসাদ বৰুৱাই 'অথেলো' (১৯৭৪)আৰু 'মেকবেথ' (১৯৮০) নামেৰে, ইবচেনৰ 'An Enemy of the people'খন সত্যপ্রসাদ বৰুৱাই 'গণশত্রু' (১৯৯৭) নামেৰে, ইউৰিপিডিছৰ 'Alcestis' খন নৱকান্ত বৰুৱাই '' (১৯৮৮) নামেৰে, ইউৰিপিডিছৰ 'The Miser' খন দুলাল ৰয়ে 'মাছৰ তেলেৰে মাছ' নামেৰে, ইউজিন আয়নেস্ক'ৰ 'Rhinoceros' খন অজিত বৰুৱাই 'গড়' নামেৰে, আষ্টন চেখভৰ 'The Segull'খন সত্যপ্রসাদ বৰুৱাই 'সাগৰ চিলনী' (১৯৯০) নামেৰে, গ'গলৰ 'The Inspector General' খন দুলাল ৰয় আৰু সতীশ ভট্টাচার্যই যুটীয়াভাৱে 'চৰকাৰী ইন্সপেক্টৰ' নামেৰে, গার্চিয়া লর্কাৰ 'The Horse of Bernarda Alba' খন দুলাল ৰয়ে 'ফাতেমা বিবিৰ ঘৰ' নামেৰে, জর্জ বার্ণাড শ্ব'ৰ 'Pygmalion'খন দুলাল ৰয়ে 'প্রেয়সী' নামেৰে আৰু শ্বেইকছপীয়েৰৰ 'Romeo and Juliet', 'Hamlet', 'Julious Caseor' আৰু 'Measure for Measure' নাটককেইখন দয়ানন্দ পাঠকে ক্রমে 'ৰমিঅ' জুলিয়েট' (১৯৭৪), 'হেমলেট' (১৯৭৫), 'জুলিয়াছ চিজাৰ' (১৯৮৭) আৰু 'মেইজাৰ ফৰ মেইজাৰ ফৰ মেইজাৰ' নামেৰে কৰা অনুবাদ আদি উল্লেখযোগ্য।

১৯৭০-২০০০ চনৰ সময়ছোৱাৰ ভিতৰত অসমীয়া নাটকলৈ পাশ্চাত্য নাটকৰ বিভিন্ন নতুন নতুন ধাৰাৰ প্রভাৱ আহিল। অসমীয়া নাট্যকাৰসকলে শ্বেইকছপীয়েৰ, ইবচেনৰ ঠাইত বেকেট, ব্রেখট, আয়নেস্ক' আদিকে ধৰি অন্য পাশ্চাত্য নাট্যকাৰে প্রৱর্তন কৰা ৰীতিৰো পৰীক্ষা-নিৰীক্ষা চলালে। কিন্তু ইয়াৰ লগতে ১৯৮০ চনৰ পৰা অসম নাটকে লোকনাট্য পৰম্পৰাৰ ৰীতি এটাকো নিজৰ মাজত সুমুৱাই ল'লে। য'ত পাশ্চাত্য নাট্য প্রভাৱৰ পৰা আঁতৰি আহি সম্পূর্ণ থলুৱা লোক পৰিৱেশ্য কলাৰ শৈলীৰে নাটকৰ বিষয়বস্তু গ্রহণ আৰু পৰিৱেশন কৰা হ'ল। অখিল চক্রৱর্তী, সতীশ ভট্টাচার্য, যুগল দাস, প্রহাস কুমাৰ ভট্টাচার্য, আলি হাইদৰ, পৰমানন্দ ৰাজবংশী আদি নাট্যকাৰে এই ধাৰাটোক প্রতিনিধিত্ব কৰিছে আৰু বর্তমান সময়ত অসমীয়া নাটকৰ ক্ষেত্রখনত এচাম নাট্যকাৰে সর্বসাধাৰণ মানুহৰ বাবে নাটক লিখা আৰু পৰিৱেশন কৰাৰ উপৰি জনগোষ্ঠীয় নাটকৰ সঞ্চায়ন তথা উত্তৰ আধুনিক চিন্তা-চর্চাৰে নাটক পৰিৱেশন কৰাও দেখা গৈছে। সপোনজ্যোতি ঠাকুৰ, অবিনাশ শর্মা, বাহাৰুল ইছলাম, শুক্রচার্য ৰাভা, পবিত্র ৰাভা, ৰবিজিতা গগৈ, মৃণালজ্যোতি গোস্বামী আদিৰ নাম এইক্ষেত্রত উল্লেখযোগ্য বুলিব পাৰি।

জানি থোৱা ভাল ঃ-

১. চেমুৱেল বেকেটৰ এবছার্ড নাটক ৰচনা কৰা নাট্যকাৰ আৰু নাটকসমূহৰ ভিতৰত ---ইউজিন আয়নেস্ক'ৰ 'The Chairs'(১৯৫২), 'The Bold Soprano' (১৯৫৪), 'Rhhinoceros ' (১৯৫৯), জ্যা জেনেটৰ

'The Balcony '(১৯৫৭), 'Thge Black'(১৯৫৯), হেৱল্ড পিণ্টাৰৰ 'The Room' (১৯৫৭), 'The Birthday Party' (১৯৫৭), এডৱার্ড এলবিৰ 'The 200 story' (১৯৫৮), আর্থাৰ আদাসভৰ 'The Parody', 'The Invention' আদি উল্লেখযোগ্য।

২. ভাৰতীয় অন্যান্য ভাষাত ৰচিত এবছার্ড নাটকসমূহৰ ভিতৰত --- বাংলা ভাষাত ৰচিত বাদল সৰকাৰৰ 'পাগল ঘোঁৰা', 'বাকি ইতিহাস' (১৯৬৭), মোহিত চট্টোপাধ্যায়ৰ 'চন্দ্রলোকে অগ্নিকাণ্ড', দীপক মিত্রৰ 'অমৃতৰ পুত্র' মাৰাঠী ভাষাত ৰচিত বিজয় তেণ্ডুলকাৰৰ 'শান্তনা কর্ট চালু আহে', মহেশ এলকুচওৱাৰৰ 'হলি', 'বাসনাকাণ্ড'; হিন্দী ভাষাত ৰচিত মোহন ৰাকেশৰ 'শায়দ', 'হঃ'; উড়িআ ভাষাত ৰচিত মনোৰঞ্জন দাসৰ 'বনহংসী', 'অৰণ্য ফচল', জগন্নাথ দাসৰ 'সূর্যাস্ত পুৰবু' আদি উল্লেখযোগ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১. ব্রেখ্টৰ নাটকত থকা তিনিটা বৈশিষ্ট্য কি কি? সেইকেইটা বৈশিষ্ট্য অঙ্কীয়া নাটত কিবা প্রকাৰে পৰিস্ফুট হৈছে নে? আলোচনা কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলো

●১৯৭০-২০০০ চনৰ সময়চোৱাৰ ভিতৰত অসমীয়া নাটকলৈ আগমন ঘটা পাশ্চাত্য নাটকৰ আন নতুন নতুন ধাৰাসমূহৰ বিষয়ে জানিব পাৰিলো।

- ১৯৭০-২০০০ চনৰ সময়ছোৱাৰ অসমীয়া নাটকৰ পটভূমি সম্পর্কে জ্ঞাত হ'লো।
- কার্লমার্কছ, চিগমাণ্ড ফ্রয়েডকে ধৰি অভিব্যক্তিবাদ, ব্রেখটৰ এপিক থিয়েটাৰ বেকেটৰ এবছার্ড ৰীতি আদি সম্পর্কে গম পালো।
- সমাজ বাস্তৱতাৰ উপৰি ব্যক্তিৰ মনোজগতত ঘটি থকা বিভিন্ন ঘটনা, ধাৰণা আদি সম্পর্কে মনোবিশ্লেষণধর্মী নাটকৰ জৰিয়তে গম পালোঁ।



৮.৫ অধিক জানিবলৈ

১. গগৈ, মৃণাল কুমাৰ (সম্পা.) (২০০০); নাটক; ডিগবৈ ঃ গৰিয়সী সংঘ

২. চেতিয়া, যোগেন (১৯৯৩); আধুনিক নাট্যকলা; যোৰহাট ঃপূর্ব্বশ্রী অফ্ছেট প্রিণ্টার্ছ

৩. বৰুৱা, সত্যপ্রসাদ (১৯৮০); বাৰ্টোল্ট ব্রেখট; গুৱাহাটী ঃ পদ্মপ্রকাশ

৪. ভট্টাচার্য, বসন্ত কুমাৰ (২০১১) ; অসমীয়া নাটকৰ সমীক্ষা সমীক্ষা; নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম

৫. ভট্টাচার্য, বসন্ত কুমাৰ (২০০৪); নাটকৰ বর্ণমালা; নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম

৬. ভট্টাচার্য, ৰঞ্জন (২০১৪); অৰুণ শর্মাৰ নাটক ঃ সমীক্ষাত্মক বিশ্লেষণ; গুৱাহাটী ঃ

পূর্বাঞ্চল প্রকাশ

৭. ভৱালী, শৈলেন (২০১৩); অসমীয়া নাটক ঃ স্বৱাজোত্তৰ কাল; গুৱাহাটী ঃ চন্দ্রপ্রকাশ

৮. মহন্ত, পোনা (১৯৮৫); নাটক আৰু নাট্যকাৰ; ডিব্রুগড় ঃ বনলতা

১০. ৱাজবংশী, পৰমানন্দ (সম্পা.) (২০০৮); অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিৱর্তন; গুৱাহাটী ঃ চন্দ্র প্রকাশ

১১. শর্মা, অৰুণ (২০০৬); অৰুণ শর্মাৰ নির্বাচিত নাটক; গুৱাহাটী ঃ বনলতা

১২. শর্মা, শশী (সম্পা.) (২০০১) ; সাহিত্যত আধুনিকতা; নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম

১৩. শর্মা, সত্যেন্দ্রনাথ (২০১০); অসমীয়া নাট্য-সাহিত্য; গুৱাহাটী ঃ সৌমাৰ প্রকাশ

১৪. Breckt, B. (1994). The Three Penny Opera. London : Methuen Drama

১৫. Esslin, M. (1991). The Theatre of the Absurd, London _ Methuen

১৬. Sharma, B.K. (1998). The Evolution of Assmese Comedy , Guwahati : Gurukul Prakashan

১৭. http://www.samuel-beckett.net/waiting for- Godot-Part 1 (4/24/2014 5:45:24 pm)



৮.৬ অগ্রগতিৰ খতিয়ান (কৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ ব্রেখ্টৰ নাটকত থকা বৈশিষ্ট্য কেইটা .... সেই কেইটা শঙ্কৰদেৱৰ অঙ্কীয়া নাটত কি দৰে প্রকাশ পাইছে তাৰ আলোচনা কৰিব।



৮.৭ আহি প্রশ্ন

১. নং প্রশ্ন ঃ ১৯৭০-২০০০ চনৰ সময়ছোৱাত অসমীয়া নাটকত হোৱা পাশ্চাত্য নাট্যৰীতিৰ বিভিন্ন পৰীক্ষা-নিৰীক্ষা সম্পর্কে এটি প্রবন্ধ প্রস্তুত কৰক।

২. নং প্রশ্ন ঃ অসমীয়া এবছার্ড নাটকৰ বিষয়ে আলোচনা কৰক।

৩. নং প্রশ্ন ঃ অসমীয়া নাটকত ব্রেখটৰ নাট্যৰীতিৰ প্রভাৱ সম্পর্কে আলোচনা কৰক।

৪. নং প্রশ্ন ঃ অসমীয়া অনুবাদ নাটকৰ ধাৰা সম্পর্কে এটি আলোচনা যুগুত কৰক ।

অধ্যায় ৯ ঃ অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ (১৮৮৯-১৯৪০)

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ অসমীয়া উপন্যাস আৰু পাশ্চত্য সাহিত্য

৯.৪ জোনাকী যুগ (১৮৮৯-১৯৪০)ৰ অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া উপন্যাসলৈ পাশ্চাত্য ভাবধাৰাৰ আগমন কিদৰে হ'ল এই সম্পর্কে জানিব পাৰিব
- 'জোনাকী যুগ' (১৮৮৯-১৯৪০) ৰ অসমীয়া উপন্যাস ৰক্ষিত প্রভাৱ সম্পর্কে অৱগত হ'ব
- অসমীয়া উপন্যাসত পাশ্চাত্যৰ বিভিন্ন ধাৰাসমূহৰ কেনেদৰে প্রয়োগ হৈছে সেই সম্পর্কে ধাৰণা লাভ কৰিব।

৯.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ' (১৮৮৯-১৯৪০)ৰ অন্তর্গত এইটো নৱম অধ্যায়। এই অধ্যায়ত আপুনি অসমীয়া উপন্যাসত (বিশেষকৈ ঊনবিংশ শতিকাৰ অষ্টম দশকৰপৰা বিংশ শতিকাৰ চতুর্থ দশকৰ আৰম্ভণিলৈ) পাশ্চাত্য প্রভাৱ কিদৰে অনুভূত হয়, সেই বিষয়ে আলোচনা কৰা হ'ব। লগতে পাশ্চাত্য সাহিত্যৰ কোনবোৰ বৈশিষ্ট্যৰ প্রভাৱত অসমীয়া উপন্যাস সাহিত্যই নতুন গতি লাভ কৰিলে, সেই সম্পর্কেও ব্যাখ্যা কৰা হ'ব।

৯.৩ অসমীয়া উপন্যাস আৰু পাশ্চাত্য সাহিত্য

অসমীয়া উপন্যাসৰ বিকাশৰ প্রাথমিক স্তৰটো আৰম্ভ হয় *অৰুণোদই* যুগৰপৰা। ১৮৪৬ চনত অসমীয়া ভাষাৰ প্রথমখন কাকত *অৰুণোদই* প্রকাশ হয় শিৱসাগৰৰ মিছনেৰী

প্রেছৰ পৰা। *অৰুণোদই* প্রকাশ পোৱাৰ লগে লগে অসমীয়ৰা সমাজ আৰু ভাষা-সাহিত্যৰ জগতত আৰম্ভ হ'ল পৰিৱর্তন। এক পাশ্চাত্যমুখী যাত্রাৰ আৰম্ভণি। *অৰুণোদইতে* আৰম্ভ হৈছিল আধুনিক উপন্যাস আৰু গল্প ৰচনাৰ পটভূমি। স্পেইনৰ মিগুৱেল্ ডি চার্ভেণ্টিজৰ *ডন কুইক্‌ছ্‌টৰে* পাশ্চাত্য সাহিত্যত আৰম্ভ হোৱা উপন্যাসৰ পাতনিয়ে ইংৰাজী সাহিত্যত প্রৱেশ কৰে ডেনিয়েল ডিফোৰ *ৰবিন্‌ছন্ ক্রুছেৰ্ব* জৰিয়তে। অসমীয়া সাহিত্যত উপন্যাসৰ আৰম্ভণিৰ বাবে আমি বাট চাবলগীয়া হয় ১৮৪৮ চনলৈ। অসমীয়া সাহিত্যত উপন্যাসৰ আৰম্ভণি হয় *অৰুণোদইৰ* পাততে। জন বুনিয়ান (John Bunyan)-ৰ *Pilgrim's progress*-ৰ নাথান ব্রাউনে কৰা অসমীয়া অনুবাদ *যাত্রিকৰ যাত্রা* নামৰ উপন্যাসধর্মী ৰচনাৰ জৰিয়তে। তাৰ পিছত উপন্যাসধর্মী কাহিনীৰে হেমচন্দ্র বৰুৱাই *বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী* ৰচনা কৰে। শ্রীমতী গার্নিৰ *ফুলমণি আৰু কৰুণাৰ কাহিনী,* এ. কে. গার্নিৰ *এলোকেশী বেশ্যাৰ কথা, কামিনীকান্তৰ চৰিত্র* আদি পাশ্চাত্যৰ প্রভাৱেৰে প্রভাৱিত উপন্যাসধর্মী কাহিনীৰে অসমীয়া উপন্যাস সাহিত্যৰ যাত্রাৰ প্রথম পর্বৰ আৰম্ভণি ঘটে। ইয়াৰ পিছতে অসমীয়া লেখিকা পদ্মাৱতী দেৱী ফুকননীৰ *সুধর্মাৰ উপাখ্যান* প্রকাশ পায়। এইদৰে অসমীয়া সাহিত্যৰ সৃষ্টিত গুৰিতেই পশ্চিমীয়া সাহিত্যৰ প্রভাৱ নিহিত আছে।

পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী* (১৮৯০-৯১) আৰু *লাহৰী* (১৮৯২), লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* (১৮৯১) প্রকাশৰ লগে লগেই আধুনিক যুগৰ প্রকৃত উপন্যাসৰ আৰির্ভাৱ হয় আৰু ইয়াৰ পৰাই দৰাচলতে অসমীয়া উপন্যাসৰ ধাৰা আৰম্ভ হয়। উপন্যাস তিনিখনৰ প্রথম দুখন নায়িকাপ্রধান। *ভানুমতী* দুখাত্মক আৰু *লাহৰী* মিলনাত্মক। এই দুয়োখন উপন্যাসৰ কাহিনী মোৱামৰীয়া আৰু মানৰ আক্রমণৰ পটভূমিত দাঙি ধৰা হৈছিল। যদিও কাহিনীভাগ কেৱল নামমাত্রহে ঐতিহাসিক পটভূমিৰ ওপৰত ভিত্তি কৰা হৈছিল। সেয়ে কোনো কোনো সমালোচকে এই দুখনক ঐতিহাসিক নুবুলি সামাজিক উপন্যাস বুলিহে ক'ব খোজে। দুয়োখন উপন্যাসতে চাঞ্চল্যকৰ ঘটনা আছে, কিন্তু চৰিত্রৰ আভ্যন্তৰীণ বিশ্লেষণ নাই। আনহাতে লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* আহোম ৰজা কমলেশ্বৰ সিংহৰ দিনত কামৰূপত হৰসত্ত-বীৰদত্ত ৰজাৰ বিৰুদ্ধে বিদ্রোহৰ ঐতিহাসিক পটভূমিত ৰচিত। অস্বাভাৱিক ঘটনা, চাঞ্চল্যজনক পৰিণতি আৰু অপ্রয়োজনীয় বা ঔচিত্যহীন বর্ণনাই উপন্যাসখনৰ সাহিত্যিক মূল্য হ্রাস কৰিছে। *ভানুমতী* আৰু *লাহৰীৰ* আখ্যানৰ যিকণ আবেদন আছে *পদুম কুঁৱৰীত* সেইখিনি নাই বুলি সমালোচকসকলে সমালোচনা কৰা দেখা যায়। সেয়ে লম্বোদৰ বৰাই *বিজুলীত পদুম কুঁৱৰীক* সমালোচনা কৰি 'উপন্যাস নে আত্মহত্যা' শীর্ষক প্রবন্ধ এটাত চোকা সমালোচনা কৰিছে। সি যিয়েই নহওক ঔপন্যাসিকে প্রেমাখ্যানটোৰ লগত ঐতিহাসিক ঘটনাটো নিবিড়ভাৱে জড়িত কৰি দিয়াৰ লগতে চৰিত্রসমূহক স্বকীয়তা আৰোপ কৰাত বিশেষ গুৰুত্ব প্রদান কৰা দেখা যায়।

অসমীয়া উপন্যাস আৰু পাশ্চাত্য সাহিত্য বুলি ক'লে অসমীয়া উপন্যাসত পাশ্চাত্য

সাহিত্যৰ প্রভাৱৰ কথাকে আমি বুজো। পাশ্চাত্য সাহিত্যত দেখা পোৱা প্রকৃতিবাদ, আধুনিকতাবাদ, চেতনাস্রোত পদ্ধতি, অস্তিত্ববাদ আদি লক্ষণ আমি অসমীয়া উপন্যাস পৰৱর্তী কালৰ ৰচনাসমূহৰ মাজেৰে প্রতিফলিত হোৱা দেখা পাওঁ। অসমীয়া উপন্যাসত পাশ্চাত্যৰ প্রভাৱ সম্পর্কে আলোচনা কৰিবৰ বাবে আমি উপন্যাস সাহিত্যক কেইটামান যুগত ভাগ কৰি আলোচনা কৰিম। আলোচনাৰ সুবিধাৰ বাবে কৰি লোৱা যুগ বিভাজনকেইটা আৰু সেই যুগৰ প্রধান ঔপন্যাসিকসকলৰ উপন্যাসত কেনেদৰে পাশ্চাত্যৰ প্রভাৱ পৰিলক্ষিতহৈছে সেই বিষয়ে তলত আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে।

৯.৪ জোনাকী যুগ (১৮৮৯-১৯৪০)ৰ অসমীয়া উপন্যাসত পাশ্চত্য প্রভাৱ

জোনাকী যুগটো অকল উপন্যাসৰ বাবেই নহয় অসমীয়া ভাষা-সাহিত্যৰ বাবেও এটা সোণালী যুগ বুলি অভিহিত কৰিব পাৰি। জোনাকী যুগ বুলি ক'লে সাহিত্যত *জোনাকী* কাকতখনে সৃষ্টি কৰা সাহিত্যৰাজিকে বুজায়। সেই সময়ৰ সাহিত্যৰ মাজতো নিহিত হৈ আছে অসমীয়া সাহিত্যত সৃষ্টি কৰা নতুন ভাব, আংগিক আৰু দার্শনিক চিন্তাৰ বাট কটা প্রয়াসৰ ফচল।

পুনৰুল্লেখ নিষ্প্রয়োজন যে অসমীয়া সাহিত্যত *জোনাকী* যুগৰ সৃষ্টিৰ মূলতে আছে কেইজনমান কলেজীয়া ছাত্রৰ জাতীয় চেতনা আৰু ভাষা-সাহিত্যৰ প্রতি অসীম শ্রদ্ধা। *জোনাকী* যুগটো অর্থাৎ *জোনাকী* কাকতখন প্রকাশৰ প্রথম দশকটো প্রকৃততে ৰমন্যাসবাদ বা ৰোমাণ্টিকতাবাদৰ যুগ বুলি কোৱা হয়। ইংলেণ্ডত আৰম্ভ হোৱা ৰোমাণ্টিকতাৰ ধাৰাটো অসমীয়া সাহিত্যত প্রৱেশ কৰে বাংলা সাহিত্যৰ জৰিয়তে। প্রধানতঃ ৰোমাণ্টিক যুগ হ'লেও এই যুগটোত বহুতো নতুন ধৰণৰ সাহিত্যৰ সৃষ্টি হৈছিল।

জোনাকী যুগতে অসমীয়া সাহিত্যত নৱজাগৰণৰ আৰম্ভ হৈছিল, এই নৱজাগৰণ আছিল পাশ্চাত্য সাহিত্যৰ সৈতে ঘটা সংযোগ আৰু অসমীয়া সাহিত্যক পাশ্চাত্যৰ সৃষ্টি আৰু ভাবসম্পদেৰে চহকী কৰা মানসিক বৃত্তিৰ ফল। এই নৱজাগৰণ অর্থাৎ পঞ্চদশ শতিকাৰ মাজভাগত ইংলেণ্ডৰ সাহিত্যৰ ক্ষেত্রত মুক্তি সাধিত হৈছিল। সমাজ জীৱনত নতুন আৱিষ্কাৰৰ উন্মাদনা, ৰাজনীতিত নতুন শক্তিৰ সঞ্চাৰ, সাহিত্যত নতুন সৃষ্টিশক্তিৰ বিকাশ লাভ আৰু জাতীয় জীৱনত নতুন পোহৰেৰে ইংৰাজী সাহিত্যত নৱজাগৰণৰ সূচনা হৈছিল। মধ্যযুগত ইউৰোপত ধর্মৰ নামত গোড়ামি আৰু অন্ধ সংস্কাৰে স্বাধীন চিন্তাৰ একো পৰিৱেশ সৃষ্টি হ'বলৈ দিয়া নাছিল। গতানুগতিক জীৱনশৈলী, ৰাজশক্তিৰ দুর্বলতাৰ সুযোগ লৈ গঢ় লৈ উঠিছিল সামন্ততন্ত্র, আনহাতে ক্ষমতাৰ অৰিয়াঅৰি। এনে এক পৰিৱেশ সৃষ্টি হৈছিল য'ত সাধাৰণ মানুহৰ জীৱন একপ্রকাৰ নিঃস্বতালৈ অৱনমিত হৈছিল। কিন্তু পঞ্চদশ শতিকাৰ মাজভাগত তুৰ্কী আক্রমণৰ ফলত কনষ্টাণ্টিনপোলত থকা পণ্ডিতসকল ইউৰোপৰ বিভিন্ন দেশত বিয়পি পৰে। ইয়াৰ ফলত ইউৰোপৰ সমাজ, সংস্কৃতি, বিশেষকৈ সাহিত্যত এক নতুন অধ্যায়ৰ সূচনা হয়। প্রাচীন গ্রীক আৰু ৰোমৰ সাহিত্য অধ্যয়নে ইংৰাজ জাতিক নতুন জীৱন দান দিলে। লগে লগে সাহিত্যই গতানুগতিক

পৰিৱেশৰ পৰা মুক্তি লাভ কৰি এক নতুন দিগন্তৰ ফালে ধাৱমান হ'ল। ইয়াৰ উপৰি নতুন ভৌগোলিক আৱিষ্কাৰ, কপাৰনিকাচ, গেলিলিওৰ সৌৰজগত সম্পৰ্কীয় নতুন তথ্য, খ্ৰীষ্টধৰ্মত পুৰোহিততান্ত্ৰিক গোড়ামি দূৰ কৰাৰ কাৰণে মাৰ্টিন লুথাৰৰ বিদ্ৰোহ প্ৰভৃতি ঐতিহাসিক ঘটনাই ইউৰোপৰ সাহিত্য বা ইংৰাজী সাহিত্য, সমাজ আৰু সংস্কৃতিক নতুন ৰূপ দিলে। ইউৰোপীয় নৱজাগৰণৰ কেইটামান চকুত লগা বৈশিষ্ট্য হ'ল— মানৱতাবাদ, সৌন্দৰ্যসন্ধান, ভৌগোলিক আৱিষ্কাৰৰ পৰা সৃষ্টি হোৱা সাম্ৰাজ্যবাদী ভাবৰ উন্মেষ, দেশাত্মবোধ, উৎপাদন পদ্ধতিৰ পৰিৱৰ্তন আৰু ধৰ্মীয় সংস্কাৰ ইত্যাদি। ইউৰোপৰ এই নৱজাগৰণৰ পৰৱৰ্তী কালতো চিন্তাৰ জগতখনত অন্যান্য ভালেখিনি ঘটনাই সময়ে সময়ে আলোড়ন সৃষ্টি কৰিছিল। বিশেষকৈ সপ্তদশ-অষ্টদেশ শতিকাত বিজ্ঞান আৰু দৰ্শনৰ আৰু ফৰাচী বিপ্লৱ প্ৰভৃতি আলোড়নকাৰী সংঘটনে ইউৰোপীয় সামাজিক জীৱনক জোকাৰি গৈছিল। ভাৰতবৰ্ষত ব্ৰিটিছ শাসনৰ প্ৰৱৰ্তন আৰু পশ্চিমীয়া শিক্ষাব্যৱস্থাৰ পত্তনে ইউৰোপীয় ইতিহাসৰ এইসমূহ প্ৰক্ৰিয়াক ভাৰতীয় মানুহৰ দ্বাৰস্থ কৰিলে। ব্ৰিটিছ শাসিত ভাৰতবৰ্ষৰ প্ৰথম ৰাজধানী কলিকতা আৰু বংগদেশত সেই সূত্ৰইদি এক নতুন জাগৰণৰ সৃষ্টি হ'ল আৰু অসমীয়া সাহিত্য-সংস্কৃতিলৈও ধ্যান-ধাৰণাৰ নতুন বতাহ বলিল আৰু অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ সূচনা হ'ল।

অসমীয়া সাহিত্যত ৰমন্যাসিক বা ৰোমাণ্টিকতা *জোনাকী* যুগৰ সাহিত্যৰ প্ৰধান বৈশিষ্ট্য যদিও এই সাহিত্য আন্দোলন ইংৰাজী সাহিত্য অধ্যয়ন আৰু বাংলা সাহিত্যৰ যোগেদি অসমীয়া সাহিত্যত প্ৰৱেশ কৰে। ইংৰাজী সাহিত্যত যি ৰোমাণ্টিক ধাৰণা আৰম্ভ হয় তাৰ পটভূমি অসমীয়া ৰোমাণ্টিকতাৰ পটভূমি সম্পূৰ্ণ বেলেগ। ইংৰাজী ৰোমাণ্টিকতাত ফৰাচী বিপ্লৱৰ প্ৰভাৱ, ৰুছোৰ সমাজ ব্যৱস্থাৰ সূত্ৰৰ প্ৰভাৱ, উইলিয়াম গদউইনৰ দৰে নৈৰাজ্যবাদী তাত্ত্বিকৰ প্ৰভাৱ ইংৰাজী ৰোমাণ্টিক সাহিত্যত স্পষ্ট। অসমীয়া ৰোমাণ্টিকতাত অৱশ্যে ইংৰাজী ৰোমাণ্টিকতাৰ দৰে তেনে কোনো যুগৰ বা সময়ৰ প্ৰভাৱ স্পষ্টকৈ দেখা নাযায়।

জোনাকী যুগৰ প্ৰধান ঔপন্যাসিকসকলৰ ভিতৰত ৰজনীকান্ত ৰৱদলৈ, দণ্ডিনাথ কলিতা, দৈৱচন্দ্ৰ তালুকদাৰ আদি উল্লেখযোগ্য। ইয়াৰ উপৰি শৰৎচন্দ্ৰ গোস্বামী, হৰেশ্বৰ শৰ্মা, দণ্ডিধৰ সোণোৱাল, নবীন ভট্টাচাৰ্য, দীননাথ শৰ্মা আদি। আমি আগতে উল্লেখ কৰি অহা লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ উপন্যাসো জোনাকী যুগৰে সৃষ্টি।

জোনাকী যুগৰ অসমীয়া উপন্যাসত পাশ্চাত্যৰ প্ৰভাৱ বুলি ক'লে আমি প্ৰথমতে লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ নাম ল'ব লাগিব।

লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* উপন্যাস আহোম ৰজা কমলেশ্বৰ সিংহৰ দিনত কামৰূপত হৰদত্ত-বীৰদত্ত ৰজাৰ বিৰুদ্ধে বিদ্ৰোহৰ ঐতিহাসিক পটভূমিত ৰচিত। কিন্তু উপন্যাসৰ মূল কাল্পনিক কাহিনীটো হৰদত্তৰ জীয়ৰী পদুম কুঁৱৰী আৰু তেওঁৰ তোলনীয়া পুতেক সূৰ্যকুমাৰৰ প্ৰণয়ক কেন্দ্ৰ কৰি গঢ়ি উঠিছে। কোমলমনা এগৰাকী ছোৱালীৰ প্ৰণয়ৰ একনিষ্ঠতা এই উপন্যাসত দেখুওৱা হৈছে। *পদুম কুঁৱৰী*ৰ কাহিনীৰ পৰিণতিয়ে শ্বেইক্সপীয়েৰৰ *ৰোমিও এণ্ড জুলিয়েট*ৰ

কথা মনলৈ আনি দিয়ে।

পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী*আৰু *লাহৰী*দুয়োখন উপন্যাসতে পাশ্চাত্যৰ প্রভাৱ দেখা যায়। গোহাঞিবৰুৱাই উপন্যাস লিখিবৰ বাবে ছাৰ ওৱাল্টাৰ স্কটৰ উপৰি স্কটৰ আৰ্হিৰে উপন্যাস লিখা ঔপন্যাসিক বংমিকচন্দ্রৰ পৰা প্রেৰণা লাভ কৰিছিল। বুৰঞ্জীমূলক চৰিত্রৰ আলম লৈ ইংৰাজী উপন্যাস ৰচনা কৰা স্কটৰ আৰ্হিৰে গোহাঞিবৰুৱাই এক প্রকাৰৰ বুৰঞ্জীমূলক উপন্যাস ৰচনা কৰিবলৈ চেষ্টা কৰে। পদ্মনাথ গোহাঞিবৰুৱাৰ এই চেষ্টাক অনুকৰণ কৰি লক্ষ্মীনাথ বেজবৰুৱাই *পদুম কুঁৱৰী* উপন্যাস ৰচনা কৰিছিল। *ভানুমতী* আৰু *লাহৰী*ৰ কাহিনীত থকা চাঞ্চল্যকৰ ঘটনাসমূহে ইউৰোপৰ মধ্যযুগীয় ৰোমাঞ্চসমূহৰ কথাও মনলৈ আনে। এই দুয়োখন উপন্যাসক ৰোমাঞ্চধর্মী কৰি তোলাৰ আঁৰত আছিল অবিশ্বাস্য ঘটনাৰ সংযোগ আৰু আকস্মিক ঘটনাৰ অৱতাৰণা। *ভানুমতীত* ল'ৰা ছদ্মবেশত ভানুমতী পলাই যোৱা, সাপে খুঁটোতে তাইৰ আচল ৰূপ ওলাই পৰা, মৃত্যুদণ্ডৰ আগমুহূর্তত বজ্রপাত পৰি নায়ক চাৰু গোহাঞিৰ মৃত্যু হোৱা, পানীত জাঁপ দি ভানুমতীয়ে আত্মহত্যা কৰা আৰু *লাহৰীত* পানীত নাও বুৰাৰ পিছত কমল ৰক্ষা পৰা, মানৰ হাতৰ পৰা লাহৰী পলাই গৈ কমলৰ মাক-দেউতাকৰ ঘৰত অজানিতে উপস্থিত হোৱা আদি ঘটনাই উপন্যাস দুখনক ৰোমাঞ্চধর্মী সৃষ্টিত পৰিৰত কৰিছে। এনে ধৰণৰ আকস্মিক আৰু চাঞ্চল্যকৰ ঘটনাৰ বাবে উপন্যাস দুখনত চৰিত্রসমূহৰ স্বাভাৱিক বিকাশ সম্ভৱ হৈ নুঠিল। শ্বেইক্সপীয়েৰৰ *ৰোমিও এণ্ড জুলিয়েটৰ* মাজেদি ফুটি উঠা ৰোমাণ্টিক প্রেমৰ আদর্শই পদ্মনাথ গোহাঞিবৰুৱাকো আকর্ষণ কৰিছিল। ভানুমতী, চাৰু গোহাঞি, লাহৰী, কমল— এই সকলোবোৰেই ৰোমাণ্টিক প্রেমৰ আদর্শ চৰিত্র। শ্বেইক্সপীয়েৰৰ জুলিয়েটৰ দৰে প্রেমৰ পবিত্রতা ৰক্ষা কৰিবলৈ ভানুমতীয়ে আত্মবিসর্জন দিয়া কার্যৰ জৰিয়তে লেখকে ৰোমাণ্টিক প্রেমৰ নিদর্শন দাঙি ধৰিছে। *ভানুমতী*ৰ কাহিনী অকল কৰুণেই নহয়; এই কাৰুণ্যৰ কাৰণ হিচাপে যি দেখুওৱা হৈছে সি পাশ্চাত্যৰ নতুন আদর্শৰ লগত জড়িত। ভানুমতীয়ে মনে-প্রাণে চাৰু গোহাঞিক স্বামী হিচাপে ভাবি ল'লে। ভানুমতীয়ে তেনেদৰে চাৰু গোহাঞিক মনতেই স্বামীৰূপে বৰিলে, কাৰণ সেই সময়ত ডেকা-গাভৰুৰৰ প্রত্যক্ষ মিলামিচা সমাজবহির্ভূত কার্য আছিল। অসমীয়া সমাজৰ নিয়ম মতে ভানুমতীক জানিবলৈ নিদিয়াকৈ তাইৰ দেউতাকে ৰুদ্রসিংহৰ ল'ৰাৰ লগত তাইৰ বিয়া ঠিক কৰিছিল। কিন্তু ভানুমতীয়ে এই প্রস্তৱত মনে মনে সন্মতি দিয়া নাছিল। এনে প্রেম অসমীয়া তথা ভাৰতীয় সমাজত আগৰে পৰা আছিল যদিও এই প্রেম যি পৰিণতিৰ পিনে আগুৱাই গ'ল তাতহে আমি পাশ্চাত্য আদর্শৰ চাপ দেখা পাওঁ।

অসমীয়া উপন্যাসে পূর্ণ প্রতিষ্ঠা লাভ কৰে ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ যোগেদি। ৰজনীকান্ত বৰদলৈয়ে যি সময়ত অসমীয়া উপন্যাস ৰচনা কৰিছিল সেই সময়ত পাশ্চাত্যৰ উপন্যাস সাহিত্যই পূর্ণ প্রতিষ্ঠা লাভ কৰিছিল। সমগ্র বিশ্ব সাহিত্যৰ এটা সুবাস অসমীয়া সাহিত্যিকসকলেও লাভ কৰিছিল বাংলা সাহিত্যৰ জৰিয়তে। ৰজনীকান্ত বৰদলৈয়ে চাকৰিসূত্রে অসমৰ বিভিন্ন ঠাই পৰিভ্রমণ কৰিছিল আৰু সেই সময়তে উপন্যাসৰ বাবে সমল সংগ্রহ কৰিছিল।

ছাৰ ওৱাল্টাৰ স্কট, বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ বিভিন্ন উপন্যাসৰ প্ৰভাৱত ৰজনীকান্ত বৰদলৈয়ে ঐতিহাসিক উপন্যাস ৰচনা কৰিছিল। ১৮৯৪ চনত অসমৰ জনজাতীয় জীৱনক লৈ তেওঁ *মিৰি জীয়ৰী* উপন্যাস ৰচনা কৰে। অসমৰ মিছিং জনজাতিৰ ৰীতি-নীতি, স্বভাৱ-চৰিত্ৰৰ সহানুভূতিশীল অধ্যয়ন আৰু সৰল মিৰি ডেকা-গাভৰুৰৰ একনিষ্ঠ প্ৰেমৰ কৰুণ চিত্ৰই উপন্যাসখনক সজীৱ আৰু সেউজীয়া কৰি অংকন কৰিছে। এইখন সামাজিক উপন্যাসৰ বাহিৰে বাকীখিনি উপন্যাসৰ পটভূমি আহোম ৰাজত্বৰ শেষ সময়ছোৱাৰ কাহিনীক লৈ ৰচিত। *মনোমতী, ৰঙ্গিলি, নিৰ্মল ভকত, ৰহদৈ লিগিৰী* আৰু *তাম্ৰেশ্বৰীৰ মন্দিৰ* মানৰ আক্ৰমণৰ পটভূমিত ৰচিত। *হৰদত্ত-ৰীৰত্তৰ* বিদ্ৰোহৰ ভেটিত দন্দুৱাদ্ৰোহ আৰু *ৰাধা-ৰাক্মিণীৰ ৰণ* মোৱামৰীয়া বিদ্ৰোহৰ ভেটিত ৰচনা কৰিছে।

ৰজনীকান্ত বৰদলৈয়ে যি সময়ত অসমীয়া জনজাতিৰ সমাজক ভিত্তি কৰি উপন্যাস ৰচনা কৰিছিল সেই সময়ত জনজাতীয় সমাজক লৈ উপন্যাস ৰচনা কৰাটো দূৰৈৰ কথশ, অসমীয়া উপন্যাসেই এক স্বতন্ত্ৰ আংগিকৰূপে সম্পূৰ্ণ প্ৰতিষ্ঠা লাভ কৰা বা বিকশিত স্তৰ লাভ কৰা নাছিল। তেনে এক সময়তে বৰদলৈয়ে মিছিং সমাজৰ পটভূমিত অত্যন্ত সহানুভূতিশীল দৃষ্টিৰে সোৱণশিৰিৰ পাৰৰ ডেকা-গাভৰুৰ সৰল আৰু একনিষ্ঠ প্ৰেমৰ চিত্ৰ অংকন কৰিছে। পিতৃ-মাতৃৰ বাধা, সামাজিক প্ৰতিবন্ধক আৰু প্ৰতিদ্বন্দ্বী প্ৰণয়ীৰ হেঙাৰলৈ পিঠি দি জংকি আৰু পানেইৰ প্ৰেমে কৰুণ মৃত্যুৰ মাজেদি কেনেকৈ সফলতা লাভ কৰিলে তাৰ চিত্ৰ অতি সূক্ষ্মভাৱে লেখকে অংকন কৰিছে।

ৰজনীকান্ত বৰদলৈৰ *নিৰ্মল ভকত* ইংৰাজ কবি টেনিছনৰ *এনক্ আৰ্ডেন* কাহিনীৰ ৰূপৰেখাৰ ওপৰত প্ৰতিষ্ঠিত যদিও ৰূপায়ণ পদ্ধতি সম্পূৰ্ণ নিজৰ। ৰজনীকান্ত বৰদলৈৰ উপন্যাস পাশ্চাত্য বহু উপন্যাস আৰু ঔপন্যাসিকৰ প্ৰভাৱৰ ফল। ৰজনীকান্ত বৰদলৈক অসমৰ ওৱাৰ্টাৰ স্কট বুলি কোৱা হয়। ওৱাল্টাৰ স্কটৰ বিভিন্ন বৈশিষ্ট্যৰ ভিতৰত মধ্যযুগীয় প্ৰীতি অন্যতম। স্কটৰ আৰ্হিৰে বৰদলৈয়ে অসমীয়াত ভালেকেইখন উপন্যাস ৰচনা কৰিছে। স্বাভাৱিকতে সেই সময়ৰ উপন্যাস সাহিত্যত পশ্চিমৰ প্ৰভাৱ সুস্পষ্ট। *এনক্ আৰ্ডেন* উপন্যাসৰ এনক্ ফিলিপ আৰু এ নীলীৰ প্ৰেমৰ কাহিনীটোকে অসমীয়া ৰূপত সজাই নিৰ্মল ভকত, অনিৰাম আৰু ৰূপহীৰ প্ৰেমৰ কাহিনী হিচাপে নিৰ্মাণ কৰিছে। সেইদৰে এনক্ আৰ্ডেন উপন্যাসৰ এনকে জাহাজেৰে সাগৰ পাৰ হোৱা আৰু সাগৰ পাৰ হওঁতে জাহাজ ডুব যোৱাত এটা নিৰ্জন দ্বীপত দহ বছৰ কটোৱা ঘটনাটোকে অসমৰ পটভূমিত সজাই মানৰ আক্ৰমণৰ বলি হৈ নিৰ্মল ভকত ব্ৰহ্মদেশত বাৰ বছৰ থাকিব লগা হোৱা দেখুৱাইছে।

বৰদলৈৰ উপন্যাসত স্কটৰ মধ্যযুগীয় ধাৰণাৰ বিশেষ আকৰ্ষণ *মিৰি জীয়ৰী*ৰ বাহিৰে বাকী আটাইকেইখন উপন্যাসত দেখা যায়। ইতিহাসৰ মহিমামণ্ডিত কাহিনী, অতীত ঐতিহ্য, জনশ্ৰুতি আৰু কিম্বদন্তৰ প্ৰয়োগৰ দিশতো বৰদলৈ উপন্যাসত ওৱাল্টাৰ স্কটৰ প্ৰভাৱ স্পষ্টৰূপে দেখা যায়। স্কটৰ *The Bride of Lammemoor* উপন্যাসৰ কাহিনীৰ দ্বন্দ্ব, চৰিত্ৰৰ বৈশিষ্ট্য বৰদলৈৰ *মনোমতী* উপন্যাসত দেখা যায়। *The Bride of Lammemoor* উপন্যাসৰ

Ravenswood আৰু Ashton নামৰ চৰিত্ৰ দুটা আৰু এই দুটা চৰিত্ৰৰ সৈতে *মনোমতী* উপন্যাসৰ চণ্ডী বৰুৱা আৰু হৰকান্ত বৰুৱাৰ সাদৃশ্য অতিকে মন কৰিবলগীয়া। ইংৰাজী আৰু অসমীয়া দুয়োখন উপন্যাসতে পুৰুষ চৰিত্ৰকেইটাৰ অহমিকা ভাবৰ বাবেই কাহিনীয়ে জটিল ৰূপ লৈছে। দুয়োখন উপন্যাসত প্ৰেমৰ সাদৃশ্য দেখা যায়। স্কটৰ উপন্যাসখনৰ Ravenswood আৰু Sir William Ashton নামৰ মুখ্য চৰিত্ৰ দুটাৰ পৰিয়ালৰ মাজত পুৰুষানুক্ৰমে শত্ৰুতা আছে। *মনোমতী*ৰ চণ্ডী বৰুৱা আৰু হৰকান্তৰ পৰিয়ালৰ মাজত শত্ৰুতা একেই। ঠিক একেদৰে *মনোমতী*ৰ চণ্ডী বৰুৱা আৰু হৰকান্তৰ পুত্ৰ-কন্যাৰ মাজত প্ৰেমে গঢ় লৈ উঠিছে যিদৰে Edgar Ravenswood আৰু Lucy Ashton-ৰ মাজত প্ৰেমে গঢ় লৈছে। আনহাতে স্কটৰ উপন্যাৰ দৰেই বৰদলৈয়ে *মনোমতী, ৰঙিলী* আদি উপন্যাসত জাতীয় জীৱনৰ আচাৰ-অনুষ্ঠান, বিশ্বাস, অন্ধবিশ্বাস আদি সকলোবোৰৰ বাস্তৱ বৰ্ণনা দাঙি ধৰিছে।

বৰদলৈৰ উপন্যাসত ওৱাল্টাৰ স্কটৰ আৰু বহুতো প্ৰভাৱ লক্ষ্য কৰা যায়। *ৰহদৈ লিগিৰী* উপন্যাসত স্কটৰ Ivanhoe উপন্যাসৰ প্ৰভাৱ পোনপটীয়া বুলি ক'ব পাৰি। আইভানহো (Ivanhoe) উপন্যাসত ৰেৱেকাই আইভানহোক গভীৰভাৱে ভাল পাইছিল, কিন্তু মিলনত বিফল হৈ ৰেৱেকাই পূৰ্বৰ ভালপোৱা বিসৰ্জন দিয়া নাছিল। সেইবাবেই ৰেৱেকাই বহুমূলীয়া অলংকাৰেৰে ভৰাই এটা ৰূপৰ বাকচ আইভানহোৰ নৱনিবাহিতা পত্নীলৈ উপহাৰ দিছিল। *ৰহদৈ লিগিৰী* উপন্যাসত এই ঘটনাটোকে সামান্য সলনি কৰি দিয়া হৈছে। অৱশ্যে *ৰহদৈ লিগিৰী* উপন্যাসত ৰহদৈৰ প্ৰতি চন্দ্ৰকান্তৰ প্ৰেম দেখুওৱা হৈছে, কিন্তু চন্দ্ৰকান্তৰ প্ৰতি ৰহদৈৰ প্ৰেমৰ কোনো আভাস নাই।

স্কটৰ উপন্যাসত ঐতিহাসিক ঘটনা আৰু ৰোমাণ্টিক কাহিনীৰ অপূৰ্ব মিলন ঘটাৰ দৰেই বৰদলৈৰ উপন্যাসতো ঐতিহাসিক কাহিনী আৰু ৰোমাণ্টিকতাৰ অপূৰ্ব মিলন ঘটোৱা হৈছে। বিষয়বস্তু, ভাৱবস্তু আৰু ৰূপবস্তুৰ বিস্তৃত আৰু গভীৰ সাদৃশ্যৰ বাবেই বৰদলৈক উপন্যাসৰ স্কট আখ্যা দিয়া হয়।

বৰদলৈৰ উপন্যাসত স্কটৰ উপৰি আলোচক সত্যেন্দ্ৰ নাথ শৰ্মাই মেৰী কৰেলী, ভিক্টৰ হিউ'গ, আলেজকেণ্ডাৰ ডুমা, চাৰ্লছ ডিকেন্স, থেকাৰে আদি ঔপন্যাসিকসকলৰ প্ৰভাৱ থকা বুলি কৈছে। বৰদলৈৰ উপন্যাসত মধ্যযুগৰ চেতনাৰ দিশত এতিয়ালৈকে কেৱল ওৱাল্টাৰ স্কটৰ প্ৰভাৱহে আলোচিত হৈ আহিছে। ইয়াৰ কাৰণ বৰদলৈৰ উপন্যাসত স্কটৰ যিমান সুদূৰপ্ৰসাৰী আছিল, আন কাৰো প্ৰভাৱ সিমান দকৈ অনুভূত নহয়। বৰদলৈ স্কটৰ উপন্যাসৰ সৈতে যিমান পৰিচিত ঠিক অন্য ঔপন্যাসিকৰ সৈতেও তেনেঁ সমানেই পৰিচিত। সেয়ে তেওঁৰ উপন্যাসীমূহ ফৰাচী, ৰাছিয়া আৰু আমেৰিকান উপন্যাস সাহিত্যৰ দূৰণিবটীয়া প্ৰভাৱৰ পৰাও মুক্ত হ'ব পৰা নাছিল।

জোনাকী যুগৰ ঔপন্যাসিক হিচাপে আলোচনা কৰি আমি দেখিলো যে বৰদলৈৰ উপন্যাসত পাশ্চাত্যৰ প্ৰভাৱ যথেষ্ট। *জোনাকী* যুগৰ ঔপন্যাসিকসকলৰ উপন্যাসতো পাশ্চাত্যৰ প্ৰভাৱ কিছু পৰিমাণে পোৱা যায়। *জোনাকী* যুগৰ অসমীয়া উপন্যাস সংখ্যাত বৰ বেছি নহয়, কিন্তু যুদ্ধোত্তৰ যুগৰ সমৃদ্ধিশালী অসমীয়া উপন্যাসৰ ধাৰাৰ ভেটিটো স্থাপন হৈছিল *জোনাকী* যুগতে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া উপন্যাসত পাশ্চাত্যৰ প্রভাৱ কেতিয়া আৰু কেনেকৈ পৰিছিল? (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ *জোনাকী* যুগৰ কোনকেইজন ঔপন্যাসিকৰ উপন্যাসত পাশ্চাত্য প্রভাৱ পৰিছিল? (১৫০টা শব্দৰ ভিতৰত)

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া উপন্যাসত পাশ্চাত্য ভাৱধাৰাৰ আগমন কিদৰে হ'ল, সেই সম্পর্কে ধাৰণা লাভ কৰিলে।
- 'জোনাকী যুগ' (১৮৮৯-১৯৪০)ৰ সময়ছোৱাত অসমীয়া উপন্যাসত ৰ'তি পাশ্চাত্য প্রভাৱৰ বিষয়ে জানিব পাৰিলো।



৯.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) আহমেদ কুতুবুদ্দিন (১৯৯২); *ইংৰাজী সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) কটকী, প্রফুল্ল (১৯৭৯); *স্বৰাজোত্তৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৩) কলিতা, অমৰেন্দ্র (২০০৬); *পাশ্চাত্য সাহিত্য;* নলবাৰী কিতাপ ঘৰ।

৪) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৫) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) ৰৱগোহাঞি, হোমেন (২০০৫); *অন্তৰাগ;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

৭) ভট্টাচার্য, পৰাগ কুমাৰ (২০১২); *পাশ্চাত্য সাহিত্যৰ অধ্যয়ন আৰু অনুবাদ;* গুৱাহাটী ঃ বনলতা।

৮) ভৰালী, শৈলেন (১৯৯৩); *উপন্যাস বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৯) শর্মা, গোবিন্দ প্রসাদ (২০১২); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

১০) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১১) শর্মা, সত্যেন্দ্রনাথ (১৯৯৭); *অসমীয়া সাহিত্যৰ দৃষ্টিপাত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১২) শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যৰ দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

ইংৰাজী গ্রন্থ ঃ

1. Baruah, Birinchi Kumar (1978); *History of Assamese Literature;* Sahitya Akademi, New Delhi.

2. Bhuyan, Surya Kumar (1956); *Studies in the Literature of Assam;* Lawuers Book Stall, Guwahati.

৯.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি—অসমীয়া উপন্যাস সাহিত্যৰ জন্ম—অসমীয়া উপন্যাসত পৰা পাশ্চাত্যৰ প্রভাৱ —সামৰণি।

২ নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি—জোনাকী যুগৰ উপন্যাসত ৰক্ষিত পাশ্চাত্যৰ প্রভাৱ — সামৰণি।

৯.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ *জোনাকী* যুগৰ কোনকেইগৰাকী ঔপন্যাসিকৰ উপন্যাসত পাশ্চাত্য প্রভাৱ কিদৰে ৰক্ষিত হৈছে? আলোচনা কৰা।

প্রশ্ন ২ ঃ ৰজনীকান্ত ৰৱদলৈক 'উপন্যাস সম্রাট' আৰু 'অসমৰ স্কট' আখ্যা কিয় দিয়া হয়?

প্রশ্ন ৩ ঃ চমুটোকা লিখক ঃ

ক) পদ্মনাথ গোহাঞিৰবৰুৱা।

খ) ৰজনীকান্ত ৰৱদলৈ।

*** ***** ***

অধ্যায় ১০ ঃ অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ (১৯৪০-৭০)

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ অসমীয়া সমাজত সংঘটিত হোৱা বিভিন্ন সুদূৰপ্রসাৰী ঘটনা
১০.৪ যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্বৰ (১৯৪০-৭০) অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্রগতিৰ খতিয়ান (কৱল ৰূপৰেখা)
১০.৮ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্ব (১৯৪০-৭০)ত ৰচিত অসমীয়া উপন্যাসসমূহৰ পটভূমি সম্পর্কে অৱগত হ'ব।
- এই নির্দিষ্ট সময়সীমাত প্রকাশিত উপন্যাসসমূহত ৰক্ষিত পাশ্চাত্য প্রভাৱ সম্পর্কে জানিব পাৰিব।

১০.২ পৰিচয়

পূর্বৰ অধ্যায়ত আপোনালোকে ১৮৮৯-১৯৪০ৰ ভিতৰত ৰচিত অসমীয়া উপন্যাসসমূহত ৰক্ষিত পাশ্চাত্য সম্পর্কে জানিব পাৰিলে। প্রস্তাৱিত এই অধ্যায়ত ১৯৪০-৭০ৰ সময়চোৱাৰ ভিতৰত ৰচিত হোৱা অসমীয়া উপন্যাসত ৰক্ষিত পাশ্চাত্য প্রভাৱ সম্পর্কে অৱগত হ'ব। লগতে এই সময়চোৱাত অসম তথা অসমৰ বাহিৰত সংঘটিত বিভিন্ন ঘটনা যিবোৰে উপন্যাস সৃষ্টিত বিশেষ অৱিহণা যোগাইছে, সেইবোৰৰ বিষয়েও অধ্যায়টিত আলোচনা কৰা হ'ব।

১০.৩ অসমীয়া সমাজত সংঘটিত হোৱা বিভিন্ন সুদূৰপ্রসাৰী ঘটনা

পঞ্চম অধ্যায়ত অসমীয়া কবিতাত (১৯৭০-২০০০) পৰা পাশ্চাত্য প্রভাৱৰ বিষয়ে আলোচনা কৰোতে আধুনিক অসমীয়া কবিতাৰ পটভূমিৰ বিষয়েও এক বিস্তৃত ব্যাখ্যা প্রদান

কৰা হৈছিল। আধুনিক অসমীয়া কবিতা সৃষ্টিত যিবোৰ কাৰকে বিশেষভাৱে ক্রিয়া কৰিছিল, সেই একেবোৰ কাৰকে অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱৰ আগমনতো সহায় কৰিছিল। প্রথম বিশ্বযুদ্ধৰ পাৰ্শ্বক্রিয়া মাৰ যোৱাৰ পূৰ্বেই সংঘটিত দ্বিতীয় বিশ্বযুদ্ধ, যিখন প্রথম বিশ্বযুদ্ধতকৈও অধিক ভয়াৱহ আৰু সুদূৰপ্রসাৰী আছিল, মাৰ্ক্সীয় চিন্তাধাৰাৰ বিকাশ আৰু গণতান্ত্রিক সমাজবাদী দৃষ্টিভংগীৰ মাজত সংঘটিত সংঘর্ষ, ফ্রয়েডৰ মনোবিশ্লেষণ, বিশ্বৰ অর্থনীতিত সৃষ্টি হোৱা সংকট, উদ্যোগীকৰণৰ দ্বাৰা সৃষ্ট নতুন-নতুন সমস্যা, আধুনিকতাৰ পটভূমিত পশ্চিমত গঢ় লৈ উঠা শিল্প বিপ্লৱ আদিৰ প্রভাৱৰ বিষয়ে অধ্যায়টিত আলোচনা কৰা হৈছে। ইয়াৰ বাহিৰেও আলোচ্য সময়চোৱাত সংঘটিত আন কেইবাটাও ঘটনাই অসমীয়া উপন্যাসৰ গতি-প্রকৃতি নির্ধাৰণত ভূমিকা পালন কৰিছে। প্রথমতেই ভাৰতত ব্রিটিছৰ শাসন আৰু সমান্তৰালকৈ চলা স্বাধীনতা আন্দোলনৰ বিষয়ে ক'ব লাগিব। ব্রিটিছে জাপি দিয়াৰ ফলতেই হওক বা একাংশ ভাৰতীয়ৰ ইচ্ছাৰ ফলতেই হওক ইংৰাজী ভাষাৰ প্রচলনৰ পৰিণতিত ভাৰতীয় শিক্ষিত লোকসকল পশ্চিমীয়া সাহিত্যৰ ভাবধাৰাৰ লগত পৰিচিত হ'ল। ইয়াৰ পৰিগতিত তেওঁলোকে পাশ্চাত্যত নব্য দৃষ্টিভংগীৰে ৰচিত নাটক, উপন্যাস, কবিতাৰ আৰ্হিত ভাৰতীয় ভাষাটো সাহিত্যচর্চা কৰিবলৈ ধৰিলে। এই প্রভাৱ অসমীয়া ভাষা-সাহিত্যলৈও শিপাইছিল। অসমীয়া ভাষাতো পাশ্চাত্যৰ আদর্শত বিভিন্ন উপন্যাস ৰচিত হ'বলৈ ধৰিলে। ইংৰাজী সাহিত্যৰ ভার্জিনিয়া উল্ফ, জেম্চ, হাক্সলি, এইচ. জি. ওৱেলচ্ আদি ঔপন্যাসিকৰ উপন্যাস ৰীতিৰ প্রভাৱ অসমীয়া উপন্যাসত ৰক্ষিত হোৱা দেখিবলৈ পোৱা যায়। বিশেষকৈ উপন্যাসৰ উপস্থাপন শৈলী, আংগিক, চেতনা, কলা-কৌশল সকলো দিশতে নতুন শৈলীৰ প্রয়োগ পৰিলক্ষিত হয়। যুদ্ধোত্তৰ যুগৰ প্রথম পর্ব (১৯৪০-৭০)ৰ এই উপন্যাসসমূহে পূর্বৰ ধাৰাৰপৰা মুক্ত হৈ এই নতুন ধাৰাক আকোঁৱালি ল'লে। ইয়াৰ বাহিৰেও সাম্প্রদায়িক সংঘর্ষ, অসমলৈ হোৱা অভূতপূর্ব জনপ্রব্রজন, ৰাজনৈতিক অস্থিৰতা, অর্থনৈতিক বিপর্যয়, বস্তুৰ অনাটন, প্রগতিকামীৰ দ্বন্দ্ব, সাম্যবাদী আদর্শ, মধ্যবিত্ত শ্রেণীৰ আশা-আকাংক্ষা আৰু বিফলতা, দুর্নীতি আদিয়ে আলোচ্য সময়চোৱাৰ উপন্যাসৰ পটভূমি সৃষ্টিত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।

১০.৪ যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্বৰ (১৯৪০-৭০) অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ

যুদ্ধোত্তৰ যুগৰ প্রথম পর্বৰ লেখত ল'বলগীয়া ঔপন্যাসিকসকলৰ ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱা অন্যতম। ১৯৪৪ চনত বীণা বৰুৱা ছখনামেৰে তেওঁ 'জীৱনৰ বাটত' উপন্যাসখন ৰচনা কৰিছিল। যদিও পৰম্পৰাগত দৃষ্টিভংগীৰে এই উপন্যাসখন ৰচিত হৈছিল। তথাপি উপন্যাসখনক এক দৃঢ় আৰু সবল প্রচেষ্টা বুলিব পাৰি। ভাৰতে স্বাধীনতা লাভ কৰাৰ তিনি বছৰ পূর্বে প্রকাশ পোৱা এই উপন্যাসখনৰ গুৰুত্ব আজিও অসমীয়া সাহিত্যত আছে আৰু বর্তমানেও

উপন্যাসখন উপন্যাস সাহিত্যৰ ইতিহাসত স্ব-মহিমাৰে মহিমামণ্ডিত হৈ আছে। পৰৱর্তী কালত বিৰিঞ্চি কুমাৰ বৰুৱাই ৰাস্না বৰুৱা ছদ্মনামত 'সেউজী পাতৰ কাহিনী' উপন্যাসখন ৰচনা কৰিছিল। নিঃসন্দেহে তেখেতৰ প্রথমখন উপন্যাসে সকলো সমালোচকৰ দৃষ্টি আকর্ষণ কৰিব পাৰিছে। বহু সমালোচকে 'জীৱনৰ বাটত' উপন্যাসখনিক অসমীয়া সাহিত্যৰ প্রথম সর্বাংগসুন্দৰ উপন্যাস বুলিছে; আনহাতে আন একাংশ সমালোচকে উপন্যাসখনক বর্তমানেও এখন 'অপ্রতিদ্বন্দ্বী' উপন্যাস আখ্যা দিছে। বহু সমালোচকে আনকি 'জীৱনৰ বাটত' উপন্যাসখনক 'মহাকাব্যিক উপন্যাসৰ বহুতো সমল নিহিত হৈ আছে। A. D. Nuttall-এ তেখেতৰ 'Opening : Narrative Begimings from Epic to the Novel' নামৰ গ্রন্থখনত বিশ্লেষণ আগবঢ়াই কৈছে যে আধুনিক যুগত মহাকাব্য ৰচনা কৰাৰ কোনো সম্ভাৱনা নাই যদিও কিছুমান উপন্যাস ৰচনা কৰা হৈছে, যিবোৰ উপন্যাস হৈও কেইবাটাও মহাকাব্যৰ গুণেৰে বিভূষিত। বিশেষকৈ প্লট বা ফর্মত, কাহিনী বা গদ্য কথনত, বিষয়বস্তুৰ ব্যাপকতাত, চৰিত্র বহুলতাত, বহু শাখা-প্রশাখাযুক্ত কাহিনী নির্মাণত, জাতীয় সংস্কৃতিৰ চেতনাত, নৈসর্গিক শোভা চিত্রণত মহাকাব্যৰ লক্ষণ উপন্যাসত ৰক্ষিত হোৱা দেখা যায়। তদুপৰি এখন উপন্যাস মহাকাব্যিক উপন্যাসৰ শাৰীত অধিষ্ঠিত হ'বলৈ উপন্যাসখন কেবল উৎকৃষ্ট শিল্প (good art) হ'লেই নহ'ব, সি মহৎ শিল্পও (great art) হ'ব লাগিব। এই মহাকাব্যিক উপন্যাস বা epic novel-ত ৰক্ষিত বৈশিষ্ট্যসমূহ 'জীৱনৰ বাটত' উপন্যাসখনতো পৰিলক্ষিত হৈছে। বিশেষকৈ চৰিত বহুলতা, বহু শাখা-প্রশাখাযুক্ত কাহিনী আদিৰ লগতে উপন্যাসখনৰ মাজেৰে জাতীয় সংস্কৃতিৰ চেতনা ফুটি উঠা পৰিলক্ষিত হৈছে। লগতে গ্রাম্য আৰু নগৰীয়া পৰিৱেশৰ নিটোল চিত্রণৰ ক্ষেত্রত উপন্যাসখনত ঔপন্যাসিকে সিদ্ধহস্ততা প্রদর্শন কৰিছে। গভীৰ জীৱনবোধ মহাকাব্যিক উপন্যাসৰ মান এটা বৈশিষ্ট্য। 'জীৱনৰ বাটত' উপন্যাসখনত জীৱনবোধৰ গভীৰতা আছে। বিশেষকৈ তগৰ চৰিত্রটিৰ জৰিয়তে ঔপন্যাসিকে এই বিশেষত্ব প্রকাশ কৰিবলৈ চেষ্টা কৰিছে। আন কথাত ক'বলৈ গ'লে 'জীৱনৰ বাট'ত উপন্যাসখনি হ'ল জীৱনক উপলব্ধি কৰাৰ এক বিনম্র প্রয়াস। ব্যক্তি জীৱন যে মসৃণ নহয়, নানা ঘাট-প্রতিঘাটেৰে পৰিপূর্ণ, তাৰ উপলব্ধি ঔপন্যাসিকে তগৰ চৰিত্রৰ যোগেদি প্রদান কৰিছে।

সমালোচক গোবিন্দ প্রসাদ ভূঞাই 'জীৱনৰ বাটত' উপন্যাসখনৰ বিষয়বস্তু টমাছ হার্ডিতকৈ জজ এলিয়টৰ লগত অধিক মিল থকা বুলি কৈছে। হার্ডিৰ উপন্যাসৰ ঘটনাবোৰ বহির্জগতৰ সকলোৱে সহজে বুজিব পৰাকৈ তাৎপর্যপূর্ণ আৰু চাঞ্চল্যকৰ হোৱাৰ বিপৰীতে বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ ঘটনাবোৰ ব্যক্তি জীৱনৰ সৰু-সুৰা ঘটনা। এই সৰু ঘটনাবোৰে ক্ষুদ্র সমাজখনত প্রভাৱ বিস্তাৰ কৰিলেও বৃহৎ সমাজখনত কোনো চাঞ্চল্যৰ সৃষ্টি নকৰে। সেয়েহে সমালোচক শর্মাই এই দিশত জর্জ এলিয়টৰ লগত অধিক সাদৃশ্য বিচাৰি পাইছে। আকৌ 'জীৱনৰ বাটত' উপন্যাসখনে অসমীয়া সমাজৰ যি এক ব্যাপক চিত্র দাঙি ধৰিছে, সেই ব্যাপকতাই বহু সময়ত পাঠকক টলষ্টয়ৰ 'ৱাৰ এণ্ড পীচ' উপন্যাসখনৰ গাঁথনিটোলৈ মনত

পেলাই দিয়ে।

বিংশ শতাব্দীৰ বিশৰ দশকতে জেইমচ্ জয়চে 'ulysses' আৰু ভার্জিনিয়া উল্‌ফে 'Mrs. Dalloway' ৰচনা কৰাৰ পিছৰে পৰা পাশ্চাত্য সাহিত্যত চেতনা স্ৰোত ৰীতি বিশেষ জনপ্ৰিয় হৈ পৰিছিল। 'চেতনা স্ৰোত' বা 'Stream of comsciousness' শব্দ লানি ঊনবিংশ-বিংশ শতিকাৰ সন্ধিক্ষণত আধুনিক কথা-সাহিত্যৰ এটা বিশেষ ৰীতি বুজাবলৈ পোন প্ৰথমবাৰলৈ ব্যৱহাৰ কৰা হৈছিল। 'stream of cosciousnes' অভিধাটো পোনপ্ৰথমে ব্যৱহাৰ কৰিছিল মনোবিদ উইলিয়াম জেমচে। ১৮৯০ চনত প্ৰকাশ পোৱা তেখেত বহু সমাদৃত গ্ৰন্থ 'Principles of Psychology'-ত জয়চে এই অভিধাটো পোনপ্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল। জয়চে 'Stream of comsciousness' শব্দলানি মনোবৈজ্ঞানিক দৃষ্টিভংগীৰ অৱতাৰণা কৰি ইয়াৰ ব্যাখ্যা এনেদৰে আগবঢ়াইছে—

'Consciousness, then does not appear to itself chopped up in bits....it is nothing joined; it flows. A 'river' or a 'stream' are the metaphor by which it is mostly naturally described. In talking of it hecreafter, let's call it the stream of thought, consciousness or subjective life.'

অসমীয়া ভাষাতো এই চেতনা-স্ৰোত পদ্ধতিক আলম হিচাপে লৈ ভূপেন্দ্ৰনাথ ভট্টাচাৰ্যই সাৰ্থক উপন্যাস ৰচনা কৰিছিল। তেখেতৰ উপন্যাসৰ আলোচনা পৰৱৰ্তী অধ্যায়ত দাঙি ধৰা হ'ব। অৱশ্যে এই প্ৰচেষ্টাৰ আৰম্ভণি যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্বতে পৰিলক্ষিত হয়। ১৯৫৫ চনত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই 'ৰাজপথে ৰিঙিয়ায়' এনে আদৰ্শতে এটা দিনৰ অভিজ্ঞতাক লৈছিল যদিও সি প্ৰকৃতাৰ্থত পূৰ্ণ চেতনা স্ৰোত উপন্যাসৰ ৰূপ নাপালে। প্ৰকৃততে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসত মাৰ্ক্সবাদী চেতনাহে পূৰ্ণ ৰূপত বিকশিত হৈছে। 'ৰাজপথে ৰিঙিয়ায়'ৰ নায়ক মোহনৰ ভাৱতে স্বাধীনতা লাভৰ দিনটোৰ ভাব-চিন্তা আৰু বনুৱা, পীড়িতসকলৰ প্ৰতি সহানুভূতিশীল কাৰ্যই দেখুৱাই যে মোহন কমিউনিষ্ট আদৰ্শৰ অনুগামী। ভট্টাচাৰ্যৰ আন এখন উপন্যাস 'প্ৰতিপদ'তো মাৰ্ক্সবাদী আদৰ্শৰ পূৰ্ণ প্ৰতিফলন ঘটিছে। গোবিন্দ্ৰ প্ৰসাদ শৰ্মাই এই প্ৰসংগত আগবঢ়োৱা এটা মন্তব্য লক্ষণীয়—

"....বীৰেন্দ্ৰ ভট্টাচাৰ্যৰ কৈশোৰ আৰু আদি যৌৱনকালৰ কমিউনিজিমৰ ওপৰত আস্থা আৰু সেই আদৰ্শৰ প্ৰতি আনুগত্য আৰু ধৰা পৰে 'ৰাজপথে ৰিঙিয়ায়'ৰ পোন্ধৰ বছৰ পিছত প্ৰাকশিত তেওঁৰ অন্যতম প্ৰধান সাহিত্যকৰ্ম 'প্ৰতিপদ' (১৯৭০) উপন্যাসখনত। 'প্ৰতিপদ'ৰ বিষয়বস্তু ১৯৩৮-৩৯ চনৰ ডিগবৈ তেল কোম্পানীৰ বিখ্যাত বনুৱা ধৰ্মঘটক কেন্দ্ৰ কৰি গঢ়ি তোলা...।"

অসমীয়া উপন্যাসত আধুনিকতা প্ৰথম পৰিলক্ষিত হয় প্ৰফুল্লদত্ত গোস্বামীৰ উপন্যাসত। 'আধুনিক' বা 'আধুনিকতা' এটা পাশ্চাত্যৰ পৰা আমদানিকৃত ধাৰণা। এই পাশ্চাত্য আধুনিক উপন্যাসৰে এটি পৰীক্ষামূলক প্ৰচেষ্টা হ'ল তেখেতৰ প্ৰথমখন উপন্যাস

'শেষ ক'ত' (১৯৪৮)। উপন্যাসখনৰ কেন্দ্রীয় চৰিত্র নৱকুমাৰৰ নামতে আধুনিকতাৰ ইংগিত নিহিত হৈ আছে। উপন্যাসখনত লেখকে এক ধৰা-বন্ধা ৰীতিৰে কাহিনীৰ বিস্তাৰ কৰা নাই। নৱকুমাৰক অনুসৰণ কৰি কাহিনীৰ এটা সূত্র বিচাৰি উলিয়াব পাৰি। ১৯৫২ চনত প্রকাশ পোৱা তেখেতৰ দ্বিতীয়খন উপন্যাস 'কেঁচা পাতৰ কঁপনি'য়ে পাঠকৰ মাজত বিশেষ জনপ্রিয়তা অর্জন কৰিছিল। কলাকৃতিৰ দিশৰ পৰা তেখেতৰ এই উপন্যাসখন দ্বিতীয়খনৰ তুলনাত অধিক সার্থক।

পৰম্পৰাগত উপন্যাসত থকাৰ দৰে আধুনিক উপন্যাসত এটা সুনিদিষ্ট কাহিনী নাথাকে। 'কেঁচা পাতৰ কঁপনি'তো এটা আদি, মধ্য আৰু অন্ত্যযুক্ত এটা সুগঠিত কাহিনী নাই। আধুনিকতাবাদী উপন্যাসত পৰম্পৰাবাদী উপন্যাসৰ সুগঠিত কাহিনীৰ সলনি এটা বিবেকৰ প্রবাহ বা অভিজ্ঞতাৰ প্রক্রিয়া ৰক্ষিত হয়। আলোচ্য উপন্যাসখনিতো বিবেকৰ প্রবাহ থকা দেখা গৈছে; কিন্তু ই চেতনা-স্রোতৰ শাৰীলৈ গতি কৰা নাই। উপন্যাসখনত নায়ক উৎপলৰ লগত যি ঘটে বা তাৰ যিবোৰ অভিজ্ঞতা সু-সংলগ্ন তথা সু-সংহত নহয়। সেয়েহে তাৰ অভিজ্ঞতাবোৰে এটা সুগঠিত কাহিনীৰ সৃষ্টি নকৰে। আধুনিক উপন্যাসত বর্ণিত হোৱা চৰিত্রৰ মনৰ অস্থিৰতাও 'কেঁচা পাতৰ কঁপনি'ত ৰক্ষিত হৈছে। তদুপৰি কল্পচিত্রৰ ব্যৱহাৰ তথা ইংগিতময় ভাষাইও উপন্যাসখনক এখন সার্থক আধুনিক উপন্যাস হিচাপে চিহ্নিত কৰিছে।

বিশিষ্ট লেখক হোমেন বৰগোহাঞিৰ দ্বিতীয়খন উপন্যাস 'তান্ত্রিক'ত অতীন্দ্রিয়বাদ আৰু অস্তিত্ববাদৰ প্রতিফলন দেখিবলৈ পোৱা যায়। ১৯৬৭ চনত প্রকাশ পোৱা এই উপন্যাসখনৰ প্রধান চৰিত্র দুটা হৈছে অৰুণ চক্রৱর্তী আৰু অমল চৌধুৰী। চৰিত্র দুটাৰ মৰম আলোচনাৰ মাজেৰে তেওঁলোকৰ জীৱন আৰু পৰিস্থিতিৰ মাজেৰে দৃষ্টিভংগী ফুটি উঠিছে আৰু ইয়াতে সংমিশ্রিত ৰূপত প্রকাশ পাইছে অতীন্দ্রিয়বাদী আৰু অস্তিত্ববাদী ভাবধাৰা। কার্যৰ উপস্থিতি প্রায় নাই বুলিব পৰা এই উপন্যাসখন অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত এক অভিনৱ সংযোজন। ১৯৬৩ চনত প্রকাশ পোৱা 'সুবালা'ত প্রকৃতিবাদী ভাবধাৰ। ঔপন্যাসিকে ফুটাই তুলিছে। ঔপন্যাসিকে উপন্যাসৰ চাৰিটা পর্বত নায়িকা সুবালাৰ সংঘাতময় জীৱনটো অংকন কৰিছে।

অসমীয়া 'নাৰীবাদ' শব্দটো ইংৰাজী 'feminism' শব্দৰ প্রতিশব্দ হিচাপে ব্যৱহাৰ কৰা হয়। 'মূল্য বা গুৰুত্বৰ পিনৰপৰা পুৰুষ আৰু নাৰীৰ মাজত কোনো প্রভেদ নাই'— এই মৌলিক ধাৰণা সম্বলিত নাৰীবাদী দৃষ্টিভংগীটোৱে পৰৱর্তী সময়ত সাহিত্যৰ মাজতো স্থান পাবলৈ ধৰিলে। পাশ্চাত্যত এই ভাবধাৰাক সৰোগত কৰি বিভিন্ন উপন্যাস ৰচিত হৈছিল। অসমীয়া ভাষাতো আলোচ্য সময়চোৱাত নাৰীবাদী ভাবধাৰাক বিকশাই তোলা কেইবাখনো উপন্যাসৰ নামোল্লেখ কৰিব পাৰি। সেইবোৰৰ ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱা (ৰাস্না বৰুৱা)ৰ 'সেউজী পাতৰ কাহিনী' (১৯৫৯), ৰাধিকা মোহন গোস্বামীৰ 'চাকনৈয়া' (১৯৫২), চিত্রলতা ফুকনৰ 'অশ্রুকন্যা' (১৯৬৯) আদি উপন্যাসত নাৰীবাদী ভাবধাৰাৰ প্রতিফলন দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মহাকাব্যিক উপন্যাস হিচাপে 'জীৱনৰ বাটত' উপন্যাসখনৰ এটি আলোচনা আগবঢ়োৱা।

.....

প্রশ্ন নং ২ ঃ চেতনা স্রোত বুলিলে কি বুজা যায়?

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যুদ্ধোত্তৰ যুগৰ প্রথম পর্বৰ অসমীয়া উপন্যাসৰ পটভূমি সম্পর্কে জানিলোঁ।
- এই সময়চোৱাত ৰচিত অসমীয়া উপন্যাসসমূহত ৰক্ষিত পাশ্চাত্য প্রভাৱৰ বিষয়ে অৱগত হ'লো।



১০.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১। ঠাকুৰ, নগেন (সম্পা.) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*, জ্যোতি প্রকাশন, দ্বিতীয় প্রকাশ, ২০১২

২। দাস, অমল চন্দ্র (সম্পা.) ঃ *অসমীয়া উপন্যাস পৰিক্রমা*, প্রথম সংস্কৰণ, মে', ২০১২

৩। মজুমদাৰ, বিমল ঃ *সাহিত্যৰ তত্ত্ব আৰু প্রয়োগ*, জ্যোতি প্রকাশন, দ্বিতীয় প্রকাশ, জুন, ২০১৬ চন

৪। শর্মা, গোবিন্দ প্রসাদ ঃ *অসমীয়া উপন্যাসৰ ইতিহাস*, জ্যোতি প্রকাশন, প্রথম প্রকাশ, নৱেম্বৰ, ২০১৪ চন

৫। শর্মা গোবিন্দ প্রসাদ ঃ *নাৰীবাদ আৰু অসমীয়া উপন্যাস*, অসম প্রকাশন পৰিষদ, তৃতীয় সংস্কৰণ, ২০১৬ চন



১০.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি — জীৱনৰ বাটত উপন্যাসখনৰ পৰিচয় — মহাকাব্যিক উপন্যাস হিচাপে আলোচনা — সামৰণি।

২নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি — চেতনা স্রোতৰ সংজ্ঞা — আৰু বৈশিষ্ট্য — সামৰণি।



১০.৮ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ যুদ্ধোত্তৰ যুগৰ প্রথম পর্বৰ আধুনিক উপন্যাস সৃষ্টিত কোনবোৰ কাৰকে ক্রিয়া কৰিছিল?

প্রশ্ন নং ২ ঃ 'যুদ্ধোত্তৰ যুগৰ প্রথম পর্বত অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ'— এই সম্পর্কে এটি প্রৱন্ধ যুগুত কৰক।

প্রশ্ন নং ৩ ঃ চমু টোকা লিখক ঃ

ক) নাৰীবাদ আৰু অসমীয়া উপন্যাস

খ) মহাকাব্যিক উপন্যাস

গ) উপন্যাসৰ চেতনা স্রোত ধাৰা

ঘ) প্রফুল্ল দত্ত গোস্বামীৰ উপন্যাস।

*** ***** ***

অধ্যায় ১১ ঃ অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ (১৯৭০-২০০০)

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ অসমীয়া সমাজত সংঘটিত হোৱা বিভিন্ন সুদূৰপ্রসাৰী ঘটনা

১১.৪ যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্বৰ (১৯৭০-২০০০) অসমীয়া উপন্যাসত পাশ্চাত্য প্রভাৱ

১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৬ অধিক জানিবলৈ (কেৱল ৰূপৰেখা)

১১.৭ অগ্রগতিৰ খতিয়ান

১১.৮ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্বৰ অসমীয়া উপন্যাসৰ বিষয়ে অৱগত হ'ব
- এই সময়ছোৱাৰ অসমীয়া উপন্যাত পৰা পাশ্চাত্য প্রভাৱৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।

১১.২ পৰিচয়

পূর্বৱর্তী অধ্যায়ত আপোনালোকে যুদ্ধোত্তৰ যুগৰ প্রথম পর্বৰ (১৯৪০-১৯৭০) অসমীয়া উপন্যাসত পৰা পাশ্চাত্য প্রভাৱৰ বিষয়ে জানিব পাৰিলে। এই অধ্যায়ত ইয়াৰ পৰৱর্তী স্তৰ অর্থাৎ ১৯৭০-২০০০ চনৰ ভিতৰত ৰচিত অসমীয়া উপন্যাসত ৰক্ষিত হোৱা পাশ্চাত্য প্রভাৱ সম্পর্কে আলোচনা কৰা হ'ব। লগতে এই সময়ছোৱাত ৰচিত উপন্যাসসমূহৰ পটভূমি সম্পর্কেও ব্যাখ্যা দাঙি ধৰা হ'ব।

১১.৩ অসমীয়া সমাজত সংঘটিত হোৱা বিভিন্ন সুদূৰপ্রসাৰী ঘটনা

সাহিত্য বা শিল্পত কোনো ভাৱধাৰা বা দৃষ্টিভংগী গঢ়ি উঠিবলৈ এক সুনির্দিষ্ট আৰু শক্তিশালী পটভূমিৰ প্রয়োজন। পটভূমি বা background বুলিলে সেই ক্ষেত্রখনক বুজা যায়, যাৰ ওপৰত ভিত্তি কৰি কোনো আন্দোলন, মতবাদ, উপন্যাস বা গল্প গঢ়ি উঠে। উদাহৰণ স্বৰূপে আমি দ্বিতীয় বিশ্বযুদ্ধৰ কথা ক'ব পাৰোঁ। বিশ্বৰ ৰাজনীতি, অর্থনীতি, সমাজনীতি,

পৰিৱৰ্তনৰ ক্ষেত্ৰত যিকেইটা কাৰকে ক্ৰিয়া কৰিছিল, তাৰ ভিতৰত দ্বিতীয় বিশ্বযুদ্ধ অন্যতম। ১৯৩৯ৰ পৰা আৰম্ভ হোৱা দ্বিতীয় বিশ্বযুদ্ধই সমগ্ৰ পৃথিৱীকে ছানি ধৰিছিল। ইয়াৰ প্ৰভাৱৰ পৰা অসমো সাৰি যোৱা নাছিল। মহাযুদ্ধৰ বিভীষিকা, পাৰ্শ্বক্ৰিয়া, ভয়াৱহতাই মানুহক নিজৰ জীৱনটোলৈ নতুন দৃষ্টিভংগী প্ৰদান কৰিবলৈ বাধ্য কৰালে। ইয়াৰ প্ৰতিফলন ঘটিল সমসাময়িক সাহিত্যৰ মাজেৰে। আন অৰ্থত ক'বলৈ গ'লে দ্বিতীয় মহাযুদ্ধৰ প্ৰভাৱেই অসমীয়া সাহিত্যত আধুনিকতাৰ আৰম্ভণি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিলে। তেনেদৰে যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বত অৰ্থাৎ ১৯৭০-২০০০ চনলৈ অসমত বিভিন্ন ঘটনা সংঘটিত হৈছিল, যাৰ প্ৰভাৱ পোনপটীয়াকৈ পৰিছিল সাহিত্যসমূহত। যুদ্ধোত্তৰ যুগৰ এই পৰ্বটিত অসমৰ সমাজ আৰু জাতীয় জীৱনত বহুতো পৰিৱৰ্তন সংঘটিত হয়। ১৯৭০ চনৰ পৰা ভাৰতৰ ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, বৌদ্ধিক তথা সাংস্কৃতিক মূল্যবোধত আমূল পৰিৱৰ্তন হয়। অসমৰ জনগোষ্ঠীয় সমস্যা, ভাষা আন্দোলন, ১৯৭০ চনত বড়োসকলে তেওঁলোকৰ ভাষাৰ বাবে ৰোমান লিপি ব্যৱহাৰ কৰাৰ বাবে আন্দোলন, অসম আন্দোলন বা বিদেশী খেদা আন্দোলন আদিয়ে অসমৰ জনজীৱনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়। লগতে ইংৰাজী ভাষা আৰু শিক্ষাৰ প্ৰসাৰ, প্ৰযুক্তিবিদ্যাৰ শিক্ষাৰ প্ৰসাৰ আদিৰ ফলত বিভিন্ন পাশ্চাত্য ধাৰাৰ আগমন অসমীয়া সাহিত্যলৈ হৈছিল। লেখকসকলে এই ভাবধাৰাসমূহক প্ৰয়োগ কৰি নতুন নতুন আদৰ্শৰ সাহিত্য ৰচনা কৰিবলৈ আৰম্ভ কৰিছিল। বিশেষকৈ উপন্যাসৰ মাজেৰে ফুটি উঠা এই পাশ্চাত্য ভাবধাৰা মন কৰিবলগীয়া। বিংশ শতিকাৰ সত্তৰৰ দশকৰ পৰা অসমীয়া উপন্যাস সাহিত্যই বিভিন্ন বৈচিত্ৰ্যৰ মাজেৰে যাত্ৰা আৰম্ভ কৰে। এই যুগৰ অসমীয়া উপন্যাস সাহিত্যত বহুতো নতুনত্ব আহিল। এই সময়ছোৱাৰ অধিকাংশ ঔপন্যাসিকে উপন্যাসৰ কাহিনী বৰ্ণনাৰ ক্ষেত্ৰত বিক্ষিপ্ততাক আকোঁৱালি লোৱা দেখা গৈছে। বিশেষকৈ দ্বিতীয় বিশ্বযুদ্ধ আৰু ইয়াৰ পৰৱৰ্তী সময়ত বিংশ শতিকাৰ আশীৰ দশকলৈ সংঘটিত শীতল যুদ্ধ তথা ইয়াৰ সমান্তৰালকৈ অসমৰ জনজীৱনত সংঘটিত হৈ থকা বিভিন্ন ঘটনাৰ পৰিণতি স্বৰূপে লেখকসকলে এটা কথা অনুধাৱন কৰিব পাৰিছিল যে মানুহৰ জীৱনটো সৃষ্টিশীল সাহিত্যসমূহত বৰ্ণোৱাতকৈ অধিক বিক্ষিপ্ত আৰু জটিল। সেয়েহে উপন্যাসসমূহত মানৱ জীৱনৰ ছবি ফুটাই তোলাতে ঔপন্যাসিকে পূৰ্বৰ স্বাভাৱিক বৰ্ণনা পদ্ধতিৰ পৰিৱৰ্তে বিক্ষিপ্ততা আৰু জটিলতাৰ মাজেৰে প্ৰকাশ পোৱা বিশেষণাত্মক পদ্ধতি অৱলম্বন কৰিছে।

১১.৪ যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বৰ (১৯৭০-২০০০) অসমীয়া উপন্যাসত পাশ্চাত্য প্ৰভাৱ

যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্বত উপন্যাস চৰ্চা কৰা ঔপন্যাসিকসকলৰ ভিতৰত বহুকেইগৰাকীয়ে এই যুগতো সাহিত্য চৰ্চা অব্যাহত ৰাখিছিল। লগতে কেইবাগৰাকীও উদীয়মান আৰু প্ৰচুৰ সম্ভাৱনাযুক্ত নতুন ঔপন্যাসিকে এই যুগটোত আত্মপ্ৰকাশ কৰিছিল। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, হোমেন বৰগোহাঞি, চৈয়দ আব্দুল মালিক, শীলভদ্ৰ, মামণি ৰয়ছম

গোস্বামী আদি প্রথম পর্বৰ ঔপন্যাসিকসকলে এই পর্বতো সাহিত্য চর্চা অব্যাহত ৰখাৰ লগতে দেবব্রত দাস, ভূপেন্দ্র নাৰায়ণ ভট্টাচার্য, অৰূপা পটংগীয়া কলিতা, ফণীন্দ্র কুমাৰ দেৱচৌধুৰী, হিৰণ্য কাশ্যপ, স্বর্ণ বৰা, প্রদীপ্ত বৰগোহাঞি আদি কেইবাগৰাকীও নতুন ঔপন্যাসিকে আত্মপ্রকাশ কৰে। এই সময়ছোৱাৰ উপন্যাসত প্রকৃতিবাদ, অধিবাস্তৱবাদ, অস্তিত্ববাদ, যাদুকৰী বাস্তৱবাদ, উত্তৰ আধুনিকতাবাদ, অতীন্দ্রিয়বাদ, চেতনা-স্রোত আদি ভাবধাৰা প্রকাশ হোৱা পৰিলক্ষিত হৈছে।

১৯৭০ চনতে বিশিষ্ট অসমীয়া ঔপন্যাসিক দেবেন্দ্র নাথ আচার্যই 'অন্য যুগ অন্য পুৰুষ' নামৰ এখন উপন্যাস ৰচনা কৰিছিল। এই উপন্যাসখন আজিও অসমীয়া সাহিত্যত একক আৰু অনন্য হিচাপে পৰিগণিত হৈ আহিছে। বিশিষ্ট সমালোচক গোবিন্দ প্রসাদ শর্মাৰ মতে, 'তেওঁৰ তিনিখন উপন্যাসৰ ভিতৰত তেওঁ যদি অকল প্রথমখনেই 'অন্য যুগ অন্য পুৰুষ' (১৯৭০) ৰচনা কৰি থৈ গ'লহেঁতেন, তথাপি তেওঁৰ যশস্যাৰ হেৰফেৰ নহ'লহেঁতেন। উপন্যাসখনত ঔপন্যাসিকে বিগত যুগৰ প্রায় দুশ বছৰমান সময়ত সংঘটিত বিভিন্ন পৰিঘটনাৰ চাক্ষুম বর্ণনা আছে। এই ঘটনাবোৰৰ কথক হৈছে বেংবেলেষ্টৰ নামৰ এটা চৰিত্র। সাধাৰণ মানৰ চৰিত্র এটাই সকলো ঘটনাৰ চাক্ষুম আৰু অভিজ্ঞতামূলক বর্ণনা প্রদান কৰিছে। বহু সময়ত সাধাৰণ মানৰ চৰিত্র হোৱা সত্ত্বেও এটা ব্যাপক সময়ৰ সকলো ঘটনাৰ চাক্ষুম বর্ণনা কিদৰে দিব পাৰিছে, সেই সম্পর্কে পাঠকৰ মনত প্রশ্নৰ উদয় হয়। উপন্যাসখনৰ কথনভংগী একেবাৰে নতুন ইয়াৰ পূর্বে অসমীয়া পাঠকে এনে উপস্থাপনশৈলীৰ উপন্যাসৰ সোৱাদ লাভ কৰা নাছিল। তদুপৰি উপন্যাসখনত অধিবাস্তৱবাদ (surrealism)ৰ প্রভাৱ মন কৰিবলগীয়া। অধিবাস্তৱবাদৰ অর্থ হ'ল যি বাস্তৱৰ ঊর্ধ্বত। অর্থাৎ আমি যাক বাস্তৱ বুলি গ্রহণ কৰোঁ, তাৰ সীমাৰ বাহিৰত। বাস্তৱ সম্বন্ধে আমাৰ যি জ্ঞান, সেই জ্ঞানে অধিবাস্তৱবাদক ঢুকি নাপায় যদিও ই জ্ঞানাতীত নহয়। অধিবাস্তৱবাদত বর্ণিত বহুতো কথা বাস্তৱত নঘটিবও পাৰে; কিন্তু তাক লৈ আচৰিত হ'বলগীয়া একো নাই। আন কথাত ক'বলৈ গ'লে বেংবেলেষ্টৰ এক ৰহস্যময় চৰিত্র। সত্যেন্দ্রনাথ শর্মাৰ ভাষাত, 'সেই যুগটোৰ দ্রষ্টা আৰু বক্তা বেংবেলেষ্টৰত সেই যুগৰ ব্যাপক জ্ঞান থকা ব্যক্তিৰ অস্তিত্ব অনুভৱ কৰোঁ। বেংবেলেষ্টৰৰ বর্ণনাত ৰম্য ৰচনাৰ আস্বাদ আৰু ঠায়ে ঠায়ে চুটিগল্পৰ নির্যাসো পোৱা যায়।' বেংবেলেষ্টৰৰ ঘৰ-সংসাৰ নাই। ইখন ঘৰৰ পৰা সিখন ঘৰলৈ যায় আৰু জীৱনত সন্মুখীন হোৱা বিভিন্ন অভিজ্ঞতাৰ বিষয়ে অৱগত কৰায়। তেওঁৰ কাহিনীৰ অন্ত নাই। ইংৰাজৰ আগমন, স্বাধীনতা সংগ্রাম, মণিৰাম দেৱানৰ ফাঁচী, দ্বিতীয় মহাযুদ্ধ আদি ঐতিহাসিক ঘটনাৰ বাহিৰেও বেংবেলেষ্টৰে সমাজৰ বিভিন্ন শ্রেণীৰ মানুহৰ বর্ণনাও প্রদান কৰিছে। উপন্যাসখনৰ কাহিনীৰ নির্দিষ্ট আৰম্ভণি আৰু সামৰণি নাই। এই দিশৰ পৰা উপন্যাসখন আধুনিক।

অধিবাস্তৱবাদী ভাবধাৰাৰ প্রভাৱ পৰা আন এখন উপন্যাস হ'ল মামণি ৰয়ছম গোস্বামীৰ 'নীলকণ্ঠী ব্রজ'। অধিবাস্তৱবাদৰ বিষয়ে ইতিপূর্বে কিছু উল্লেখ কৰি অহা হৈছে।

১৯৭০ চনত প্রকাশিত দেবেন্দ্র আচার্যৰ 'অন্য যুগ অন্য পুৰুষ'ৰ পিছত ১৯৭৬ চনত প্রকাশিত মামণি ৰয়ছম গোস্বামীৰ 'নীলকণ্ঠী ব্রজ'ত অধিবাস্তৱবাদৰ সার্থক প্রয়োগ দেখা যায়। উপন্যাসখনৰ নায়িকা হ'ল বিধৱা সৌদামিনী। ৰাধেশ্যামীসকলৰ সপোন যেন লগা অথচ নিষ্ঠুৰ এখন জগত হ'ল নায়িকাৰ বিচৰণ ক্ষেত্র। ব্রজধানৰ ধর্মীয় পৰিৱেশৰ নিষ্ঠুৰতা ঔপন্যাসিকাই বিভিন্ন টুকুৰা-টুকুৰ দৃশ্যৰে ফুটাই তুলিছে। উপন্যাসখনৰ এঠাইত সংযোজিত হোৱা এটা বর্ণনা এনে ধৰণৰ—

'ইয়াৰ পিছত পাণ্ডাই মৃতকৰ অস্থি-চর্মসাৰ নির্জীৱ দেহটি খেপিয়াব ধৰিলে। কি ঠিক কিজানি সোণৰ নাইবা ৰূপৰ মাদলি এটা বুঢ়ীৰ কঁকাল নাইবা বাহুৰ কোনোবা এঠাইত বন্ধা আছেই?

আছে আছে — পাণ্ডাই কিবা এটা টান মাৰি ছিঙিলে। লগে লগে বুঢ়ীৰ কঁকালটি উলংগ হৈ খাটিয়াৰ ওপৰত হামখুৰি খাই পৰিল। মানৱতা আৰু জীৱনৰ প্রতি ভ্রূকুটি দেখু�ৱাই থকা এই অদ্ভুত অবিশ্বাস্য নগ্ন দেহাটো দেখি সৌদামিনীৰ নাকৰ পাৰি দুটা কঁপি উঠিল।'

পবিত্র ধর্মীয় পৰিৱেশৰ বিপৰীতে শোষণ, নিপীড়ন, উৎপীড়ন, ক্ষুধা, ৰোগ, নিষ্ঠুৰতা বিশিষ্ট ব্রজধামৰ প্রকৃত ছবিখন লেখকে আমাৰ আগত অতি সজীৱতাৰে ফুটাই তুলিছে। ইয়াতেই উপন্যাসখনত অধিবাস্তৱবাদী ভাৱধাৰা প্রতিফলিত হৈছে।

অসমীয়া সাহিত্যৰ এই পর্বতেই মার্ক্সীয় দৃষ্টিভংগী গ্রহণ কৰি কেইবাজনো ঔপন্যাসিকে উপন্যাস ৰচনা কৰি থৈ গৈছে। বিশিষ্ট ঔপন্যাসিক উমাকান্ত শর্মাৰ দ্বাৰা ৰচিত 'এজাক মানুহ এখন অৰণ্য' (১৯৮৬) উপন্যাসত মার্ক্সীয় ভাৱধাৰা ৰক্ষিত হৈছে। 'এজাক মানুহ এখন অৰণ্য' অসমৰ চাহ বাগিচাৰ বনুৱাসকলৰ জীৱনক কেন্দ্র কৰি ৰচনা কৰা হৈছে। ঔপন্যাসিকে অতি সহানুভূতিৰে বনুৱাসকলৰ সংঘাতময় জীৱনক উপন্যাসত ঠাই দিছে। ইয়াৰ বাহিৰেও ধ্রুৱজ্যোতি বৰাৰ 'লোহা' (১৯৮৫), অনিল ৰায়চৌধুৰীৰ 'শত্রু' (১৯৮০), 'কাণ্ডাৰী', মুকুট ভট্টাচার্যৰ 'গতি' (১৯৮৪), 'হেৰোৱা বাটৰ আঁত' (১৯৮৫), চিদানন্দ শইকীয়াৰ 'জুয়ে পোৱা সোণ' (১৯৯৬) আদি উপন্যাসত মার্ক্সীয় দৃষ্টিভংগীটো সার্থকভাৱে ফুটি উঠিছে।

নাৰীৰ সমমর্যাদা বিচাৰি বিগত সপ্তদশ, অষ্টাদশ শতিকাত ইউৰোপত আৰম্ভ হোৱা নাৰীবাদী (Feminist) ভাৱধাৰাই পৰৱর্তী সময়ত সমগ্র বিশ্বত বিশ্বত বিয়পি পৰিছিল। এই ভাৱধাৰাক সৰোগত কৰি বিশ্ব সাহিত্যত অসংখ্য উপন্যাস ৰচিত হৈছে। অসমীয়া সাহিত্যতো নাৰীবাদী ভাবধাৰাৰ প্রভাৱ মন কৰিবলগীয়া। যুদ্ধোত্তৰ যুগৰ পূর্বৰে পৰা অসংখ্য নাৰীবাদী ভাবধাৰাযুক্ত উপন্যাস ৰচিত হৈ আহিছে। আলোচ্য পর্বটোতো (১৯৭০-২০০০) কেইবাখনো নাৰীকেন্দ্রিক তথা নাৰীৰ অধিকাৰৰ কথা সন্নিবিষ্ট থকা উপন্যাস ৰচিত হোৱা পৰিলক্ষিত হৈছে। মামণি ৰয়ছম গোস্বামীৰ 'নীলকণ্ঠী ব্রজ' (১৯৭৬), 'ঈশ্বৰী, জখমী যাত্রী আৰু অন্যান্য' (১৯৯১), 'দঁতাল হাতীৰ জয় খোৱা হাওদা' (১৯৮৮), নিৰুপমা বৰগোহাঞিৰ 'তিনিকন্যা'

(১৯৭৮), 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' (১৯৭১), 'অন্যজীৱন' (১৯৮৭), 'অভিযাত্রী' (১৯৯২), লুম্বেৰ দাইৰ 'কইনাৰ মূল্য' (১৯৮২), তিলোত্তমা মিশ্রৰ 'স্খলতা' (১৯৯১), অনুৰাধা শর্মা পূজাৰীৰ 'হৃদয় এক বিজ্ঞাপন' (১৯৯৮), দিলীপ দত্তৰ 'মিছ গৌহাটী' (১৯৯৪) আদ উল্লেখযোগ্য অসমীয়া নাৰীবাদী ভাবধাৰাযুক্ত উপন্যাস।

জেম্চ জয়চৰ (১৯২২) আৰু ভার্জিনিয়া উল্ফৰ 'মিচিজ ডেলৱে' (১৯২৫) প্রকাশ পোৱাৰ পিছত বিশ্ব সাহিত্যলৈ চেতনা-স্রোত ধাৰাৰ আগমন ঘটিল। বীৰেন্দ্র কুমাৰ ভট্টাচার্যই 'ৰাজপথে ৰিঙিয়ায়' (১৯৫৫)ত এটা দিনৰ ঘটনাক এনে এটা আদর্শত বর্ণাব বিচাৰিছিল যদিও উপন্যাসখনে পূর্ণ চেতনা-স্রোতৰ ৰূপ লাভ নকৰিলে। চেতনা-স্রোত পদ্ধতিৰ সার্থক প্রয়োগ ঘটিছে ভূপেন্দ্র নাৰায়ণ ভট্টাচার্যৰ 'মৰুদ্যান' (১৯৮৯) উপন্যাসখনত। উপন্যাসখনত বর্ণিত প্রতিটো ঘটনা লেখকৰ চেতনাত ক্রিয়া কৰিছে। 'মৰুদ্যান'ৰ বাহিৰেও তেওঁৰ দ্বাৰা ৰচিত 'মোৰ নাম জেব্রো', 'শীতৰ আবেলিত এটা পকা সুমুথিৰা', 'সাগৰ তীৰত আমি' উপন্যাসত চেতনা-স্রোত পদ্ধতিৰ সার্থক বিকাশ লক্ষ্য কৰিব পাৰি।




জানি থোৱা ভাল

'চেতনা-স্রোত' বা 'Stream of consciousness' শব্দলানি ঊনবিংশ-বিংশ শতিকাৰ সন্ধিক্ষণত আধুনিক কথা সাহিত্যৰ এটা বিশেষ ৰীতি বুজাবলৈ পোন প্রথমবাৰলৈ ব্যৱহাৰ কৰা হৈছিল। 'Stream of consciousness' অভিধাটো পোনপ্রথমে ব্যৱহাৰ কৰিছিল মনোবিদ উলিয়াম জেম্চে। ১৮৯০ চনত প্রকাশ পোৱা তেখেতৰ বহু সমাদৃত গ্রন্থ 'Principles of Psychology'ত জয়চে এই অভিধাটো পোন প্রথমবাৰলৈ অৱতাৰণা কৰিছিল।

হোমেন বৰগোহঞিৰ 'অস্তৰাগ' (১৯৮৬) উপন্যাসখনিত প্রকৃতিবাদৰ প্রতিফলন ঘটা পৰিলক্ষিত হয়। বাস্তৱবাদৰ পিছতে সাহিত্য জগতলৈ প্রকৃতিবাদ (naturalism)ৰ আগমন ঘটিছিল। সাধাৰণতে প্রকৃতিবাদক বাস্তৱবাদৰ চূড়ান্ত বা অন্তিম পর্যায় হিচাপে অভিহিত কৰা হয়। ক'বলৈ গ'লে প্রকৃতিবাদ বাস্তৱবাদৰে এক সম্প্রসাৰিত ৰূপ। 'সমকালীন সমাজৰ নিখুঁত বর্ণনা, তাৰ প্রেক্ষাপটত কোনো বাস্তৱ ঘটনাৰ বা সামাজিক ৰীতি-নীতিৰ লগত ব্যক্তি মানসৰ সংঘাত, সেই সংঘাতৰ ভিত্তিত জীৱন্ত চৰিত্র নির্মাণ আৰু বৈজ্ঞানিক তথা নিৰপেক্ষ দৃষ্টিকোণৰ পৰা সমগ্র পৰিৱেশ-পৰিস্থিতিৰ যুক্তিনিষ্ঠ বিশ্লেষণ কৰাই প্রকৃতিবাদ।' অসুখীয়া পিতৃৰ প্রতি চহৰৰ ঘৰত পুত্র দিলীপ আৰু তাৰ পত্নী, পুত্র-কন্যাই সহানুভূতিশীল স্থিতি গ্রহণ কৰিছে যদিও গ্রাম্য পৰিৱেশতকৈ ভিন্ন পৰিৱেশত লাভ কৰা পুত্র-বোৱাৰীৰ এই শুশ্রূষা তেখেতে অন্তৰেৰে গ্রহণ কৰিব নোৱাৰিলে। পিতৃস্নেহবান দিলীপে দেউতাকৰ বার্ধক্য আৰু সেই অৱস্থাই সৃষ্টি কৰা দেউতাকৰ আৰু নিজৰ জীৱনৰ সমস্যা বুজি পায়ো বুজিবলৈ অপাৰগ হয়। মনৰ অসহায় আৰু

বিবুদ্ধিকৰ অৱস্থাত সি বন্ধুবোৰৰ ওচৰলৈ যায় আৰু সিহঁতৰ সৈতে হোৱা এই অভিজ্ঞতাৰ আলোচনাৰ মাজেৰে প্রকৃতিবাদী দৃষ্টিভংগী ফুটি উঠিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ১৯৭০-২০০০ চনৰ অসমীয়া উপন্যাসৰ ভেটি নির্মাণত কোনবোৰ কাৰকে ক্রিয়া কৰিছে?

.....

প্রশ্ন নং ২ ঃ চেতনা-স্রোত ধাৰা বুলিলে কি বুজা যায়? অসমীয়া উপন্যাসত ই কিদৰে প্রতিফলিত হৈছে?

.....

হোমেন বৰগোহাঞিৰ আন এখন উপন্যাস হ'ল 'তান্ত্রিক'। উপন্যাসখনত অতীন্দ্রিয়বাদ (mysticism) আৰু প্রকৃতিবাদ (naturalism)ৰ সুন্দৰ মিশ্রণ দেখা যায়। উপন্যাসখনৰ প্রধান চৰিত্র দুটা হৈছে অৰুণ চক্রৱর্তী আৰু অমল চৌধুৰী। চৰিত্র দুটাৰ মৰম আলোচনাৰ মাজেৰে তেওঁলোকৰ জীৱন আৰু পৰিস্থিতি সম্পর্কে দৃষ্টিভংগী ফুটি উঠিছে আৰু ইয়াতে ঠাই পাইছে অতীন্দ্রিয়বাদ বা ৰহস্যবাদ আৰু তাৰ লগতে অস্তিত্ববাদে। কার্যৰ উপস্থিতি প্রায় নাই বুলিব পৰা এই উপন্যাসখন অসমীয়া উপন্যাসৰ ইতিহাসত এক অভিনৱ সংযোজন।

নির্ধাৰিত পৰিসীমাৰ পৰা (১৯৭০-২০০০) কিছু আঁতৰি আহিলেও অন্তর্ভুক্তৰ গুৰুত্বৰ প্রতি লক্ষ্য ৰাখি লক্ষ্মীনন্দন বৰাৰ জনপ্রিয় উপন্যাস 'কায়কল্প' (২০০২)ক আলোচনাৰ আওতালৈ টানি অনা হৈছে। উপন্যাসখন পাশ্চাত্য সাহিত্যৰ এক বিশেষ ভাবধাৰা যাদুকৰী বাস্তৱবাদ (magical realism বা magic realism)ৰ সফল প্রতিফলন। যাদুকৰী বাস্তৱবাদ উত্তৰ আধুনিকতাবাদী সাহিত্যৰ এটি বিশেষ ধাৰা বা কৌশল। অৱশ্যে ইয়াক পোনপ্রথমে মার্ডালাচ ৰিয়েলিজিম বুলি জনা গৈছিল। বর্তমান সময়ত বিশ্বৰ বিভিন্ন দেশৰ উপন্যাসৰ কাহিনীত কিছুমান উদ্ভট আৰু বিস্ময়কৰ (fabulous and fantastic) ঘটনা সংযোজিত কৰে; যদিও এনেবোৰ কাহিনীত প্রধানতঃ বিশ্বাসযোগ্য আৰু বাস্তৱসম্মত ঘটনাই প্রাধান্য লাভ কৰি আহিছে। এনে ধৰণৰ বিস্ময়কৰ আৰু উদ্ভট ঘটনা সম্বলিত উপন্যাসসমূহত যাদুকৰী বাস্তৱবাদৰ প্রয়োগ হোৱা বুলি কোৱা হয়। সি যি কি নহওক লক্ষ্মীনন্দন বৰাৰ 'কায়কল্প' উপন্যাসত এই ভাৱধাৰাৰ সার্থক প্রয়োগ ঘটিছে। 'বিজ্ঞানৰ এক বিশেষ আৱিষ্কাৰক কেন্দ্র কৰি উপন্যাসৰ কাহিনীভাগ ৰচনা কৰা হৈছে যদিও উপন্যাসখনে বিজ্ঞান জগতৰ আৱিষ্কাৰৰ লগত মানুহৰ জগতৰ সংগতি, ভাবাবেগ আৰু সামগ্রিকভাৱে বিশ্বৰ বজাৰকেন্দ্রিক অর্থনীতিৰ স্বৰূপ দাঙি ধৰিছে।'



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বৰ উপন্যাসসমূহৰ পটভূমি হিচাপে ক্ৰিয়া কৰা ঘটনাবোৰৰ বিষয়ে জানিলোঁ।
- এই সময়ছোৱাত অসমীয়া উপন্যাসত ফুটি উঠা বিভিন্ন পাশ্চাত্য ভাবধাৰাৰ বিষয়ে অৱগতো হ'লো।
- যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বৰ অসমীয়া উপন্যাসত পৰা পাশ্চাত্য প্ৰভাৱৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলোঁ।



১১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। ঠাকুৰ, নগেন (সম্পা.) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*, জ্যোতি প্ৰকাশন, দ্বিতীয় প্ৰকাশ, ২০১২ চন।

২। দাস, অমল চন্দ্ৰ (সম্পা.) ঃ *অসমীয়া উপন্যাস পৰিক্ৰমা*, বনলতা, প্ৰথম সংস্কৰণ, মে', ২০১২ চন।

৩। ভট্টাচাৰ্য, পৰাগ কুমাৰ ঃ *আধুনিক উপন্যাস*, অসম পাপ্লিচিং কোম্পানী, এপ্ৰিল, ১৯৯৯ চন।

৪। মজুমদাৰ, বিমল ঃ *সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ*, জ্যোতি প্ৰকাশন, দ্বিতীয় প্ৰকাশ, ২০১৬ চন।

৫। শৰ্মা, গোবিন্দ প্ৰসাদ ঃ *অসমীয়া উপন্যাসৰ ইতিহাস* ঃ জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ ২০১৪ চন।

৬। শৰ্মা, গোবিন্দ প্ৰসাদ ঃ *উপন্যাস আৰু অসমীয়া উপন্যাস*, বনলতা, প্ৰথম সংস্কৰণ, ২০১৫ চন।



১১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ আৰম্ভণি — ১৯৭০-২০০০ চনৰ ভিতৰত জাতীয় জীৱনত সংঘটিত বিভিন্ন ঘটনা — ইয়াৰ প্ৰভাৱ— সামৰণি।

২নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি — চেতনা-স্রোত বুলিলে কি বুজা যায়— ইয়াৰ ইতিহাস— অসমীয়া উপন্যাসত ইয়াৰ প্রতিফলন — সামৰণি।



১১.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পর্বটোত ৰচিত অসমীয়া উপন্যাসসমূহত ৰক্ষিত পাশ্চাত্য প্রভাৱসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ হোমেন বৰগোহাঞি আৰু মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত পাশ্চাত্য প্রভাৱ কিদৰে পৰিছে সেই সম্পর্কে আলোকপাত কৰক।

প্রশ্ন ৩ ঃ চমুটোকা লিখক ঃ

(ক) যাদুকৰী বাস্তৱবাদ আৰু 'কায়কল্প'।

(খ) চেতনা-স্রোত

(গ) অধিবাস্তৱবাদ আৰু অসমীয়া উপন্যাস

(ঘ) অসমীয়া নাৰীবাদী উপন্যাস।

*** ***** ***

অধ্যায় ১২ ঃ অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ (১৮৮৯-১৯৪০)

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ অসমীয়া চুটিগল্পৰ পটভূমি (১৮৮৯-১৯৪০)
১২.৪ অসমীয়া চুটিগল্পকাৰসকলৰ সৃষ্টিকর্মত পাশ্চাত্য প্রভাৱ
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১২.৮ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ১৮৮৯ৰ পৰা ১৮৪০ সময়ছোৱাত চুটিগল্পৰ জন্ম সম্পর্কে পৰিচয় লাভ কৰিব
- ১৮৮৯ৰ পৰা ১৮৪০ সময়ত চুটিগল্পই বিকাশ আৰু প্রতিষ্ঠা লাভৰ অগ্রগতি সম্পর্কে জানিব পাৰিব
- ১৮৮৯ৰ পৰা ১৮৪০ৰ সময়ছোৱাত চুটিগল্প প্রাণ প্রতিষ্ঠা লাভৰ সমান্তৰালভাৱে পাশ্চাত্যৰ প্রভাৱ সম্পর্কে বিশ্লেষণ কৰিব পাৰিব
- ১৮৮৯ৰ পৰা ১৮৪০ৰ সময়ছোৱাত আত্মপ্রকাশ ঘটা অসমীয়া চুটিগল্পকাৰসকলৰ ৰচনাত প্রত্যক্ষ কৰা পাশ্চাত্য প্রভাৱ সম্পর্কে আলোচনা কৰিব পাৰিব
- ১৮৮৯ৰ পৰা ১৮৪০লৈ বিকশিত হোৱা পাশ্চাত্য প্রভাৱসমৃদ্ধ অসমীয়া চুটিগল্পই অসমীয়া সাহিত্যৰ জগতখনক কেনেদৰে সমৃদ্ধিশালী কৰি ভেঁটি সুদৃঢ় কৰাত অৰিহণা যোগাইছে সেই বিষয়ে জানিব পাৰিব।

১২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যান্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ পৰা আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া সাহিত্যৰ পাশ্চাত্য প্রভাৱ' পাঠ্যবিষয়ৰ অন্তর্গত দ্বাদশ অধ্যায় 'অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ (১৮৮৯ -১৮৪০)ত অসমীয়া চুটিগল্পৰ ১৮৮৯ৰ পৰা ১৯৪০ৰ এই সমছোৱাত পাশ্চাত্য প্রভাৱ কিদৰে পৰিছে; সেই প্রভাৱৰ ফলত অসমীয়া চুটিগল্পৰ সংযোগ হোৱা নৱতম দিশসমূহ সম্পর্কে আভাস পাব। তদুপৰি উল্লিখিত সময়ছোৱাত পাশ্চাত্য সাহিত্যৰ

দানস্বৰূপ চুটিগল্প জন্ম, বিকাশ আৰু পটভূমি সম্পৰ্কে সম্যক আভাস দিবলৈ যত্ন কৰা হৈছে। ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ছোৱাতেই সামৰি লোৱা *জোনাকী* আৰু *আৱাহনৰ* গল্পকাৰসকলৰ সৃষ্টিকৰ্মক প্ৰভাৱান্বিত কৰা পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে অধ্যায়টিত বিশ্লেষণ আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

১২.৩ অসমীয়া চুটিগল্পৰ পটভূমি (১৮৮৯-১৯৪০)

ফ্ৰান্স আৰু ৰাছিয়াত ঊনবিংশ শতিকাত জন্ম লাভ কৰা চুটিগল্প শীৰ্ষক অভিনৱ সাহিত্যত পৰৱৰ্তী সময়ত বাস্তৱ জীৱন, ব্যক্তিগত যন্ত্ৰণা-সমস্যা আদিৰ প্ৰতিফলন ঘটিছিল। বিশ্বৰ অন্যান্য দেশসমূহৰ দৰেই ভাৰতবৰ্ষতো ফকিৰ মোহন সেনাপতিৰ হাতত ওড়িআ সাহিত্যত, ৰবীন্দ্ৰনাথ ঠাকুৰৰ হাতত বাংলা সাহিত্যত, প্ৰেমচান্দৰ হাতত হিন্দী আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত অসমীয়া আধুনিক চুটিগল্প অংকুৰিত হৈছিল। অন্যান্য ভাষাসমূহত বিকাশ লাভ কৰাৰ দৰেই অসমীয়া ভাষাতো সংবাদপত্ৰ আৰু আলোচনীৰ পাতত চুটিগল্পৰ জন্ম হৈছিল। কলিকতাৰ প্ৰৱাসুৱা ছাত্ৰসকলৰ প্ৰচেষ্টাত ১৮৮৯ চনত প্ৰকাশ পোৱা *জোনাকীৰ* পাতত লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত অসমীয়া চুটি গল্প *সেউতী* (১৮৯২ চনত অৰ্থাৎ *জোনাকীৰ* ৪ৰ্থ বছৰ ৪ৰ্থ সংখ্যাত) প্ৰকাশ হৈ অসমীয়া চুটিগল্পৰ শুভাৰম্ভণি কৰে। *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস* শীৰ্ষক গ্ৰন্থত আলোচক শৈলেন ভৰালীয়ে কৈছে যে আধুনিক অসমীয়া চুটিগল্প পাশ্চাত্যৰ দান। *জোনাকী* যুগতে তাৰ জন্ম হয় আৰু এই কলাৰ জনক হ'ল *জোনাকীৰ* আদৰ্শ-সংস্কাৰক লক্ষ্মীনাথ বেজবৰুৱা।"

অসমীয়া চুটিগল্প বিকাশৰ ক্ষেত্ৰত আলোচনীৰ অৱদান কম নহয়। *জোনাকীৰ* পাতত জন্ম হোৱাৰ পাছত *বিজুলী, বাঁহী, ঊষা, চেতনা* আদি আলোচনীয়ে আগবঢ়োৱা সঁহাৰিৰ ফলস্বৰূপে অসমীয়া চুটিগল্পই *আৱাহনত* বিকাশ লাভ কৰে।

'আৱাহন' আলোচনীৰ জন্ম লগ্নৰ পৰা *ৰামধেনুৰ* জন্মলৈকে সময়খিনি সামৰিলৈ *আৱাহন যুগ* বুলি অভিহিত কৰা হৈছে। প্ৰখ্যাত গল্পকাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে সম্পাদনা কৰি প্ৰকাশ কৰা আলোচনীখনৰ নামেৰে নামকৰণ কৰা *আৱাহনৰ* সময়ছোৱাত পাশ্চাত্য শিক্ষাৰ প্ৰসাৰ ঘটে। *জোনাকীৰ* সময়ত গঢ়ি উঠা কাহিনী প্ৰধান আৰু সৰল চুটিগল্পৰ বিপৰীতে *আৱাহনত* পাশ্চাত্যৰ মতবাদ, দৰ্শন আদিয়ে ঠাই লাভ কৰিবলৈ ধৰে।

আৱাহনৰ গল্পবোৰৰ মাজত বিলাসী কল্পনাৰ সুৰ আৰু মুক্ত চিন্তাৰ প্ৰসাৰ পৰিলক্ষিত হয়। গল্পবোৰত ব্যক্তি-জীৱনৰ নানা সমস্যা আৰু সেইসমূহৰ ন ন ব্যাখ্যা দিয়াৰ প্ৰয়াসৰ লগতে সমাজত সমতা ৰক্ষা কৰাৰ মনোভাব ফুটি উঠিছে।

১২.৪ অসমীয়া চুটিগল্পকাৰসকলৰ সৃষ্টিকৰ্মত পাশ্চাত্য প্ৰভাৱ

ঊনবিংশ শতিকাত ইংৰাজী সাহিত্যত চুটিগল্পই প্ৰাণ লাভ কৰাৰ প্ৰায় সমসাময়িকভাৱে ফ্ৰান্স, ৰাছিয়া, জাৰ্মানী আৰু আমেৰিকাতো এইবিধ কলাই বিকাশ লাভ কৰে। আমেৰিকাৰ ৱাশ্বিংটন

আৰ্ভিঙৰ *ৰিপ'ভান উইংকলক*প্রথম চুটিগল্প বুলি কোৱা হয়। ঊনবিংশ শতিকাৰ শেষৰফালে পাশ্চাত্য প্রভাৱৰ ফলস্বৰূপে ভাৰতবর্ষ আৰু অসমতো পত্রিকা আৰু আলোচনীৰ পাতত চুটিগল্পৰ জন্ম হয়।

আধুনিক অসমীয়া চুটিগল্প পাশ্চাত্যৰ দান। পাশ্চাত্য শিক্ষাৰ প্রসাৰৰ যোগেদি অংকুৰিত হোৱা চুটিগল্পৰ বীজে পোনতে অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ হাততে পোখা মেলিছিল। সেয়েহে ১৮৮৯ চনৰ পৰা 'জোনাকী'ৰ সময়ছোৱাক বহুতো সমালোচকে 'বেজবৰুৱাৰ যুগ' বুলিও অভিহিত কৰিছে।

চেখভ আৰু মোপাঁছাৰ সমসাময়িক অসমীয়া সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত উক্ত পাশ্চাত্য সাহিত্যিক দ্বয়ৰ প্রভাৱৰ বিপৰীতে শিথিল ইংৰাজী ধাৰাৰ প্রতিনিধিত্ব পৰিলক্ষিত হয়। তদুপৰি বেজবৰুৱাৰ দ্বাৰা এই ধাৰাৰে ৰচা গল্পসমূহত ডিকেন্স, গ'গল আৰু টলষ্টয়ৰ সদৃশ জীৱনৰ সামূহিক ৰূপায়ণৰ প্রকাশ প্রতিফলিত হৈছে। কলিকতাত শিক্ষা গ্রহণ কৰিবলৈ গৈ পাশ্চাত্য সাহিত্যৰ দ্বাৰা প্রভাৱিত হোৱা বেজবৰুৱাৰ ওপৰত ৰবীন্দ্রনাথৰ প্রভাৱ পৰিলক্ষিত হয়। তেওঁৰ গল্পবোৰৰ মাজত মানুহৰ দুখ-দুর্দশা, সমাজত থকা নীচতা-হীনতা, অহংকাৰ, ভেম-ভণ্ডামি আদি অন্যায় অপৰাধক ৰোমাণ্টিক আদর্শবাদী দৃষ্টিভংগীৰে নির্মূল কৰি সমাজত মানৱতাবাদ প্রতিষ্ঠা কৰাৰ প্রয়াস ফুটি উঠিছে। মানৱতাবাদী মনোভাৱেৰে সমাজ-সংস্কাৰ আৰু ব্যক্তি শুদ্ধিকৰণক উদ্দেশ্য ৰূপে লৈ বেজবৰুৱাই গল্পসমূহ ৰচনা কৰিছিল। *মাধৈমালতী* গল্পত ডাঙৰ উকীলৰ তৰণি মাধৱ চৰিত্রটোৱে নিজৰ জীয়েক মাধৈমালতীয়ে পছন্দ কৰা ল'ৰাটো ডাকঘৰত চাকৰি কৰে বাবে বিয়া দিবলৈ অমান্তি হোৱাৰ বর্ণনাৰ যোগেদি সমাজৰ ভণ্ড চৰিত্রৰ মুখা খুলি দেখুৱাইছে।

মানুহৰ স্বাভাৱিক আৱেগ-অনুভূতিক বেজবৰুৱাই গল্পৰ মাজত প্রকাশ কৰিছিল। নৰ-নাৰীৰ প্রেম আৰু মানৱতাবাদী দৃষ্টিভঙ্গীৰ মাজেদি নাৰীৰ মনৰ চিৰন্তন সত্য আৰু সুন্দৰতাখিনিক *জয়ন্তী, মাধৈমালতী, কন্যা, চোৰ* আদি গল্পৰ মাজেদি প্রকাশ কৰিছে।

উল্লখযোগ্য যে অসমীয়া ভাষাৰ সর্বপ্রথম চুটিগল্প ৰচক বেজবৰুৱাই সাধুকথা আৰু চুটিগল্পৰ মাজৰ পার্থক্যটো স্পষ্ট কৰি নিদিয়া ধৰণে গল্প ৰচনাত ব্রতী হৈছিল। জার্মান আৰু আমেৰিকাৰ প্রাচীন কাহিনীৰ আধাৰত চুটিগল্পৰ সজাটো নির্মাণ কৰি ওৱাচিংটন আৰ্ভিঙে যিদৰে কল্পনাৰ ৰহনেৰে সৃষ্টিকর্মত অগ্রসৰ হৈছিল; ঠিক তেনেদৰে লক্ষ্মীনাথ বেজবৰুৱাইয়ো অসমীয়া প্রাচীন সাধু কথাৰ আধাৰত সুনির্দিষ্ট কৰি লোৱা দৃষ্টিভংগীৰ অৱলম্বনত চুটিগল্প ৰচনা কৰিছিল। কন্যা, আর্জি, কেকোঁককা, মূলা খোৱা বুঢ়া আদি এই ধৰণৰ লোক কথাৰ অৱলম্বনত ৰচিত সাধু আৰু গল্পৰ সীমাৰেখা সুনির্দিষ্ট নোহোৱাকৈ ৰচিত সাহিত্য।



জানি থোৱা ভাল

১৮৯২ চনত প্রকাশিত বেজবৰুৱাৰ *সেউতীৰ* জন্মৰ পৰা আৰম্ভ কৰি বর্তমানলৈকে অসমীয়া চুটিগল্পৰ ইতিহাসক চাৰিটা যুগ বা স্তৰত বিভক্ত কৰিব পাৰি ঃ

(ক) প্ৰাৰম্ভিক যুগ বা জোনাকী যুগ ঃ ১৮৮৯ৰ পৰা ১৯২৯ চনলৈ
(খ) আৰাহন যুগ ঃ ১৯২৯ চনৰ পৰা ১৯৪০ চনলৈ
(গ) যুদ্ধোত্তৰ যুগ বা ৰামধেনু যুগ ঃ ১৯৪০ চনৰ পৰা ১৯৭০ লৈ
(ঘ) সাম্প্ৰতিক যুগ ঃ ১৯৭০ৰ পৰা বৰ্তমানলৈ।

বেজবৰুৱাই গল্প ৰচনাত কলা-কৌশলৰ দিশত বৰ বিশেষ গুৰুত্ব নিদিছিল যেন ধাৰণা হয় যদিও থমাচ মিডলটনৰ 'ৰোমে'ন বিৱেৰ ৰোমে'ন' নাটকৰ কলা-কৌশলগত দিশৰ সৈতে *লম্বোদৰ ডেকা* শীৰ্ষক গল্পৰ কলা-কৌশলগত সাদৃশ্য পৰিলক্ষিত হয়। কেৱল মাত্ৰ মিডলটনে ডবা খেল আৰু আমাৰ গল্পকাৰে পাশা খেলৰ অৱতাৰণা কৰিছে। কিন্তু খেলৰ অগ্ৰগতিত চৰিত্ৰৰ বিৱৰণ বৰ্ণিত হৈছে। তদুপৰি টলষ্টয়ৰ গল্পলৈ মনত পেলাই দিয়া বেজবৰুৱাৰ *ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ* গল্পটোত শেষ স্বৰূপ হাস্যৰসৰ ঢল বৈ গৈছে। এনে ৰচনাই আমাক বেজবৰুৱাৰ গল্পত ডষ্টয়ভস্কি, গগ'ল আৰু ফৰ্ষ্টাৰৰ ৰচনাৰীতিৰ প্ৰভাৱ নপৰাকৈ যে থকা নাই; সেই কথা ভবাই তোলে। ফৰ্ষ্টাৰৰ *ড্য চেলেষ্টিয়েল অমনিবাচ* গল্প আৰু *ড্য ভিজন অব মিৰ্জা* শীৰ্ষক এডিচনৰ প্ৰবন্ধৰ ৰূপকধৰ্মীতাৰ সৈতে বেজবৰুৱাৰ *স্বৰ্গাৰোহন* গল্পৰ সাদৃশ্য মন কৰিবলগীয়া। অন্যান্য পাশ্চাত্য সাহিত্যিকসকলৰ উপৰিও চচাৰৰ স্বপ্নজগত বৰ্ণনাৰে বৰ্ণিত ৰচনাৰ সৈতেও বেজবৰুৱাৰ স্বপ্নজগতৰ বিচৰণ, ক'তো সুখৰ সন্ধান নোপোৱা, কেৱল মায়াতে বন্দী হৈ থকা আদি বৰ্ণনাৰ তুলনা তথা প্ৰভাৱ মন কৰিবলগীয়া।

ডিকেনচ্ৰ *পিকউইক পেপাৰ্চৰ* আলমত বা আৰ্হিত *মলক গুইন গুইন, জাতিৰামৰ জাত, ভোকেন্দ্ৰ বৰুৱা, লম্বোদৰ ডেকা* আদি গল্পত অসমীয়া সমাজৰ ভাঙোনমুখী, অন্তঃসাৰশূন্য তথা নৈতিক অধঃপতনমুখী সমাজখনৰ সংস্কাৰ সাধনৰ আপাহত ব্যঙ্গ সমালোচনাৰে ৰচনা কৰিছিল।

ৰোমাণ্টিক আন্দোলনৰ অন্যতম হোতা বেজবৰুৱাৰ *ৰতনমুণ্ডা, মুক্তি, নকওঁ* আদি গল্পত পাশ্চাত্যৰ ৰোমাণ্টিক চেতনাৰ সফল ৰূপায়ণ প্ৰত্যক্ষ কৰা যায়। তদুপৰি মুক্তি গল্পত *শিশুমনস্তত্ব, সেউতী, পাটমুগী* আদি গল্পত নাৰী মনঃস্তত্বৰ বিভিন্ন অভিব্যক্তিৰ প্ৰকাশ ঘটিছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ সমসাময়িক গল্প লেখক শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ বিষয়বস্তু বাস্তৱধৰ্মী। থমাচ হাৰ্ডিৰ উপন্যাসৰ চৰিত্ৰৰ দৰে গোস্বামীৰ গল্পৰ চৰিত্ৰই কেতবোৰ সময়ত নেদেখাজনৰ হাতৰ পুতলা হৈ পৰিছে। গল্পত দাৰিদ্ৰ্য, শোষণ, অন্যায়-অবিচাৰ আৰু সমাজৰ দাৰিদ্ৰ্যপীড়িতসকলৰ জীৱন কাহিনীৰ বৰ্ণনা দিবলৈ যাওঁতে মোপাঁছাৰ প্ৰভাৱৰ পৰা মুক্ত হৈ বৰ্ণনা দিছে। তেওঁ মোপাঁছাৰ আৰ্হিৰে গল্পৰ ফ্ৰেম'ষ্টৰি প্ৰয়োগ কৰিছে। টলষ্টয়ৰ *এ স্পাৰ্ক নেগলেকটেড বাৰ্চ দি হাউচ* নামৰ গল্পৰ সৈতে গোস্বামীৰ *ৰক্তবীজ* গল্পৰ সাদৃশ্য পৰিলক্ষিত হয়। গোস্বামীৰ দুই এটা গল্পত টলষ্টয়ৰ আদৰ্শবাদিতা, ধৰ্মীয় বিনম্ৰতা আদিৰ উপৰিও এড্গাৰ এলেন পোৰ অলৌকিক ঘটনা, বিস্ময়সূচক ঘটনা আৰু অবৈধ প্ৰেম প্ৰণয় আৰু সিবোৰ পৰিণামৰ বৰ্ণনা প্ৰতিফলিত হৈছে।

সূৰ্যকুমাৰ ভূঞাই সমাজ সমালোচনা কৰাৰ পৰিৱৰ্তে মানৱ মনৰ অন্তৰ্জগতৰ সন্ধানৰ প্ৰতিহে অধিক গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ নিৰ্মিতিৰ মাজত ৰোমাণ্টিক ভাবানুভূতিৰ লগতে ব্যক্তি জীৱনৰ হাঁহি-কান্দোন, আনন্দ-বিষাদ আৰু অৰ্থনৈতিক সমস্যাই জুৰুলা কৰা ব্যক্তিৰ চৰিত্ৰ ফুটি উঠিছে। তেওঁৰ *বিজুলী* নামৰ গল্পত এড্‌গাৰ এলেন পোৰ *লিজিয়া* গল্পৰ এটা অতিপ্ৰাকৃতিক পৰিৱেশত প্ৰেমৰ চিৰন্তন ৰূপ আৰু আদৰ্শ ধ্বনিত হৈছে।

আৱাহনৰ অন্যতম কথা সাহিত্যিক নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে সমকালীন গোৱালপাৰা জিলাৰ জহি যাব ধৰা জমিদাৰী সমাজখনৰ লগতে জনজাতীয় জীৱনৰ সৰলতা, সমাজত প্ৰচলিত ভণ্ডামি, কু-সংস্কাৰ, অন্ধবিশ্বাস, জীৱনত ধনৰ প্ৰয়োজনীয়তা, নৰ-নাৰীৰ প্ৰেম আৰু বিভিন্ন বিজ্ঞানভিত্তিক বিষয়-বস্তুৰে গল্প ৰচনা কৰিছিল। বাংলা সাহিত্যিক শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ প্ৰভাৱ চৌধুৰীৰ *ভাগ-বটোৱাৰা* গল্পত লক্ষ্য কৰা যায়। তদুপৰি পাশ্চাত্য সাহিত্যিক নাথাকিলে হথৰ্ণৰ 'Heidegger's Experiment' গল্পৰ কিছু চিটিকনি চৌধুৰীৰ *ৰসায়ন* গল্পত পৰা যেন মনে ধৰে। ইয়াৰোপৰি এডগাৰ এলেন পোৰ প্ৰভাৱো চৌধুৰীৰ দুই এটা গল্পত পৰা বুলি প্ৰত্যক্ষ কৰিব পাৰি।

বাঁহী, বস্তি, চেতনা আৰু *আৱাহনত* গল্প লেখা এগৰাকী শক্তিশালী সাহিত্য সাধক লক্ষ্মীধৰ শৰ্মাৰ গল্পত আছে চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণ আৰু সামাজিক চেতনাসম্ভূত আদৰ্শ। বিপ্লৱী নাৰী চৰিত্ৰৰ চিত্ৰণ, সমাজত সমতা প্ৰতিষ্ঠা কৰা, নাৰী মনত বাজি উঠা বিপ্লৱী চেতনা, প্ৰেম-প্ৰণয়, জৈৱিক সমস্যা তেওঁৰ গল্পৰ মূল বিষয়বস্তু। পাশ্চাত্যৰ নাৰী মুক্তি আন্দোলনৰ প্ৰধান প্ৰৱক্তা তথা হোতাসকলৰ মাজৰ মেৰী ষ্টোপেচ, এনি বেছান্ত আদিৰ চিন্তাৰ প্ৰভাৱৰ দ্বাৰা লক্ষ্মীধৰ শৰ্মাৰ গল্পত চিত্ৰিত লিলি, ললিতা, ঊষা, সুজাতা আদি নতুন নাৰী চৰিত্ৰ গঢ়ি উঠিছে। তদুপৰি শৰ্মাৰ গল্পত মাৰ্ক্সীয় চিন্তা আৰু ফ্ৰয়েডীয় চেতনাৰ প্ৰভাৱ মন কৰিবলগীয়া।

হলিৰাম ডেকাই সমাজ আৰু ব্যক্তি জীৱনৰ সমস্যাক বিষয়ৰূপে প্ৰয়োগ কৰি নাথাকি গল্পবোৰৰ মাজত ফ্ৰয়েডৰ মনস্তাত্ত্বিক আৰু যৌন মনস্তাত্ত্বিক পদ্ধতি প্ৰয়োগৰ যোগেদি ব্যক্তি জীৱনৰ গভীৰতালৈ প্ৰৱেশ কৰিবলৈ প্ৰয়াস কৰা লক্ষ্য কৰা যায়। ডেকাই গল্পত পাশ্চাত্যৰ বাস্তৱবাদৰ অৱতাৰণা কৰাৰ লগতে টলষ্টয় আৰু চেখভ্‌ আদি সাহিত্যিকৰ দৰে বাস্তৱ জীৱনৰ অভিজ্ঞতাক অগ্ৰাধিকাৰ দি 'ভৱিষ্যৎ'ৰ দৰে আত্ম-জীৱনীমূলক গল্প ৰচনা কৰিছিল।

আৱাহনৰ গল্প ৰীতিৰ মাজত থাকি ৰচনা কৰা ৰমা দাশৰ বেছিভাগ গল্পৰ মাজতে নৰ-নাৰীৰ প্ৰেম, জৈৱিক বাসনা, মাতৃ হৃদয়ৰ অনুভূতি আৰু সমাজৰ সমালোচনাই ঠাই অধিকাৰ কৰিছে যদিও প্ৰেমৰ গভীৰ বিশ্লেষণ আৰু জীৱনৰ বিচিত্ৰতা গল্পৰ মাজত অনুপস্থিত। দাশৰ প্ৰিয় গল্পকাৰ মোপাঁছাৰ দৰে তেওঁৰ গল্পতো স্বভাৱবাদী সুৰ ধ্বনিত হৈছে। তদুপৰি ৰমা দাশৰ *অবুজ মায়াত* ফ্ৰয়েডীয় মনস্তত্ত্বৰ প্ৰভাৱ সুস্পষ্ট।

এগৰাকী সমাজ সচেতন গল্পকাৰ ত্ৰৈলোক্যনাথ গোস্বামীৰ গল্পত সামাজিক অন্যায়, অবিচাৰ, কুসংস্কাৰ, সত্ৰীয়া সমাজৰ ভেম-ভণ্ডামি, ধনী-দুখীয়াৰ দ্বন্দ্ব আদি বিষয়বস্তুৰূপে

প্রতিভাত হৈছে। তেওঁৰ প্রায়বোৰ গল্পত বিদ্রোহৰ সুৰত মানৱতাবাদী মনোভাৱ জিলিকি উঠিছে। গ'গলৰ *ওভাৰকোট* গল্পৰ আধাৰত ত্রৈলোক্যনাথ গোস্বামীয়ে *এটা গৰম কোট* শীর্ষক গল্প ৰচিছিল য'ত সমাজৰ অন্যায়-অবিচাৰক হাস্যৰস সৃষ্টিৰ যোগেদি চৰম আঘাত হানিছিল। পাশ্চাত্যৰ বাস্তৱবাদী ধাৰাৰ আধাৰত গল্প ৰচনা কৰা গোস্বামীৰ মোপাঁছাৰ জাৰজ সন্তান আৰু সিহঁতৰ মাতৃসকলৰ প্রতি থকা সহানুভূতিৰ দৰে *জাৰজ* গল্পৰ মূল বিষয় আৰু সুৰৰ সাদৃশ্য পৰিলক্ষিত হয়। গোস্বামীৰ গল্পত পশ্চিমীয়া নাৰী মুক্তিৰ ধাৰণাৰ প্রভাৱ আৰু মার্ক্সবাদী চেতনাৰ প্রভাৱ দেখিবলৈ পোৱা যায়।

১৮৮৯ৰ পৰা ১৯৩৯ বা ১৯৪০ৰ এই সময়ছোৱাৰ গল্পকাৰ হেম বৰুৱাৰ *জহৰা* গল্পত মোপাঁছাৰ প্রভাৱ পৰিলক্ষিত হয়। এই সময়ৰ আন এজন গল্পকাৰ কৃষ্ণ ভূঞাৰ *যাদুঘৰ* গল্পৰ সৈতে চমাৰচেট মমৰ *ড্য ৰেইন* গল্পৰ সাদৃশ্য পৰিলক্ষিত হয়।

আৱাহনৰ শেষৰ ফালে চৈয়দ আব্দুল মালিকে গল্পকাৰৰূপে আত্মপ্রকাশ কৰি পৰৱর্তী সময়ত যথেষ্ট খ্যাতি অর্জন কৰে। *আৱাহনত* আত্মপ্রকাশ কৰিলেও মালিকে পৰৱর্তী অর্থাৎ *ৰামধেনুৰ* সময়ছোৱাতহে যথেষ্ট সংখ্যক গল্প ৰচনা কৰে। সেয়েহে ৰামধেনু যুগৰ আলোচনাৰ গণ্ডীলৈহে মালিকৰ ৰচনা সম্ভাৰ ঠেলি থোৱা হৈছে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ প্রথম চুটিগল্পটোৰ নাম লিখি তেওঁৰ ৰচনাত পাশ্চাত্য প্রভাৱ সম্পর্কে উল্লেখ কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ছোৱাৰ গল্পত মানৱতাবাদ কেনেদৰে ফুটি উঠিছে চমুকৈ লিখক। (১০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৩ ঃ অসমীয়া চুটিগল্পৰ ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ছোৱাৰ পটভূমিৰ বিষয়ে চমুকৈ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৪ ঃ ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ৰ গল্পত পাশ্চাত্যৰ কোনবোৰ প্রভাৱ প্রতিফলিত হৈছে চমুকৈ আলোচনা কৰক। (২০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৫ ঃ ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়খিনিক পাঠ্যাংশত দেখুৱাৰ দৰে যুগ বিভাজন কৰি দেখুৱাই সেইখিনি সময়ৰ গল্পকাৰসকলৰ সৃষ্টিৰাজিক প্রভাৱান্বিত কৰা পাশ্চাত্যৰ প্রভাৱ সম্পর্কে চমুকৈ উল্লেখ কৰক। (২০০টা শব্দৰ ভিতৰত)

.....



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ যোগেদি আমি আধুনিক অসমীয়া চুটিগল্পৰ জন্ম আৰু বিকাশৰ স্তৰ সম্পর্কে জানিব পাৰিলো।
- এই অধ্যায়টিৰ যোগেদি *জোনাকী* যুগত লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত জন্ম লাভ কৰা *সেউতীৰ* পাছৰে পৰা আধুনিক অসমীয়া চুটিগল্পৰ বিকাশৰ ধাৰা সম্পর্কে জ্ঞাত হৈছে।
- ১৮৮৯-১৯৪০ৰ সময়ছোৱাৰ আধুনিক অসমীয়া চুটিগল্পৰ পটভূমি সম্পর্কে আলোচনা লাভ কৰিছো।
- ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ছোৱাই সামৰি লোৱা অসমীয়া সাহিত্যৰ অন্যতম শাখা অসমীয়া চুটিগল্পৰ *জোনাকী* আৰু *আৱাহনৰ* যুগৰ দুটি গল্পক প্রভাৱান্বিত কৰা পাশ্চাত্যৰ সাহিত্যিক আৰু তেওঁলোকৰ ৰচনা কৃতিৰ প্রভাৱ সম্পর্কে বিশ্লেষণ লাভ কৰিছে।
- ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ছোৱাৰ অসমীয়া চুটিগল্পকাৰসকলৰ সৃষ্টিৰাজিক পৰিপুষ্টি প্রদান কৰা পাশ্চাত্যৰ প্রভাৱ সম্পর্কে আলোচনা লাভ কৰাৰ সমান্তৰালকৈ পাশ্চাত্য প্রভাৱৰ দ্বাৰা অনুপ্রাণিত হৈ ৰচনা কৰা সাহিত্যিকসকলৰ ৰচনা সম্ভাৰে যে অসমীয়া চুটিগল্প সাহিত্যক যথেষ্ট সমৃদ্ধিশালী কৰি তুলিছে সেই বিষয়ে জানিব পাৰিছে।



১২.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, ত্রৈলোক্য নাথ (২০০৯); আধুনিক গল্প সাহিত্য; গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

২) দত্ত, উদয় (১৯৯৫); চুটিগল্প; ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ, গুৱাহাটী।

৩) ভট্টাচার্য, পৰাগ কুমাৰ (১৯৯৩); গল্পৰ প্রসংগ আৰু অসমীয়া গল্প সাহিত্য; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) বৰা ফুকন, ৰুণমণি (২০১৭); হোমেন বৰগোহাঞিৰ চুটিগল্প; গুৱাহাটী ঃ জাগৰণ সাহিত্য প্রকাশন।

৫) শইকীয়া বৰা লীলাৱতী (সম্পা.) (১৯৯৯); প্রবন্ধাৱলী যমুনা শর্মা চৌধুৰীৰ প্রবন্ধ

'অসমীয়া চুটি গল্পত পাশ্চাত্য প্রভাব', অসমীয়া সাহিত্য চ'ৰা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) শর্মা উপেন্দ্র নাথ (২০০৫); কবিতাৰ ভাষা আৰু অন্যান্য প্রবন্ধ; গুৱাহাটী ঃ জয়দেৱ শর্মা-ভৱানী দেবী প্রকাশন।

১২.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ 'সেউতী'। চেখভ আৰু মোপাঁছাৰ সমসাময়িক অসমীয়া সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত ডিকেন্স, গ'গল, টলষ্টয়, ৰবীন্দ্রনাথ, মিডলটন আদিৰ ৰচনা আৰু কলা-কৌশলগত দিশৰ প্রভাৱ তথা সাদৃশ্য লক্ষ্য কৰা যায় —এনেদৰে পাঠ্যাংশৰ আধাৰত ক'ত কেনেদৰে প্রভাৱ আৰু তুলনা লক্ষ্য কৰা যায় উল্লেখ কৰিব।

২নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ বেজবৰুৱা, শৰৎ চন্দ্র গোস্বামী, নগেন্দ্র নাৰায়ণ চৌধুৰী, ত্রৈলোক্যনাথ গোস্বামী আদি গল্পকাৰৰ ৰচনাত মানৱতাবাদ কিদৰে ফুটি উঠিছে উল্লেখ কৰিব।

৩নং প্রশ্নৰ উত্তৰ ঃ *জোনাকী* যুগত লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত জন্ম লাভ কৰা চুটি গল্পই কেনে পৰিৱেশ-পৰিস্থিতিৰ মাজেদি কোন সময়ত আৱাহনৰ দিশলৈ গতি কৰি বিকাশ লাভ কৰি প্রতিষ্ঠা লাভ কৰে সেই বিষয়ে বহলাই বর্ণনা কৰিব।

৪নং প্রশ্নৰ উত্তৰ ঃ *চেখভ, মোপাঁছা, মিডলটন, ডিকেন্চ, ডষ্টয়ভস্কি, গ'গল, ফষ্টাৰ, পো* আদি পাশ্চাত্য সাহিত্যিকৰ ৰচনা-ৰীতি আৰু কলা-কৌশলগত দিশসমূহৰ লগতে পাশ্চাত্যৰ মার্ক্সীয় চিন্তা, বাস্তৱবাদী চেতনা, ফ্রয়েডীয় মনঃস্তত্বকে আদি কৰি নানান মতাদর্শৰ প্রভাৱ কেনেধৰণে প্রতিফলিত হৈছে বর্ণনা কৰিব।

৫নং প্রশ্নৰ উত্তৰ ঃ ১৮৮৯ৰ পৰা ১৯২৯ লৈ প্রাৰম্ভিক যুগ বা *জোনাকী যুগ* আৰু ১৯২৯ৰ পৰা ১৯৪০ লৈ *আৱাহন যুগ*। এই সময়ৰ গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱা, শৰৎ চন্দ্র গোস্বামী, সূর্যকুমাৰ ভূঞা, নগেন্দ্র নাৰায়ণ চৌধুৰী, লক্ষীধৰ শর্মা, হলীৰাম ডেকা, ৰমা দাশ, ত্রৈলোক্যনাথ গোস্বামী, হেম বৰুৱা, কৃষ্ণ ভূঞা আদিৰ ৰচনাত কেনেদৰে পাশ্চাত্য প্রভাৱ প্রতিফলিত হৈছে উল্লেখ কৰক।



১২.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ১৮৮৯ৰ পৰা ১৯২৯ লৈ এই সময়খিনিক কি বুলি নামকৰণ কৰা হৈছে?

প্ৰশ্ন ২ ঃ আৱাহন যুগ বুলিলে কোনখিনি সময়ক আঙুলিয়াব পাৰি?

প্ৰশ্ন ৩ ঃ পাশ্চাত্যৰ ক'ত পোনপ্ৰথমে চুটিগল্পৰ জন্ম হৈছিল?

প্ৰশ্ন ৪ ঃ 'আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস' গ্ৰন্থখনৰ লিখক কোন?

প্ৰশ্ন ৫ ঃ চুটিগল্পৰ জন্ম পোনপ্ৰথমে ক'ত আৰু কেতিয়া হৈছিল?

প্ৰশ্ন ৬ ঃ অসমীয়া সাহিত্যৰ চুটিগল্পই কিদৰে জন্ম লাভ কৰে?

প্ৰশ্ন ৭ ঃ আধুনিক অসমীয়া চুটিগল্প সম্পৰ্কে শৈলেন ভৱালীৰ মন্তব্যটো লিখি তাৰ ব্যাখ্যা আগবঢ়োওৱা।

প্ৰশ্ন ৮ ঃ *আৱাহন* আলোচনীৰ সম্পাদক কোন? এই সময়ত প্ৰকাশিত গল্পবোৰত কোনবোৰ দিশ ফুটি উঠিছে?

প্ৰশ্ন ৯ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত প্ৰতিফলিত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ১০ ঃ মোপাঁছাৰ ৰচনা ৰীতিয়ে অসমীয়া চুটিগল্পক কি ধৰণে প্ৰভাৱান্বিত কৰিছে, বহলাই লিখক।

প্ৰশ্ন ১১ ঃ 'বেজবৰুৱাই সাধুকথা আৰু চুটি গল্পৰ মাজৰ পাৰ্থক্যটো স্পষ্ট নকৰাকৈয়ে গল্প ৰচনাত ব্ৰতী হৈছিল'— কথাষাৰ শুদ্ধ নে? বহলাই আলোচনা কৰক।

প্ৰশ্ন ১২ ঃ ১৮৮৯ৰ পৰা ১৯৪০ৰ সময়ছোৱাত আত্মপ্ৰকাশ কৰা গল্পকাৰসকলৰ ৰচনাত পাশ্চাত্যৰ কোন কোন সাহিত্যিকৰ প্ৰভাৱ দেখিবলৈ পোৱা যায় আলোচনা কৰক।

প্ৰশ্ন ১৩ ঃ লক্ষীধৰ শৰ্মাৰ গল্পত পাশ্চাত্যৰ কোনবোৰ দিশ ফুটি উঠিছে? সেই বিষয়ে এটি নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ১৪ ঃ ত্ৰৈলোক্য নাথ গোস্বামীৰ গল্পত প্ৰতিফলিত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে বিচাৰ কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ (১৯৪০-১৯৭০)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ১৯৪০-১৯৭০ৰ সময়ছোৱাৰ অসমীয়া চুটিগল্পৰ পটভূমি
১৩.৪ অসমীয়া চুটিগল্পকাৰসকলৰ চুটিগল্পত পাশ্চাত্য প্রভাৱ
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খটিয়ান (কেৱল ৰূপৰেখা)
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ১৯৪০-১৯৭০ৰ সময়ছোৱাত অসমীয়া চুটিগল্পৰ বিকাশ আৰু প্রসাৰ সম্পর্কে জানিব পাৰিব।
- এই সময়ছোৱাৰ চুটিগল্পৰ পটভূমিৰ বিষয়ে অৱগত হ'ব।
- ১৯৪০-৭০ৰ সময়ছোৱাত ৰচিত অসমীয়া গল্পত পাশ্চাত্য প্রভাৱ কিদৰে পৰিছিল সেই বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।

১৩.২ পৰিচয়

পূর্বৰ অধ্যায়ত আপুনি ১৮৮৯-১৯৪০ৰ সময়ছোৱাত ৰচিত অসমীয়া চুটিগল্পত পাশ্চাত্য প্রভাৱ কিদৰে পৰিছে, সেই সম্পর্কে অৱগত হ'ল। প্রস্তাৱিত এই অধ্যায়ত *ৰামধেনু* যুগ অর্থাৎ ১৯৪০-৭০ৰ সময়ছোৱাত ৰচিত অসমীয়া চুটিগল্পসমূহ কিদৰে পাশ্চাত্য প্রভাৱেৰে প্রভাৱান্বিত হৈছে, সেই সম্পর্কে ধাৰণা লাভ কৰিব পাৰি। লগতে এই নির্দিষ্ট সময়ছোৱাৰ পটভূমি সম্পর্কেও এক বিস্তৃত আলোচনা আগবঢ়োৱা হ'ব।

১৩.৩ ১৯৪০-৭০ৰ সময়ছোৱাৰ অসমীয়া চুটিগল্পৰ পটভূমি

অসমীয়া সাহিত্যৰ বুৰঞ্জীত ১৯৪০-৭০ৰ লৈকে এই চাৰিটা দশক অতি গুৰুত্বপূর্ণ। দ্বিতীয় মহাযুদ্ধই সৃষ্টি কৰা ক্ষয়িষ্ণু পৰিৱেশত ৰোমাণ্টিক কাব্য চিন্তা ক্রমে যুগবিৰোধী বুলি ঘোষিত হ'বলৈ ধৰিলে। এই সময়ছোৱাত সাহিত্যৰ পটভূমি বিভিন্ন জাতীয় সমস্যাক কেন্দ্র কৰি গঢ় লৈ উঠিছে। তলত এই সম্পর্কে কিছু কথা আলোচনা কৰা হ'ল।

যিকোনো দেশৰ সাহিত্যৰ পৰিৱর্তনত ৰাজনৈতিক অৱস্থাৰ ভূমিকা অতি গুৰুত্বপূর্ণ। অসমীয়া সাহিত্যৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে যুগে যুগে সলনি হৈ অহা ৰাজনৈতিক বাতাবৰণৰ পৰিণতিৰূপে অসমীয়া সাহিত্যৰ গতি সলনি হৈ আহিছে। ৰামধেনু যুগটোৰ সময়সীমা ১৯৪০-৭০ৰপৰা ধৰা হৈছে যদিও এই যুগটোৰ পটভূমি নির্মাণ হ'বলৈ উপক্রম কৰিছিল বহু আগৰেপৰা। ১৯২১ চনৰপৰা আৰম্ভ হোৱা মহাত্মা গান্ধীৰ স্বৰাজ আন্দোলনৰ ঢৌ সমগ্র ভাৰতবর্ষৰ লগতে অসমতো বিয়পি পৰিছিল। ভাৰতৰ স্বৰাজ আন্দোলনে অসমক ইমানেই প্রভাৱিত কৰিছিল যে সত্রৰ সত্রাধিকাৰ পর্যন্ত প্রায়বোৰ অসমীয়াই স্বাধীনতা বিচাৰি সক্রিয় ভূমিকা গ্রহণ কৰিছিল। এনে ৰাজনৈতিক সচেতনতাৰ পৰিণতিস্বৰূপেই ভাৰতৰ স্বাধীনতা আন্দোলনত অন্যান্য পুৰুষৰ লগতে কনকলতা, ভোগেশ্বৰী ফুকননী আদিৰ দৰে বীৰাংগনা নাৰীয়ে প্রাণ আহুতি পর্যন্ত দিব পাৰিছিল। মুঠতে ভাৰতৰ স্বাধীনতা আন্দোলনৰ পোনপটীয়া প্রভাৱৰ ফলত অসমৰ জনসাধাৰণৰ মানসিকতা বহু পৰিমাণে সলনি হ'ল আৰু নতুন ধ্যান-ধাৰণাৰে জীৱন আৰু জগতক চাবলৈ শিকালে। ফলত একে ৰাজনৈতিক পটভূমিয়ে যুদ্ধোত্তৰ যুগত অসমীয়া সাহিত্যৰ পৰিসৰ বৃদ্ধি কৰাত প্রভূত অৰিহণা যোগালে।

স্বাধীনতা আন্দোলনৰ লগতে অন্যান্য ৰাজনৈতিক ঘটনায়ো অসমৰ বৌদ্ধিক জগতৰ পৰিৱর্তন সাধন কৰিছিল। এই ক্ষেত্রত নেতাজী সুভাষ চন্দ্র বসু নেতৃত্বাধীন 'ইণ্ডিয়ান নেচনেল আর্মি' চমুকৈ আই. এন. এ. (INA)-ৰ প্রভাৱেও অসমৰ চিন্তা জগতত নানান প্রশ্ন আৰু সংশয়ৰ ভাব সৃষ্টি কৰিছে। এফালে গান্ধীৰ অহিংসাা আন্দোলনৰ সমর্থন আৰু আনফালে নেতাজী সুভাষ চন্দ্র বসুৰ হিংসাত্মক আন্দোলনৰ প্রতি সমর্থন— এই দুই বিপৰীতধর্মী মানসিকতাৰ ফলত প্রাক্-স্বাধীনতা কালৰ জনগণৰ মনত প্রবলভাৱে প্রতিক্রিয়া সৃষ্টি কৰিছে আৰু এনে দ্বন্দ্বমুখৰ পৰিস্থিতিতেই সাহিত্যৰ মাজেদি নানা প্রশ্ন আৰু সংশয়ৰ প্রকাশ ঘটিছে।

ইয়াৰ উপৰিও অন্য কিছুমান ৰাজনৈতিক কথাই অসমত সমস্যাৰ সৃষ্টি কৰিছিল। ১৯৬২ চনত চীনৰ ভাৰত আক্রমণৰ সময়ত অসমৰ জনগণৰ মনত হতাশা আৰু সংশয়ৰ ভাব সৃষ্টি হৈছিল। ভাৰতে ইতিমধ্যে স্বাধীনতা লাভ কৰিছিল যদিও এনে পৰিস্থিতিত জনগণে পুনৰবাৰ ভাৰতীয় ৰাজনীতিৰ ওপৰত আস্থা হেৰুৱাই পেলাইছিল। ইয়াৰ দহ বছৰ পিছত ১৯৭১-৭২ চনত অসমৰ চুবুৰীয়া পূব পাকিস্তানে স্বাধীন বাংলাদেশৰ দাবীত আন্দোলন কৰাৰ লগে লগে ভাৰত চৰকাৰে বাংলাদেশৰ স্বাধীনতা আন্দোলনত যেতিয়া সহযোগ আগবঢ়ালে, তেতিয়া তাৰ বিষময় পৰিণতিৰ ভাগ ল'ব লগা হ'ল অসমে। পূব পাকিস্তানৰ লাখ লাখ প্রব্রজনকাৰীয়ে অসমত থিতাপি ল'লেহি। এনে অবাঞ্ছিত ভগনীয়াৰ থিতাপিয়ে অসমৰ অস্তিত্ব যে বিপন্ন কৰিব পাৰে এই কথা ভাৰত চৰকাৰে ভাবি নাচালে। অসমৰ প্রতি ভাৰত চৰকাৰৰ এনে উদাসীন মনোভাব আৰু আন্তৰিকতাহীনতাই অসমৰ জনগণৰ মনত পুনৰ নানান প্রশ্ন আৰু সংশয়ৰ জন্ম দিলে।

দেখা গ'ল যে ১৯৪০-৭০ৰ সময়ছোৱাত অসমৰ ৰাজনৈতিক অস্থিৰতাই জনগণক অস্থিৰতাৰ কবলত পেলাইছিল। ফলত এই সময়ছোৱাৰ সাহিত্যত জীৱন সম্পৰ্কীয় নানান প্ৰশ্নই ঠাই পালে।

দেশৰ ৰাজনৈতিক অৱস্থা যেতিয়া সংকটাপন্ন হয়, তেতিয়া অৰ্থনৈতিক অৱস্থাও শোচনীয় হৈ পৰে। ব্ৰিটিছৰ শোষণে অসমৰ অৰ্থনীতিৰ মেৰুদণ্ড ভাঙি পেলাইছিল। তদুপৰি ১৯৪৩ চনত বংগদেশত হোৱা দুৰ্ভিক্ষই অসমৰ অৰ্থনীতিত যথেষ্ট ঋণাত্মক প্ৰভাৱ পেলাইছিল। কিয়নো বংগদেশৰ এই দুৰ্ভিক্ষৰ বাবে লাখ লাখ ভগনীয়া অন্ন-বস্ত্ৰৰ সন্ধানত অসমত সোমাই পৰে। ব্ৰিটিছসকলৰ উপৰিও নতুনকৈ গঢ় লৈ উঠা ভাৰতীয় পুঁজিপতিৰ শ্ৰেণীটোৱে কৰা শোষণেও অসমৰ অৰ্থনৈকি অৱক্ষয়ত প্ৰভাৱ পেলাইছিল। পুঁজিপতি শ্ৰেণীৰ অবাধ অৰ্থনৈতিক শোষণৰ ফলত ধনী-দুখীয়া বিবিধ প্ৰকাৰৰ বহিৰাগতৰ অসমলৈ আগমন হয়। ফলত অসমৰ অৰ্থনীতিৰ আমূল পৰিৱৰ্তন হ'বলৈ আ�ৰম্ভ কৰিলে। ভাৰতৰ বিভিন্ন ঠাইৰপৰা অহা শ্ৰমিকসকলে অসমত সহজে ধন ঘটি জীৱিকা আৰ্জিবলৈ ধৰে আৰু ইয়াৰ লগে লগে অসমৰ থলুৱা মানুহবোৰে অৰ্থনৈতিক দিশত গভীৰ সংকটৰ সন্মুখীন হয়। অসমত বহিৰাগতৰ বাণিজ্যৰ অবাধ প্ৰসাৰৰ লগে লগে থলুৱা কৃষকসকলৰ ওপৰত অৰ্থনৈতিক শোষণো তীব্ৰতৰ হৈ পৰিল। কাৰণ বাণিজ্যিক বজাৰখন বহিৰাগতসকলে দখল কৰাৰ পিছত এওঁলোকে কৃষকসকলৰ উৎপাদিত শস্য অতি কম দামত ক্ৰয় কৰি কৃষকসকলৰ অৰ্থনৈতিক অৱস্থা শোচনীয় কৰি তোলে। এনে ধৰণৰ নিম্নমুখী শোষণৰ ফলত অসমৰ গ্ৰাম্য অৰ্থনীতি ক্ৰমান্বয়ে অৱনমিত হ'বলৈ ধৰে আৰু লগে লগে অসমৰ নগৰ আৰু উদ্যোগ অঞ্চলবোৰত ঔদ্যোগিক অৰ্থনীতি গঢ় লৈ উঠে। এই পৰিৱৰ্তনৰ প্ৰভাৱ প্ৰত্যক্ষভাৱে পৰে অসমৰ যুৱ সমাজৰ ওপৰত। তেওঁলোকে গ্ৰাম্য পটভূমিত সাহিত্য চৰ্চাৰ যি প্ৰথা ৰোমাণ্টিক যুগত আছিল, তাৰপৰা আঁতৰি আহি অৰ্থনৈতিক পৰিৱৰ্তনে জন্ম দিয়া নগৰকেন্দ্ৰিক সভ্যতাক আঁকোৱালি ল'লে। ফলত চহৰ-নগৰক কেন্দ্ৰ কৰি সাহিত্য সৃষ্টি হ'বলৈ ধৰিলে। নগৰীয়া সভ্যতাৰ বৈশিষ্ট্য ধনী-দুখীয়াৰ প্ৰভেদ, শোষণ, নগৰীয়া সংস্কৃতিক দেখুৱাই সাহিত্য চৰ্চা কৰাটো ১৯৪০-৭০ৰ দশকতে এটি বৈশিষ্ট্যত পৰিণত হ'ল। এক কথাত ক'বলৈ গ'লে আৰ্থিক পৰিৱৰ্তনে অসমীয়া সাহিত্যকো গাঁৱৰপৰা উলিয়াই আনি নগৰৰ চাৰিসীমাত আৱদ্ধ কৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ১৯৪০ৰ পৰা ২০০০ চনৰ এই সময়ছোৱাত চুটিগল্পৰ পটভূমি নিৰ্মাণত অৰিহণা যোগোৱা কাৰকসমূহ সম্পৰ্কে বহলাই আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

১৩.৪ অসমীয়া চুটিগল্পকাৰসকলৰ চুটিগল্পত পাশ্চত্য প্রভাৱ

ৰামধেনুৰ যোগেদি অসমীয়া চুটিগল্পৰ সোণালী যুগ ৰূপে স্বীকৃত সমৃদ্ধিশালী তৃতীয়টো স্তৰ আৰম্ভ হয়। দ্বিতীয় বিশ্বযুদ্ধই সমগ্র বিশ্বৰ অন্যান্য দেশৰ লগতে অসমকো যথেষ্ট প্রভাৱান্বিত কৰিছিল। বিশ্বযুদ্ধৰ ভয়াৱহ পৰিস্থিতিয়ে সমাজৰ সকলো দিশৰ লগতে সাহিত্য ক্ষেত্রখনতো ক্ষতিসাধন কৰিছিল। সমাজৰ ভয়াৱহ পৰিৱেশে বহু লেখকৰ কলম স্থবিৰ কৰি দিছিল। আনহাতে সামাজিক অস্থিৰতা, অর্থনৈতিক সংকট, পশ্চিমীয়া মতাদর্শৰ অনুপ্রেৰণা আৰু ভোগ-বিলাসী জীৱনৰ প্রতি স্পৃহা তথা জনসাধাৰণৰ মনৰ আস্থাহীনতাৰ পৰা সৃষ্টি হোৱা ৰূপান্তৰিত মূল্যবোধৰ দ্বন্দ্বই যুদ্ধোত্তৰ যুগৰ সাহিত্যিকসকলক প্রাৰম্ভিক স্তৰৰ গল্প সাহিত্যৰ পৰা বহু দূৰ আঁতৰাই আনিলে। এনেকুৱা পৰিৱর্তিত পৰিৱেশৰ মাজেদি গঢ় লোৱা ১৯৪০ৰ পৰা ১৯৭০ৰ চুটিগল্পবোৰ বাস্তৱানুৰাগী ৰূপত ৰচিত হ'বলৈ ধৰিলে। এই সময়ছোৱাৰ সাহিত্যিকে সমসাময়িক সমাজখনৰ চিত্রৰ লগতে ন ন পৰীক্ষা-নিৰীক্ষাৰে নতুন কলা-কৌশল আৰু বিষয়বস্তুৰে সাহিত্য ৰচনা কৰিবলৈ আগবাঢ়িল। পাশ্চাত্য দর্শন, মতবাদ, উক্তি প্রয়োগৰ লগতে পাশ্চাত্য সাহিত্য তথা সাহিত্যিকৰ দ্বাৰা প্রভাৱান্বিত ডৈ সমাজ জীৱনৰ বাস্তৱ চিত্র অংকনত অগ্রসৰ হ'বলৈ ধৰিলে।

দ্বিতীয় মহাযুদ্ধৰ লগতে সমাজত গা কৰি উঠা ৰাজনৈতিক, সামাজিক আদি বিভিন্ন সমস্যাই বিংশ শতিকাৰ ষাঠিৰ দশকৰ অসমীয়া সমাজখনৰ লগতে অসমীয়া সাহিত্যৰ জগতখনকো জুৰুলা কৰিবলৈ ধৰে। *ৰামধেনুৰ* প্রকাশ বন্ধৰ পাছৰ পৰা অসমীয়া সাহিত্যত কোনো এখন যুগান্তকাৰী আলোচনীয়ে জন্ম লাভ কৰা যেন মনে নধৰে। সেয়েহে বিংশ শতিকাৰ শেষৰ দশক তিনিটাৰ পৰা একবিংশ শতিকাৰ প্রথম দশকলৈকে অর্থাৎ বর্তমানলৈকে সামৰি এই যুগত দুই শ্রেণীৰ গল্পকাৰে অর্থাৎ *ৰামধেনু* যুগৰ পৰা সাম্প্রতিক সময়লৈকে আৰু আন এচামে সাম্প্রতিক কালত নিজস্ব কলা-কৌশলেৰে পাৰিপার্শ্বিকতা পৰিৱেশ-পৰিস্থিতি বর্ণিত কৰি গল্প ৰচনাত প্রবৃত্ত হয়।

এই সময়ৰ গল্পবোৰৰ বিষয়বস্তুৰ নির্দিষ্টতাহীন অর্থাৎ অগতানুগতিক বিষয়বস্তুৰ প্রয়োগেৰে কাহিনীবোৰ বিক্ষিপ্ত হৈ পৰিল। গল্পবোৰত মার্ক্সীয় দর্শন, মানৱতাবাদী আদর্শ, প্রগতিবাদী চিন্তা, প্রতীক, চিত্রকল্পৰ লগতে লোক-সংস্কৃতি আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ সুন্দৰ উপস্থান পৰিলক্ষিত হয়। এই সময়ছোৱাৰ গল্পবোৰৰ এক বৈশিষ্ট্য হ'ল বুদ্ধিনিষ্ঠতা।

আৱাহনৰ পাতত গল্পকাৰৰূপে আত্মপ্রকাশ কৰি *ৰামধেনুৰ* সময়লৈকে নিৰৱচ্ছিন্নভাৱে গল্প ৰচনা কৰা প্রখ্যাত গল্পকাৰ আব্দুল মালিকে ৰোমাণ্টিক বাস্তৱবাদী দৃষ্টিভংগীৰে ৰচনা কৰা গল্পৰ মাজত নৰ-নাৰীৰ প্রেম, প্রচলিত সমাজ ব্যৱস্থাত থকা সমস্যাৰ সমালোচনা আদি বিষয়বোৰ প্রতিপলিত হৈছে। জৈৱিক বাসনাযুক্ত আৰু মানৱীয় প্রেমক মূল বিষয়ৰূপে লোৱা গল্পৰ মাজত হাস্য-ব্যংগ ৰসৰ প্রয়োগ মন কৰিবলগীয়া। দেশ বিভাজনৰ চিত্র, প্রাচ্য আৰু পাশ্চাত্যৰ সংযোগ আৰু যুদ্ধৰ পটভূমিত ৰচিত কাহিনীসমূহত সমসাময়িক সমাজত আৰু পৰিস্থিতি সুন্দৰ ৰূপত প্রতিফলিত হৈছে। 'গল্প

সম্ৰাট' ৰূপে খ্যাত মালিকৰ *দুটা ঘান, প্ৰাণ পোৱাৰ পাছত, দুখন ভৰি, বীভৎস বেদনা* আদি গল্পত ফ্ৰয়েডীয় মনঃস্তত্ত্ব বিষয়ক প্ৰেম জৈৱিক বাসনাযুক্ত আৰু জটিল মনঃস্তাত্ত্বিক ভাবনা সমৃদ্ধত পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ বিদ্যমান। ৰোমাণ্টিক বাস্তৱতাৰ আধাৰত গল্প ৰচনা মালিকৰ *প্ৰাণ পোৱাৰ পিছত* গল্পটোৰ ঘটনাংশৰ বার্ণার্ড শ্ব'ৰ *পিগমেলিয়ন* নাটকৰ ঘটনাংশৰ সৈতে সাদৃশ্য লক্ষ্য কৰা যায়।

কাঠফুলা গল্পত বর্ণিত মানৱতাবোধ, নিষ্কলুষ তথা নিঃস্বার্থ প্ৰেম আৰু চহৰতলিৰ উপেক্ষিত মানুহৰ জীৱন আৰু চেতনাৰ বর্ণনাই শ্বাৰউদ এণ্ডার্চনৰ গল্পৰ কথা মনত পেলাই দিয়ে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। তদুপৰি পাশ্চাত্যৰ সাহিত্যিকসকলৰ উপৰিও বাংলা সাহিত্যিক ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰভাৱেও মালিকক স্পর্শ নকৰাকৈ থকা নাছিল। কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ *কাবুলিৱালা* শীর্ষক গল্পৰ কেন্দ্ৰীয় ভাব আৰু পৰিস্থিতিৰ সৈতে গল্পকাৰ মালিকৰ মৌলিক সৃষ্টি *যীশুখ্ৰীষ্টৰ ছবি* নামৰ গল্পটোৰ সাদৃশ্য মন কৰিবলগীয়া। মুঠতে, এই সময়ছোৱাৰ এগৰাকী সুযোগ্য তথা সফল গল্পকাৰৰূপে প্ৰসিদ্ধ চৈয়দ আব্দুল মালিকৰ গল্পত মার্ক্সীয় দর্শন আৰু ফ্ৰয়েডীয় চেতনাৰ সু-সংযোগ ঘটিছে।

ৰামধেনুৰ সম্পাদক তথা *ৰামধেনু* যুগৰ উল্লেখযোগ্য গল্পকাৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্যৰ পৃষ্ঠপোষকতাত এযি নতুন যুগৰ সূচনা হৈছিল বুলিব পাৰি। ভট্টাচার্যই গল্পসমূহৰ যোগেদি বিশ্বৰ আন সাহিত্যৰ সৈতে সংযোগ স্থাপন কৰিবলৈও প্ৰয়াস কৰিছিল। তেওঁৰ গল্পৰ মাজত বিশ্বযুদ্ধই সৃষ্টি কৰা আতংক, নিঃস্বার্থ মানৱপ্ৰেম, নৰ-নাৰীৰ যৌন প্ৰেম, আধ্যাত্মিক চেতনা আৰু মানুহৰ মৌলিক প্ৰবৃত্তিৰ সুন্দৰ বর্ণনা পোৱা যায়। উল্লেখযোগ্য যে মানুহৰ মৌলিক প্ৰবৃত্তি তথা আচৰণসমূহৰ অন্তৰালত থকা ৰহস্য উদ্‌ঘাটনৰ সমান্তৰালকৈ ফ্ৰয়েডীয় চেতনাৰ প্ৰয়োগৰ ৰচনা ভট্টাচার্যৰ উল্লেখযোগ্য গল্প হ'ল *মাকৰ গোসাঁই*। এইগৰাকী সমাজ সচেতন গল্পকাৰে চৰিত্ৰ চিত্ৰণৰ যোগেদি প্ৰচলিত সমাজত ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদৰ ধ্বনি প্ৰকাশ কৰিছে।

ৰামধেনুৰ পাতত গল্প লেখকৰূপে আত্মপ্ৰকাশ কৰা ভবেন্দ্ৰনাত শইকীয়া অসমৰ শ্ৰেষ্ঠ কথা-সাহিত্যিকসকলৰ মাজত অন্যতম। পৰম্পৰাবাদী আৰু আধুনিক দুই ধৰণৰ ৰীতিৰে গল্প ৰচনা কৰা শইকীয়াৰ গল্পবোৰৰ পটভূমি বাস্তৱ সমাজ। পাশ্চাৎ অৱলোকন পদ্ধতি প্ৰয়োগৰ যোগেদি গল্প ৰচনা কৰা শইকীয়াৰ বেছিভাগ গল্পৰ কেন্দ্ৰীয় চৰিত্ৰ নাৰী আৰু নাৰী মনৰ অতি সূক্ষ্ম বিশ্লেষণ ৰচনাৰ মাজত উপলব্ধ। সমাজত প্ৰচলিত বর্ণ-বৈষম্য, পুৰণিকলীয়া পৰম্পৰাবাদী ৰীতি-সংস্কাৰবোৰক নেওচি এখন নতুন সমাজত গঢ় দিয়াৰ আদর্শ আৰু হেঁপাহৰ চিত্ৰ প্ৰতিফলিত গল্পসমুহৰ মাজত জীৱনৰ সূক্ষ্মতিসূক্ষ্ম ঘটনা প্ৰতীকী ভাষাৰে অংকন কৰিছে। তদুপৰি আধুনিক বৈজ্ঞানিক প্ৰগতি আৰু সেইবোৰৰ প্ৰভাৱ শইকীয়াৰ সৃষ্টিত প্ৰকাশ পাইছে।

ভবেন্দ্ৰ নাথ শইকীয়াৰ *লাজ লাগে* শীর্ষক সৃষ্টিত জীৱনৰ মৌলিক প্ৰবৃত্তিৰ তাড়নাক পাশ্চাত্যৰ মনঃসমীক্ষাৰ যোগেদি মানৱীয় আচৰণৰ ৰহস্য প্ৰকাশ কৰিছে। *আৱর্জনা* গল্পত

মনটোৱে যে সামাজিক বান্ধোন মানি নচলে সেই ঘযনাৰ অৱতাৰণাৰে মনৰ মাজত গুজৰি থকা অস্থিৰতাক চিত্রধর্মী বর্ণনা কৌশলেৰে পাঠকৰ আগত তুলি ধৰিছে। উল্লেখ্য যে পাশ্চাত্য সাহিত্যৰ পৰা আহৰণ কৰা চেতনাশ্রোত ৰাতি, চিত্রধর্মী বর্ণনা আৰু প্রতীকধর্মী বর্ণনা ত্রিবেণী সংযোগেৰে ৰচিত *আৱর্জনাই* এটি সুন্দৰ ৰূপ পৰিগ্রহ কৰিছে।

নিঃসন্দেহে শইকীয়াৰ কাহিনীৰ পৰিসৰ কিছু দীঘলীয়া। পুংখানুপুংখ পৰিৱেশ আৰু চৰিত্র বর্ণনাৰে ৰচনা কৰা শইকীয়াৰ গল্পসমূংৰ সৈতে চেকভৰ বর্ণনা ৰীতিৰ সাদৃশ্য দেখিবলৈ পোৱা যায়। পাশ্চাত্যৰ মনঃসমীক্ষণৰ আধাৰত ৰচিত *এন্দুৰ* গল্পই প্রতীকধর্মী গল্পৰূপেও যথেষ্ট সমাদৰ লাভ কৰিছে। তদুপৰি চেকভ আৰু মোপাছাঁৰ লগতে অ' হেনৰীৰ গল্পৰ সামৰণিৰ আকস্মিকতা শইকীয়াৰ গল্পতো উপলব্ধ। এই ক্ষেত্রত চেকভৰ *এ ৰৰ্ক আর্ট,* মোপাছাঁৰ *নেকলেছ,* অ' হেনৰীৰ *গিফ্‌ট অব্‌ ডি মেজাই* আৰু ভবেন্দ্র নাথ শইকীয়াৰ 'নাটঘৰ', 'গহ্বৰ', 'তৰংগ'— এয়া মাথোঁ দুটামান উদাহৰণহে। শইকীয়াৰ প্রায়বোৰ গল্পতে পাশ্চাত্য গল্পকাৰসকলৰ গল্পৰ সামৰণিৰ আকস্মিকতা প্রতিফলিত হৈছে।

বিখ্যাত ফৰাচী বাস্তৱবাদী Edmond Goncout আৰু Jules Gocout যে স্বভাৱবাদ আৰু 'ইম্প্রেছনিজম'ৰ চিত্র প্রতিফলিত কৰাৰ দৰে শইকীয়া অসমীয়া সমাজ-জীৱনৰ ভিত্তিত *বান্‌ৰস্থ, দুর্ভিক্ষ* আদি কৰি বহুকেইটা গল্পত স্বভাৱবাদ আৰু 'ইম্প্রেছনিজম'ৰ আধাৰত ৰচনা কৰিছে।

শ্লেষ, প্রহসন, অথবা irony প্রয়োগেৰে পাশ্চাত্যত যথেষ্ট সুন্দৰ তথা সার্থক গল্প ৰচনা কৰিছে। অসমীয়া সাহিত্যৰ পঞ্চাশৰ দশকত ভবেন্দ্র নাথ শইকীয়াৰ বহুকেইটা গল্পত এনে শ্লেষ তথা প্রহসনৰ প্রয়োগ মন কৰিবলগীয়া। Alphonse Daudet আৰু Maupassant শীর্ষক পাশ্চাত্যৰ গল্পকাৰৰ গল্পত সার্থক প্রয়োগ ঘটা 'Tragic irony' প্রকাশ শইকীয়াৰ 'প্রহৰী', 'বানপ্রস্থ' আদি গল্পতো প্রতিফলিত হৈছে।

পাশ্চাত্য প্রভাৱপুষ্ট ৰামধেনুৰ এগৰাকী বিশিষ্ট গল্পকাৰ ভবেন্দ্র নাথ শইকীয়াৰ বহুকেইটা গল্প যেনে— *গহ্বৰ, এই বন্দৰৰ আবেলি* আদি বিদেশী পটভূমিত ৰচিত উল্লেখযোগ্য গল্প।

পঞ্চাশৰ দশকৰ খ্যাতিসম্পন্ন গল্প লেখকসকলৰ মাজত এগৰাকী বিশিষ্ট গল্পকাৰৰূপে পৰিচিত মহিম বৰা। বৈচিত্র্যময় বিষয়বস্তুৰে সৃষ্টি কৰা গল্পৰ মাজত লেখকে বাস্তৱ চিত্র অংকনৰ লগতে হাস্যৰসাত্মক ধাৰাটো শক্তিশালী ৰূপত তুলি ধৰিছে। এই হাস্য শ্লেষাত্মক। যাক ইংৰাজীত irony শব্দৰে বুজোৱা হয়। ইংৰাজী সাহিত্যিক Alphonse Daudet আৰু Maupassant গল্পত প্রয়োগ ঘটা 'Tragic irony'-ৰ দৰে মহিম বৰাৰ 'কাঠনিবাৰীৰ ঘাট' শীর্ষক গল্পৰ শেষৰ ফালে কৰুণ শ্লেষৰ সমাহাৰ ঘটিছে। তদুপৰি অ' হেনৰী, মোপাছাঁ আৰু চেকভৰ গল্পৰ আকস্মিক সামৰণিৰ যি কৌশল; সেই কৌশলৰ প্রয়োগ মহিম বৰাৰ *কাঠনিবাৰীৰ ঘাট* গল্পটোত দেখিবলৈ পোৱা যায়। পাশ্চাত্য সাহিত্যৰ অনুপ্রেৰণাৰে সমৃদ্ধ অসমীয়া চুটি গল্পত সফল চিত্রকল্পৰ প্রয়োগ এটি উল্লেখনীয় দিশ। কাহিনী-বিন্যাসৰ ক্ষেত্রত কৰা চিত্রকল্পৰ প্রয়োগে মহিম বৰাৰ নির্মিতিক অনন্য

মাত্ৰা প্ৰদান কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ অসমীয়া গল্পকাৰসকলৰ আৱাহনৰ পৰা ৰামধেনুলৈ চুটি গল্পৰ বিকাশৰ যাত্ৰা সম্পৰ্কে আলোচনা কৰক।

.....

প্ৰশ্ন নং ৩ ঃ চৈয়দ আব্দুল মালিকৰ সৃষ্টিত পাশ্চাত্যৰ প্ৰভাৱ কেনেদৰে পৰিস্ফুট হৈছে বহলাই লিখক।

.....

প্ৰশ্ন নং ৪ ঃ পাশ্চাত্য প্ৰভাৱৰ দ্বাৰা ভবেন্দ্ৰ নাথ শইকীয়াৰ ৰচনাসমূহৰ কেনেদৰে পৰিপুষ্ট হৈছে পাঠৰ আধাৰত বৰ্ণনা কৰক।

.....

ৰামধেনু যুগৰ অন্যতম গল্পকাৰ হোমেন বৰগোহাঞিৰ নিৰ্মিতিৰ মাজত ব্যক্তি মনৰ বিষাদ, হতাশা, নিৰাশা, নিঃসংগতা আদি আধুনিকতাবাদৰ লক্ষণসমূহ দেখিবলৈ পোৱা যায়। মানুহৰ মনোজগতৰ লগতে প্ৰকৃতি জগতৰ মনোৰম আৰু ৰহস্যময় চিত্ৰৰ বৰ্ণনাও বৰগোহাঞিৰ ৰচনাত উপলব্ধ। মানৱীয় মূল্যবোধ অৱক্ষয় আৰু ৰূপান্তৰিত মূল্যবোধৰ দ্বন্দ্বৰ লগতে পাশ্চাত্যৰ পৰা আমদানিকৃত অস্তিত্ববাদী দৰ্শন, ফ্ৰয়েডীৰ মনঃস্তত্ত্ব, মাৰ্ক্সীয় চেতনা, চেতনা-স্ৰোত, অভিব্যক্তিবাদৰ প্ৰভাৱ বৰগোহাঞিৰ গল্পত বিদ্যমান।

ৰামধেনুৰ আনসকল গল্পকাৰৰ পৰা বৰগোহাঞি কিছু পৃথক। ৰুগ্ন মানসিকতাৰ চিত্ৰ, আত্মহত্যাৰ প্ৰৱণতা, বেশ্যা বৃত্তি, নিঃসংগতাকে আদি কৰি নৰ-নাৰীৰ যৌন মিলন, কামনা-বাসনা, সামাজিক সমস্যা কোনো লুক-ঢাক নোহোৱাকৈ ৰচনাৰাজিৰ মাজত প্ৰকাশ কৰিছে। তদুপৰি অসমীয়া গল্প সাহিত্যত ফ্ৰয়েডীয় তত্ত্বৰ দৰে জীৱন বীক্ষাৰ সূচনা কৰা লেখকসকলৰ মাজত হোমেন বৰগোহাঞিৰ নাম উল্লেখযোগ্য। তেওঁ লৰেন্স, ম'ৰাভিয়াৰ জটিল মনোবৈজ্ঞানি বিশ্লেষণৰ পথেৰে আধুনিক জীৱনৰ মনঃস্বত্ত্ব বিশ্লেষণ কৰিছে।

বৰগোহাঞিৰ *আবেলিৰ আলিবাটৰ গল্প, ইস্মাইল ছেখৰ সন্ধানত, নৰকত বসন্ত, পাৰ্টি, ভাৰতবৰ্ষ ঃ ১৯৪৭-৬৫* আৰু *জননী* গল্পত মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ স্পষ্ট। হোমেন বৰগোহাঞিয়ে সম্পাদনা কৰা *ৰামধেনুৰ* পাতনিত কৈছে যে আধুনিক চিন্তাৰ ওপৰত কাৰ্ল মাৰ্ক্সৰ অৰ্থনৈতিক তত্ত্ব আৰু ছিগমুণ্ড ফ্ৰয়েডৰ মনঃস্তাত্ত্বিকপ আৱিষ্কাৰসমূহৰ প্ৰভাৱ অতি গভীৰ আৰু সৰ্বব্যাপী। বৰগোহাঞিৰ *চেনাটোৰিয়াম, মহাশ্বেতাৰ বিয়া, অক্টোপাচ, হৃদয়ৰ প্ৰয়োজন, পৰ্দা, নৰকত বসন্ত, অসুখ, তিনি বাই-ভনী* আদি গল্পত ফ্ৰয়েডীয় মনঃস্তত্ত্বৰ প্ৰভাৱৰ লগত যে যৌন লালসা আৰু কাম প্ৰৱণতা চিত্ৰৰ প্ৰয়োগ লক্ষণীয়।

গল্পকাৰ বৰগোহাঞিৰ নির্মিতিৰ মাজত ইউৰোপীয় সাহিত্যিক কাফ্কা, ডষ্যয়ভস্কী, ম'ৰাভিয়া আৰু ছার্ত্রে আদিৰ প্রভাৱ পৰিলক্ষিত হয়। উল্লেখযোগ্য যে কাফ্কাৰ দৰে এজন লেখক হোৱাৰ পণ কৰা বৰগোহাঞিৰ *অসুখ* গল্পত যৌন লালসাৰ লগতে মনঃস্তাত্ত্বিক চিন্তাধাৰাৰ উপৰি কাফ্কাৰ *The Metamorphosis* গল্পৰ কাহিনীৰ সৈতে সাদৃশ্য লক্ষ্য কৰা পৰিলক্ষিত হয়।

পাশ্চাত্যৰ আধুনিকতাবাদী আন্দোলনৰ অন্য এটা ভাবধাৰা অস্তিত্ববাদৰ প্রভাৱ বৰগোহাঞিৰ ৰচনাত সুস্পষ্ট। উল্লেখযোগ্য যে গল্পকাৰ বহুকেইটা নির্মিতিত পোনতে অস্তিত্ববাদৰ পৰশ থকা চৰিত্র তথা ভাবৰাশি সামৰণিত ফ্রয়েডীয় মনঃস্তত্ত্বৰ মাজত লীন হৈ যোৱা দেখিবলৈ পোৱা গৈছে। *আবেলিৰ আলিবাটৰ গল্প, অক্টোপাছ, যৌৱন, জন্ম, হৃদয়ৰ প্রয়োজন, চিকাৰ, পোষ্টমর্টেম* আদি গল্পত ছার্ত্রে আৰু নীৎছেৰ অস্তিত্ববাদী ধাৰণাৰ প্রভাৱ বিদ্যমান।

ফ্রয়েড আৰু ইয়ুঙে মানুহৰ চেতনা বহুমাত্রিক বুলি প্রকাশ কৰিছে। তেনে চেতনাৰ আধাৰত বৰগোহাঞিৰ ভয় শীর্ষক গল্পত অস্তিত্ববাদী দর্শন আৰু চেতনাস্রোত পদ্ধতিৰ যুগপৎ প্রকাশ পাইছে। মানুহে মনৰ অন্তর্জগতত অহৰহ কঢ়িয়াই ফুৰা ভীতি সম্পর্কে এইজন লেখকে নৱতম কলা-কৌশল আৰু আংগিকৰ মনোৰম ৰূপত উপস্থাপন কৰিছে।

অভিব্যক্তিবাদীসকলৰ দৃষ্টিভংগী আগত ৰাখি হোমেন বৰগোহাঞিৰ *আবেলিৰ গল্প, এপিটাফ, চোৰ আৰু জননী উল্লেখযোগ্য সৃষ্টিকর্ম। অস্তিত্ববাদ, ফ্রয়েডীয় তত্ত্বৰ বিবিধ দিশৰ লগতে মার্ক্সীয় দর্শন, চেতনাস্রোত পদ্ধতি, অভিব্যক্তিবাদৰ উপৰি ৰূপান্তৰিত মূল্যবোধৰ দ্বন্দ্বাত্মক চিত্র আৰু প্রতীকী ব্যঞ্জনাৰে উপস্থাপন কৰা বিষয়বস্তুৰ বাবে ৰামধেনুৰ* জনপ্রিয় তথা বর্তমানেও খ্যাতিসম্পন্ন সাহিত্যিক হোমেন বৰগোহাঞিৰ ৰচনাসম্ভাৰ অসমীয়া গল্প-সাহিত্যত সমাদৃত হৈ ৰ'ব।

পাশ্চাত্যৰ প্রভাৱ তথা *ৰামধেনুৰ* খ্যাতনামা আন এগৰাকী জনপ্রিয় গল্পকাৰ হ'ল সৌৰভ কুমাৰ চলিহা। পাশ্চাত্যৰ ৰীতিৰে সৈতে সু-সংযোগ সাধন কৰা চলিহাৰ প্রায়বোৰ গল্পত আধুনিক বৈজ্ঞানিক চিন্তা, অস্তিত্ববাদী ধাৰণা আৰু ফ্রয়েডীয় চিন্তাৰ সুন্দৰ প্রয়োগ পৰিলক্ষিত হয়। এই ক্ষেত্রত চলিহাৰ 'গোলাম', 'এহাত ডাবা', 'বীণা কুটীৰ' আদি গল্পত অস্তিত্ববাদী দর্শন, চেতনাস্রোত ৰীতিৰ প্রকা বিদ্যমান।

চলিহাৰ বেছিভাগ অগতানুগতিক বিষয়বস্তুৰে ৰচিত গল্পত দ্বিতীয় মহাসমৰৰ পাছৰ সমাজখনৰ ক্ষয়িষ্ণু পৰিৱেশ, সুবিধাবাদী স্বার্থপৰ চৰিত্র, দুই যুগৰ দুটা মূল্যবোধৰ দ্বন্দ্ব অতি সুন্দৰকৈ প্রতিফলিত কৰিছে। নিঃসংগ চেতনা, ফ্রয়েডীয় যৌন মনঃস্তত্ত্ব, অৱস্থিতিবাদী চিন্তাধাৰা, চেতনাপ্রবাহ ৰীতি আৰু অভিব্যক্তিবাদৰ প্রয়োগেৰে গঢ় দিয়া চলিহাৰ কেতবোৰ গল্পত জীৱন-স্পৃহা আৰু মৃত্যু-স্পৃহাৰ ব্যাখ্যাও প্রকাশিত হৈছে। তদুপৰি সাংগীতিক মধুৰতাযুক্ত চলিহাৰ গল্পক মননশীলতা গুণৰ বাবে কাফ্কাৰ গল্পৰ সমধর্মী আখ্যা দিয়া হয়।


ৰামধেনুৰ অন্যান্য বহু সংখ্যক জনপ্ৰিয় লেখকে গল্প ৰচনা কৰি গল্প-সাহিত্যৰ জগতখনলৈ যথেষ্ট বৰঙণি আগবঢ়াইছে যদিও মহিলা গল্পকাৰ নিৰুপমা বৰগোহাঞি আৰু মানণি ৰয়চম গোস্বামীৰ ৰচনাত পাশ্চাত্য নাৰীবাদী চিন্তাৰ প্ৰকাশ তথা প্ৰয়াস বিদ্যমান হোৱা বাবে আন পুৰুষ নাৰী গল্পকাৰসকলৰ ৰচনাত পাশ্চাত্যৰ প্ৰভাৱ প্ৰৱল যেন ধাৰণা নহয়। নিঃসন্দেহে পাশ্চাত্যৰ নাৰী-মুক্তি, স্ত্ৰী-শিক্ষা, মুক্ত নাৰী বা স্বাধীন নাৰীৰ ভাবনাৰ সমান্তৰালকৈ নাৰী মনৰ জগতখনক গল্পত বৰগোহাঞি আৰু গোস্বামীয়ে অতি সুন্দৰ ৰূপত উপস্থাপিত কৰি সার্থক গল্প সৃষ্টি কৰিছে।

বাস্তৱধর্মী গল্পকাৰৰূপে পৰিচিত শীলভদ্রই নানান অভিজ্ঞতাৰ ৰহণেৰে গঢ় দিয়া কাহিনীসমূহত সমকালীন সমাজৰ শোষণ, শাসন, ভণ্ড চৰিত্রৰ লগতে সমাজৰ সকলো শ্রেণীৰ মানুহৰ জীৱন প্রতিফলিত হৈছে। এইগৰাকী লেখকে আঞ্চলিক জীৱনৰ পটভূমিত গঢ় দিয়া সৃষ্টিৰাজিত হয়।



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৪০-৭০ৰ সময়ছোৱাত অসমীয়া চুটিগল্পৰ বিকাশ আৰু প্রসাৰ সম্পর্কে জানিব পাৰিলোঁ।
- এই সময়ছোৱাৰ চুটিগল্পৰ পটভূমিৰ বিষয়ে অৱগত হ'লোঁ
- ১৯৪০-৭০ৰ সময়ছোৱাত ৰচিত অসমীয়া গল্পত পাশ্চাত্য প্রভাৱ কিদৰে পৰিছিল সেই বিষয়ে ধাৰণা লাভ কৰিব পাৰিলোঁ।



১৩.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, হৃদয়ানন্দ (সম্পা.) (১৯৯৯) ঃ উত্তৰ ৰামধেনু যুগৰ নির্বাচিত গল্প, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) গোস্বামী, ত্রৈলোক্যনাথ (২০০৬) ঃ আধুনিক অসমীয়া গল্প-সাহিত্য, গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩) বৰা ফুকন, ৰুণুমণি (২০১৭) ঃ হোমেন বৰগোহাঞিৰ চুটি গল্প, গুৱাহাটী ঃ জাগৰণ সাহিত্য প্রকাশ।

৪) শর্মা, উপেন্দ্র নাথ (২০০৫) ঃ কবিতাৰ ভাষা আৰু অন্যান্য প্রৱন্ধ, গুৱাহাটী ঃ জয়দেৱ শর্মা-ভৱানী দেৱী প্রকাশন।

৫) শইকীয়া বৰা, লীলাৱতী (সম্পা. (১৯৯৯) ঃ প্রৱন্ধৱলী, ড° যমুনা শর্মা চৌধুৰীৰ প্রৱন্ধ

'অসমীয়া চুটিগল্পত পাশ্চাত্য প্ৰভাৱ', গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



১৩.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ দ্বিতীয় মহাসমৰ, ৪২ গণ আন্দোলন, গান্ধীজীৰ স্বাৰজা আন্দোলনকে আদি কৰি ৰাজনৈতিক, অৰ্থনৈতিক আৰু সংস্কৃতিক পৰিৱেশ পৰিস্থিতিয়ে কেনেদৰে পটভূমি নিৰ্মাণত সহায় কৰিছিল, বহলাই আলোচনা কৰক।

২ নং প্ৰশ্নৰ উত্তৰ ঃ *আৱাহন*ৰ প্ৰকাশ স্তব্ধ হৈ যোৱাৰ পাছত 'ৰামধেনু'ৰ প্ৰকাশৰ লগে লগে পাশ্চাত্যৰ প্ৰভাৱ আৰু প্ৰসাৰে ন ন চিন্তা-আদৰ্শৰে গল্পকাৰসকলৰ ৰচনাসম্ভাৰক ন ৰূপ দি সুন্দৰ আয়তন প্ৰদান কৰাৰ বিষয়ে উল্লেখ কৰক।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 'আৱাহন'ত আত্মপ্ৰকাশ কৰিলেও 'ৰামধেনু'ত যথেষ্ট সংখ্যক গল্প ৰচনাৰে খ্যাতি অৰ্জন কৰা চৈয়দ আব্দুল মালিকৰ গল্পত ৰোমাণ্টিক বাস্তৱবাদী দৃষ্টিভংগী, ফ্ৰয়েডীয় মনঃস্তত্ত্ব, জটিল মনঃস্তাত্ত্বিক ভাবনা সমৃদ্ধ পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ সম্পৰ্কে বহলাই লিখক।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাবাদী আৰু আধুনিক দুই ধৰণৰ ৰীতিৰে গল্প ৰচনা কৰা ভবেন্দ্ৰ নাথ শইকীয়াৰ সৃষ্টিত আধুনিক বৈজ্ঞানিক প্ৰগতি, পাশ্চাত্যৰ মনঃসমীক্ষা, চেকভৰ ৰচনা-ৰীতি, মোপাছাঁ, অ' হেনৰীৰ ৰচনা-কৌশল, স্বভাৱবাদ, ইম্প্ৰেচনিজম', irony'ৰ প্ৰয়োগৰ সুন্দৰ প্ৰকাশ সম্পৰ্কে গল্পৰ নামেৰে সৈতে উল্লেখ কৰি বহলাই লিখা।



১৩.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ যুদ্ধোত্তৰ যুগৰ সাহিত্যিকসকলৰ গল্প ৰচনাৰ কলা-কৌশল পৰিৱৰ্তনত কোন কোন কাৰকৰ অৱদান সৰ্বাত্মক?

প্ৰশ্ন ২ ঃ ১৯৪০ৰ পৰা ১৯৭০ চনত ৰচিত গল্পৰ বিষয়বস্তু আৰু আংগিক সম্পৰ্কে এটি নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ৰচনাক প্ৰভাৱান্বিত কৰা পাশ্চাত্যৰ প্ৰভাৱৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ কোনবোৰ দিশত পাশ্চাত্যৰ প্ৰভাৱ প্ৰতিফলিত হৈছে, সেই দিশসমূহ ফঁহিয়াই বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ মহিম বৰাৰ এটি গল্পৰ আধাৰত পাশ্চাত্যৰ প্ৰভাৱ সম্পৰ্কে লিখক।

প্ৰশ্ন ৬ ঃ হোমেন বৰগোহাঞিৰ সৃষ্টিসম্ভাৰক পাশ্চাত্য প্ৰভাৱে কেনেদৰে প্ৰভাৱান্বিত কৰিছে বুলি আপুনি ভাবে? এটি প্ৰবন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ আধুনিক চুটিগল্পত পাশ্চাত্য প্রভাৱ (১৯৭০-২০০০)

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ ১৯৭০-২০০০ ৰ সময়ছোৱাৰ সাহিত্যিক পটভূমি
১৪.৪ অসমীয়া চুটিগল্পকাৰৰ চুটিগল্পত পাশ্চাত্য প্রভাৱ
১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৬ অধিক জানিবলৈ
১৪.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৪.৮ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ১৯৭০-২০০০ ৰ অসমীয়া চুটিগল্পৰ ক্ষেত্রখনৰ সাহিত্যিক পটভূমি সম্পর্কে জানিব পাৰিব
- এই সময়ছোৱাৰ অসমীয়া গল্পকাৰসকলৰ গল্পত পৰিলক্ষীত পাশ্চাত্য প্রভাৱ সম্পর্কে অৱগত হ'ব।

১৪.২ পৰিচয়

পূর্বৰ অধ্যায়ত আপুনি ৰামধেনুকালীন অসমীয়া চুটিগল্পত ৰচিত পাশ্চাত্য প্রভাৱ সম্পর্কে জানিব পাৰিলে। প্রস্তাৱিত এই অধ্যায়ত উত্তৰ-ৰামধেনুকালীন অসমীয়া গল্পত পাশ্চাত্য ভাৱধাৰাৰ প্রভাৱ কিদৰে পৰিছে, সেই সম্পর্কে অৱগত হ'ব। লগতে এই সময়ছোৱাত আত্মপ্রকাশ কৰি বিভিন্ন দিশত সাহিত্যিক অৰিহণা যোগোৱা অসমীয়া আলোচনী কেইখনৰো সম্যক ধাৰণা লাভ কৰিব।

১৪.৩ ১৯৭০-২০০০ সময়ছোৱাৰ সাহিত্যিক পটভূমি

১৯৪৮ চনত বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদনাত ৰংঘৰ নামৰ এখন শিশু আলোচনী প্রকাশ হৈছিল। যদিও ই এখন শিশু আলোচনী আছিল, তথাপিতো ইয়াত সৰু-ডাঙৰ সকলো সাহিত্যিকে সাহিত্য চর্চা কৰিছিল। দুবছৰ পিছত ৰংঘৰ আলোচনীৰ প্রকাশ বন্ধ কৰি ৰামধেনু নামৰ এখন উচ্চস্তৰৰ আলোচনী প্রকাশ কৰিবলৈ আৰম্ভ কৰে। দৰাচলতে ৰংঘৰ সম্পাদকে বিদেশ ভ্রমণৰ জৰিয়তে শিক্ষা আৰু সাহিত্য বিষয়ক যি অভিজ্ঞতা আহৰণ কৰিছিল তাৰ পৰিণতিত অসমীয়া সাহিত্যৰ উন্নতিৰ বাবে ৰামধেনু আলোচনী প্রকাশ কৰাৰ সিদ্ধান্ত গ্রহণ কৰিছিল। সেই

উদ্দেশ্য আনকি কেইবাজনো বিশিষ্ট বন্ধুৱে লগ হৈ 'ৰামধেনু প্রকাশ লিমিটেড' নামৰ এটা প্রকাশন সংস্থা খুলিছিল।

ৰামধেনুৰ প্রথম সংম্পাদক আছিল ইন্দ্রকমল বেজবৰুৱা আৰু মহেশ্বৰ নেওগ। চতুর্থ বছৰৰ পৰা মহেশ্বৰ নেওগে অকলে আলোচনীখনৰ দায়িত্ব লয়। প্রথম বছৰৰ পৰা বীৰেন্দ্র কুমাৰ ভট্টাচার্যই সম্পাদকৰূপে যোড়শ বছৰৰ প্রথম সংখ্যা পর্যন্ত ৰামধেনু সম্পাদনা কৰিছিল। কিন্তু ১৯৬৭ চনত ইন্দ্রকমল বেজবৰুৱাৰ মৃত্যু হোৱাত ৰামধেনুৰ প্রকাশ বন্ধ হয়। ১৯৭১ চনত পুনৰ ৰাধিকামোহন ভাগৱতীৰ সম্পাদনাত ছেগাচোৱোগাকৈ কিছুদিন চলাৰ পিছত ১৯৮০ চনত চিৰকাললৈ বন্ধ হয়।

ৰামধেনুৰ অন্তর্ধানৰ লগে লগে অসমীয়া সাহিত্যৰ ক্ষেত্রখনত এটা স্তিমিত ৱস্থাৰ সৃষ্টি হয়। বহু সাহিত্যিকে যথোপযুক্ত প্রকাশ মাধ্যম নাপাই সাহিত্য চর্চা পৰিত্যাগ কৰাৰ দৰে হৈছিল। ৰামধেনুৰ সমান্তভাৱে অথবা ৰামধেনুৰ ঠিক পিছতে অসমীয়া সাহিত্যত তিনিখন আলোচনীৰ সংযোজন ঘটিছিল। সেইকেইখন হৈছে -- মণিদ্বীপ, অসমীয়া আৰু নৱযুগ। মহেন্দ্র বৰাৰ সম্পাদনাত মণিদ্বীপৰ প্রথম সংখ্যাটো ১৯৬০ চনৰ নৱেম্বৰ মাহত প্রকাশ হৈছিল। প্রথম সংখ্যাটোত চন্দ্রপ্রসাদ শইকীয়া আৰু ললিত বৰাই গল্পচর্চা কৰিছিল। মণিদ্বীপ আলোচনীত গল্প লিখা উল্লেখযোগ্য গল্পকাৰসকল লক্ষ্মীনাথ ফুকন, চৈয়দ আব্দুল মালিক, বীৰেন্দ্র ভট্টাচার্য, নগেন শইকীয়া, অণিমা ভৰালী, সতীশচন্দ্র ভট্টাচার্য্য, অঞ্জুমালা ৰাজখোৱা, আৰতি বৈৰাগী আদি।

মণিদ্বীপ আলোচনীৰ পিছত চন্দ্রপ্রসাদ শইকীয়াৰ সম্পাদনাত মাহেকীয়া অসমীয়া আলোচনীৰ প্রথম সংখ্যাটো ১৯৬৮ চনৰ মে' মাহত প্রকাশ পায়। 'আচামা প্রিণ্টার্ছ এণ্ড পাব্লিচার্ছ' এই আলোচনীৰ প্রকাশক আইছল। মাহেকীয়া অসমীয়াৰ প্রথম বছৰৰ প্রথম সংখ্যাৰ পৰাই ধাৰাবাহিকভাৱে বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ জ্ঞানপীঠ বঁটা বিজয়ী উপন্যাস মৃত্যুঞ্জয় প্রকাশ হৈছিল। এই সংখাতে গল্প লিখিছিল যোগেশ দাস, নীলিমা শর্মা, নিৰুপমা বৰগোহাঞি আৰু ইমৰাণ শ্বাহে, প্রবীণা শইকীয়াই জেন ষ্টেইনবেকৰ গল্প অনুবাদ কৰিছিল।

এই সময়ছোৱাত অর্থাৎ ষাঠিৰ দশকত প্রকাশ পোৱা এখন সাপ্তাহিক বার্তালোচনী হ'ল নৱযুগ। নীলিমা দত্তৰ উপন্যাস আকাশ বস্তি ধাৰাবাহিকভাৱে আর্থ সামাজিক আৰু ৰাজনৈতিক বিষয়বোৰৰ আলোচনাত বিশেষ গুৰুত্ব দিছিল। সৃজনশীল সাহিত্যৰ প্রতিও আলোচনীখনে বিশেষ লক্ষ্য ৰাখিছিল। প্রবীণসকলৰ বাহিৰেও কেইবাগৰাকীৰ নবীন লেখক-লেখিকাই এই নৱযুগৰ পাততে আত্মপ্রকাশ কৰিছিল।

ৰামধেনুৰ অন্তর্ধানৰ লগে লগে মণিদ্বীপ, নৱযুগ আদি আলোচনীয়ে কিছু পৰিমাণে এই অভাৱ দূৰ কৰিলেও অসমীয়া সাহিত্যৰ ৰামধেনুৰ যি স্থান, সেয়ে গ্রহণ কৰিব পৰা নাছিল। ৰামধেনুৰ পৰৱর্তী সময়ছোৱাত ১৯৭৫ চনত প্রকাশ পোৱা প্রকাশ আলোচনীয়ে অসমীয়া সাহিত্যৰ পুষ্টিসাধনত বিশেষ বৰঙণি যোগাইছিল। চন্দ্রপ্রসাদ শইকীয়াৰ সম্পাদনাত ১৯৭৫ চনৰ এপ্রিল মাহৰ পৰা প্রকাশ পাবলৈ লোৱা এই আলোচনী খনৰ প্রকাশক আছিল 'অসম প্রকাশন পৰিষদ'। ৰামধেনু, মণিদ্বীপ, আমাৰ প্রতিনিধি আদি আলোচনীৰ পিছত অসমীয়া

সাহিত্যত সৃষ্টি হোৱা শূন্যতা প্রকাশে দূৰ কৰিছিল। বিভিন্ন সৃষ্টিশীল কবিতা, প্রবন্ধ, উপন্যাসৰ লগতে নবীন-প্রবীণ গল্পকাৰৰ গল্পৰেও প্রকাশ সমৃদ্ধ হৈছিল। প্রকাশ আলোচনীত বিভিন্ন গল্পকাৰে শক্তিশালী প্রকাশভংগী আৰু নতুন আংগিকৰ সম্পৰীক্ষণেৰে কেইবাটাও নতুন গল্প ৰচনা কৰিছিল। তাৰ ভিতৰত হোমেন বৰগোহাঞিৰ 'গৰখীয়া', নগেন শইকীয়াৰ 'আন্ধাৰত নিজৰ মুখ', মামমি ৰয়ছম গোস্বামীৰ 'সংস্কাৰ', প্রণৱজ্যোতি ডেকাৰ 'সোধা নহ'ল', অপূর্ব শর্মাৰ 'অসামাজিক', মনোজ কুমাৰ গোস্বামীৰ 'অনুবাদ' আদি উল্লেখযোগ্য। ৰামধেনু আলোচনীৰ মাজেৰে অসমীয়া গল্পলৈ যি পৰিপক্কতা আহিছিল, সেই পৰিপক্কতা প্রকাশ আলোচনীৰ পাততো অক্ষুণ্ণ আছিল। অৱশ্যে প্রত্যেকজন গল্পকাৰৰ ভাষাজ্ঞান, কথনভংগীত সৃষ্টি হোৱা তাৎপর্যই এই সময়ছোৱাৰ সম্পর্ক অধিক আবেদনময় কৰি তুলিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ১৯৭০-২০০০ ৰ সময়ছোৱাৰ পটভূমি সম্পর্কে আলোচনা কৰক। (১০০ শব্দৰ ভিতৰত)

.....

১৪.৪ অসমীয়া চুটিগল্পকাৰৰ চুটিগল্পত পাশ্চাত্য প্রভাৱ

ৰামধেনু যুগ (১৯৪০-৭০) ৰ পৰৱর্তী সময়ত (১৯৭০-২০০০) ৰচিত গল্পসমূহত ৰামধেনুৰ গল্পত প্রতিফলিত হোৱা সহজ-সৰল গ্রাম্য জীৱন আৰু তাৰ পৰিচিত সংঘাতসমূহৰ ঠাইত অধিক বাস্তৱধর্মী বিষয়বস্তুৱে ঠাই পাবলৈ ল'লে। বিশেষকৈ গ্রাম্য সমাজখনত দেখা দিয়া অর্থনৈতিক অৱক্ষয়। ঔদ্যোগিক প্রক্রিয়া আৰু আনুষ্ঠানিক বিৱর্তনসমূহে গল্পত প্রভাৱ পেলাইছিল। সেয়েহে হোমেন বৰগোহাঞিয়ে সার্থকভাৱে এই যুগটোক মোহভংগৰ যুগ বুলিছে।

ৰামধেনুকালীন সময়ছোৱাৰ দৰে এইখিনি সময়তো অসমীয়া চুটিগল্পত বিভিন্ন পাশ্চাত্য প্রভাৱ ৰক্ষিত হৈছে। বিপুল খাটনিয়াৰ এই সময়ছোৱাত আত্মপ্রকাশ কৰা এগৰাকী উল্লেখযোগ্য গল্পকাৰ 'খোজৰ শব্দ', 'দখাৰ', 'চিনাকী মুখৰ ছবি', 'তাই কাপোৰ নিপিন্ধে', ভিন্ন জীৱনৰ ভিন্ন কথকতা' আদি হ'ল তেখেতৰ দ্বাৰা ৰচিত উল্লেখযোগ্য গল্প। বিপুল খাটনিয়াৰৰ লগতে ecological writing বা পৰিমণ্ডলভিত্তিক দিশটো স্পষ্টভাৱে ফুটি উঠিছে। তেখেতে ৰচনা কৰা 'চেগুন বনৰ কথা' গল্পটোত ecological writing ৰ এক উৎকৃষ্ট উদাহৰণ য'ত গল্পকাৰৰ পৰিবেশ সচেতনতাৰ দিশটো ফুটি উঠিছিল। গল্পটোৰ কেন্দ্রীয় চৰিত্র লুন্‌চে। লুন্‌চে চৰিত্রই আমাক ৰর্ডছৱর্থৰ 'জোক-সংগ্রাহক' (leech-gatherer) ৰ কথা মনত পেলায়। বিপুল খাটনিয়াৰৰ 'ভিন্ন জীৱন ভিন্ন কথকতা' এখন উল্লেখযোগ্য সংকলন। এই সংকলনখনত সন্নিৱিষ্ট 'বহুৱা' গল্পটোৰ উত্তৰ-আধুনিক ভাৱধাৰা প্রকাশক এটি উৎকৃষ্ট গল্প। এই গল্পটোৰ নির্মাণশৈলীযথেষ্ট জটিল যদিও সুন্দৰ। 'বহুৱা'ৰ বাহিৰেও তেখেতৰ 'বাঁকৰ সাধু', 'সাঁচিপাতৰ পুথি', 'পুলিন পুথাওৰ হাড়' আৰু 'গেনা' গল্পত উত্তৰ-আধুনিক ভাৱধাৰাৰ প্রভাৱ ৰক্ষিত হোৱা পৰিলক্ষিত হৈছে।

'কাঁচৰ দৰে হীৰাৰ দৰে' (১৯৬৮), 'দূষিত সুবাস' (১৯৭১), 'ছোৱালী হোষ্টেলত এগৰাকী লেজবিয়ান' (১৯৯৩), 'চিত্র বিথকা' (২০০২) আদি গুৰুত্বপূর্ণ সংকলনসমূহৰ ৰচক গোবিন্দ

প্রসাদ শর্মাই তেখেতৰ গল্পতে পশ্চিমীয়া গল্পৰ সফল প্রয়োগ ঘটাইছে। 'কাঁচৰ দৰে হীৰাৰ দৰে' সংকলনখনৰ গল্পবোৰক গ্রীক ৰোমাঞ্চৰ সেই শাখাটোত পেলাব পাৰি, য'ত নায়কৰ ৰোমাঞ্চমূলক অভিযানৰ মাজেদি প্রেমৰ সংঘাত হয়। তেখেতৰ শ্রেষ্ঠতম গল্পবোৰৰ এটা 'দূষিত সুবাস'ত ব'ডলেয়াৰৰ The Flowers of Evil ৰ দৰে নগৰীয়া জীৱনৰ এক মর্মান্তিক ছবি ফুটি উঠিছে। হোমেন বৰগোহাঞিৰ 'নৰকত বসন্ত', 'ইছমাইল শ্বেখৰ সন্ধানত' গল্পৰ দৰে ইয়াতো নগৰৰ মটিফ (Motif) সার্থকভাৱে ব্যৱহাৰ কৰা হৈছে। এই গল্পটোত গোবিন্দ প্রসাদ শর্মাই নগৰৰ যি সার্থক চিত্রায়ণ কৰিছে, সেয়া বৃটিছ লেখক জেম্চ জয়চ আৰু ভার্জিনিয়া উল্ফে কৰা আধুনিক নগৰৰ চিত্রায়ণৰ মর্মধর্মী। তেখেতৰ দ্বাৰা ৰচিত 'তুলতুলৰ জন্মদিন' আন এটা সার্থক গল্প। গল্পটোত চেতনাস্রোত পদ্ধতিৰ আধাৰত মধ্যবিত্তীয় পার্টি এটাক আশ্রয় কৰি এজন নীচাত্মিকা ৰোগত আক্রান্ত মানুহৰ বহিঃ আৰু অন্তর্দ্বন্দ্ব সার্থক ৰূপত ফুটাই তুলিছে। এই গল্পটোৰ পূর্বেও 'ৰাতিৰ তামসী' গল্পটোত তেখেতৰ চেতনাস্রোত আৰু ফ্রেয়েডীয় যৌন মনস্তত্ত্বৰ সুস্থ প্রকাশ ঘটাবলৈ বিচাৰিছিল যদিও সি সার্থকতা লাভ কৰা নাছিল।

১৯৮৮ চনত আজৰি অসম আলোচনীত প্রকাশ পোৱা গোবিন্দ প্রসাদ শর্মৰ 'ছোৱালী হোষ্টেলত এগৰাকী লেজবিয়ান' গল্পটোত এটা অতি অগতানুগতিক আৰু স্পর্শকাতৰ বিষয়ে লৈ ৰচনা কৰা হৈছিল। ১৯৮৮ চনৰ অসমীয়া সমাজখনৰ পশ্চাদপটলৈ লক্ষ্য কৰিলে এই গল্পটোক এটা অতি দুঃসাহসী গল্প আখ্যা দিব পাৰি। এই গল্পটো ৰচিত হোৱাৰ বহু বছৰৰ পিছতহে মৌচুমী কন্দলীয়ে সহকামিতাৰ বিষয়টো লৈ গল্প লিখিছে। বিভাস চৌধুৰীয়ে সেয়েহে উচিতভাৱে অসমীয়া সাহিত্যত এনেধৰণৰ বিষয়বস্তু লৈ লিখা গল্পৰ সংখ্যা কম বুলি কৈছে। এই গল্পটোত কোনো প্রচাৰমুখী বা হৈ-হাল্লা সৃষ্টি কৰাৰ উদ্দেশ্যে লিখা গল্প নহয়; বৰং এই গল্পটো এড্রিয়েন ৰিখ (Adrian Rich) এ উল্লেখ কৰাৰ দৰে Lesbian Continuan ৰ প্রতিফলন য'ত সকলো ধৰণৰ নাৰীৰ লগত নাৰীৰ সম্পর্ক অন্তর্ভুক্ত হয়। যদিও বহু সমালোচকে গল্পটোত চৰিত্রৰ আভ্যন্তৰীণ দ্বন্দ্ব সার্থক ৰূপত ফুটি উঠা নাই বুলি মন্তব্য কৰিছে, তথাপি অসমীয়া গল্পৰ ইতিহাসত এক দুঃসাহসী আৰু অনবদ্য সংযোজন হিচাপে ইয়াৰ মূল্য সদায় অক্ষুণ্ণ থাকিব।

নাৰীবাদী ভাৱধাৰাৰ পাশ্চাত্যৰ পৰা আমদানিকৃত আৰু অসমীয়া সাহিত্যত বহুল ব্যৱহৃত এটি ভাৱধাৰা। অসমীয়া সাহিত্যত নাৰীবাদ সম্পর্তে চিন্তাচর্চা কৰা প্রথম ব্যক্তিজনেই হৈছে ডঃ ডঃ গোবিন্দ প্রসাদ শর্মা। তেখেতৰ 'ছোৱালী হোষ্টেলত এগৰাকী লেজবিয়ান' উপৰিও 'লৌহমানৰী' এটি উৎকৃষ্ট নাৰীবাদী ভাৱপ্রকাশক গল্প। এই গল্পটোত মাহেন্দ্রী নামৰ এগৰাকী মহিলাৰ জীৱনৰ পৰিক্রমা দাঙি ধৰা হৈছে। তেওঁ পুৰুষপ্রধানত সমাজখনত নিজৰ বুদ্ধিমত্তা আৰু শ্রমেৰে নিজকে অন্য মহিলাতকৈ ব্যতিক্রমী কৰি তুলিছে। বিপুল খাটনিয়াৰৰ 'বৈধব্য', অৰূপা পটংগীয়া কলিতাৰ 'দেৰী মেড'না' (গৰিয়সী, ১৯৯৭), অনিমা দত্তৰ 'আৱর্ত্তন', অপূর্ব শইকীয়াৰ 'লিংগমুক্ত পৃথিৰীৰ সাধু এটা' আদি নাৰীবাদী ভাৱপ্রকাশক উৎকৃষ্ট গল্প।

আলোচ্য সময়ছোৱাৰ এগৰাকী প্রতিভাৱান গল্পকাৰ হ'ল কুমুদ গোস্বামী। তেখেতৰ গল্পত সংবেদনশীলতা আৰু সূক্ষ্ম পর্যবেক্ষণশীলতাৰ প্রৱণতা পৰিলক্ষিত হয়। তেখেতৰ দ্বাৰা ৰতিক 'দুৱাৰ' এটি সার্থক গল্প। নিম্ন মধ্যবিত্ত জীৱনৰ কাৰুণ্য, হতাশা আৰু দুর্দশা তেওঁৰ গল্পৰ বিষয়বস্তু।

এনে ভাৱধাৰা প্ৰকাশৰ ক্ষেত্ৰত তেখেতে 'পেচিভ চাফাৰিঙ'ৰ দৃষ্টিভংগী লৈছে।

যাদুকৰী বাস্তৱবাদ (Magic Realism) প্ৰকাশ পূৰৰী বৰমূদৈৰ গল্পৰ এটি বিশেষ বৈশিষ্ট্য। যাদুকৰী বাস্তৱবাদ হৈছে বাস্তৱ আৰু সাধুকথাৰ সমন্বয়। যাদুকৰী বাস্তৱবাদী সাহিত্যত, অবাস্তৱ, অলৌকিক, ৰোমাঞ্চধৰ্মী, উদ্ভট তথা অসম্ভৱ ঘটনাকো প্ৰাঞ্জল ৰূপত উপস্থাপন কৰা হয়। এনে ধৰণৰ গল্পত গল্পকাৰে কোনো চৰিত্ৰৰ জৰিয়তে বাস্তৱৰ লগত বিস্ময়ৰ জগত এখনৰ সম্পৰ্ক স্থাপন কৰে। এফালে বাস্তৱৰ ধাৰণা প্ৰতিফলন, আনফালে বিস্ময় তথা ৰহস্যময় জগত এখনৰ পৃথিৱীৰ সজীৱ উপস্থিতি পূৰৰী বৰমূদৈৰ গল্পত লক্ষ্য কৰা যায়। তেখেতৰ 'ফুলপাহৰ শব্দ' গল্পটোত যাদুকৰী বাস্তৱবাদৰ প্ৰয়োগ মন কৰিবলগীয়া। 'ফুলপাহৰ শব্দ' গল্পটিৰ এটি অংশত ফুলপাহে আপোন জগতত বিচৰণ কৰাৰ দৃশ্য গল্পকাৰে অংকন কৰিছে। এইটো দৃশ্যটো যাদুকৰী বাস্তৱবাদৰ এক উৎকৃষ্ট উদাহৰণ। বিভিন্ন গল্প বিচাৰ কৰিলে এইটো কথা স্পষ্ট হয় যে গল্পকাৰগৰাকীয়ে তেওঁৰ লগত একাত্ম নোহোৱা কোনো কথাই ব্যক্ত নকৰে। তেখেতৰ কোনো গল্পতে কোনো আদৰ্শ জাপি দিয়াটো পৰিলক্ষিত নহয়। তদুপৰি তেখেতৰ গল্পত পাঠকৰ বাবে চিন্তাৰ অৱকাশ থাকে। প্ৰতীকৰ ব্যৱহাৰ (Uses of Symbles) পূৰৰী বৰমুদৈৰ গল্পৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। এই প্ৰসংগত 'শিয়ালীয়ে পালেগৈ ৰতনপুৰ' গল্পটোৰ কথা উল্লেখ কৰিব পাৰি। ইয়াত বাস্তৱ জীৱনৰ সমান্তৰালকৈ থকা সাধুকথাৰ অলৌকিক জগতখনক বৃত্তান্তৰ মাজলৈ টানি অনা হৈছে।

আন এগৰাকী গল্পকাৰ অৰুণ গোস্বামীৰ গল্পত স্বাধীনতাৰ পাছত সমাজখনৰ গ্ৰাস কৰিবলৈ ধৰা সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিস্থিতিৰ লগতে স্বাৰ্থপৰ, ভণ্ড চৰিত্ৰৰ মুখা খুলি দিয়াৰ প্ৰৱণতা দেখিবলৈ পোৱা যায়। কাৰ্লমাৰ্কছ্ব মাকৰ্ছীয় দৰ্শনৰ প্ৰভাৱপুষ্ট গল্পকাৰজনে সমাজৰ সংস্কাৰৰ লগতে সমতা স্থাপনৰ বাবে গল্পৰ যোগেদি যথেষ্ট প্ৰয়াস কৰা দেখিবলৈ পোৱা যায়। সেইদৰে আলোচ্য সময়ছোৱাৰ গল্পকাৰ অৰূপা পটংগীয়া কলিতাৰ গল্পত দুখীয়া শ্ৰেণীৰ সমস্যা, পুৰুষপ্ৰধান সমাজখনে নাৰীৰ প্ৰতি কৰা দুৰ্ব্যৱহাৰ, শোষিতসকলৰ দুখবহ জীৱনৰ চিত্ৰ অংকন কৰাৰ সমান্তৰালকৈ আশাবাদ, নাৰীবাদ, চিত্ৰকল্প আদি পাশ্চাত্যৰ প্ৰভাৱৰ দ্বাৰা আহৰিত দিশসমূহৰ যোগেদি সমাজ দায়বদ্ধ লেখকৰূপে নিজস্ব বক্তব্য তুলি ধৰিছে। তেওঁৰ ৰচনাত পাশ্চাত্যৰ দানস্বৰূপ প্ৰতিবাদী নাৰী চৰিত্ৰৰ চিত্ৰণ এটি মন কৰিবলগীয়া দিশ।

মনোজ কুমাৰ গোস্বামীৰ গল্পত নগৰীয়া যন্ত্ৰণা, নিসংগতা, অন্তঃবিৰোধ, সন্ত্ৰাসবাদী সমস্যাৰে পূৰ্ণ সমাজৰ পৰা পূৰ্ণ আহৰিত বিষয়সমূহক চেতনাস্ৰোত পদ্ধতিৰ সহায়েৰে মানৱ জীৱনৰ খণ্ডিত চিত্ৰ কাহিনীৰ মাজত উপস্থাপন কৰিছে। তদুপৰি পাশ্চাত্য উদ্ভট নাটকৰ শৈলীৰ অৰ্থাৎ এবচাৰ্ড দৰ্শনৰ ৰীতিৰ আধাৰত গোস্বামীয়ে মৌলিক গল্পকে সুন্দৰ আয়তন প্ৰদান কৰিছে।



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

● ১৯৭০-২০০০ ৰ সময়ছোৱাৰ অসমীয়া চুটিগল্পৰ ক্ষেত্ৰখনৰ সাহিত্যিক পটভূমি সম্পৰ্কে জানিলোঁ।

● এই সময়ছোৱাৰ অসমীয়া গল্পকাৰ সকলৰ গল্পত ৰক্ষিত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে অৱগত হ'লো।



১৪.৬ অধিক জানিবলৈ

১. ঠাকুৰ, প্ৰাপ্তি ঃ ৰামধেনুৰ চুটিগল্প-বিচাৰ আৰু বিশ্লেষণ; ভবানী বুকছ, ভবানী সংস্কৰণ, ২০০২।

২. বৰা, অপূর্ব (সম্পা.) ঃ অসমীয়া চুটিগল্প- ঐতিহ্য আৰু বিৱর্তন, যোৰহাট মহাবিদ্যালয়ৰ কেন্দ্ৰীয় প্ৰকাশন কোষ, যোৰহাট, প্ৰথম প্ৰকাশ, ২০১২।

৩. বৰগোহাঞি, হোমেন ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আবিলাক, দ্বিতীয় প্ৰকাশ, ২০১২।



১৪.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১. নং প্ৰশ্নৰ উত্তৰ ঃ আৰম্ভণি -- আলোচ্য সময়ছোৱাৰ সাহিত্যিক গতি - প্ৰকৃতি -- সামৰণি



১৪.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰামধেনু আলোচনীখনৰ প্ৰকাশ বন্ধ হৈ যোৱাৰ পিছত অসমীয়া সাহিত্যত কোনকেইখন আলোচনীয়ে আত্মপ্ৰকাশ কৰি কেনেধৰণৰ অৱদান আগবঢ়াইছিল, সেই সম্পৰ্কে এটি আলোচনা দাঙি ধৰক।

প্ৰশ্ন ২ ঃ উত্তৰ ৰামধেনুৰ সময়ছোৱাত বিভিন্ন পাশ্চাত্য ভাৱধাৰাৰ প্ৰভাৱ অসমীয়া চুটিগল্পবোৰত কিদৰে পৰিছিল? ব্যাখ্যা কৰক।

প্ৰশ্ন ৩. চমুটোকা লিখক ঃ

ক) পূৰৱী বৰমুদৈৰ চুটিগল্প।

খ) গোবিন্দ প্ৰসাদ শর্মাৰ গল্পত পাশ্চাত্যৰ প্ৰভাৱ।



প্রসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) আহমেদ, এম. কামালুদ্দিন (২০১৫); *ৰমন্যাসবাদ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা,* গুৱাহাটী ঃ বনলতা।

২) আহমেদ, এম কামালুদ্দিন, (২০১৫) ঃ *আধুনিক অসমীয়া কবিতা,* গুৱাহাটী ঃ বনলতা।

৩) আহমেদ, এম কামালুদ্দিন, (২০১৪) ঃ *সাহিত্যৰ অভিব্যক্তি,* গুৱাহাটী ঃ বান্ধৱ।

৪) আহমেদ, কুতুবুদ্দিন (১৯৯২); *ইংৰাজী সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৫) কটকী, চন্দ্র, (১৯৮৯) ঃ *আধুনিক অসমীয়া কবিতা,* যোৱহাট ঃ অসম সাহিত্য সভা।

৬) কটকী, প্রফুল্ল (১৯৭৯); *স্বৰাজোত্তৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৭) কলিতা, অমৱেন্দ্র (২০০৬); *পাশ্চাত্য সাহিত্য;* নলবাৰী কিতাপ ঘৰ।

৮) গগৈ, হৃদয়ানন্দ (সম্পা) (১৯৯৯) ঃ *উত্তৰ ৰামধেনু যুগৰ নির্বাচিত গল্প,* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৯) গগৈ, মৃণাল কুমাৰ (সম্পাঃ) (২০০০); *নাটক;* ডিগবৈ ঃ গৰীয়সী সংঘ।

১০) গোস্বামী, ত্রৈলোক্য নাথ (২০০৯); *আধুনিক গল্প সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১১) চেতিয়া, যোগেন (১৯৯৩); *আধুনিক নাট্যকলা;* যোৱহাট।

১২) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

১৩) ডেকা, পবিত্র (২০০৬); *নাট্য সাহিত্যত এভুমুকি;* নলবাৰী ঃ অসম নাট্য সন্মিলন।

১৪) দেৱগোস্বামী, ৰঞ্জিৎ কুমাৰ (২০১৫); *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* পঞ্চম খণ্ড উত্তৰ গুৱাহাটী ঃ আবিলেক।

১৫) দাস, নাৰায়ণ আৰু পৰমানন্দ ৰাজবংশী (সম্পা.) (২০১৪); *অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১৬) দত্ত, উদয় (১৯৯৫); *চুটিগল্প;* ষ্টুডেণ্টচ্ ষ্টৰ্চ, গুৱাহাটী।

১৭) দাস, অমল চন্দ্র (সম্পা.); (২০১৮); *অসমীয়া নাট্য পৰিক্রমা;* গুৱাহাটী ঃ বনলতা।

১৮) দেবী, ইন্দু প্রভা; দেৱী, অনুৰাণী (সম্পা.) (২০১৫); *আধুনিক অসমীয়া নাটক বিচাৰ বিশ্লেষণ,* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ ।

১৯) নাথ, ধ্রুৱজ্যোতি (সম্পা.) (২০০০); *চন্দ্রকুমাৰ কবিতাৰ বিচাৰ-বিশ্লেষণ,* ডিব্রুগড় ঃ বনলতা।

২০) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

২১) ফুকন, কবীন (২০০৩); *চন্দ্রকুমাৰ আগৰৱালা,* নতুন দিল্লী ঃ সাহিত্য অকাডেমি।

২২) বৰুৱা, দিলীপ (২০০৪); *যোৱা শতিকাৰ কবিতা অসমীয়া নৱন্যাসী সাহিত্যৰ পৰম্পৰা,* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২৩) বৰগোহাঞি, হোমেন, (২০১২) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* ষষ্ঠ খণ্ড আবিলেক।

২৪) বৰা, দেৱভূষণ, (২০১৭) ঃ *নির্বচন,* গুৱাহাটী ঃ বান্ধৱ।

২৫) বৰগোহাঞি, হোমেন (২০০৫); *অস্তৰাগ;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

২৬) বৰা ফুকন, ৰুণমণি (২০১৭); হোমেন বৰগোহাঞিৰ চুটিগল্প; গুৱাহাটী ঃ জাগৰণ সাহিত্য প্রকাশন।

২৭) বৰুৱা, সত্যপ্রসাদ (১৯৮৭); *আধুনিক নাট্যচিন্তা;* গুৱাহাটী ঃ পদ্মপ্রকাশ।

২৮) ভট্টাচার্য, পৰাগ কুমাৰ (২০১২); *পাশ্চাত্য সাহিত্যৰ অধ্যয়ন আৰু অনুবাদ;* গুৱাহাটী ঃ বনলতা।

২৯) ভৰালী, শৈলেন (১৯৯৩); *উপন্যাস বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩০) ভট্টাচার্য, পৰাগ কুমাৰ (১৯৯৩); *গল্পৰ প্রসংগ আৰু অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩১) ভৰালী, শৈলেন (১৯৯০); *নাটক আৰু অসমীয়া নাটক;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩২) ভৰালী, শৈলেন (১৯৯৪); *নাট্যকলা ঃ দেশী আৰু বিদেশী;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৩৩) ভৰালী, শৈলেন (২০০৮); *অসমীয়া নাটক ঃ স্বৰাজোত্তৰ কাল;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩৪) মহন্ত, পোনা (২০০৪); *নাটকৰ কথা;* গুৱাহাটী ঃ বনলতা।

৩৫) শর্মা, সত্যেন্দ্রনাথ (২০০১); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* গুৱাহাটী ঃ প্রতিমা দেৱী।

৩৬) শর্মা, গোবিন্দ প্রসাদ (২০১২); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

৩৭) শর্মা, সত্যেন্দ্রনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ

প্রকাশ।

৩৮) শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যৰ দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৩৯) শইকীয়া বৰা লীলাৱতী (সম্পা.) (১৯৯৯); *প্রবন্ধাৱলী যমুনা শর্মা চৌধুৰীৰ প্রবন্ধ 'অসমীয়া চুটি গল্পত পাশ্চাত্য প্রভাব', অসমীয়া সাহিত্য চ'ৰা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪০) শর্মা উপেন্দ্র নাথ (২০০৫); *কবিতাৰ ভাষা আৰু অন্যান্য প্রৱন্ধ;* গুৱাহাটী ঃ জয়দেৱ শর্মা-ভৱানী দেবী প্রকাশন।

৪১) শর্মা, সত্যেন্দ্রনাথ (১৯৯৩); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী।

৪২) শইকীয়া, অজিৎ (২০০৮); *ছশ বছৰৰ অসমীয়া নাটক পৰম্পৰা আৰু পৰিবর্তন;* দুলীয়াজান ঃ পথাৰ প্রকাশন।

৪৩) শর্মা, অৰুণ (২০১২); *নাট্য প্রসঙ্গ আৰু অন্যান্য ৰচনা;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

ইংৰাজী গ্রন্থ ঃ

1. Baruah, Birinchi Kumar (1978); *History of Assamese Literature;* New Delhi, Sahitya Akademi.
2. Bhuyan, Surya Kumar (1956); *Studies in the Literature of Assam*, Guwahati, Lawyers Books Stall.